বিকাশ বৰুৱা

# ঠেংচুই

GOVT. OF ASSAM
STATE OF

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী- ১

**Thengsui** : A collection of satirical short stories and humorous episodes by (Dr.) Bikaas Barooa and published by Rajendra Mohan Sarma on behalf of Chandra Prakash, Panbazar, Guwahati- 781001

---

প্ৰকাশক : ৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-
দূৰভাষ : ২৫১১৯৪৬

প্ৰথম প্ৰকাশ : ২০০৬ চন
দ্বিতীয় প্ৰকাশ : ২০০৮ চন

মূল্য : ৮০.০০ টকা

ডি.টি.পি. আৰু বেটুপাত : বিকাশ বৰুৱা

মুদ্ৰণ : অৰোৰা ফাইন আৰ্টচ
বামুণীমৈদাম, গুৱাহাটী- ২১

মোৰ কিতাপ সদায়েই তুলি দি আহিছোঁ সেইসকলৰ হাতত
যি মোৰ লেখা পঢ়ি ভাল পায়
ক'ৰবাত নামটো দেখিলে মৰমৰ চকুৰে চায়
কিনো লেখিছো এবাৰ পঢ়ি চাবলৈ হেঁপাহ কৰে
পঢ়ি অতাই হয়তোবা এখন চিঠি লিখে
বা টেলিফোনটো দাঙে
বা আলিবাটত পালে চিঞৰ এটা মাৰে

.....

!

আৰু লগতে তুলি দি আহিছোঁ সেইসকলৰো হাতত
যি মোক দেখিবই নোৱাৰে
নামটো শুনিলেই গাত দমলা-দমলে এলাৰ্জি হয়
অনবৰতে গুজৰি-গুমৰি থাকে
মৰিবলৈ শাও দিয়ে
যি কিতাপখন ভুলতে এবাৰ চকু ফুৰায়ো নাচায়
আৰু বাই-চ্চান্স কেনেবাকৈ হাতে-পাতে লাগি গ'লে
গাটো ধুই পেলোৱাই ভাল বুলি একে-দৌৰে গৈ
বাথৰুমত সোমায়

.

!!

পুৱা শুই উঠাৰে পৰা মাজ-নিশালৈকে এলাহ, ভাগৰক মুঠেও কেৰেপ নকৰাকৈ শক্তি সামৰ্থ্যৰ ভিতৰত যি কৰিব পাৰি, কৰি গৈলোওঁ। কাম-বন নোহোৱাকৈ দুটা মুহূৰ্ত্ত এনেয়ে শুই-বহি কটোৱা মনত নপৰে। মৰ-টোপনিটোৱে বৰকৈ হেঁচা মাৰি নধৰিলে, আৰু কামৰ তাগিদাত কেতিয়াবা নিশা ডেড়-দুইও বাজে। দিনটোৰ কামৰ শেষত সন্ধিয়া ঘৰলৈ আহি 'দুপৰীয়াৰ' খানাটো খাওঁ। তাৰ নাম ডাল (ডিনাৰ আৰু লাঞ্চ,- কথাইও টুগেদাৰ)। আঠ বজাৰ পিচত আৰম্ভ হয় সাহিত্য চৰ্চা।

কম্পিউটাৰটোৰ সমুখত বহি লিখি থাকোতে এটা প্ৰচণ্ড টোপনিয়ে হেঁচা মাৰি ধৰে। সৰ্বশক্তিৰে তাৰ লগত যুদ্ধ দিওঁ। তাৰোপৰি লাইট যায়, মহে খায়। খং উঠে। শীতৰ ৰাতিবোৰত ভালকৈয়ে ঠাণ্ডা লাগে। তেতিয়া ভাবো,- কি হ'ব ইমান কষ্ট কৰি? ভাবি? চিন্তি? লিখি? টোপনিৰ লগত যুঁজি? কোনে পঢ়িব? কোনে কিনিব? আগৰ মানুহখিনি নোহোৱা হৈ যোৱাৰ পিচত নতুন প্ৰজন্মই অসমীয়া কিতাপ কেতিয়াবা মেলি চাব জানো? কিতাপ বিক্ৰী নহলে প্ৰকাশকেই বা কিয় প্ৰকাশ কৰিব? এক আতংকময় পৰিস্থিতি।

কিন্তু যেতিয়া কিতাপৰ দোকান বা গ্ৰন্থমেলাত পাঠক এটা মাৰি আহি ডকল সভাপণ্ডিতৰ দৰে বয়োজ্যেষ্ঠ আৰু পৰম শ্ৰদ্ধেয় একোজনে 'তোমাৰ কিতাপ ইমান বিচাৰিলো, কিয় নাপালোহে ?' বুলি মিঠা ধমক দিয়ে, একে সময়তে প্ৰকাশকো আগবাঢ়ি আহে, তেতিয়া,- সেইবোৰ মুহূৰ্ত খুবেই আপুৰুগীয়া যেন লাগে। মনটো সলনি হৈ যায়। চিন্তাৰ ধৰণটোৱে ততালিকেই সুঁতি সলাই ওলোটা দিশেৰে আগবাঢ়ে। আকৌ সেইদিনাৰ পৰাই দুগুণ উৎসাহেৰে কামত ধৰো। লিখো। কম্পিউটাৰৰ ফট'শপত বেটুপাতৰ নমুনা তৈয়াৰ কৰো। দুছেজাৰ পাঁচত এয়া একেলগে পাঁচখন কিতাপ ওলাইছে। জ্যোতি প্ৰকাশনে ছপাইছে 'গাধাৰশিলা', কৌস্তুভে 'অন্ধৰজাৰ বঙ্কপ্ৰদেশ', কিৰণে 'শ্ৰীমতী কিংকং' আৰু শৰাইঘাটে 'এয়া মোৰ আইৰ হৃদয়'। এইটো খবৰনো বেয়া বুলি কোন সতেৰে কওঁ?

আগবাঢ়ি অহা প্ৰকাশকসকলৰ মাজত এইবাৰ চন্দ্ৰ প্ৰকাশ অন্যতম। শ্ৰীযুত ৰাজেন শৰ্মাৰ এই বৃহৎ পৰিয়ালটোৰ উদ্যম আৰু গ্ৰন্থপ্ৰেম দেখি মুগ্ধ হৈছো। কেৱল 'ঠেংচুই' প্ৰকাশ কৰাই নহয়, কেইখনমান চিকিৎসা বিজ্ঞানৰ কিতাপ লিখিবলৈকো ফৰমাইচ দিছে। চন্দ্ৰ প্ৰকাশৰ আগ্ৰহ, উদ্যম অনন্ত কাললৈ অটুত থাকওক। তেওঁলোকে আগলৈ আৰু বহুত বেছি উন্নতি কৰক। যশস্বী আৰু স্বনামধন্য হওক। আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছাৰে,

**বিকাশ বৰুৱা**

১১ ডিচেম্বৰ, ২০০৫

# বাপ্পা ঐ

ৰাতি পুৱাল কি নুপুৱাল, কলিং বে'লটোৱে নিজৰ থকা জেগাতে হেঁপাহ পলুৱাই আৰ্তনাদ কৰিবলৈ ধৰিলে।

ছেঃ। এইডালোযে আৰু। সময় নাই অসময় নাই...। মহা মস্কিল।

প্ৰথমতে ভাবিলো,– উঠি নাহোৱেই নেকি। ঘৰৰ নিচেই কাষতে আপদীয়া, মদাহী কেইটামানে 'অৰ্গেনাইজ' কৰা আবতৰীয়া, জেঠ-মহীয়া 'বিহু সন্মিলন' এখনত গোটেই ৰাতি গান-বাজনাৰ অত্যাচাৰ, প্ৰলয়ংকৰী নৃত্য, বিকট চিঞৰ, টেটুফলা কিৰিলি, কানৰ কণামাকৰি সৰাই দিয়া লাউদ স্পীকাৰৰ প্ৰচণ্ড শব্দ . গতিকে এক মিনিটো টোপনি নাই সহস্ৰবাৰ বাগৰ সলাই, গাৰুত মুৰ গুজি, কাণত ঠিলা মাৰি, দুই হাতেৰে কাণ ঢাকি, চৎফটাই, গুজৰি-গুমৰি কটাই দিয়াৰ পিচত এই জাষ্ট আধাঘণ্টামান আগতে চকু দুটা মুদ খাইছিলহে মাত্ৰ। আকৌ বাজিলেই মতা ঘণ্টাটো...।

কিন্তু উপায় নাই। ভিতৰত ঘণ্টাটো আৰু বাহিৰত স্নুইচ্ এটা নিজেই জানি-শুনি লগাই থৈছোঁ যেতিয়া তাক গালি পৰাৰ, অৱজ্ঞা কৰাৰ প্ৰশ্নই নুঠে। বিচনাৰ আৰাম, লেপৰ উম, টোপনিৰ আমেজ,– এই ধৰণৰ সকলোবোৰ বস্তু হেলাৰঙে পৰিত্যাগ কৰি এটা সময়ত ওলাই আহিবই লাগিব, ৰক্ষা নাই। ইউ কাণ্ট্ হেল্প .

আহিলো। আহি দুৱাৰো খুলিলো। পিছে.

আৰে, এইটো দেখোন মহিষাসুৰ!! আচৰিত হ'লো। ইনো আৰু' বহাগৰ বিহুটোত কি বুলি ওলালহি? বছৰটোত ইউজুৱেলি এবাৰেই আহে। পূজাত। সেইটো কথা কেৱল ময়ে নহয়, বান টু অল্ . আন্‌কি নিজৰ-নিজৰ মাকজনীৰ পেটত সোমাই থকা পেন্দুকণা ফিটাছটোলৈকে... সকলোৱেই জানে। মহিষ নোহোৱাকৈ দুৰ্গাপূজা!? – ইম্পছিব্‌ল্। নামুম্‌কিন। অসম্ভৱ। কিন্তু... বিহুতনো আকৌ ইয়াৰ কি কামটো ওলাল।

অকণমান চেষ্টা কৰা হ'লেই প্ৰশ্নটো মনৰ ভিতৰতে লুকাই ৰাখিব পাৰিলোহেঁতেন। পিছে নাই, নোৱাৰিলো। ফটা মুখেৰে চিধাচিধি ওলায়ে গ'ল। – কিহে'.... বন্ধু.. ? কি কথা কি বতৰা? ক'ৰ পৰা আহিলা? অসময়ত আবিৰ্ভাৱ দেখোন!

- দেখি বেয়া পাইছা যদি যাওঁগে আৰু।

মুখেৰে 'যাওঁগে' বুলি কৈ সি জোতা-মোজা খোলাত লাগিল। সেইবোৰ বাহিৰতে থৈ একোৰত নিৰ্বিকাৰ ভংগীমাৰে বাৰান্দাৰ ভিতৰলৈ সোমাল। সোমাই আৰু ৰ'বলৈ নাই,– পোনে পোনেই বাথৰুম।

ইতিমধ্যে ময়ো মুখ-চুখ ধুই আজৰি হৈ ল'লো। বাথৰুমৰ পৰা ওলাই সি আমাৰ

# ঠেংচুই

পিচফালৰ বাৰান্দাখনতে আৰামকৈ বহিলেহি। এইকণ তাৰ ফেভাৰিট জেগা। একপ্ৰকাৰ ৰিজাৰ্ভড্ বুলিয়ে ক'ব পাৰি।

গৰম চাহত ফু এটা আৰু বিস্কুটত দুকামোৰ মাৰি মহিষে ক'লে,— হে'ৰা বন্ধু এটা কথা কিন্তু ক'বই লাগিব। তোমাৰ এই বন্ধপ্ৰদেশ বহুত সলনি হৈ গ'লহে। কেইবছৰমানৰ ভিতৰতে। চাওঁতে চাওঁতে

- কি সলনি হ'ল?

- এ' মেইন্‌লি তোমালোকৰ এই বিহুটোৰ কথাই চোৱাচোন। কথা-কাণ্ডবোৰ কিমান বেলেগ হৈ গ'ল। এতিয়া গোটেই কন্‌ষ্টিপেছনখনেই ওলোটা।

- কন্‌ষ্টিপেছন।? সেইটো আকৌ কি?

- ছৰি, এই শব্দটো মোৰ সদায়ে ভুল হৈ যায়। কন্‌ষ্টিপেছন নহয়,-- কন্‌ষ্টিটিউছন। মানে ধৰি লোৱা,— সংবিধান। ঐতিহ্য, পৰম্পৰা, নীতি-নিয়ম । অসম মুলুকৰ আধুনিক ৰাইজে বিহুৰ এইবোৰেই সলনি কৰি পেলালে !।

অলপ পৰ বৈ, চাহ দুঢোক গিলি সিয়ে আকৌ কৈ গ'ল,-- 'বাপ্পা ঐ. মানুহবোৰে কিন্তু ভাল চান্দা তুলিব পাৰে দেই! একদম কালিকো কেৰেপেই নকৰে। ঘৰে দোকানে ৰাস্তাই বজাৰে কেৱল চান্দাৰেই ধান্দা। ভিক্ষাৰীৰ নিচিনাকৈ হাত পাতি পাতি, ডকাইতৰ নিচিনাকৈ দম ভাবুকি দি, মাজ ৰাস্তাত বেঞ্চ পাতি পাতি উস্ । বিহুৰ বজাৰখন সিহঁতে ঠাণ্ডা হ'বলৈ নিদিয়েই। চ'তৰ পৰা শাওণলৈকেই গৰম। আচ্ছা ৰ'বাচোন, বিহুটোৰ নাম 'চান্দাতোলা বিহু' ৰাখিব নোৱাৰিনে? তুমি কিবা এটা লিখা। বুইছা? এইযে লাখ-লাখ, কোটি-কোটি টকাৰ বাজেটেৰে বিহু সন্মিলন বাতৰি-কাকতত হেজাৰ-বিজাৰ শিল্পীৰ তৰহে তৰহে বিজ্ঞাপনবোৰ. আৰ্টিষ্টক লৈ দৰ-দাম, পইচা নিদিয়া, বহুৱাই থোৱা, ঠগবাজী কৰা বজাৰ-ভৰ্ত্তি গেলা-গেলা কেছেট, চিডি, এলবামবিলাক আয়া বিহু ঝুম্‌কে' টাইপৰ হিন্দী বিহু ৰাস্তাই-বজাৰে দিনে-নিশাই কিৰিলি, নইজ পলিউছন টেলিফ'নত বিহু মোবাৰক, হেপী বিহু ম'বাইলত মেছেজ আহাৰ-শাওণলৈকে ৰাতি-ৰাতি গান-বাজনা নিশাটো শেষ হৈ পুৱা পোহৰ হৈ যোৱালৈকে থলুৱা শিল্পীৰ দুৰ্দ্দান্ত আৰাও, ধলংপলং নৃত্য আকৌ বহাগী বিদায়, বসন্ত উৎসৱ !।

- ৰ'বাচোন, তুমি কি,— বিহু চাম বুলিয়ে আহিছিলানে?

- কেৱল চাম বুলিয়েই নহয়, বিহু খাম বুলি, বিহু দেখুৱাম বুলিও আহিছিলোঁ । অকল ময়েনে আমাৰ গোটেই পাৰ্টিটোৱেই সেইবুলিয়ে চৌদিশে তলা-বন্ধ দেখিও বন্ধপ্ৰদেশখনত হাজিৰ হৈছিলোঁহি

- গোটেই পাৰ্টিটো মানে?

- আমাৰ অসুৰৰ পাৰ্টিটোৰ কথা কৈছোঁ। বাহিৰত যে ৰখাই থৈ আহিছো বাছখন অ' তাৰমানে তুমি বাছখন দেখাই নাই।

- বাছ !?

# ঠেংচুই

লৰালৰিকৈ আকৌ বাহিৰ পালোগৈ। হয়, পদুলিৰ বাহিৰত ৰাস্তাতে এখন প্ৰকাণ্ড বাছ। প্ৰথমবাৰ চকুতেই নপৰিল। নে চকুত চছমাই নাছিলনেকি. .!!

- এৰা। বাছখন আছে হয়। তেতিয়া তোমাক চাওঁতেই গ'ল। সেইখন দেখাই নাপালো। বাৰু, যি হ'ল হ'ল,— তাত কিমান মানুহ আছে এতিয়া সেইটো কোৱা। মই কেবল তোমাক আলপৈচান ধৰিলেই নহ'ব নহয়। সিহঁতকো চাব লাগিব ....

- চাবা ৰ'বা। পিছে সেইবোৰ আক' মানুহ নহয় দেই,- অসুৰহে। ঢে'ৰ এজাকমান আছে। বাৰু,— শুনা। সিহঁতক লৈ তুমি চিন্তা কৰিবৰ দৰকাৰ নাই। ইয়ালৈ মতাৰ কথাও ভাবিব নালাগে। কাৰণ গোটেই নিশা টোপনি খতিৰ শেষত সিহঁতজাকে এতিয়া নাকৰ প্ৰচণ্ড ঘৰঘৰণিৰে হেঁপাহ পলুৱাই শুই আছে। একমাত্ৰ সাৰে থকা প্ৰাণীটো হৈছে ড্ৰাইভাৰ, আৰু সিও বৰ্তমান ওচৰে-পাজৰে ক'ৰবাত পথাৰ বিচাৰি গৈছে! গাড়ী ৰখায়েই তাৰ যিটোহে দৌৰ! বেচেৰাৰ চাগে' একদম ইমাৰ্জেন্সি ডিক্লাৰ হৈ গৈছিলগৈ। সাঁতে-পাঁচে মিলি মুঠতে কাকো ডিষ্টাৰ্ব নকৰাই বুদ্ধিমানৰ কাম হ'ব। বুজিলাতো. ?

চাহ দুকাপ লৈময়ো বাৰান্দাতে বহিলোহি। তাৰ ইতিমধ্যে খালী হোৱা কাপটোত নতুনকৈ অলপ বাকী দিলোঁ।

- কোৱাচোন এতিয়া,— অসুৰ পাৰ্টিটো আচলতে কিয় আৰু ক'লৈ আহিছিলা? এক্চুৱেল মত্‌লবটো কি আছিল. ?

- গুৱাহাটীৰ এখন বিহু সন্মিলনে আমাক মাতিছিল। সাংস্কৃতিক সন্ধিয়াত আমিও বোলে কিবা এটা আইটেম দিব লাগে. . । ভাবিছিলোঁ,- বাকী যি য'ত হয় হৈ থাকিব— কিন্তু আমি আমাৰ থকা কামটো আমাৰ লগৰ দিচপুৰীয়া অসুৰকেইটাৰ ঘৰতে কৰিম। তেতিয়া এট্ লিষ্ট হোটেলৰ পইচাকেইটা বাচি যাব। পিছে ভৱা কথা নহ'ল সিধি, বাটত আছিল কণা বিধি ! সন্মিলনৰ অৰ্গেনাইজাৰসকলৰ পৰা গম পালোঁ,- দিচপুৰীয়া অসুৰ বন্ধুহঁতে হেনো 'গাৰ্বলৈ ব'লক' বুলি ঢে'ৰ এগালমান খৰচ-তৰচ কৰি জাজ ফিল্ডত এসোপা মানুহ গোটালে, তাৰ পিচ মুহূৰ্ততে সকলো পাহৰি নিজে সুৰসুৰকৈ দিল্লী পালেগৈ। তাত গৈ চোনিয়া মেডামক কপৌফুল পিন্ধালে, কঁকাল নোহোৱা বিয়াগোম পেটবোৰ ঘূৰাই-ঘূৰাই ফাইভ-ষ্টাৰ হোটেলতে বিহু মাৰিলে, ৰাজকোষৰ পইচাৰে উগাৰি উগাৰি ভোজ-ভাত খালে, অ'ভাৰ-ইটিং হোৱাৰ পিচত সমানে এন্‌জাইম আৰু গেচ্‌ট্ৰিকৰ দৰৱ এগালমানো হজম কৰিলে, মুছাৰফৰ লগতে একেখন ষ্টেডিয়ামতে বহি ভাৰত-পাকিস্থানৰ ক্ৰিকেট খেল চালে, ভাৰতে ষ্টুল হাৰণ খোৱা দেখি আনৰ লগতে ফিল্ডালৈ বটল দলিয়ালে. .

- তোমালোকে পিছে বিহু সন্মিলনত কি কি আইটেম দেখুৱালা?

- ক'ত আৰু আইটেম্‌টো দেখুৱাবলৈ পালো! বহি-বহি ৰাতি পুৱাই গ'লগৈ ... সিফালে এড্‌ভান্স দিম বুলি কৈ পাৰগুকেইটাই পইচাও নিদিলে। নিদি পলাল। টিকলিও নাই, নেগুৰো নাই। ভোকে-লঘোণে, টোপনি খতিয়ে কিমান আৰু বোন্দাপৰ দি থাকিম?

# ঠেংচুই

আল্টিমেথলি গুছি আহিলো। ৰাতিপুৱা চাহ একাপ খাবলৈকো জেপত ফুটাকড়ি এটা নাই।

- ফুটাকডি এটাও নাই! এনেকুৱা অৱস্থা আক' কিয় হ'ল?

- সেইটোৱেইতো কথা। সেইকাৰণেহে আক' চি-ই-ধা তোমাৰ ওচৰ পালোহি। দিচপুৰ গৈ পোৱাৰ আগতেই এঠাইত চান্দা তোলা মানুহে আমাৰ বাছখন ৰখাই পইচা বিচাৰিলে। ভাবিছিলো,- দহ-বিছ টকামান দিলেই চান্দা পাৰ্টি ঠাণ্ডা হৈ যাব চাগে'। পিছে নহ'ল। হাতত যিমান পইচা আছিল তাৰ বেছিখিনিযেই লুটি লৈ গুছি গ'ল। ডিমাণ্ড কৰা মতে যদি নিদিওঁ, আটাইবোৰকে পিটি ঘুগুলা কৰি দিয়াৰ ভাবুকি দিলে। গতিকে উপায় নাই। আমি ভাই শিল্পী মানুহ, মাৰপিট কৰিবও নাজানো।

- তাৰমানে পইচা যিকেইটা আছিল, তাতেই শেষ?

- নহয়। তেতিয়াও দুটামান আছিল। সেইখিনি আক' অলপ পিচতে একেই ধৰণে বাছ ৰখাই লৈ টাঙোনধাৰী পুলিচে নিলে !!

কালৰো কাল বিষম কাল, হৰিণাই চেলেকে বাঘৰ গাল। অসুৰৰ ওপৰতো অসুৰ! মহিষৰ কাহিনী শুনি বিচুৰ্তি খালো।

- এতিয়া মই পিছে কি কৰিম?

- তুমি? তুমি মোক প্ৰথমতে একাপ চাহ খুওৱা। লগতে যি পাৰা বিহুও খুওৱা। তাৰ পিচত ধাৰলৈ কেইটামান টকা দিয়া।

- টকা! ধাৰলৈ !?

- অঁ, টকা। ধাৰলৈ। নামাৰো দিয়া,- ভয় খাব নালাগে।

আচল কথাটো সি ইমান খাৰাং-খাচকৈ কৈ দিয়াত মোৰ লাজেই লাগিল। কোনোবাই টকা বিচাৰিলে একচুৱেলি আমাৰ ভয় খোৱাটোৱেই নিয়ম। তাত আৰু মিছা মাতি লাভ নাই। এইটো একদম ইউনিভাৰ্ছেলি সঁচা কথা।

- শুনা। পূজাত আহিম নহয়,- তেতিয়াই ধাৰটো মাৰি দিম।

- এঃ।

- আৰু শুনা। কেনেবাকৈ যদি বিহুৰ নিচিনাকৈ পূজাৰ সময়তো মাজ-ৰাস্তাতে বাছ ৰখাই চান্দা বিচাৰিছে বুলি শুনো,— তেতিয়াও খোজ-তোজ কাঢ়ি, চুচৰি- বাগৰি, হাবিয়ে-জংগলে পলাই-মেলি হ'লেও আহি,— তোমাৰ ধাৰ মাৰিহে এৰিম! এই বিষয়ে তুমি চিন্তাই নকৰিবা।

অ', আৰু কি ভাবিছো জানা? ভৱিষ্যতে কিন্তু মৰি গ'লেও বাছত নুঠো।

- কিয়?

- চান্দা-পাৰ্টিৰ চেহেৰাবোৰ মনত পৰিলেই ভয় লাগি যায়। বাপ্পা ঐ.!!

# ওৰ

মহা-নগৰীৰ মাজ-মজিয়াতে হস্তী পৰিষদৰ প্ৰধান কাৰ্যালয়। মানে,— হে'ড অফিচ। গোঁসাই, মহন্ত, বৰুৱা, শৰ্মা, পাটোৱাৰী, মাৰোৱাৰী আদি পৰিষদৰ সকলোটি ফৌজীভাই পুৱা-গধুলি আহি ইয়াতেই লগ হয়। ইয়াতে আড্ডা মাৰে, চাহপানী খায়, কেতিয়াবা দুই-একে সিটুপিও ধৰে। অন্য সময়ত বৰ এটা জমি নাথাকিলেও নিৰ্বাচনৰ খুচ্‌বু এটা আহি যোৱাৰ লগে-লগে হে'ড অফিচো বাতিটোৰ ভিতৰতে গৰম হৈ আহে। মুহূৰ্ততে হৰেক ৰকমৰ এক্তিভিটিজ চালু হৈ যায়। সকলোৰে ব্যস্ততা তুংগত উঠে।

পিছে কিছুদিনৰ পৰা হস্তী পৰিষদৰ অৱস্থা আৰু হে'ড অফিচৰ হাল-চাল বৰ এটা ঠিক নহয়। ইটোৰ পিচত সিটোকৈ এসোপামান জেং লাগি আছে, লাগিয়ে আছে আৰু কেৰোণটো ক'ত কোনেও ততকে ধৰিব পৰা নাই। কোনোবাই কৈছে,— পাপৰ ফল। কোনোৰে কৈছে,— ৰাইজৰ শাওপাত। কিছুমানৰ মতে এইটো হেনো ল'ৰা-বজাৰ একালৰ টিঘিলঘিলনিৰ আল্টিমেট্ ৰিজাল্ট.....

এই সম্পৰ্কে পৰিষদৰ সদস্যবৃন্দই বহুত দিন বহুত ধৰণে চিন্তা কৰি চালে। কেইবালানিও আলোচনা কৰিলে। বিভিন্নজনৰ মতামত ল'লে। বিজ্ঞজনৰ পৰামৰ্শ বিচাৰিলে। কিন্তু কোনোমতেই একো সুফল নধৰিল। ছিচুৱেচন যেনেকৈ আছিল ঠিক তেনেকুৱাকৈয়ে ৰৈ গ'ল।

ভালেমানকেইটা দিন তেনেকৈয়ে পাৰ হৈ যোৱাৰ পিচত, আৰু বহু ভবা-চিন্তা, গৱেষণাৰ অন্তত ফৌজীভাইসকল এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ল। লাষ্টৰ ফালে তেওঁলোকে এইটোৱেই বুজি পালে যে সংকট-মোচনৰ মাত্ৰ এটাই উপায় আছে। আৰু সেইটো হৈছে পি-এন-এ'ৰ সহায় লোৱা। পি-এন-এ' অৰ্থাৎ 'পায়-নাপায় এছ্‌ছিয়েশ্যন'ৰ খ্যাতি পৃথিৱী-জোৰা। কি কি কৰিব পায় আৰু কি নাপায় ই সকলোকে তাৰেই দিহা দিয়ে। ইয়াৰ প্ৰতিজন সদস্য মহাজ্ঞানী, আৰু সৰ্ববিশাৰদ। বাওঁফালৰ জগনাথন সোঁফালে নি, দুৱাৰৰ জেগাত খিৰিকি বহুৱাই, টেবুল-চকীৰ পজিচনবিলাক ওল্টা-পাল্টা কৰি এওঁলোকে যোৱা দহটা বছৰত আমাৰ দেশখনৰ চেহেৰাই সলনি কৰি দিছে। ধেমালি নহয়....!

বেলেগলৈ যাবই নালাগে, মই এনেকুৱা গ্ৰহ পৰিবৰ্তন আমাৰ যোৰহাট টী কম্পেনিৰ অফিচটোত নিজ চকুৰেই দেখা পাইছোঁ। আগতে আমি অফিচটোলৈ এজ ইউজুৱেল সমুখৰ ৰাস্তাৰে সোমাইছিলো, এতিয়া বিশাৰদে দেখুৱাই দিয়া মতে পিচফালেৰে ঘূৰি-পকি আহোগৈ। তেতিয়াৰ সমুখৰ আলিটো আছিল সেন্দুৰীয়া, আৰু তাৰ দুয়োকাষে আছিল সুন্দৰ সেউজীয়া ঘাঁহনি। আৰু এতিয়াবটো আলিবাটৰ দুকাষত আছে,— অফিচৰ

ইউৰিনেল, অফিচৰ গুদামঘৰ, গেৰেজ, চকীদাৰৰ পাকঘৰ, শোৱনিকোঠা, আৰু আছে ড্ৰাইভাৰৰ লেট্ৰিন ।

যথাসময়ত নিমন্ত্ৰণ পাই পিএন্‌এ'ৰ বিশাৰদসকল আহি হস্তী-পৰিষদৰ হে'ড অফিচটোত উপস্থিত হ'ল। তাত আগৰে পৰাই তেল-টেঙা ঘঁহি সাজু হৈ থকা গোঁসাইহঁতে তেওঁসকলক অতি ভক্তিভাবেৰে, আৰু সাষ্টাংগে প্ৰণিপাত জনালে। সেৱা, সৎকাৰ আৰু অভিবাদন গ্ৰহণ কৰি বিশাৰদ-মণ্ডলীৰ মূখ্যজনাই গোঁসাই প্ৰভুক সুধিলে,— কওকচোন মহাপ্ৰভু,— কোন প্ৰকাৰৰ সংকট আহি আঁপোনালোকৰ সন্মুখত উপস্থিত হৈছে?

- এ' নক'ব আৰু, চাৰিওফালে কেৱল সংকটেই সংকট।' - গোঁসায়ে ক'লে,-

- পৰিষদৰ অৱস্থা মানে একদম এই-যাওঁ এই-যাওঁ! চেলাইন, অক্সিজেন, নেবুলাইজাৰ, ছিটিস্কেন, আই-চি-ইউ এই আটাইবোৰৰ জোৰত যিকোনো প্ৰকাৰেহে জীৱটো লাগি আছেগৈ। ইলেক্‌চনলৈ মাজতনো আৰু কেইটা দিন, অথচ এতিয়াও আমি নবীয়া পাটিতেই। দেহাত জোৰ নাই, মনত শান্তি নাই। পৰিষদৰ বাকীসকল ফৌজীভাইৰ কথা বাদেই, স্বয়ং মোৰ বিপক্ষে অভিযোগ আহিছে,— মই হেনো দুৰ্বল, অসহায়, পৰি মৰা। কাৰো বিৰুদ্ধে একো এটা এক্‌চন ল'ব নোৱাৰো, টানকৈ এটা মাত মাতিব নোৱাৰো, আনকি বিধানসভাত কথা এষাৰ ক'বলৈকো মোৰ শক্তি নাই। চুপচাপ বহি থাকো। দললৈ নতুন ভাল মানুহ দুটামান আনিব পৰা নাই। বছৰ বছৰ ধৰি একেগালকে খুৱাই-বুৱাই পুহি আছোঁ।

- ওঁ বুজিছোঁ - বিশাৰদে মুৰ দুপিয়ালে। - ব'লক তেনেহলে, এইবাৰ ঘৰ-দুৱাৰবোৰ চাই আহো। তাতেই ক'ৰবাত কিবা এটা কেৰোণ আছে। নহ'লে কেলেই এনেকুৱা হ'ব?

দলে-বলেই আটাইবোৰ আহি প্ৰথমতে তোৰণৰ তলত হাজিৰ হ'ল। তোৰণ মানে বেছ ওখ, প্ৰকাণ্ড এখন কংক্ৰিটৰ গে'ট, আৰু তাৰ ওপৰতে এটা হাতী।

- 'সেই হাতীটো তাত কেলেই?' - ওপৰৰ পিনে চাই বিশাৰদে সুধিলে।

- সেইটোৱেইতো আমাৰ আচল বস্তু। প্ৰধান সম্পত্তি। হস্তী পৰিষদৰ পুৰণা ছিম্বল। আৰু আমাৰ এইযে বিখ্যাত নামটো,— হস্তী পৰিষদ,— ইয়াৰ উৎপত্তিও সেই হাতীটোৰ পৰাই ।

- ঠিক আছে, কোনো কথা নাই। কিন্তু তাক তোৰণৰ ওপৰত কিয় তুলি দিছে? হাতী এনেকুৱা এটা বস্তু, যাৰ কাম হৈছে মানুহক তাৰ পিঠিত তুলি লৈ ফুৰোৱা। কিন্তু তাৰ গাৰ তলেৰে মানুহ সৰকা ক'ত দেখিছেহে? ওঁহো, এনেকুৱা এটা ওলোটা কাণ্ড আমি হ'বলৈ দিব নোৱাৰিম নহয়। এইটো এটা গ্ৰহ গোলমাল। হস্তী মহাৰাজক তাৰ পৰা খহাব লাগিব। আপোনালোকৰ অগণন বিপৰ্যয়ৰ এটা মুখ্য কাৰণ সেইটোৱেই।

- হ'ব প্ৰভু। তাক নমাই আনি তলত থৈ দিম। আৰু এতিয়াৰ পৰা দিনে-ৰাতিয়ে তাৰ কেৱল পিঠিতেই উঠি বহি থাকিম।

- ন'হ, কেৱল হাতীটোক নমাই আনিলেই কাম শেষ নহয়। মেইন কথা হৈছে,-

# ঠেংচুই

- এই তোৰণখনেই বৰ গোলমলীয়া। ইয়াৰ সজাটো একদম ঠিক হোৱা নাছিল। এইখনৰ তলেৰে অহা-যোৱা কৰি থকাৰ বাবেই আপোনালোক ক্ৰমান্বয়ে ৰসাতলে গৈছিল। আৰু ভৱিষ্যতলৈও অজস্ৰ দুৰ্গতি হ'লহেঁতেন।

পৰিষদৰ আটাইবোৰ মেম্বাৰে ইটোৱে সিটোৰ মুখলৈ চালে। প্ৰত্যেকৰে এনেকুৱা লাগিল যেন নিজৰ গালতে দুই থাপ্পৰ মাৰি দিব. ।।

- আচ্ছা ৰ'বচোন, এই তোৰণখন ইয়াত সাজিছিল কোনে?

বৰাকৰ বীৰ লিতিকাই নাম্বাৰ বানে আগবাঢ়ি আহি বিশাৰদক ক'লে,– 'আমাৰ পৰম শ্ৰদ্ধেয় আগৰজনা মূখ্যমন্ত্ৰী, আৰু তেওঁৰ অভিন্ন হৃদয় ফ্ৰে'ণ্ড, ফিল'ছফাৰ এণ্ড্ গাইড শ্ৰীশ্ৰীঅনিল কুমাৰ,– সেই দুজনাই লগ লাগিয়েই এইখনি নিৰ্মাণ কৰিছিল,- মহাৰাজ!'

- আপোনালোকৰ আগৰ গে'টখন ক'ত আছিল?

হস্তী-পাৰ্টিয়ে বিশাৰদবৃন্দক পুৰণা গে'টখন য'ত আছিল তালৈ লৈ গ'ল। সেইখনৰো অৱশিষ্ট ভালদৰে পিটিকি মুচৰি চাই তেওঁলোকে ভ্ৰিকুটি খালে, আৰু জোৰ-জোৰকৈ মূৰ জোকাৰিবলৈ ধৰিলে। - 'টিৰি বিল্ড. এইখন দেখোন ইখনতকৈও চৰা। ইয়াৰ এটা বস্তুও ঠিকমতে হোৱা নাছিল। ওঁহো, নহ'ব, এইখনো কেঞ্চেল.. ।'

- গতিকে ?

ফৌজীভাইসকলে পৰম উৎকণ্ঠাৰে বিশাৰদলৈ চাই ৰ'ল।

- গতিকে আৰু কি.. নতুনকৈ এখন সাজিব লাগিব। সেইখনৰ সোঁফালৰ খুটাটো পূবলৈ আৰু বাওঁফালৰ খুটাটো দক্ষিণলৈ মুখ কৰি থাকিব। সোঁটোতকৈ বাওঁটো আধা মিলিমিটাৰ ওখ হ'ব। এটা খুটা হ'ব লোহা আৰু চিমেণ্টৰ, আনটো হ'ব লাগিব বাঁহ, মাটি আৰু গোবৰৰ। তোৰণৰ ওপৰত হাঁতীৰ সলনি এটা মাখি থাকিব। মাখিটো অৰিজিনেল হ'ব লাগিব। আৰ্টিফিছিয়েল হ'লে আকৌ সৰ্বনাশ হ'ব। ইকুলো যাব, সিকুলো যাব। বুজি পাইছেই নহয়?

- পাইছোঁ প্ৰভু, সকলো বুজি আছোঁ। আপুনি মাত্ৰ কৈ যাওক। যি যি কৰিব লাগে,– আমি সকলো কৰিম। দৰকাৰ হ'লে জান প্ৰাণ দি দিম

- নালাগে, জান আৰু প্ৰাণ এটাও দিব নালাগে। শুনক।

বিশাৰদগণে ভালদৰে চোফাত বহি লৈ এইবাৰ অজস্ৰ বিধান দিলে। তোৰণৰ পৰা আৰম্ভ কৰি পিচ চোতালৰ চুকত থকা চকীদাৰৰ লেট্ৰিনটোলৈকে ক'ত ক'ত কি কি কৰিব লগা আছে,– এখন প্ৰকাণ্ড লিষ্ট তৈয়াৰ হ'ল।

মুখ্য বিশাৰদে গোঁসাইক ক'লে,– 'মজিয়াবোৰত টাইলচ্ লগাওক। শুদা পকাই কপালখনো শুদা কৰে। সমুখৰ দুৱাৰ-খিৰিকি আটাইবোৰ বন্ধ কৰি দিয়ক। অফিচলৈ অহা-যোৱা কামটো ওপৰৰ ভেন্টিলেটৰেৰে, নাইবা পিচ চোতালৰ চুকত থকা লেট্ৰিনটোৰ মাজেৰে কৰক।

- লেট্ৰিন. ..!?

## ঠেংচুই

- অঁ, লেট্রিন। ইমানদিনে আপুনি যিখন চকীত বহি আছিল সেইখন নি মাছখোৱাৰ মাজ-ৰান্ধাত থকা সেই বিয়াগোম গাঁতটোত দলিয়াই দিয়ক। তাৰ ঠাইত ছয় কিলো সোণ, চাৰে-সাত কিলো ৰূপ, আঢ়ৈ কিলো হীৰা আৰু এক কিলো প্লেটিনামেৰে এখন নতুন চকী নির্মাণ কৰক। খুৰাকেইটা ওপৰমুৰা কৰি উত্তৰদিশে থকা কোঠা এটাৰ পশ্চিম কোণটোত চকীখন ফিটিং কৰি দিয়ক। সর্বশৰীৰত ফেবিকল নাইবা ডেনড্ৰাইট টাইপৰ এবিধ ভাল কোৱালিটিৰ আঠা খুব ভালকৈ সানি লৈ আপুনি তাত দিনে-ৰাতিয়ে বহি থাকক। দেখিব,- সর্বশক্তি প্রয়োগ কৰিও আপোনাক কোনো নৰমনিচে চকীখনৰ পৰা এৰুৱাবই পৰা নাই।

কথাবোৰ একান্তমনে শুনি গোঁসাই পার্টিয়ে মূৰ দুপিয়াই থাকিল।

- আচলতে বুজিছে এই ঘৰটোত কামবিলাক যেনেকৈ হ'ব লাগিছিল সেইমতে নোহোৱাৰ বাবেই যোৱাবাৰৰ নির্বাচনত আপোনালোকৰ পৰাজয় হৈছিল, দলটোৰ জনপ্রিয়তা কমিবলৈ আৰম্ভ কৰিছিল, আৰু বিভিন্ন দুর্যোগবিলাকে অনবৰত খেদি ফুৰিছিল। তাৰ বাহিৰে আৰু অন্য কথা একো নাই।

- আৰু এই যিবোৰ গুলাইছে ?

- ৰাইজে যিবোৰ ভাবি আছে, বাতৰি-কাকতে যিসোপা বলকি আছে সেইবিলাক একদম বাজে কথা। যাৰ যি মন যায় তাকে বলকিছে। সীমাহীন দুর্নীতি, ভ্ৰষ্টাচাৰ, লুণ্ঠন, ৰূপায়িত নোহোৱা অসম-চুক্তি, বাংলাদেশীৰ অবাধ অনুপ্রৱেশ, গুপ্তহত্যা, দ্বিতীয় বিবাহ, কেলেংকাৰী,— এইবিলাকে কোনোদিনেই হস্তী পৰিষদক একো বিপদত পেলোৱা নাই।

- নাই পেলোৱা !!?

- ওঁহো, নাই পেলোৱা। এইবোৰ একদম বাজে কথা। নাথিং বাৎ শত্রুপক্ষৰ বক্‌বাছ। পে'পাৰৰ চন্‌চনি। চকুচৰহাৰ টেঁহেক্কা। অপ'জিশ্যনৰ ষড়যন্ত্র। এতিয়া আমাৰ উপদেশ মতে কাম কৰিলেই আকৌ আপোনালোকৰ জয়-জয় ময়-ময় অৱস্থা ঘূৰি আহিব। জেঠ মাহৰ ফৰকাল আকাশত চকু চাৎ মাৰি যোৱাকৈ তিৰবিৰাই থকা বেলিটোৰ দৰে পৰিষদৰ ভৱিষ্যত উজ্জ্বল হৈ পৰিব

ইমানপৰে চন্দ্রমোহন, বীর্যমোহনইঁতৰ লগতে থাঁটোৰ দৰে লাগি ফুৰা প্রফুল্লবদন মহাপুৰুষজনাই বহুত ধৈর্য ধৰি চুপেচাপে আছিল যদিও এইবেলি আৰু নমতাকৈ থাকিব নোৱাৰিলে। কেইখোজমান আগবাঢ়ি আহি, ডাড়িকোছাত মোহাৰ এটা মাৰি, কপালখন সামান্যকৈ খজুৱাই লৈ, এটা মিডিয়াম বিধৰ গলখেকাৰিৰে তেওঁ ক'লে,— 'দেখিলেতো...? ইমানদিনে আটাইবোৰে মোকেইহে দোষ দি আছিল। 'যত দোষ নন্দ ঘোষ' বুলি কৈছিল। এতিয়া পিছে কি হ'ল? ওলাই পৰিল আচল কথা। চৰেই গম পাই গ'ল উৰহী গছৰ ওৰটো ক'ত!'

# মেডামৰ হাঁহি

১

এইযে 'ইলেক্‌চন' শব্দটো শুনা মাত্ৰকতে কেৱল কুম্ভকৰ্ণই নহয়, লগতে ৰাম, ৰাৱন, মন্দোদৰী, বিভীষণ — আটাইবোৰেই পটাপৎ সাৰ পাই উঠে, উঠি এঙামুৰি দিয়ে, হাত-ভৰি লৰায়, দাঁত-চাত ঘঁহে, দাড়ি-চুলি কাটে, স্ন'-পাওডাৰ সানে.... তাৰ পিচত ৰাতি-ৰাতি ভোট-বেংকলৈ গৈ কম্বল বিলায়, শাৰী বিলায়, সিটুপি ধৰায়....

যথাসময়ত তাৰে কেইটামান জিকে, জিকি ৰাজধানীত গৈ মন্ত্ৰী-এমেলে' হয়, হৈ আকৌ এবাৰ ৰাজকোষটো খাই তহিলং কৰে, বোমাপন্থী- ঘৰেওাৰপন্থী-ইঞ্জিনীয়াৰ-ঠিকাদাৰ-তেলচোৰ-কয়লাচোৰইতৰে লগ লাগি নতুন উদ্যমেৰে দেশখন লুটে, কোটি-কোটি টকা পেটত ভৰাই লেৰেলাবোৰ গেৰেলা হয়....

এইবিলাক আচলতে একো নতুন কথা নহয়। যুগ-যুগ ধৰি ই চলি আহিছে, আৰু চলি থাকিব।

এইবাৰো ছেইম ছিটুৱেশ্যন। এজ্‌ ইজুৱেল,— আমাৰ এই বিচিত্ৰ মুলুকত কাণ্ডবোৰ ঘটিবলৈ আৰম্ভ কৰি দিছে।

প্ৰথমে হস্তী পৰিষদে উলিয়ালে,— 'দিচপুৰ চলো' (খাঁটি অসমীয়া জাতীয়তাবাদীয়ে "ব'লা" বা "ব'লক" নকৈ 'চলো' কিয় ক'লে তাৰ 'ওপৰত' বৰ্ত্তমান আমি 'প্ৰচণ্ড' গৱেষণা চলাই আছোঁ। শুদ্ধ হিন্দী উচ্চাৰণ মতে আৰু' "চলো"টোও বৰ হাঁহি উঠা। হ'ব লাগে এটা শক্তিশালী 'চ্ছালউ')।

সেই 'চলো'টোকে দেখি ইম্মিডিয়েৎ হস্ত-পাৰ্টিয়েও চুক কৰি দিলে,— "গাওঁ চলো" অভিযান। গাওঁৰ অকৰা মানুহবোৰে ভাবি ল'লে,— গোটেই পাৰ্টিটো দলে-বলে এতিয়া গাওঁ পাবহি। পাই ঢে'ৰ কিবাকিবি ভাল-ভাল কামবোৰ কৰিবহি.....

পিছে কিবা ওলোটাখনহে হ'ল। গাওঁৰ মানুহক বাছত উঠাই নি গুৱাহাটী পোৱালেগৈ। তাত বিৰাট এখন মিটিং হ'ল। বিয়াগোম নেতা-মন্ত্ৰীয়ে বৰ এককলাকৈ ভাষণ এসোপা দিলে। চাহ-মিঠাই খালে। তেতিয়াও গাৱঁলীয়াই ভাবি থাকিল,— পিচদিনাই চাগে' দৌতাইত টালিয়ে-টোপোলাই গাওঁত হাজিৰ হ'বহি। কিন্তু কি আচৰিত,- ঈশ্বৰসকল গৈ উৰাজাহাজতহে উঠিল আৰু পতাপৎ দিল্লী পালেগৈ। গাওঁ মানে যে দিল্লী,— অসমীয়াই তেতিয়াহে বুজিলে।

# ঠেংচুই

ইপিনে দিল্লী চহৰত মেডামো মহা বিপাঙত পৰিল। যি সময়ত অসমীয়াৰ 'বাপতিসাহোন', 'সাতামপুৰুষীয়া' বিহুটিলৈ মাত্র দুটা দিন বাকী, যি সময়ত কেছেটৰ বিহুৱে আকাশ-বতাহ তালফাল লগাই আছে, যি সময়ত চৌদিশে সন্মিলনৰ উখল-মাখল, ৰাস্তাই-বজাৰে চান্দা তোলাৰ ধুম, ঠিক তেনে এটা সময়ত একেলগে ইমানগাল অসমীয়া মানুহক দিল্লীত দেখা পাই মেডামে বিচুৰ্তি খালে।

- উৰা! এইহেন বিহুৰ বতৰত ঘৰতে বিহু মাৰি, পিঠা-পনা খাই ফুৰ্তি কৰি নাথাকি আপোনালোক দেখোন একেবাৰে এইখিনি পালেহি, এইটোনো কেনেকুৱা কথা হ'ল! তাকো আকৌ সদল-বলে । গোটেই দিচপুৰখনেই উঠি আহিছে। মই একোকেই বুজিব পৰা নাই। কওকচোন এতিয়া কি হ'ল?

মেডামৰ প্ৰশ্ন শুনি প্ৰথম দহ-এঘাৰ ছেকেণ্ডমান আটাইজাকে সেমেনা-সেমেনি কৰিয়ে কটাই দিলে। সচৰাচৰ মানুহগৰাকীয়ে বৰ এটা হাঁহি-ধেমালি নকৰে, প্ৰায় সকলো সময়তে গহীন হৈয়ে থাকে, কিন্তু এতিয়া এই বুঢা-বুঢা মানুহকেইটাই হৰভজন, শচীন, গাংগুলীহঁতৰ নিচিনাকৈ নখ কামুৰি থকা দেখি তেওঁৰ বিৰাট জোৰত হাঁহি উঠি গ'ল। অলপমান ঘেৎঘেৎকৈয়ে তেওঁ হাঁহিবলৈ ধৰিলে

অলপ পিচত হাঁহি সামৰি মেডামে ক'লে,– 'বাৰু, হ'ব। ইমান ভয় খাবৰ দৰকাৰ নাই। যি আছে খোলোচা মনেৰে কৈ পেলাওক।'

ৰাণীৰ অভয়-বাণী শুনি দৌতাসকলৰ মুখবিলাক অকণমান পোহৰ হ'ল। ভয়টো পাতলিল। পাৰ্টিটোৰ লীডাৰ 'চিয়েম্ছাৰ'ৰ ওঁঠৰ পৰা হঠাতে ক্ষন্তেকলৈ আতৰি যোৱা এভাৰ্গ্ৰীণ হাঁহিটোৱে আকৌ চুচুক-চামাককৈ ঘূৰি আহি নিজৰ পজিছন ল'লে। লাহেকৈ তেখেতে এটা গলখেকাৰিও মাৰিলে।

- মানে হেৰি আমি আৰু ভাবিলোঁ,– এইবেলি বিহুটো.. আপোনাৰ কাষতে কটাওঁ। চবেই কয়,– অসমীয়া সংস্কৃতিক বিশ্ব দৰবাৰলৈ পঠাই দিব লাগে। তাৰে এয়া প্ৰথমটো পদক্ষেপ। ফাৰ্ষ্ট বহনি হিচাপে বাপতিসাহোন বিহুটোকে বস্তা এটাত ভৰাই এইখিনি পোৱাইছোঁহি! লাহে-লাহে এটা-দুটাকৈ বাকী বস্তুবোৰো আনি থাকিব লাগিব...'

- 'তাৰমানে এতিয়াৰ পৰা আমাকো বিহু দেখুৱাব! পিছে কেৱল ইয়ালৈকে আনিছেনে, আৰু ক'ৰবালৈ নিব?'

- 'চব জাগালৈকে নিম। চীনলৈ নিম, জাপানলৈ নিম, লণ্ডন-আমেৰিকালৈ নিম। গোটেই পৃথিৱীকে এদিন বিহু দেখুৱাইহে এৰিম।'

- 'মৰিলোঁ....!' - মেডামে কোনেও নুশুনাকৈ মুখৰ ভিতৰতে ক'লে। '. পিছে এতিয়া গাওঁলৈ যোৱাটো কি হ'ব? গুৱাহাটীত ইমান ডাঙৰ এটা ধামাকা দিলে, সমাবেশ পাতিলে, 'গাৱঁলৈ ব'লক' বুলি চিঞৰ-বাখৰ লগালে....ওলোটাই গাওঁৰ মানুহ জজ ফিল্ড পোৱালেহি. .আৰু শেহত গোটেইজাক আহি দিল্লীত। এইবিলাক লৈ হুলস্থুল নালাগিবনে? মানুহে ক্ৰিটিচাইজ নকৰিবনে?'

# ঠেংচুই

মেডামৰ এইটো প্ৰশ্নত কিন্তু চিয়েম্‌ছাৰ অকণো নাৰ্ভাছ নহ'ল। তেখেতৰ ওঁঠত দিগ্বীজয়ী টাইপৰ হাঁহি এটাইহে দেখা দিলেহি। ইমানপৰে সোলোক-ধোলোক হৈ থকা স্মাৰ্টনেছটোও ঘূৰি আহিল। বাৰে-বাৰে বেঁকা হৈ যাব খোজা কঁকালটো আৰু বাজহাড়ডাল ভালকৈ পোনাই ধৰি তেখেতে ক'লে,— 'মেডাম, আপুনি অন্তৰ্যামী, আপুনি সৰ্বজ্ঞানী; আপুনিতো জানেই,- দেশখন কেনেকৈ চলি থাকে। না আছে পাব্লিক মেমৰি, না কিবা ক্ৰিটিছিজমৰ ভেল্যু! বৃন্দাবনইঁতে দিচপুৰ চলো কৰি যেতিয়া জোকাই ল'লে, আমিও দেখুৱাই দিলো খেলা   পাতি দিলোঁ সমাৱেশ। কমেও পঞ্চাছ হেজাৰ কংগ্ৰেছ কৰ্মী নিমিষতে গোট খাই গ'ল।'

- 'ধেৎ! সেইবোৰ হ'বপায় কংগ্ৰেছ কৰ্মী? আপুনি কাক টুপী পিন্ধাবলৈ আহিছে...!?'

- 'ছৰি মেডাম.... এক্‌চুৰেলি.. কথাবোৰ এইধৰণে কৈ কৈ মোৰ অভ্যাসেই হৈ গ'ল।' - নিজৰ মুখতে চিয়েম্‌ছাৰে এক থাপ্পৰ মাৰিলে। — 'একদম হুগলীৰ নিচিনা মুখ। কোনো কণ্ট্ৰল নাই। আপুনি ঠিকেই ধৰিছে মেডাম. সেইবোৰ কংগ্ৰেছ কৰ্মী মুঠেও নহয়। গাইপতি পঞ্চাছ টকাকৈ হাজিৰা লোৱা ফাল্টু মানুহ। বেছিভাগ বাংলাদেশী। আৰু বিহাৰী। বাছৰ পৰা নামিয়ে সিহঁতে ফাঁচিবজাৰত পিল্‌পিলাই ফুৰিছে, চিৰিয়াখানা চাবলৈ গৈছে.  ! সিহঁতযে কংগ্ৰেছ কৰ্মী নহয়, সেইটো আমাৰ বঙ্গপ্ৰদেশত নিচেই গোৱালী পেন্দুকণাবোৰেও জানে।'

- 'পিছে,   গোটেই কাৰবাৰটোত কিমান খৰচ হ'ল?'

- 'হিচাপ কৰা নাই মেডাম। হৈছে কেইকোটিমান।'

- 'টকা ক'ৰ পৰা উঠালে?'

এইবাৰ কিন্তু চিয়েমছাৰে ঠিকেই হিচাপ দিলে। শ্ৰীৰামপুৰৰ বিখ্যাত সেই চেক্‌পষ্টৰ পৰা আৰম্ভ কৰি অষ্ট্ৰেলিয়ান ডিভাইছেৰে পাইপ ফুটুৱাই উলিওৱা তেল, ফিছাৰিৰ মাছ, গ্ৰামোন্নয়ন, বান-সাহাৰ্য, নিযুক্তি, পঢাশালীত দুপৰীয়াৰ আহাৰ, সৰ্বশিক্ষা, লিডু-মাৰ্ঘেৰিটাৰ কয়লালৈকে, আৰু লগতে হৰেক ৰকমৰ আঁচনি, চেণ্ট্ৰেল গৰ্মেণ্টৰ শকত-শকত ফাণ্ড, বৰ্ল্ড বেংকৰ ঋণকে আদি কৰি ক'ৰ-ক'ৰ পৰা কিমান পইচা হোহোৱাই পকেটলৈ আহি থাকে,— হিচাপটো চিয়েম্‌ছাৰে মেডামৰ সমুখত নথি-পত্ৰৰে সৈতে দাঙি ধৰিলে।

- 'আচলতে আমাৰতো পইচাৰ অভাৱ নাই, আপুনি জানেই। আগতে চল্লিছভাগ ৰাখি ষাঠিভাগ খাইছিল, এতিয়া পূৰা এশভাগ খোৱাটোৱেই নিয়ম। আমি প্ৰতিটো বিভাগৰ পৰা, প্ৰতি মাহেই কোটিৰ হিচাপত কালেক্ট কৰো। এতিয়া গাওঁ উন্নয়নৰ নামত ইমানবোৰ টকা আহিছে,— খাবতো লাগিবই। নাখালে মৰাৰ পিচত যমৰজাৰ সভাত চিত্ৰগুপ্তক কি জবাব দিম? সেইকাৰণে ভাবিলোঁ,- টকাৰ পাহাৰটোৰ পৰা সামান্য দুপইচা খৰচেই কৰোঁচোন,— বিনিময়ত গাওঁৰ টকাকেইটাও হাতলৈ আহক। আগত ইলেক্চনটোও আহি

আছে। ইলেক্‌চন বুলিলেই কালেক্‌চন। তদুপৰি গাওঁৰ ভোটাৰখিনিও হাতত থাকিল ’

- ‘গাৱঁৰ ভোটাৰ বাক হাতত থাকিল, পিছে সংখ্যালঘু? তেওঁলোকৰ কি খবৰ?’

- ‘খবৰ মানে . প্ৰথম কথা,- তেওঁলোকক এতিয়া আৰু সংখ্যালঘু বুলি কোৱা নাযায়। সীমা খুলি দিছোঁ, ডেইলি হুহেজাৰকৈ আহি আছে,– তাৰে অলপমান সেই অগপ বোলা লোকেল পাৰ্টিটোৰ, বাকী গোটেইখিনি আমাৰ। ইলেক্‌চনৰ আগতেই আমি তেওঁলোকক সংখ্যাগুৰু বনাই দিম।’

- ‘পিছে এইযে এবাৰ সোনাপুৰৰ মিটিং এখনত আপোনাক কাষতে বহুৱাই লৈ সংখ্যালঘুৰে এক চৰ্দাৰে বিৰাট ধম্‌কি লগালে, ছমাহতে চৰকাৰ ওফৰাই দিম বুলি ভাবুকিও দিলে,– তাৰ পিচত আপোনাৰ লাজ লগা নাছিল ?’

- ‘লাজ? নাই মেডাম, সেই ধৰণৰ বস্তুবিলাক কাহানিবাতেই ট্ৰাংকত ভৰাই তলা মাৰি থ’লোঁ। কোনেও, কেতিয়াও আমাক লাজত পেলাব নোৱাৰে। এতিয়া ধৰি লওকচোন চাবলৈ গ’লে লাজ জানো কেৱল সেইজনেই দিছে? ওঁহো, চবেই দিয়ে। অসমীয়া বাতৰি-কাকতকেইখন মেলিবই নোৱাৰি,– কোনোবাই ক’ব,– মই ভ্ৰষ্টাচাৰী, কোনোবাই ক’ব মই মেৰুদণ্ডহীন, নপুংসক মিছলীয়া জাতিদ্ৰোহী ! পিছে ক’তা,– তথাপিওতো লাজ নালাগে। সেইবোৰ কথালৈ কোনোদিন কেৰেপেই কৰি পোৱা নাই !’

- ‘আপুনিযে একোলৈকে কেৰেপ নকৰে, আৰু সকলো কথা ‘জানো নহয়-জানো নহয়’ কৰি থাকে,- সেই কথা মই জানো। পিছে এইবাৰ যোৰহাটত আপোনাৰ ফিল্ড কেনেকুৱা? মই শুনিছোঁ,- ভগা ৰাস্তাৰ কম্‌প্লেইন কৰি-কৰি মানুহ বোলে একদম জ্বলি-পকি আছে? ক্লাব্‌ৰ’ডটোৰ হেনো অৱস্থাই নাই? কোনোবাই আপোনাকো আহি স্মাৰকপত্ৰ দিছিল? আপুনি বোলে তেতিয়াও কেৰেপেই নকৰিলে?’

- ‘হয়, নকৰিলোঁ। কিন্তু আপুনি সেইবিলাক ফাল্টু কথালৈ একেবাৰে কান নিদিব। ৰাখিব লগা খবৰ মই আটাইবোৰ ৰাখিছোঁ। যিকেইটাই মোক স্মাৰকপত্ৰ দিবলৈ আহিছিল, বা খণ্ডত জ্বলি-পকি আছে, সিহঁতে মৰি গ’লেও হেনো ‘চোৰ-ডকাইত’বোৰক ভোট দিবলৈ নাযায়। অৰ্থাৎ ইলেক্‌চনৰ দিনাও খণ্ডত জ্বলি-পকি ঘৰতেই সোমাই থাকিব। আৰু ভোটেই যেতিয়া নিদিয়ে, সিহঁতক কিহৰ কেৰেপটো কৰিবলৈ আছে? সেইটো ভগা ৰাস্তাৰেই গৈ বাংলাদেছীৰ ওচৰত ভোটও বিচাৰিম, আৰু জিকাৰ পিচত একেটা ভগা ৰাস্তাৰেই দিচপুৰলৈও আহিম। বাগ্নেকে. ’

চিয়েম্‌ছাবৰ লগত চৌবিছ ঘণ্টা হাঁ হৈ লাগি থকা বিশ্বকৰ্মা শৰ্মাই ছাৰৰ মুখত ‘বাগ্নেকে’ শব্দটো শুনি পিচফালৰ পৰা কিলাকুটিত লাহেকৈ এটা চিকুট মাৰি দিলে। চিকুটটো মাৰিয়েই তেওঁ পুতুককৈ বাহিৰলৈ ওলাই গ’ল আৰু ঘূৰি আহোতে এটা প্ৰকাণ্ড বস্তা লগতে লৈ আহিল। সেইটো মাজ মজিয়াতে থৈ আঠু কাঢ়ি তাৰ গাঁঠিটো খুলিলে, আৰু চিয়েম্‌ছাবলৈ চাই ক’লে,– ‘ছাৰ, বস্তুটো দি দিয়াই ভালনেকি। ইয়াত যিহে গেলেপা লগা গৰম, লেবেলি গ’লে এনেই যাব। ইমান দূৰ ৰাস্তা আনি এতিয়া যদি... ’

ছাবে বস্তাটোৰ পৰা আলফুলকৈ কেইপাহমান কপৌফুল উলিয়ালে আৰু একেই আল্‌ফুলে মেডামৰ পিনে আগবঢ়াই দিলে।

- 'এয়া লওক মেডাম। আন কাকো নিদিলেও মইযে আপোনাক বিহুৰ বতৰত কপৌফুল দিবেঁই সেই কথা সিদিনা অসমত অপে'ন্‌লি কৈছোঁ। এইবাৰ এয়া পূ-ৰ্‌-ৰা এক বস্তা লৈ আহিছোঁ। তাৰ পৰা চান কাঢ়ি এপাহমান আনকি ঘৰৰ বৈশীজনীকো দিয়া নাই '

কপৌফুলৰ বস্তাটো, আৰু চিয়েমছাৰৰ ভংগীমা দেখি মেডামৰ আকৌ হাঁহি উঠিল। চাওঁতে চাওঁতেই অকশমানি হাঁহিটো এটা প্ৰকাণ্ড খিলখিলনিত পৰিণত হ'ল। বিশ্বটাৰ স্কেলত সাতমান উঠাই দিব পৰা ভূঁইকঁপ এটাৰ নিচিনাকৈ তেওঁৰ সৰ্বশৰীৰ থৰথৰকৈ কঁপি উঠিল।

দৃশ্যটো দেখি বিশ্বকৰ্মাই লাজ-লাজকৈ মেডামক ক'লে,- 'আপুনি হাঁহা দেখিলে আমাৰ বৰ ভাল লাগে। অন্তৰাত্মা জুৰ পৰি যায়। এনে লাগে যেন গোটেই জীৱনটোৱেই ধন্য হৈ গ'ল। এইটো আমাৰ বাবে কিযে এক স্বৰ্গীয় দৃশ্য। কিন্তু.... কি কথাতনো আপোনাৰ ইমানকৈ হাঁহি উঠি গ'ল, তাৰ কাৰণটোহে একো বুজিব নোৱাৰিলো '

- 'হে'ৰা ডেকাল'ৰা। শুনিব খুজিছা,- শুনা। মই এতিয়া বুঢ়ী হ'লো, বুইছা? এইবিলাক আৰু ভাল নলগা হ'ল। তাতে ভিনিহীয়েৰাও কেতিয়াবাতে ঢুকাল নহয়,- জানা চাগে'। তোমাৰ ছাবক কোৱা,— কপৌফুলৰ বস্তাটো বেলেগ কাৰোবাকে গৈ দি আহক ..।!'

বহুত দেৰিলৈকে মানুহজনীয়ে হাঁহিয়েই থাকিল। নিৰুপায় হৈ বিশ্বকৰ্মাইতে আকৌ এবাৰ গাংগুলী, শচীন, হৰভজনহঁতৰ ষ্টাইলত উৱাই-ঘূৰাই নখ কামুৰিবলৈ আৰম্ভ কৰি দিলে।

# নাহে

কোন, কি কৰে, পুৰুষ নে নাৰী, ডেকা নে বুঢ়া, ভাল নে বদমাচ, ধনী নে দুখীয়া,– সেইবোৰ ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল,– থিয়ৰিটো। 'আহিম' বুলি ক'ব, কিন্তু নাহে। কে-ত্-তিয়াও নাহে। 'যাম' বুলি ক'ব, কিন্তু নাযায়। 'মৰিম্ল'লেও' নাযায়। দিম বুলি ক'ব,- নিদিয়ে। হ'ব বুলি ক'ব,- নহয়। কৰিম বুলি ক'ব,- নকৰে।

একদম খাটাং। ইয়াৰ কোনো অন্যথা নাই। 'এইমাত্ৰ আহিম' বুলি কৈ নাহে, 'কাইলৈ ৰাতিপুৱাতে' আহিম বুলি কৈ নাহে, 'এক তাৰিখে' নাহে, 'এসপ্তাহ পিচত' নাহে, 'এমাহ পিচত' নাহে, 'বিহুত' নাহে, 'পূজাত' নাহে,– গোটেই জীৱনটোতে নাহে। আপুনি তাৰ মূৰ ভাঙি পিঠা কৰি দিয়ক, পৃথিবীৰ নিকৃষ্টতম গালি-শপনি, লাওপাত, কচুপাত, শাওপাতেৰে আকাশ-বতাহ ধুঁৱলি-কুঁৱলি কৰি দিয়ক, স্বয়ং মেইন চুইচ্ছৰ ফিউজ পৰ্যন্ত উৰাই দিয়ক,– তথাপি নাহে।

নহাটো ছিয়'ৰ। মিস্ত্ৰী আহিলে যোগালী নাহে, যোগালী আহিলে মিস্ত্ৰী নাহে। হাজিৰা কৰা মানুহটো নাহে। লাইটৰ মানুহ নাহে, টেলিফোনৰ মানুহ নাহে। 'দাদা মই ৰাতি হ'লেও এপাক মাৰিমেই' বুলি কোৱা মেকানিকটো নাহে। মিনিষ্টাৰ নাহে, এমেলে' নাহে। 'আপুনি আগ বাঢ়ক, মই গৈ আছোঁ' বুলি কৈ সাংবাদিকজন নাহে। যোৱা তিনি মাহে আপুনি মাতি-মাতি হায়ৰাণ,- কিন্তু কম্পিউটাৰটো 'আজিয়েই চাই দিমগৈ' বুলি খাটাংকৈ কথা দিয়া বৈজ্ঞানিক বাপুটিও নাহেহে নাহে। ইন্‌ভাৰ্টাৰৰ বেটেৰিটো চাৰ্জ কৰিবলৈ নিয়াৰ পিচত বেটেৰিও নাহে, মানুহো নাহে। গ'ল যি গ'লেই। পইচা দিবলৈ থকা মানুহ হ'লেতো কথাই নাই, সেইগৰাকী পঞ্চাছটা জনমতো নাহে। সেইবিধ প্ৰাণী,– 'আজীৱন ঋণী'।।

'অহা মাহৰ ফাৰ্ষ্ট উইকতে পজিটিভ্‌লি আহিম' বুলি কৈ কিতাপৰ প্ৰকাশকজন নাহে। লেখক-সাহিত্যিকে পাব লগা আলোচনীৰ কপিটো নাহে, মনি-অৰ্ডাৰ নাহে, সম্পাদকৰ ফোন এটা বা চিঠি এখনো নাহে। টিভি ছিৰিয়েলৰ বাবে স্ক্ৰীপ্ট বিচাৰি পুৱা-গধুলি হায়ৰাণ কৰি দিয়া প্ৰডিউচাৰজনৰ পৰা স্ক্ৰীপ্টখন পোৱাৰ পিচত 'পালো' বুলি সামান্য এটা শব্দৰ মেছেজ এটা নাহে !

'ভগা ৰাস্তাটো কাইলৈকে চামহি' বুলি কৈ ইঞ্জিনিয়াৰ নাহে, মিনিষ্টাৰ নাহে। ভুলক্ৰমেও সমষ্টিৰ বিধায়কজন নাহে। এইমাত্ৰ গৈ আছো বুলি কৈ ডাক্তৰজন নাহে। আনকি অলপ পাছতে আহি আছোঁ বুলি খবৰ দিয়া ছিৰিয়াছ পে'চেন্টজনো নাহে ...!

প্ৰত্যেকৰে সেই এটাই ফৰমুলা। এইযে আহিম বুলি কৈ মানুহটো গ'লগৈ - - গ'ল যি গ'লেই, সি আৰু নাহে। এইটো জীৱনত আৰু কদাপিও আপোনাক দেখা নিদিয়েহি।

চাহ বাগানৰ সাধাৰণ বনুৱা এটা। গে'টখনেৰে সোমাই আহি নিজেই সুধিলে,-

# ঠেংচুই

- বাবু, কাম আছেনেকি?

- আছে। কৰ যদি আহ।

- কি কাম আছে? (এইটো প্ৰশ্ন এখেতসকলে সুধিবই। কম্পালচুৰি।)

কামৰ থুলমূল বৰ্ণনা এটা দিলোঁ। '..এইপিনে এই ঘাঁহখিনি চুকুকিব লাগে, সৌ লতাকেইডাল আতৰাব লাগে, পুখুৰীৰ পাৰৰ উলুবন কেইডাল উঘালিব লাগে. .' বহু সিমানেই। তাতকৈ বেছি আৰু কৈয়ো লাভ নাই। কাৰণ এইখিনি কৰোতেই চাবি বাজিবই।

কথাকেইটা সিয়ো বেছ মন দিয়ে শুনিলে। — হ'ব। মই কাইলে একদম ফজিবতে আহি যাম। আহিয়ে পহিলা এইখিনি কৰিম, তাৰ পিচত সেইখিনি কৰিম. ...। হ'ব, চব হৈ যাব। আপুনি এ-ক-কো চিন্তা কৰিব নালাগে..

পিচদিনা ফজিৰত বাপুকণৰ টিকণিডালকে দেখিবলৈ নাই। ফজিৰ যায়, দুপৰীয়া হয়, দিন যায়, ৰাতি আহে। দুদিন পিচত দেখা যাব,— মৰৰ আগেদিয়েই খোজ কাঢ়ি তেওঁ ম-জ্-জাব-চে কোনোবা একালে গৈ আছে। একদম টো-ৎ-টেলি নিৰ্বিকাৰ। ঘূৰিও নাচায়। তাৰ লগত যেন মোৰ কাহানিও একো কথা-বতৰা হোৱাই নাছিল। তাক যেন মই কে-ৎ-তিয়াও লগেই পোৱা নাছিলোঁ. ..।।

প্ৰাইভেট মেডিকেল চেম্বাৰলৈ এজন অতি সুন্দৰ ভদ্ৰলোক আহিল। বহুদিনৰ পৰা হৈ থকা তেওঁৰ বেমাৰবোৰৰ ইন-ডিটেইলচ্ বৰ্ণনা দিলে। আগৰ কাগজ-পত্ৰ দেখুৱালে। উৰাই-ঘূৰাই দুজনমান ডাক্তৰ, দালাল আৰু লেবৰেটৰীৰ বদনাম গালে.....। কথাবোৰ শুনি, কাগজবোৰ চাই, তাৰ পিচত কমেও আধাঘণ্টামান খৰচ কৰি তেওঁৰ বেমাৰ চালো, বিভিন্ন পৰামৰ্শ দিলো, প্ৰেছক্ৰিপচন লিখিলো ....। সকলোবোৰ হৈ যোৱাৰ পিচত ভদ্ৰলোকে দুই-চাৰিটা অন্যান্য কথাও পাতিলে.... লিখা-মেলা, সাহিত্য, কিতাপ-কাগজৰ খবৰ ল'লে। শেষত ঠিক যেন যাবলৈ ওলাইছে তেনে ধৰণৰ ভংগীমা এটা... পইচাৰ বেগত হাত,- - এই যেন মস্ত এনুৰা উলিয়ালেই...।

- হেৰি নহয় ছাৰ, মেডিচিনকেইটা দিয়েই দিয়ক। আৰু বেজীটোও। আৰুনো ক'ত নাৰ্ছ-কম্পাউণ্ডাৰ বিচাৰি ফুৰিমগৈ ...

- হয়নেকি.. ? ঠিক আছে। মেডিচিনখিনি অনাই দিলো। নাৰ্ছজনীক মাতি বেজীটোও দিয়ালো। বাপুকণে সিফালে.ডায়লগ মাৰি-ৎ-তেই আছে,— '....আপোনাৰ ইয়াতে ছাৰ,- দৰবখিনি পাই গ'লে বৰ সুবিধা হয়। বাহিৰত বিচাৰি ফুৰাৰ ঝামেলাটো নাই, ফাৰ্মেছীত বেলেগ এটা দি দিয়াৰ ভয়টো নাই, আটাইতকৈ ডাঙৰ কথা,- ভেজালৰ চিন্তাটো নাই.....। পইচালৈ ছাৰ একদম চিন্তা নকৰিব। যি খৰচ হয়,- হ'বলৈ দিয়ক। মেইন কথা,- বেমাৰটো ভাল হ'ব লাগে। দৰকাৰ হ'লে মই ডেইলি আহি থাকিম....

বেজী আৰু দৰবকেইটা তেখেতলৈ আগবাই দিয়াৰ পিচত এতিয়া পইচা হিচাপ কৰাৰ পাল। কেলকুলেটৰ .. যোগ, বিয়োগ....টোটেল.. .

ইতিমধ্যে লৰালৰিকৈ ডাঙৰীয়াই দৰবখিনি সামৰি প্ৰথমে বেগ এটাত ভৰাই

ল'লে। পৰৱৰ্তী এক্চন,- গিৰিস্কৈ চকীৰ পৰা উঠিল পকেটত হাত যেন পইচাকেইটা সোনকালে দিব পাৰিলেহে শান্তি পাব

পিছে হঠাৎ,- কথা নাই বতৰা নাই,- ভদ্ৰলোক আকাশৰ পৰা পৰি গ'ল।

- ই-চ্-চ্-চ্-চ্ ধেৎ তেৰি ছেঃ !

ইম্মিডিয়েৎ চকুলৈ চালো। কি-বা হ'ল?

- ঈঃ এনেকুৱানো হ'ব লাগেনে? বেগটোকে এৰি থৈ আহিলো নহয় ।

আকৌ হঠাতেই যেন তেওঁৰ মনলৈ বুধি এটা আহিল। কিবা এটা চিন্তা কৰাৰ নিচিনাকৈ অলপ সময় থাকি ঘপহকৈ সুধিলে,- 'আচ্ছা আপুনি বাৰু কেইটা বজালৈকে থাকিব, কওকচোন ?'

- ধৰি লওক,- পাঁচ। কেতিয়াবা ছটামানলৈকো থাকোঁ।

- হে যাব। মই পাঁচৰ আগতেই পাই যামহি। বজাৰতে অমুক থাকে নহয়। পংকৰে গৈ তাৰ পৰাই লৈ আহিছোঁ

তাৰ পিচত তেখেতৰ জীৱনত আৰু কোনোদিন পাঁচ নাবাজিল। পইচাও নাহিল, মানুহো নাহিল। আনকি ভদ্ৰলোকে ওচৰৰ নেইবাৰখিনিকো আহিবলৈ নিদিয়ে। কিজানি কথাটো চিচিং ফাঁক হৈ যায়। কিজানি মই কৈ দিওঁ,- অমুকে পইচা নিদি পলাল বুলি

এনেকুৱা ঘটনা এটা নহয়, হেজাৰ-বিজাৰ। সীমা-সংখ্যা নাই। টেবুলৰ সিটো পাৰে কেৱল ভদ্ৰলোকেই নহয়, ভাল ঘৰৰ ভদ্ৰমহিলাও আহি বহে আৰু তেওঁলোকো এনেকুৱা কাৰুকাৰ্যত সমানেই পাৰ্গত, সমানেই সক্ৰিয়। নিতৌ তাকে দেখি-দেখি নাৰ্হুজনীও ওলোটাই মোৰ ওপৰতেহে গৰম। মিহি-মিহিকৈ মোক গালি পাৰে,- 'আপোনাৰ আৰু শিক্ষা নহ'ল ছাৰ। ইমানদিনে ইমানবোৰ পে'চেন্টে ঠগিলে, তথাপি সাৱধান নহয়।'

- এ'ৰ'বা, দেখাই-শুনাই সুন্দৰ ভদ্ৰলোক, বিশেষকৈ ভাল ঘৰৰ ভদ্ৰমহিলাসকল, কেনেকৈনো অবিশ্বাস কৰা? 'ঠগ' বুলিতো আৰু কপালত লিখি লৈ নাহে।

- সদায় এই সুন্দৰসকলেই সুন্দৰকৈ ঠগি আহিছে। জানি-শুনিও এনেকৈ দৰৱবোৰ উলিয়াই দিয়ে। যেন এনেইহে আহিছে

এক মিস্ত্ৰী। কামত বৰ এটা বেয়া নহয়, কেৱল কথা বেছি কয়। তেওঁৰ লগত সদায়েই এটা ডাঙৰ সমস্যা — কেতিয়াও সঠিক সময়ত নাহে। ঠিক কামলৈ যাবৰ হ'ব,- - সিফালৰ পৰা তেৰোঁ ওলাবহি। অকণমান সোনকালে আহিবা বুলি কওঁ, কেতিয়াও নাহে। যেন এইটোৱেই নিয়ম। ময়ো ওলাম, তেৰোঁ পাবহি.

এদিন এজ-ইউজুৱেল কামলৈ ওলাইছো,- ওলালহি মিস্ত্ৰী মহাশয়। যিহেতু গালি পাৰিবলৈও সময় নাই, গম্ভিকে বেছ মৰমৰেই সুধিলো,- কোৱাচোন?

- ছাৰ, আপুনিয়ে কৈছিল, শুকুৰবাৰে কাঠ কিনিম বুলি...

- অঁ, কৈছিলোঁ।

- কাইলৈ শুকুৰবাৰ নহয়। মই দোকানলৈকে আহিম।

# ঠৈংচুই

- আহিবা।

- কেইটা বজাত আহিম কওক।

- সেইটো তুমিয়েই কোবা। কিন্তু ভালকৈ ভাবি-চিন্তি ক'বা।

- নহয় ছাৰ, আপুনিয়েই কওক।

- এ' নহয়হে। মই কৈছোঁ নহয়, তুমি কোবা, তোমাৰ সুবিধা মতে। তুমি যেতিয়াই কোবা মই তেতিয়াই আহিম।

- এঘাৰ?

- ঠিক। এঘাৰ বজাৰ লগে লগে মই হনুমান টিম্বাৰ্‌ছত পাইছি যাম। হ'ব?

- হ'ব ছাৰ। মই দহ মিনিট আগতেই পাই যামহি। আপুনি চিন্তাই নকৰিব.

পিচদিনা শুকুৰবাৰে কাটাই কাটাই এঘাৰ বজাত হনুমান টিম্বাৰ্চ মই ঠিকেই পাইছিলো, কিন্তু তেখেত নপাইছিল। এঘাৰ বাজিল.. বাৰ বাজিল.... এক বাজিল.. কোনোটো ঘণ্টাতেই তেখেত আহি নাপালেহি। বৈ বৈ বৈ বৈ মই ভাগৰি পৰিলো। মোৰ অৱস্থা কাহিল হ'ল। কিন্তু তেখেত নাহিল। নাহিল যি নাহিল, দেখিকেও নাহিল। সেইদিনাৰ পৰা আজি এদিন দুদিন, এমাহ দুমাহ, এবছৰ দুবছৰকৈ পু-ৰ-বা এঘাৰ বছৰ পাৰ হৈ গ'ল। নাই। টিকনিও নাই, নেগুৰো নাই। অৱশ্যে ৰাস্তাই ঘাটে মহাশয়ক মই ঠিকেই দেখা পাই আছোঁ। আমাৰ ঘৰৰ সমুখৰে দোকানখনত পান-তামোলো খায়হি। ৰাস্তাত মুখামুখি হওঁতে দুই-এদিন মোক মাত লগাবলৈও চেষ্টা কৰিছে। কিন্তু শুকুৰবাৰৰ সেই দিনটোতনো কি হ'ল, কি নহ'ল, কেলেই নাহিল,- ওঁহো, সেই সম্পৰ্কে তেখেত সম্পূৰ্ণ নিৰ্বিকাৰ। সঁচাই-মিছাই আহিব নোৱাৰাৰ কিবা কৈফিয়ৎ দিয়া, 'ছৰি' কোৱা,- সেইবোৰতো দূৰৰ কথা,- বাপুৰ কোনো ধৰণৰ ৰিয়েক্‌ছনেই নাই। তেখেতৰ মুখমণ্ডলত, তেখেতৰ কণ্ঠনলীত, জিভাত কোনো প্ৰকাৰৰ উত্তৰ নাই, আক্ষেপ নাই, কৈফিয়ৎ নাই, দুখ নাই, ছৰি নাই......

মুঠৰ ওপৰত তেখেতৰ সেইটো দিনৰ ইতিহাস টোটেলি ব্লেংক্। কুষ্ঠীৰ পাতত তাৰ কোনো উল্লেখ নাই। তাৰ বাবে কোনোবাই ভাল পালে, বেয়া পালে, চিন্তাত পৰিলে, খং খালেনেকি, মাইণ্ড কৰিলেনেকি...... সেইবোৰ তেখেতক দৰকাৰ নাই।

মুঠতে নাহে। আহিম বুলি কৈ কোনো নাহে। আনকি এটা দুৰ্ধৰ্ষ প্ৰেমিক....বিৰাট ৰোমাণ্টিক মুড লৈ, নোখোৱা-নোবোৱাকৈ ৰাতিপুৱাৰ পৰাই পাৰ্কত বহি আছেহি, কিন্তু পাৰ্কত লগ পোৱাৰ প্ৰস্তাৱটো নিজেই দি 'তুমি নাহিলে মই নদীত জপিয়াই দিম' বুলি কোৱা প্ৰেমিকাজনীও এতিয়া কোনোপধ্যেই নাহেহে নাহে...। নাহে মানে,- নাহিলেই। পিচৰটো শনিবাৰেও নাপালেহি।

গতিকে আমাৰ ফৰমূলা হ'ল,- কোনেও কালৈকো বৈ নাথাকিবা। বৈ থাকি লাভ নাই। কোনো নাহে। নহাটোৱেই মানৱৰ আচল ধৰ্ম। নহাটোৱেই জগতৰ নিৰ্ভেজাল সত্য।

# ঐ
# নমৰিবি
# ৰ

গাওঁ আৰু নগৰৰ ঠিক মাজতে এটা তিনিআলি। তাতে এখন দোকান। দোকানী টেঁপুৰাম। তেখেতৰ যথেষ্ট দেৰিকৈ শুই উঠাৰ অভ্যাস। দহমান বজাত লাহে-ধীৰে আহি দোকান খোলে। বাহিৰতে এখন বেঞ্চ। দোকান খোলাৰ অলপ পাছতে দুই-চাৰি ভকত আহি তাতে আসন গ্ৰহণ কৰে,- গোটেই দিনটোলৈ! তাৰে দুজন,– ঘটিৰাম আৰু বাটিৰাম। দুয়ো পুৰণা বন্ধু। একোটাকৈ মুদ্ৰাদোষ আছে। দুয়োটাৰে লাইফত একো নহ'ল। সিহঁতে পুৱা চাৰে-দহমান বজাত ঘৰৰ পৰা ওলাই আহি টেঁপুৰামৰ দোকানৰ সমুখত আড্ডা মৰাটো একদম কম্পাল্‌ছৰি। লগতে কন্টিনিউৱাছ কেৰম! বা তাছ। লগত খৈণী। কাম-বন নোহোৱা ধোদকেইটাক ৰাস্তাৰ মানুহে সদায় ঘূৰি-ঘূৰি চাই যায়। বিভিন্ন ধৰণৰ কমেণ্ট পাছ কৰে

সকলো ঘটনা দূৰৈৰ পৰা মহাভাৰতৰ সঞ্জয়ৰ নিচিনাকৈ এজন সূত্ৰধাৰে অনবৰতে চাই থাকে। ডাঙৰীয়াৰ সেইটোৱেই কাম। তেওঁ নন্‌-ষ্টপ কমেণ্টৰীও দিয়ে।

- নাই নাই   নাটক নহয়, চিনেমা নহয়, ছিডি ফিলিম নাইবা টিভি ছিৰিয়েলো নহয়। একদম সঁচা ঘটনা। সৌৱা,- চকুৰ সমুখতে   । ৰিয়েল লাইফ।   সৌজন আমাৰ টেঁপুৰাম। মিষ্টাৰ টেঁপুৰাম দোকানধৰা। তেখেতৰ জেনেৰেল কণ্ডিছন আন বহুততকৈ বে'টাৰ। অন্য কিবা কৰিব পাৰক বা নোৱাৰক, অন্ততঃ দোকান এখনকে দি বহি আছে। বাকীকেইজনেতো কেৰম খেলিয়েই জীৱনটো কটাই দিলে।   অঁ অৱশ্যে টেঁপুৰামৰ শুই উঠোতে অলপ দেৰি হয়, সেইটো কথা ঠিক। সৌৱা পাইছেহিয়েই   ধীৰে সুস্থিৰে তেওঁ এতিয়া দোকান খুলিব। এক্স ইউজুৱেল বেঞ্চখন বাহিৰলৈ উলিয়াই দিব.

ঠিক সেইমতে সিপিনে কামবোৰ চলি থাকে। টেঁপুৰামে দোকান খোলে। বেঞ্চ উলিয়ায়..

- ওঁ... এইবাৰ আহি পাই যাব আৰু দুই ভকত। .. সৌৱা পালেহিয়েই.. বাওঁফালৰজন মিঃ ঘটি .. ঘটিৰাম পেনপেনীয়া। আৰু ইজন হ'লগৈ শ্ৰীমান বাটি। বাটিৰাম বটল-নধৰা। দুয়ো পুৰণা বন্ধু। দুয়োৰেই লাইফত একো নহ'ল। পুৱা ঘৰৰ পৰা ওলাই

# ঠেংচুই

আহি টেপুৰাম দাইটিৰ দোকানতে আড্ডা মৰাটো কিন্তু একদম কম্পালছৰি।.... ওঁ এতিয়া চাবদেই . লাহেকৈ কেৰমখন উলিয়াব। কামৰ ভৰপক সময়ত, পুৱা দহ্ এঘাৰ বজাত যেতিয়া মানুহে লৰা-ধপৰাকৈ কামলৈ বুলি ওলায়, তেতিয়া এওঁলোকে উলিয়ায়,– কেৰম। আৰু তাকে দেখি 'ভাল এই কাম-বন নোহোৱা খোদকেইটা দেই . !' বুলি ৰাস্তাৰ মানুহে ঘূৰি ঘূৰি চাব, কমেণ্ট পাছ কৰিব....

লগে-লগে কোনোবা এটাই ৰাস্তাৰ পৰা চিএৰিলেই,– কি ঐ ঘটিৰাম, আহি পালিহিনে.. .? খেল আৰু ভাই... তইঁতৰে দিন

অলপ সময়ৰ পিচত আৰু এটাই চিএৰ লগালে,– ঐ বাটি . আহি গ'লি নহয়? খেল খেল ...কেলেই নেখেলিবি.. . '

কেৰম খেলি থকাৰ মাজতে বাটিয়ে ঘটিক সুধিলে,–

- ঐ ঘটি. ...

- ওঁ .. ক বাটি. .

- একো নহ'বই নেকি অ' আমাৰ? কিমান আৰু টিংকাৰি শুনি থাকিবি.. ..

- জানো পাই. .. চব ফালেইনো ফেইল মাৰিব লাগেনে? লগৰে সেইটো বীৰেশ. পঞ্চাছ হেজাৰ খুৱাই মাষ্টৰ বনি গ'ল। সেইটো তিলক,- মুক্তি বাহিনীত.... সোমাল যেনেকৈ,- ওলালো তেনেকৈ। দিলে ছাৰেণ্ডাৰ কৰি,– এতিয়া কোটিপতি। কাম কি কৰি আছে কোনেও নাজানে,- কিন্তু বস্তাই বস্তাই টকা....

- এৰা অ' .. ভাবিলেই কিবা টেমাটো গৰম হৈ আছে। সেইটো ধৰণী.... না পঢ়া আছে না শুনা আছে. .. দালালী কৰি-কৰিয়ে লাইফ বনাই দিলে।

- ঈঃ সেইটোৱে কিমান ধৰণৰ যে দালালী কৰিলে হিচাপেই নাই।

- সেইটো চপনীয়া গাঁৱৰ পুতুল । অ'এনজিচিৰ পাইপ ফুটাই তেল চুৰ কৰি-কৰিয়েই কোটিপতি হৈ গ'ল? বাপ্পা-ঐ কোনেও তাৰ নোম এডালকে হিলাব পৰা নাই। আচৰিত কথা নহয়নে বাৰু .. !

- কোনোবাই নোমডালনো আৰু' কিয় হিলাবলৈ যাব? কিহৰ গৰজত? জ্ঞানী মানুহে সেইবোৰ কৰিবলৈ চেষ্টাই নকৰে। প্ৰত্যেকৰে হিচাপ- নিকাচৰো কথা এটা আছে নহয়। কমিছনৰ কথা আছে, অংকৰ কথা আছে, আৰু কিমানবিলাক কথা আছে।

- আৰু ই.... ছফিক. .. এসময়ৰ ছাগলী চোৰ ...ই-এণ্ড-ডিৰ বৰবাবৰ লগত লাগি লাগি মথাউৰিৰ পৰা দেশৰ মানে ট্ৰাকে ট্ৰাকে বাঁহ-চুৰি, পাইপ-চুৰি.... লাইন-লাইন ভাড়া ঘৰ সাজি বাংলাদেশীক পোহপাল দিয়াটো... চাওঁতে চাওঁতে গৈ গৈ মিনিষ্টাৰেই বনি গ'ল . বাপ্পেকে. ...

দোকানৰ সমুখেৰে ছোৱালী এজনী পাৰ হৈ গ'ল। তাইৰ নাম আশা, কিন্তু মানুহে মাতে,- আছা বুলি। পিচফালৰ পৰা টেপুৱে মাতিলে,– আছানেকি?

- অঁ আছোঁ।

# ঠেংচুই

সূত্ৰধাৰে ক'লে,- বুজি পোৱা নাই নহয়? ছোৱালীজনীৰ আচল নাম আশা। আশাপূৰ্ণা। মুখত কোনোপধ্যেই শ নুফুটা আমাৰ অসমীয়া ৰাইজৰ মুখত পৰি হ'লগৈ,- 'আছা'। এইযে এইমাত্ৰ টেপুৰামে পিচফালৰ পৰা সুধিলে,- 'আছানেকি?' আৰু তায়ো লগে-লগে উত্তৰ দি দিলে,-- 'আছোঁ'। হেঃ হেঃ। কম বস্তু নহয়। বাৰু এনিবে' ছোৱালীজনী কিন্তু ভালেই। এসময়ত তাই আছিল ঘটি আৰু বাটিৰ কমন লাভাৰ। পিছত যেতিয়া কথাটো জনাজনি হ'ল,- দুয়োটাই নিজৰ নিজৰ লাভ ছেক্ৰিফাইচ কৰি দিলে একদম হিন্দী চিনেমা! বেচেৰীৰ পঢ়াশুনাও আছিল স্কুল এখনত সৰু চাকৰি এটা কৰিছিল, পিছে স্কুলৰ মালিকটোৰ উৎপাতত থাকিব নোৱাৰি গুছি আহিল। এতিয়া সোমাইছে 'ছৰ্‌বছিক্ছা'ত ! ৰ'ব, শব্দটো বা আক' বুজিছেনে নাই! আমাৰ খাৰখোৱা, অসমীয়া ক'ব নজনা গৰুবোৰে কয়,- সৰ্বশিক্ষা। বুজি পালে? অঁ, সেইটোৱেই। দুপৰীয়া দুপৰীয়া চাউল ধুই, পাচলি কুটি, খৰি লুৰি,- স্কুলত ভাত ৰান্ধোতেই বেচেৰীৰ অৱস্থা নাই। ভোজনশালাটোৰ গোটেই দায়িত্ব,- তাইৰ মূৰত। আছাপূৰ্ণা আইদেউৰ হেনো অৰিজিনেল নাম আছিল সৰুমাই। ভাত ৰান্ধি থকা সময়ত কোনোবাই নাম সুধিলে ভাতৰ চৰুটোলৈ দেখুৱাই কয়,- চৰুমাই! চৰুমাই চইকীয়া। ঘটি-বাটিয়ে মাতে লাহৰী বুলি। অৱশ্যে দুয়োটা একেলগে থকাৰ সময়ত নহয় দেই! অকলে পালেহে।। বাৰু ৰ'বচোন লাহৰীয়ে কি কৰে চাওঁ ..

লাহৰী ঘূৰি আহিল। অলপ সময় কেৰম খেলা চালে। তাৰ পিচত ঘটি-বাটিক উদ্দেশ্য কৰি ক'লে,--

- হে'ৰা বন্ধুসকল এটা ভাল খবৰ আছে নহয়, গম পাইছানে নাই?

- ভাল খবৰ। এইখন দুনীয়াত ভাল খবৰো থাকিব পাৰেনে? কি আচৰিত কথা কোৱাহে?

- অঁ, আছে

- কোৱা তেনেহলে, শুনিতো ভালেই লাগিব। ভাল কথা শুনিবলৈকে নাপাওঁ আজিকালি।

- আমাৰতো ককাইদেৱে পে'পাৰ-চেপাৰ ল'বলৈকে এৰিলে। ৰোলে ৰাতিপুৱাই এইসোপা পঢ়ি মগজটোনো কেলেই নষ্ট কৰো? কেৱল ধৰ্ষণ, বলাৎকাৰ, গুলী, ব'ম্ব, মানুহ মৰা, পইচা খোৱা, কোটি কোটি টকা আত্মসাৎ। তাকো আক' বিনা পইচাতেও নহয় . পকেটৰ পৰা নগদ দুটকা খৰচ কৰি।

- ঈ এইজন এতিয়াও সেই দুটকাতেই আছে। হে-ঈ-ৰা বাপু কাগজৰ দাম চাৰিটকা হ'ল, খবৰ আছেনে? এৰা, কেতিয়াবা কিনি পালেহে!

- ওঁহো, নোৱাৰি-দেই... । চাৰি টকা হ'ল যদি আৰু নোৱাৰি। দুটকাতেই নপঢ়িলো।

- বাৰু, শুনা। টাউনত হুলস্থুল। কনিষ্টবলৰ চাকৰি ওলাইছে।

- পিছে? কি কৰিব লাগে।

# ঠেংচুই

- উৰা! ইমানদিনে একো এটাতো নহ'লেই! এতিয়া সেইটোকে এবাৰ ট্ৰাই মাৰি নোচোৱা কেলেই? পঢ়া-শুনা কোৱালিফিকেচনৰ কথা নাই, এক্সপেৰিয়েন্সৰ কথা নাই, বিদ্যা-বুদ্ধি ঘিঁউ-মৌৰ কথা নাই। কি আৰু চাই থাকিবলৈ আছে.

- এঃ ৰ'বাচোন, পাৰিম জানো পুলিচ হ'ব?

- টাণ্ডোনডাল লৈ যাকে-তাকে টঙনিয়াই ফুৰিব লাগিব

- ট্ৰাকবোৰ ৰখাই পইচা খাব লাগিব

- লেতেৰা মাত এসোপা মাতিব লাগিব .

- ওপৰৱালাক চেলাম দি থাকিব লাগিব .

- ৰাতিয়ে দিনে গোলামী খাটিব লাগিব

- কথা শুনিব লাগিব

- বটল আনি দিব লাগিব .

- খৈণী মাৰি দিব লাগিব

- বজাৰ কৰি দিব লাগিব

- চান্দা তুলি দিব লাগিব

আশাই এক ধমক দিলে। — ধেৎ তেৰিকি সেইবোৰ পিছে-পৰে দেখা যাব। এতিয়া মই কৈছো নহয়, ওলোৱা। কেৰমৰ বন্ধ কৰা. আৰু ইণ্টাৰভিউ দিয়াগৈ

আশাই ধেমালিকৈ কেৰমৰ গুটিবোৰ ভাঙি থৈ গুছি গ'ল। সিহঁতে মুৰে-কপালে হাত দি চিন্তা কৰাত লাগিল।

ঘটি আৰু বাটিয়ে অৱশেষত কনিষ্টবলৰ চাকৰিৰ ইণ্টাৰভিউ দিবলৈ সাজি-কাচি ওলাই আহিল। ওপৰৱালাৰ হুকুমত যেনেকৈ যি কৰিব লাগে,- দৌৰিলে, জপিয়ালে বিভিন্ন ধৰণে পৰীক্ষা দিলে। পৰীক্ষাত পাছো কৰিলে

এইখিনিতে আকৌ সূত্ৰধাৰ।

- বুইছে! কনিষ্টবলৰ চাকৰি পাবই বুলি ধৰি লৈ নগৰ চোৰবিলাকে সিহঁতক উৰাই ঘূৰাই তেলো মাৰিলে। কয়লা চোৰ, তেল চোৰ, গছ চোৰ, গাড়ী-চোৰ সকলোৰে এটাই কথা,- ঐ দোস্ত, পুলিচৰ চাকৰি পালে আমাক কিন্তু চাবি আৰু দেই! তাৰ বাবদ যি ভাগ পাব লাগে পাই থাকিবি। একদম ৰেগুলাৰ. কোনো চিন্তা নাই। এজন পুলিচ অফিচাৰে মাতি নি ক'লে,- খবৰদাৰ, চাকৰি পোৱাৰ পিচত আমাৰ ভাগৰ চান কাঢ়িব নোৱাৰিবি কিন্তু!

ঘটি আৰু বাটিয়ে সেমেনা-সেমেনিকৈ পুলিচ অফিচাৰক ক'লে — হ'ব হুজুৰ, কেলেইনো তেনেকুৱা কৰিম? আপোনালোকে আগৰ দৰেই খাই থাকিব। আপোনালোকে এৰি থৈ যোৱাখিনিহে আমি খাম।

- অঁ ঠিক আছে, যা।

# ঠেংচুই

এটা প্ৰকাণ্ড হুমুনিয়াহ এৰি সূত্ৰধাৰে ক'লে,– 'এৰা .. পিছে কি হ'ব.. ' ৰিজাল্ট ওলাল। ঘটি-বাটি ফেইল। ওৱান্‌চ এগেইন। চাকৰি নহ'ল। তালিকা লৈ চাৰিওফালে হুলস্থূল। পাবলগীয়া কোনেও পোৱা নাই, পাইছে কোনোবা নেতাৰ ঘৰৰ ভাত ৰান্ধনীয়ে, কোনোবা অফিছাৰৰ ঘৰৰ ড্ৰাইভাৰে. মালীয়ে, চকীদাৰে কাৰোবাৰ খুলশালীয়েকে !

কনিষ্টবলৰ চাকৰিটো নাপাই ঘটিৰাম চি-ই-ধা গৈ ফুটপাথৰ জাবৰ-ভৰ্তি, পানী নোহোৱা মেন্‌হ'ল্ এটাত হাজিৰ। তাতে জপিয়াই পৰি এতিয়া সি মৰিব! পিছে আল্টিমেথলি সি তাতো ফেইলাৰ হ'ল। ঠিক জপিয়াবলৈ লওঁতেই পিছফালৰ পৰা বাটিৰামে গৈ তাক থাপ মাৰি ধৰিলে।

- ঐ ৰ ৰ নমৰিবি।

- নাই মই মৰিমেই

- আস্ নমৰিবি বুলি কৈছোঁ নহয়

- এৰি দে বাটি মোৰ ডিছিশ্যন একদম ফাইনেল।

- নহয়, কথা আছে।

- কিহৰ কথাটো আছে? মৰিবলৈ দে মোক

- নিদিওঁ।

- বাটি মই কৈছো নহয় মোক নাৰাখিবি তই। মই মৰি যোৱাই ভাল। মোৰ লাইফত একো নহ'ল।

বেক্‌গ্ৰাউণ্ডত কোনোবাফালে 'মে'ৰা জীৱন ক'ৰা কাগজ ক'ৰাহী ৰহ গয়া বাজিবলৈ ধৰিলে।

- অকল তোৰেইহে লাইফত একো নহ'লনেকি? মোৰ পিছে কি? হঁা? মোৰ নহয় হ'বপায়? শুন, মোৰ কথা শুন।

সদ্যহতে ক্ষন্তেকলৈ মৰাৰ প্ৰগ্ৰেমটো প'ষ্টপন কৰি ঘটি ওচৰৰ বেঞ্চখনতে বহি পৰিল।

- ক, কি কথা আছে?

- এইযে সমুখত কোবাল গতিৰে ইলেক্‌চনটো আহি আছে, দেখা নাই তই?

- ইলেক্‌চন আহি আছে,- দেখিছো। খুব বঢ়িয়াকৈ দেখি আছো। পিছে তাৰ পৰা কিটো হ'ব?

- হ'ব। এইবাৰ জৰুৰ কিবা এটা হ'ব।

- এ'থ সাধাৰণ পুলিছৰ চাকৰি এটা.. তাকে নাপালো। কথা ক'বলৈ আহিছ। ডাক্তৰ, ইঞ্জিনিয়াৰ, হাকিম, মেজিষ্ট্ৰেট তেনেকুৱা কিবা এটা হ'লেও বেলেগ কথা আছিল। ৰমেনে মাটিকে বিকি পঞ্চাছ হেজাৰ দিলে,- নাপালে। বিপিনৰ বাপেক পুলিছতে কাম কৰি মৰিল, সিও নেপালে.... পালেগৈ এছ পিৰ ভাত ৰান্ধনীয়ে, এমেলে'ৰ ড্ৰাইভাৰে, মন্ত্ৰীৰ ঘৰৰ জামাদাৰে .। তই... মিছামিছি.. কথা ক'বলৈ আৰু মানুহ নাপালি.. ?

# ঠেংচুই

- ৰচোন অ'   'ইমান পতক্কৰে ভাগি নপৰিবি। ইয়াৰ পিচত বোলে ছিষ্টেমেই সলনি হৈ যাব, শুনা নাই?

- ছিষ্টেম্ সলনি হ'ব!? ...হাঁ? কিডাল সলনি হ'বঅ'? ধ্যেৎ

- হ'ব হ'ব। শুনিছোঁ,- যিবোৰে টকা দিব এইবাৰ ওলোটাই সিহঁতকেহে ধৰি নি হেনো জে'লত সুমুৱাব। গতিকে   কি বুজিলি?   পইচা নুখুৱাকৈয়ে চাকৰি পাই যাবি!!

- এঃ যাঃ মোৰ অকণো বিশ্বাস হোৱা নাই।

ঘটিয়ে বাটিৰ মুখলৈ বেঙাটোৰ দৰে চাই থাকিল। কথাবোৰ তাৰ সঁচাকৈয়ে অকণো বিশ্বাস নহ'ল।

- নহয় মানে ... চা..  পইচা হয়তো খাব। কিন্তু খালেও মন্ত্ৰী-চন্ত্ৰীবিলাকে ভাইৰেক্ট খাই দিব। মাজতে সোমাই কোনো দালালে মাম্লেট খাব নোৱাৰিব। সেইটো একদম খাটাং।

- বাৰু   । তেনেহলে   ক এতিয়া,- কি কৰিব লাগে মই?

- চা, ইলেক্চনটো অহাৰ খবৰ পায়েই যেনেকৈ আটাইবোৰে পটাপৎ সাৰ পাই উঠিছে, তেনেকৈ এতিয়া তয়ো সাৰ পাই উঠিব লাগে।

- মানে!? মই আক' কি সাৰডাল পাম? মই দেখোন সাৰ পায়েই আছোঁ!

- নহয়। এইটো সাৰ পোৱা বেলেগ। তই দেখিছই,- বাৰিষা যেনেকৈ বৰষুণজাক অহাৰ লগে লগে মাটিৰ তলৰ ঘাঁহ-বনবোৰ হোহোৱাই গজি আহে, তেনেকৈ অ'ত-ত'ত লুকাই-চুৰকৈ সোমাই থকা নেতাকেইটা ওলাই আহিছে, দেখিছই   এজিপি আহিছে বিজেপি আহিছে, কমিউনিষ্ট আহিছে  ..। আহিছেনে নাই? দীঘলীয়া টোপনিৰ পৰা উঠি আহি বান-টু-অল চবেই হাত-ভৰি লৰাইছে। এঙামুৰি দিছে। মুখ ধুইছে। দাঁত ঘঁহিছে। কাপোৰ পিন্ধিছে। দাঢ়ি-চুলি কাটিছে। স্ন'-পাওডাৰ সানিছে   । সানিছেনে নাই?

সপোনৰ নিচিনাকৈ দৃশ্যবোৰ দুয়োটাৰে চকুৰ আগত ভাঁহি উঠিল!

- এঃ এইবিলাক আজি কৌটিকালৰ পৰা সদায় দেখিয়ে আছোঁ দেখোন। এইমখাই এজ-ইউজুৱেল ইলেক্চন খেলিব, কম্বল বিলাব, মদ খুৱাব . তাৰে কেইটামান জিকিব, জিকি মন্ত্ৰী-এমেলে' হ'ব, দিচপুৰত গৈ আকৌ ৰাজকোষ খাই তহিলং কৰিব, বোমাপন্থী বন্দুকপন্থী ছাৰেণ্ডাৰপন্থী ইঞ্জিনীয়াৰ ঠিকাদাৰ তেলচোৰ কয়লাচোৰহঁতৰে লগ লাগি আকৌ নতুনকৈ দেশখন লুটিব, কোটি-কোটি টকাৰ মালিক হ'ব। অৱশিষ্ট লেবেলাকেইটাও গৈ সেইখিনি পাই দুমাহতে একোটাইঁত বিয়াগোম গেবেলা হ'ব। কিন্তু তাৰ পৰা আমাৰ কিটো হ'ব?   . এঁ? আমাৰ কি—টো হ'ব!?

- ঠিকেই কৈছ তই, কিন্তু তাৰ মাজতে এটা ভাল খবৰো আছে, বুইছ?

- ভাল খবৰ?

- অঁ। এই বিৰোধীমখাই যিহকে নকওক, আমাৰ ধৰ্মিন্দৰ ফটামুখীয়াই কিন্তু

দুটামান বৰ ভাল কথা কৈছে।

- কি কৈছে?

- কৈছে,– আমাৰ এই বঙ্কপ্ৰদেশখন হেনো এদিন গোটেই দেশৰ ভিতৰতে জাকত জিলিকা হৈ উঠিব। উন্নতি, প্ৰগতি, সমৃদ্ধি, বিকাশ, বৈভৱৰ একদম শিখৰত গৈহে অৱস্থান কৰিব

- এঃ থ! এনেকুৱা বাজে কথাবোৰ আৰু মোক নকবি দেই তই। এনেযেই মৰিবলৈ ওলোৱা মানুহ মই, এককোবে গৈ আকৌ মেন্‌হ'লত জাপ মাৰি দিম। বা-প্-পে-কে ।

— নহয় অ' শুনচোন, মানুহটোৱে বৰ ছিৰিযাচ্লি কৈছে। লগতে ইযাকো কৈছে,- সেই শিখৰত উঠি থকা দৃশ্যটোযে সেইটো দেখিবৰ কাৰণে আমি হাজাৰ-হাজাৰ বছৰ বৈ থাকিবৰো দৰকাৰ নাই।

- হয়নে? পিছে কিমান দিন ৰ'ব লাগিব?

- দহ বছৰ।

- মাত্ৰ!?

- অঁ। মাত্ৰ দহটা বছৰ যেনেতেনে পাৰ কৰি দিব পাৰিলেই খেলা খটম, পইচা হজম। যোৱা দহ হেজাৰ বছৰত যি যি হোৱা নাছিল,- সেই আটাইবোৰ মাত্ৰ দহ বছৰতে হৈ যাব।

- এনেকুৱা একে ধৰণৰ ঘটনা এটা আগতেও এবাৰ ঘটিছিল অ'।

- কেতিয়া?

- যেতিয়া সেই বিশ্ববিখ্যাত দুহাজাৰ চনটো আহি আমাৰ মাজত উপস্থিত হৈছিল। তোৰ অকণো মনত নাইনে? সেইযে একে দিনাই 'সকলোৰে বাবে স্বাস্থ্য' হ'ব বুলি কৈছিল 'সকলোৰে বাবে ঘৰ' সকলোৰে বাবে শিক্ষা সকলো ধৰণৰ প্ৰগতি বিকাশ আৰু অসংখ্য, ঢেৰ কিবাকিবি হোৱাৰ কথা আছিল.. .

- হয়, হয়। আৰু সেইবিলাকযে হ'ব, বিছ-পঁচিছ বছৰ আগৰ পৰাই তেতিয়াৰ ছাৰসকলে অনবৰতে ভৱিষ্যৎবাণী কৰি আছিল। শুনি-শুনি আমাৰ কানৰযে কণামাকৰিবোৰ সৰি নোহোৱা হৈ গৈছিলগৈ . । তেনেকুৱা ভাল দিন আমাৰ মাজলৈ আকৌ এবাৰ আহিব ধৰিছে,– বুইছ ঘটি?

- এৰা। মই গম পাই গৈছোঁ। আমাৰ সুখ আৰু আনন্দ কুলাই-পাছিয়েও নধৰা হৈ যাবগৈ।

- এতিয়াৰ পৰা ঠিক দহটা বছৰৰ পিচতে আমাৰ এই মৰমৰ ৰাজ্যখন কিমানযে সুন্দৰকৈ জাকৰ মাজত জিলিকি থাকিব, চিক্‌মিকাব, তিৰবিৰাব,- ভাৰচোন।

- ভাবিছোঁ। সেই দৃশ্যবিলাক এতিয়াই চকুৰ আগত ভাঁহি উঠিছে।

- আঃ! মোৰ কিন্তু ভাবি-ভাবি চকু-তকু মুদ খাই গৈছে। স্বয়ং চিএম ছাৰ নামি

আহিছে,- অকলে অকলে,- এখন নন্-বুলেটপ্ৰুফ গাড়ীৰ পৰা! লগত না আছে চেলা-চামুণ্ডা, ব্লেক-কেট, জেদ-প্লাছ, না আছে বডীগার্ড। না কোনো চাইৰেণ, সন্ত্ৰাস, ন'-এণ্ট্ৰি, মাৰপিট, নাই এটাও বন্দুক। অকলশৰেই নামি আহি তেখেতে সুধিছে,- হে' প্ৰজাগণ, কোৰাচোন আমাৰ দেশখন কিমান জিলিকিছে... ।?

- আৰু প্ৰজাগণে ক'ব,- আস্! নক'ব আৰু প্ৰভু ঈশ্বৰ। তিৰ্বিৰণিত চকু চাং মাৰি ধৰিছে। খালী চকুৰে একো চাবই পৰা নাই। মানে কি আৰু,- চকুকেই মেলিব পৰা নাই। গোটেই ৰাজ্যখন স্বয়ং বেলিটোৰ দৰেই চক্‌মকাব লাগিছে। ভাগ্য ভাল চকুত ক'লা ক'লা ৰে'-বেন চছমা পিন্ধি আছিলো। নহ'লে চকু জ্বলি গৈ মহা সৰ্বনাশখন হ'লহেঁতেন

- ছাৰে ক'ব,- 'দেখিছা! মই দহ বছৰ আগতেই কৈছিলো নহয়!'

- সঁচা প্ৰভু। অতিপাত্ত সঁচা। ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈকে কেৱল চিক্‌মিকণি। ক'তো অকণ ধুলি নাই, বোকা নাই। থু নাই, খেকাৰ নাই। জাবৰ নাই, জোঠৰ নাই। আবৰ্জনা নাই। স্ফটিকৰ দৰে খোৱাপানী। সূৰ্যৰ দৰেই পোহৰ। দিনে-নিশাই এএচ্‌ইবিৰ নন্-ষ্টপ পাৱাৰ ছাপ্লাই। ভগা-ছিগা ৰাস্তা নাই, গাঁত নাই, পুখুৰী নাই, কুঁৱা নাই, সৰোবৰ নাই,- মসৃণ, খলাবমাবিহীন, কাৰ্পেট যেন আলিবাট। ৱাছিংটন ব্ৰীজৰ দৰেই প্ৰতিখন দলং। খুন্দ খাই থকা ৰাজকোষ, প্ৰতিটো ডিপাৰ্টমেণ্টত চৌ-চৌকৈ পইচা। ভেকুৰাম হুৰ্ণ নবজোৱাকৈ শব্দবিহীন গাড়ী-মটৰ। আলফাবিহীন ভুটান। ছালফাবিহীন টেঙাৰ। দুৰ্নীতি নোহোৱাকৈ চৰকাৰ। ছিণ্ডিকেট নোহোৱাকৈ বেলতলা। চাইৰেণ নবজোৱাকৈ আপুনি। অসভ্যালি নকৰাকৈ পুলিচ . অফিচাৰ. কনিষ্টবল না কাৰোবাক পিটিছে, না কাৰোবাক খেদিছে

ঘটি আৰু বাটিয়ে একেলগে চিঞৰি উঠিল।

- আস্ কি বিতোপন দৃশ্য! দিঠক, নে সপোন তাকেহে ধৰিব পৰা নাই।

- বুইছ মোৰ কেৱল চকুৰেই নহয়, লগতে নাক, কাণ, হাত, পেট, চুলি . গোটেইসোপা মুদ খাই গ'ল! একো মেলিবই পৰা নাই।

- গতিকেই ছা ঘটি অন্ততঃ এই দহটা বছৰ বাট চা। যেনে-তেনে জীয়াই থাক্। এই বোলে ছিগোঁ-ছিগোঁ, যাওঁ-যাওঁ. তেনেকুৱা এটা অৱস্থা হ'লেও যি কোনো প্ৰকাৰে প্ৰাণবায়ুকণ ধৰি ৰাখ্। কোনোপধ্যেই চিলিমটো ছিণ্ডি নিদিবি। নাৰ্ছিং হ'মত, ছ্ল'প্ৰাফীত, চি-টি স্কেনত কোটি-কোটি টকা ঢালি হ'লেও মুঠৰ ওপৰত নমৰাকৈ ৰ। আমাৰ এই অতিকৈ চেনেহী বহুপ্ৰদেশখনৰ মৰমলগা চেহেৰাটো চাইহে সিফালীয়া হোৱাৰ কথাটো মনলৈ আনিবি, বুইছ .. ?

- বুইছোঁ, বুইছোঁ বাটি। হ'ব দে। তই যি কৈছ সেয়ে হ'ব। নমৰো... । এইৰাৰলৈ মৰাৰ প্ৰগ্ৰেম কেঞ্চেল।

- খাটাং?

- অঁ, খাটাং। কনিষ্টবলৰ চাকৰিটো পাওঁ বা নাপাওঁ - বাই এলি মিন্‌চ - এটু-

লিষ্ট আৰু দহটা বন্ধুৰ জীয়াই থাকিম। হ'ব দে।

ঘটিয়ে বাটিৰ মূৰত ধৰি শপত খালে।

সূত্ৰধাৰে কৈয়ে থাকিল। - কনিষ্টবলৰ চাকৰিক লৈ গোটেই বদ্ধপ্ৰদেশত তামাম লংকাকাণ্ড হ'ল। চাৰিওফালে জুই জ্বলাদি জ্বলিল। ঢে'ৰ এগালমান প্ৰতিকৃতি জ্বলা জুইত জাহ গ'ল। বঞ্চিত কেণ্ডিডেট হাই কৰ্ট পালেগৈ। অপ'জিছনেও বৰ মজা পালে। যাক কয় গাখীৰতে মহৰ খুটি! যি বিচাৰিছিল,- ইলেক্চনৰ আগে-আগে উইক্ পইণ্ট্ সোণালী সুযোগ বটিয়াকৈ আহি গ'ল ।

সেইবোৰ যিয়েই নহওক, এইপিনে ঘটিৰামৰ কিন্তু একো নহ'ল। মেন্হ'লৰ পাৰত জপিযাবলৈ লওঁতে যেনে অৱস্থাত আছিল এতিযাও তেনেকৈযে থাকিল। ইপিনে ইলেক্চনো যথাসময়ত সম্পন্ন হৈ গ'ল। এজ ইউজুৱেল ৰাইজে দলে-বলে গৈ নিজৰ-নিজৰ বহুমূলীযা ভোটবোৰ বেলট বাকচত ভৰাই থৈ আহিল। কোনোবা জিকিল, বাকীগাল হাৰিল। জিকাকেইটা গৈ গাদীত বহিল। লেৰেলাবোৰ গেৰেলা হ'ল। আৰু এইফালে ? এইফালে ঘটি-বাটিহঁত হুবহু আগৰ দৰেই স্থিতপ্ৰজ্ঞ হৈ ৰ'ল। সিহঁতৰ লাইফত আকৌ এবাৰ একো নহ'ল।

এইবাৰ ঘটি আৰু বাটিক দেখা গ'ল,— দিচপুৰৰ সমুখত। একেথৰে চাই আছে। কেইদিনমান আগতে যাক ভোট দিছিল সেই মানুহবোৰে এতিযা ধুলি উৰুৱাই, ধুমুহাৰ বেগেৰে আহি ৰাজধানীত সোমাইছে। সিহঁতৰ গালে-মুখে ধুলি।

সূত্ৰধাৰ ঃ সৌৱা চাওক,— মাত্ৰ কেইদিনমান আগতে এইকেইজনেই আহি আমাক হাত যোৰ কৰি কৰি ভোট বিচাৰিছিল, কিছুমানে ভৰিত ধৰিবলৈহে বাকী আছিল এতিযা ধুলি উৰুৱাই, ধুমুহাৰ গতিৰে দেখিছে কাণ্ড ? গাইপতি একোখনকৈ চৰকাৰী গাড়ী আগে-পিছে বডীগাৰ্ড পুলিচ, চাইৰেণ, এতিয়া আৰু আপোনাৰ মোৰ লগ ধৰাৰ সাধ্য নাই, আকাশৰ তৰা ওচৰ চাপিব খুজিলে গুলীয়াই খটম কৰি দিব ! আৰু এযা আমাৰ দুই বন্ধু য'তে আছিল ত'তে ৰ'ল লেৰেলা পেট লেৰেলাই হৈ থাকিল বেচেৰা ।

এইবাৰ দুয়ো বন্ধু একেলগে গৈ মেন্হ'লৰ কাষত হাজিৰ। উদ্দেশ্য,- লগে-ভাগে ছুইচাইড্ কৰিব.

- আহ ঘটি, আমি আৰু জীয়াই থাকি লাভ নাই। মিছাতে জেগাবন্দী।
- ঠিক কৈছ দোস্ত। আমাৰ নিচিনা মানুহ মৰি যোৱাই ভাল।
- মইতো আগৰবাৰেই মৰিব খুজিছিলো। তইহে নিদিলি। কি লাভটো হ'ল?
- ছৰি দোস্ত। এইবাৰ আৰু নৰখাওঁ। দুয়োটাই জইণ্টলি চুইচাইড কৰিম।
- তাকেইতো। একেলগেই মৰি যাওঁ আহ

বিদায়ৰ ভাবেৰে দুয়ো দুয়োকে গবা মাৰি ধৰিলে।

সূত্ৰধাৰ - কিন্তু, হে'ৰা বন্ধুসকল, তোমালোকে আকৌ এই মেন্হ'লটোলৈকে

যে আহিলা, কি কথা? চুইচাইড কৰিবলৈ আৰু কি,- বেলেগ জেগা নাই..!

- এ'  ক'ত আৰু পুখুৰী, কুঁৱা, ছিলিং ফেন, ৰছী . সেইবোৰ বিচাৰি ফুৰিব হে'ৰি ? চিপজৰী ল'বলৈকোতো ৰছী এডাল লাগিল! হয়নে নহয়? হয় কিনিব লাগিব, নহয় চুৰ কৰিব লাগিব। নহ'লেনো পাম ক'ত? কোনে দিব?

- এৰা। কথাটো মিছাও নহয়। বাকী চবতে পাৰিলেও অন্ততঃ মৰিবলৈ পইচা খৰচ কৰিব নোৱাৰি দেই. .

- তাতকৈ এই মেন্‌হ'লবোৰেই ভাল। বুইছে! মোৰ বহুদিনৰে ইচ্ছা এটা আছিল,- - মৰিবলৈ মন গ'লে ইয়াতে এদিন মৰিমহি। বেলেগ আৰু ক'লৈকো নাযাওঁ।

- অ'কে, অল্ ডা বেষ্ট।

সূত্ৰধাৰে মাত লগাই, হেণ্ডশ্বেক্ কৰি গুছি গ'ল। দুয়ো জপিয়াবলৈ কেইবাবাৰো চেষ্টা কৰিলে। এবাৰ ইটোৱে ৰখায় এবাৰ সিটোৰ কিবা এটা হয়। নতুন নতুন প্ৰব্লেম ওলায়! অৰ্থাৎ মৰিব নোৱাৰেহে নোৱাৰে। তেনেতে ক'ৰবাৰ পৰা লাহৰী  ওলালহি।

- ওঁ, বুজিলো। হ'ব। নমৰিবা বন্ধুহঁত। পৃথিৱী এতিয়াও শেষ হৈ যোৱা নাই। বহুত বাকী।

- পৃথিৱী শেষ হৈ যোৱা নাই? কিন্তু কি বাকী আছেগৈনো? আমি কিয় একো নেদেখোঁ?

- আছে। এতিয়াও বহুত কিবাকিবি আছে।

- আচ্ছা  !? আচৰিত হৈ ইটোৱে সিটোৰ মুখলৈ চালে। - কোৱাচোন কি আছে?

- কেনেই,— কেবল আমাৰ অসম, আজিৰ অসম, দৈনিক অসম,- এইবোৰেইহে অসমনেকি? বাকী আৰু অন্য অসম নাই? অতি আনন্দ মনেৰে অনন্তকাললৈ জীয়াই থাকিব পৰাকৈ এখন সোণৰ অসম আছে, এখন ৰূপহী অসম আছে, হীৰাৰ অসম, পিতলৰ অসম, আৰু চবতকৈ বটিয়া,- এখন স্বাধীন অসম আছে। সেইবোৰলৈ হ'বপায় মনতেই পৰা নাই।

দুয়োটা আৰু বেছি অবাক হ'ল। চকু গৈ কপালত উঠিল।

- হয়তো, সেইকেইখনৰ কথা কিয় বাৰু এবাৰলৈকো মনলৈ অহা নাই! এইটো কি আচৰিত কথা....!!

সূত্ৰধাৰ ঃ - এৰাতো। জীয়াই থাকিবলৈ সেইকেইখন দেখোন আছেই! মৰাৰ আগতে সেইবোৰত এবাৰমানকৈ থাকি নাচালে কেনেকৈ হ'ব.. !?

লাহৰীয়ে সিহঁতক যাবলৈ লগ ধৰিলে। - ব'লা এতিয়া। কিছুদিনলৈ মৰাৰ প্ৰব্লেম কেন্সেল। কি হ'ব মৰি? ওঁহো, একো লাভ নাই। স্বৰ্গ, নৰক,- চবতে হাউছ ফুল্। এডভান্স বুকিং নকৰিলে তাত গৈ বহিবলৈ মূঢ়া এটাও নাপাবা। দুয়োখন টাউন মৰা মানুহেৰে ঠাহ খাই পৰিছে। আনকি ছিভিল হস্পিটেলৰ মিচিনাৰিকে বাৰান্দাতে পৰি থকাৰো উপায় নাই.....

# ঠেংচুই

ওচৰৰে পাৰ্ক এখনলৈকে আহি তিনিও বহিল। হাতৰ মোনাটোৰ পৰা আশাই ডালমুটৰ পেকেট এটা উলিয়ালে।

- ওঁ, প্ৰথমতে ইয়াৰে কেইটামান খাই লোৱা। তাৰ পিচত আমি সেই ধুনীয়া ধুনীয়া অসমবোৰ চাবলৈ যাম। অ'কে।

আটাইকেউটাই চিটিবাছত উঠি ধুনীয়া অসমবোৰ চাবলৈ গ'ল। আহি থাকোতে এঠাইত দেখা পালে,- আমাৰ অসম, এঠাইত আজিৰ অসম আৰু আন এঠাইত দৈনিক অসম। ঘটিয়ে সুধিলে,- এইবোৰেইনেকি? বাটিয়ে মিহিঁকৈ ধমকি লগালে,- ধেৎ অলপ ধৈৰ্য ধৰচোন। দেখিবি নহয়।

সিহঁত এইবাৰ সোমাই গ'ল এখন আনন্দ-মেলালৈ। তাৰ ভিতৰত তিনিখন আহল-বহল মঞ্চ। বা ষ্টল। সোণৰ অসমৰ চৰিত্ৰসমূহৰ গাত ধুতী আৰু গামোচা। ৰূপহী অসমত এজন স্বৰ্গদেউ বা ৰজা, মূৰত মুকুট, সিংহাসন, কাষত মন্ত্ৰী, চাম্‌চা, লিটিকাই । স্বাধীন অসমত সকলোৰে মিলিটেৰিৰ নিচিনা ইউনিফৰ্ম। প্ৰত্যেকখন ষ্টলৰ ওপৰত নিজৰ নিজৰ ছাইনবৰ্ড্। বেছিভাগৰে অংগী-ভংগী, বচন,- ভাওনাৰ নিচিনা। আশাহঁতে বাহিৰৰ পৰা থৰ লাগি চাই থাকে, আৰু ডাল্‌মুট খায়।

সোণৰ অসমৰ মঞ্চত সকলোৰে হাতে হাতে একোটাকৈ বস্তা।

- এই বস্তাবোৰ কেলেই?

- সোণ কটিয়াবলৈ আক'। অ'ৰ-ত'ৰ পৰা বস্তাই বস্তাই সোণ আনিহে এওঁলোকে সোণৰ অসমখন তৈয়াৰ কৰিছে। বুজা নাই?

- অঁ। এতিয়া বুজিছো। কিন্তু ইম্মানবোৰ সোণ ইহঁতে পালে ক'ত? আমাৰ দেশত বোলে সোণৰ খনি নায়েই।

- বিদেশৰ পৰা আনিলেগৈনেকি।

সিফালে মঞ্চত অবিৰাম ডায়লগ। 'হেঃ হেঃ। নাই যোৱা বিদেশলৈ। বুইছা বন্ধু' সোণ সোণ বুলি জগতে ঘুৰিলোঁ, ঘৰতে আছিলে সোণেহে ! সুৰ লগাই দুজনমানে গাবলৈকে লাগি গ'ল।

- তাকেইতো। গোটেইখন সোণেই সোণ। লদাই লদাই সোণ ঘৰতে ওলাল। ডিমৌৰ নিচিনা পিচপৰা জেগাত সোণ ওলাল। এল'ছি সোণ। অ'এন্‌জিচিৰ তেলৰ পাইপ ফুটি সোণ ওলাল। শ্ৰীৰামপুৰত ওলাল। ফাচিবজাৰত ওলাল। ডিআৰডিএ'ত ওলাল। বানপানীত ওলাল, মথাউৰিত ওলাল .! গোটেইখন সোণেই সোণ। মাত্ৰ বুটলি আনা,- কাম শেষ।

- হেৰি নহয় ককাইদেউসকল, আপোনালোকে সোণৰ অসমৰ নিৰ্মাণ কাৰ্যফেৰা প্ৰথমে ক'ৰ পৰা আৰম্ভ কৰিলে?

- হেঃ হেঃ। নিজৰ নিজৰ ঘৰৰ পৰাই কৰিলোঁ। সেইযে ইংৰাজীত এষাৰ কথা আছে,- চেৰিটি বিগিন্স এট হ'ম,-*সেইটো আদৰ্শৰ লগতে আন এটা যে'গ্ৰাহ আদৰ্শ লগ

লগাই,- টু ইন ৱান কৰি,- কামত লাগি গ'লোঁ।

- ইটোনো কি আদৰ্শ?

- হেঃ হেঃ। ভেৰি গুড্ কুৱেশ্চন। সেইটো আদৰ্শ হ'ল,- 'আপোন ভালেই জগত ভাল'। তাৰ মানে কি বুজিলা? নিজৰ ঘৰখন সোণৰ হোৱা মানেই গোটেই অসমখন সোণৰ হোৱা।

লাহৰীয়ে সুধিলে,- 'হে ককাইদেউসকল, সোণৰ অসমত পিছে কেৱল সোণেই থাকিবনে?'

- ঈঃ . কেলেই হ'ব? আৰু বহুত কিবাকিবি থাকিব। বৰ প্ৰকাণ্ড ফাইল এটা দেখুৱাই এজনে ক'লে,- এইটো দেখিছা? ইয়াতে চব সোমাই আছে। চাবানেকি আহা। এয়া চোৱা, কি কি আছে। আইএমডিটি বাতিল হোৱাৰ লগে-লগেই ইটোৰ পিচত সিটোকৈ বঙ্গপ্ৰদেশৰ সমস্যাবিলাক খুব ফাষ্ট নোহোৱা হৈ আহিছে। ৰাজ্যখনৰ পৰা বাংলাদেশী সম্পূৰ্ণৰূপে বহিষ্কৃত হৈছে। ৰাজনৈতিক দলবোৰ চিকচিকিয়া চাফা হৈ পৰিছে। ভিলেইনখিনি নিজেই নিজেই বাহিৰ হৈ গৈছে। তাৰ ঠাইত খুব ভাল ভাল মানুহবোৰ আহি সোমাইছে।

- ক'তো কেনিও এক মিলিগ্ৰামও জাবৰ জোঠৰ, থু-খেকাৰ, শেগুণ আদি পাবলৈ নোহোৱা হৈছে। প্ৰতিটো আলিবাট, অলি-গলি মাৰ্বলৰ মজিয়াখনৰ দৰে হৈ পৰিল। নদী আৰু পুখুৰীৰ পাৰবোৰ পকা হ'ল। পাৰে পাৰে গছ , বহিবলৈ বেঞ্চ। ৰং বিৰঙৰ ফুল। পখিলা।

- ছুইৎজাৰলেণ্ড, অষ্ট্ৰিয়া আদিলৈ যাম যাম বুলি ঠেং দাঙি থকা পৃথিৱীৰ লাখ-লাখ কোটি-কোটি টুৰিষ্টে নায়েগ্ৰা ফল্‌চ, গ্ৰেণ্ড কেনিয়ণ,- চব বাদ দি, আৰু আগৰ সকলো প্লেন-প্ৰগ্ৰেম টিকেট-ভিছা আদি কেঞ্চেল কৰি দলে দলে আমাৰ এই সোণৰ অসমত ওলাইছেহি!

আশাহঁত এইবাৰ গ'ল ৰূপহী অসমলৈ। সিংহাসনত স্বৰ্গদেউ। কাষত মহাৰাণী। চৌদিশে পাৰিষদ বৰ্গ। সেনাপতি। ভিডিঅ' কেমেৰা লৈ এগৰাকী মহিলাই অবিৰাম শ্যুটিং কৰি আছে।

স্বৰ্গদেউ - ওহে প্ৰজাগণ। আহ(অ) দেখহ, শুনহ .. য়হী হমাৰ(অ) ৰূপহী অসম(অ)। ৰূপহী অসমৰ কথা শুনি শুনি জীৱন ধন্য কৰাহঁক।

- যিকোনো এটা অফিছলৈ যোৱা..... ধুনীয়াকৈ প্ৰতিটো মানুহে কাম কৰি আছে। কাৰো কোনো পইচা খোৱাৰ ধান্দা নাই.... কামবোৰ পিচদিনালৈ পেলাই থোৱাৰ টেঙেলি নাই। ফাইলত অকনমান ধুলি নাই। 'কাইলৈ আহিব... পৰহিলৈ আহিব.. কৈ ঢোঁচোৱাই থকাৰ ফৰমুলাটো নাই....

- বিজুলী যোগানৰ ফেক্টৰিটোলৈ যোৱা,- প্ৰত্যেকজন কৰ্মচাৰীয়েই যেন একোজন সুদক্ষ জাপানীজ ইঞ্জিনীয়াৰ.... এক মিনিটো কাৰো বৈ থাকিবলৈ নাই, অফিছতে

বটল খোলাৰ কথা নাই, লাইন কেনেকৈ কাটে তেওঁলোকে সম্পূর্ণৰূপে পাহৰি গৈছে. চৌবিছ ঘণ্টা নন্‌ষ্টপ ফুল ভল্টেজ পোহৰ ক'তো এটা ট্ৰেন্সফৰ্মাৰ জ্বলা নাই, কোনেও তাৰ পৰা এচামোচো তেল চুৰ কৰা নাই, প'লত কাৰ্বন জমা হোৱা নাই, হাই ভল্টেজ লাইন পৰি কাৰো ঘৰত টিভি জ্বলি যোৱা নাই

- কেনে বিতোপন ৰাস্তা! ইমানেই মিহি,- যেন মাৰ্বল টাইল্‌চ্‌হে লগাই থৈছে। ক'তো এটা গাঁত নাই, বোকা নাই পানী নাই, জাবৰ নাই, জোঠৰ নাই । তাৰ ওপৰেৰে চাৰি-পাঁচশ মাইল স্পীডত একো-একোখন ভল্‌ভ'ৰ নিচিনা বাছ। যেনি-তেনি চুপাৰ্‌ছনিক বুলেট ট্ৰেইন। দুই ঘণ্টাত তোমালোকে যোৰহাটৰ পৰা গুৱাহাটী পাই গৈছা ।

লাহৰী আৰু সুত্ৰধাৰেও সমানে উজান দিলে। - আঃ, ইমাজিন কৰাই মস্কিল।

- চান্দা নাই, তালাচী নাই, জোৰ নাই, জুলুম নাই, মদ নাই, জুৱা নাই, ভাং নাই, ড্ৰাগ্‌চ নাই.

- ক'তো কোনো ঠগ নাই, বিট্ৰে' নাই।

- ল'ৰাই ছোৱালী নোজোকায়। ছোৱালীয়ে চেন্দেল নদলিয়ায়।

- সাহিত্য সভাত দিনে-নিশাই কেৱল সাহিত্যৰ আলোচনা। ডেকা-বুঢ়া একাকাৰ। ডেকা-গাভৰুৰ নতুন নতুন সৃষ্টি, বুঢ়াৰ আশীৰ্বাদ। নাই লাখ টকাৰ বাজেট, নাই কাৰ্যনিৰ্বাহকৰ চুলীয়াচুলি, মাছে-মঙহে ভোজ-ভাতৰ চিন্তা, নাই কোনো অ-সাহিত্যিকৰ লম্ফজম্ফ

ঘটি-বাটিয়েও সাহস পাই মাত লগাই দিলে। - হেৰি নহয় বাইদেউ, আৰু আমাৰ এইযে কনিষ্টবলৰ খেলটো ?

- একদম ছিজিল! তোমালোকে দেখিবাই নহয়,- শাৰী-শাৰীকৈ কেণ্ডিডেট আহি আছে, পৰীক্ষা দিছে, দৌৰিছে, জপিয়াইছে, পাছ কৰি লগে-লগে নিযুক্তি-পত্ৰ লৈ ঘৰলৈ ঘূৰিছে। নেতা-মন্ত্ৰীৰ তাত কোনো কাম নাই। কোনোবাই যদি পইচা খুৱাবলৈ চেষ্টা কৰিছে, তেনে দগাবাজ প্ৰাৰ্থী লগে-লগেই জে'লত।

- আকৌ,- আটাইবোৰ ডেকাল'ৰা পথাৰত খেতি কৰিবলৈ গৈছে। ক'তো এটায়ো বাইকত বহি ছোৱালী জোকাই থকা নাই। ভৰ দুপৰীয়া বা চব মানুহ দহ বজাত কামলৈ যোৱাৰ ভৰপক সময়ত কেৰম খেলি কিৰিলিয়াই থকা নাই। দাদাইঁতে মাটি উলিয়াই দিছে, আৰু তাত জংগল ভাঙি, কোৰ মাৰি, ট্ৰেক্টৰ চলাই ল'ৰাইঁতে ধুনীয়া ধুনীয়া খেতি কৰিছে।

- কাহিলীপাৰাৰ সেই বিখ্যাত ডিপিআই অফিচটোলৈ যোৱা। তাত গৈ দেখিবা,- বিভিন্ন কাম লৈ বিমানবিলাক শিক্ষাগুৰু আহিছে, ছাৰ-বাইদেউ প্ৰিন্সিপালসকল আহিছে, প্ৰত্যেককে তাৰ কৰ্মচাৰী, বিষয়া, পিয়ন, চকীদাৰ, ছুইপাৰে চকুৰ চুই সেৱা জনাইছে, আথে-বেথে নি সুন্দৰকৈ ভক্তিভাবেৰে বহিবলৈ দিছে, বহিবৰ বাবে নতুন শিক্ষামন্ত্ৰীয়ে তাত শাৰী-শাৰী চোফা সজাই থৈছে, দহ-পোন্ধৰ মিনিটৰ মূৰে-মূৰে অফিচটোৰ প্ৰত্যেকেই তেখেতসকলৰ খা-খবৰ ৰাখিছে, চাহ-তামোল খুৱাইছে, একেদিনাই কামটো সমাধা কৰি

নমস্কাৰ এটাৰে বিদায় দিছে.. 'আকৌ এবাৰ আপুনি ছাৰ নাহিলেও হ'ব. ' বুলি মুখ দোঁৱাই অনুৰোধ জনাইছে। সেইযে এসময়ত 'কাহিলীপৰা' শব্দটোৰ মিনিং মানুহে বনাইছিল,- ইয়ালৈ যেয়ে আহে গধুলিলৈ অৱস্থা কাহিল হৈ পৰে বুলি,- এতিয়া সেইটো আৰু মৰি গ'লেও নহয।

ইমান ভাল খবৰ, ভাল ভাল কথা ভেজাল পেটত হজম কৰিব নোৱাৰি ঘটি-বাটি দুযোটা একেলগে মূৰ ঘূৰাই ধামকৈ পৰি গ'ল। বাকীবোৰে 'লগালগ' বিচনী বিচৰা, পানী ঢলা, জোতা শুঙুৱা, মোজা শুঙুৱা,- আদি আৰম্ভ কৰি দিলে।

আধাঘণ্টামান পিচত জ্ঞান ঘূৰাই পাই ঘটিহঁত স্বাধীন অসম চাবলৈ আহিল। ইযাত সকলো মিলিটেৰি চেহেৰাৰ মানুহ। গিৰিপ গাৰাপ খোজ।

- এখেতসকল বা কোন!

- এইখন অসম এখেতসকলেই বনাইছে। কিন্তু আচৰিত কথা কি জানা? সাইলাখ মিষ্টাৰ ইণ্ডিয়াৰ অনিল কাপুৰৰ নিচিনা। ইনভিজিবল্। অদৃশ্য। অসমলৈ নহাকৈয়ে জংগলৰ পৰাই এই অপূৰ্ব অসমখন তৈয়াৰ কৰি পেলালে।

- সঁচাকৈয়ে আচৰিত!

- ওঁ, নিচেই কাষতে ঘপহকৈ মানুহ একোটা মাৰি দিয়ে, পুতুককৈ বজাৰৰ মাজতে ব'ম ফুটাই থৈ যায়,- অথচ তেওঁলোকক কোনেও দেখা নাপায়! একেবাৰেই অদৃশ্য মানৱ। পঁচিছ বছৰে লাগি-লাগি পিছে স্বাধীন অসম তৈয়াৰ কৰিছে এবিলে,- কম বস্তু নহয!

- এইখন অসমত কি কি আছে বাৰু, তুমি জানানে লাহৰী?

ইয়াৰ উত্তৰ মঞ্জুৱে দিলে। - হাঃ হাঃ । কি নাই, সেইটো সোধা। মানুহৰ চৰতকৈ যিটো ডাঙৰ আৰু ইম্পৰ্টেণ্ট বস্তু,- জন্মস্বত্ব,- স্বাধীনতা, অধিকাৰ,- সেইটো একমাত্ৰ ইয়াতেই আছে! ইয়াৰ বাহিৰে সেইটো আৰু তোমালোকে পৃথিবীৰ ক'তো নোপোৱা।

- সেইটো থাকিলে আমাৰ কি হ'বনো? কনিষ্টবলৰ চাকৰিটো পাই যামনেকি?

- দিচ ইজ ভেৰি ইণ্টাৰেষ্টিং কুৱেশ্যন। বৰ ভাল পাইছোঁ মই তোমালোকক। শুনা। সেইটো এনেকুৱা এটা বস্তু, যিটো থাকিলেহে মানুহ প্ৰকৃতাৰ্থত স্বাধীন হয়। নহলে একদম নিকিনা গোলাম! চাকৰৰ নিচিনা লাইফ। চৌৱিছ ঘণ্টা কেৱল লেই-লেই চেই-চেই। শকত শিকলি এডালেৰে হাত-ভৰি বান্ধি থোৱাৰ নিচিনা কথা।

আশাহঁত মঞ্জুৰ বেছি ওচৰ চাপি গ'ল।

- এতিয়া এইখন অসমত তোমালোকে যি মন যায় তাকে কৰিব পাৰিবা। হাজাৰ বদমাচি কৰা,- মা-দেউতাই আৰুকেতিয়াও কেংকেঙাই নাথাকে! পঢ়াশালিত মাষ্টৰেও নমৰিয়ায়। মন গ'লেই ব্লু-ফিল্ম চাবা। মন গ'লেই ক্লাছ ৰুমতে কাষৰ বন্ধুটোক খুচিয়াই বা ডিঙি মুচৰি মাৰি পেলাবা। স্কুললৈ নগৈ দিনৰ দিনটো ভিডিঅ' গে'ম খেলি থাকিবা।

- বাঃ। কি মজা!

# ঠেংচুই

ঘটিহঁতৰ চকু-তকু টেলেকা-টেলেক হৈ গ'ল। সিহঁতে নিজৰ কাণকে যেন বিশ্বাস কৰিব পৰা নাই।

- গৃহস্থৰ চকুৰ সমুখতে চুৰি কৰিবা। দিন-দুপৰতে ডকাইতি কৰিবা। গুপ্তহত্যা কৰিবা। ধৰ্ষণ কৰিবা। কোটি কোটি টকা আত্মসাৎ কৰিবা। লুণ্ঠন কৰিবা। চব একদম ইজি হৈ পৰিব!

- বিশ্বাসেই হোৱা নাই।

- এৰাঅ'। এনেকুৱা এখনো অসম থাকিব পাৰেনে!

মঞ্চুত ক'লে,– য়েছ মাই ডিয়েৰ, হাণ্ড্ৰেদ পাৰ্চেণ্ট থাকিব পাৰে। মানে এয়া ,- আছেই! চকুৰ সমুখতে। কাহিলীপাৰাৰ সেই বিখ্যাত অফিছবোৰত শিক্ষক, অধ্যাপক, প্ৰিন্সিপাল আদিৰ নিচিনা মানুহৰ পৰাও কেৰেণী মহৰীয়ে পইচা বিচৰা, এক-দহ মহলা আৰু শুদা ইটা-বালিৰে চৰকাৰী ঘৰ, স্কুল, অফিছ, নলা, নৰ্দমা, দলং আদি সজা, ঘোচ-ঘাচ দিয়া-লোৱা-খোৱা,- এনেকুৱা যিমানবিলাক কাম আগতে লুকাই চুৰকৈ কৰিব লাগিছিল, সেইবিলাক এতিয়া স্বাধীন অসমীয়াই মুকলিকৈ,- খুল্লম খুল্লা,- দিন দুপৰতে, চবেই দেখাকৈ কৰিব পাৰিব।

- আহা আহা, তোমালোকেও এবাৰ চেষ্টা কৰি চোৱা,- হয়নে নহয়।

- আৰে ভাই আহি যোৱা। এতিয়া আৰু চুচুক-চামাক কৰাৰ দিন গ'ল। এতিয়া আনকি তোমালোকে মুকলিকৈ বন্দুক-চন্দুক পৰ্যন্ত লৈ ফুৰিব পাৰিবা। দেখাদেখিকৈয়ে ব'ম-চ'ম ফুটাবা। ঘোচ-ঘাচ যি খোৱা পোনে-পোনে খাবা .

মন্ত্ৰমুগ্ধৰ দৰে হৈ ঘটিহঁত লাহে লাহে গৈ একেবাৰে মঞ্চুতেই উঠি দিলে।

মঞ্চুত সেনাপতিয়ে ৰাইজলৈ চাই ক'লে,- হে' প্ৰজাগণ, এতিয়া আৰু ক'তো অকনো ভেজাল নাই। কোনো কাৰো পৰাধীন নহয়। আপোনালোক প্ৰত্যেকেই সম্পূৰ্ণৰূপে স্বাধীন। যাৰ যি মন যায় কৰি থাকক। মন গৈছে,- খাওক, মন গৈছে,- শোৱক। তেল মৰামৰি নাই, ভৰিত ধৰাধৰি নাই। ইযাত দেখিব,- স্বয়ং মুখ্যমন্ত্ৰীৰ নিচিনা মানুহেও অকলে-অকলে মানুহৰ মাজে-মাজে সুন্দৰকৈ ঘূৰি ফুৰিছে হাঁহি হাঁহি নিৰ্ভয় মনেৰে। ক'তো অকনো ট্ৰেফিক জাম নাই, দৰকাৰী কামত ঘৰৰ পৰা লৰালৰিকৈ ওলাই আহি হঠাৎ কোনেও মাজ ৰাস্তাত তিনি-চাৰিঘণ্টা ৰৈ থাকিব লগা হোৱা নাই। ৰাস্তাতে কোনো ছিৰিয়াচ পে'চেণ্ট মৰি থাকিব লগা হোৱা নাই। ন' এণ্ট্ৰি নাই, চাইৰেণ নাই, ক'তো কোনো এটা পুলিচে অশ্ৰাব্য লেতেৰা মাত মাতি, গালি পাৰি, মানুহ খেদা নাই।

- অ'হে' সেনাপতি ডাঙৰীয়া, আমি শুনিবলৈ পাইছিলো,- আপোনাসবে হেনো হাবিয়ে-জংগলে, বেংককে-বাংলাদেশে বস্তাই বস্তাই টকা পাহাৰটোৰ দৰে দ'ম কৰি থৈছিল . হয়নে। পিছে এতিয়া সেইবোৰ

- সেইবোৰ উলিয়াই আনি আমি এতিয়া কেৱল উন্নয়নৰ কামত খৰচ কৰিম। অসমৰ পইচা অসমতে ৰাখি ভাল-ভাল কামত খটুৱাম।

# ঠেংচুই

- পিছে সিফালে আকৌ স্বৰ্গদেউ ঈশ্বৰে বিকশিত অসম, ৰূপহী অসম, আৰু আৰু কি আছিল? পাহৰিয়ে গ'লো নহয় .!

- সোণৰ অসম।

- অঁ, সেই আমাৰ ডেকাল'ৰাইঁতে এখন সোণৰ অসম অলৰেডি দেখোন বনাইছেই।

- পিছে কি হ'ল? আমাৰ এইখন অসম তাতোকৈও বঢ়িয়া হ'ব।

সূত্ৰধাৰে মাত লগালে। - হয়তো! কোনে কিমান ভাল অসম বনাব পাৰে, বৰ্তমান তাৰেইতো কম্পিটিচন চলি আছে। ব'লা, সৌখনো চাই আহোঁগৈ।

এইখন 'বন্ধ অসম'। ছাটাৰ এখন পেলাই থোৱা আছে। এটা মস্ত তলা। মানুহৰ মাত শুনি কাষৰ ফাঁক এটাৰে এক চকীদাৰ টাইপৰ ব্যক্তিয়ে অকণমানকৈ মুখখন উলিয়ায়।

- এইখনহে আচল। বাঃ! বছৰটোৰ তিনিশ পঁয়ষষ্ঠী দিনেই বন্ধ। কিমান আৰাম ইয়াত। কাৰো একো কাম নাই বন নাই, কেৱল বন্ধ পালন কৰি ঘৰতে সোমাই থকা, বচ।

- শুনিছো, এইখন অসমৰ বোলে নামেই সলনি হৈ যাব। হয়নে কথাটো?

- হয়। একদম ঠিক শুনিছা। যেনেকৈ অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, হিমাচল প্ৰদেশ, উত্তৰপ্ৰদেশ, ঠিক তেনেকৈ আমাৰ দেশখন হ'ব বন্ধপ্ৰদেশ।

- বঢ়িয়া হ'ব কিন্তু। নামে-কামে খাপ খাই পৰিব, জগতে সলনি এটাও হ'ব।

হঠাতে চৌদিশে হুলস্থূল। 'অসম বন্ধ, অসম বন্ধ' বুলি চিঞৰি বহুত মানুহ দৌৰি আহিল।

- কিহৰ আকৌ অসম বন্ধটো ওলাল? এই এটা সপ্তাহতে দেখোন তিনিটা অল্‌ৰেডি হৈয়ে গ'ল!

- কোনে দিছে?

- কিহৰ বন্ধ, কোনে দিছে, কেলেই দিছে,- একো নাজানো। কিন্তু বন্ধ।

- কেই ঘণ্টীয়া? বাৰ নে চৌবিছ?

- চৌবিছ। বাৰ ঘণ্টীয়াটোত মজা নাই।

সূত্ৰধাৰে ম'বাইলত কাৰোবালৈ ফোন কৰি খবৰটো উলিয়ালে।

- ওঁ, মই খবৰ উলিয়ালো। ফুটপাথৰ ভিক্ষাৰী এটাই কাৰোবাক ভিক্ষা বিচাৰোতে সিজনে মাত্ৰ আধলি এটা দিলে। তাৰে প্ৰতিবাদত ভিক্ষাৰীটোৱে অসম বন্ধ দিছে। সি হেনো বাসত্তৰ ঘণ্টাৰ কথাই ভাবিছিল। লগৰবোৰে তিনি দিনত বহুত লছ হ'ব বুলি কোৱাৰ কাৰণেহে পিৰিয়ডটো কমাই দিয়া হ'ল।

ম'বাইলটো আকৌ বাজিল।

- অঁ, কোৱাচোন। ... উবাবাতবিনেকি? আচ্ছা! ... কিন্তু স্কুল, কলেজ, অফিচ, দোকান বজাৰ চব খালী হ'লেই! আই হী.... দিচপুৰৰ মন্ত্ৰী, বিধায়ক, অফিচাৰ, কমিছনাৰ

# ঠেংচুই

ছেইবোৰো গৈ অতালে? . ক'লৈ গ'ল? . অসম বন্ধ বুলি শুনিয়েই ফুটি দিলে ?! কংগ্ৰেছ, এজিপি, বিজেপি চবৰে ছাপৰ্ট? বাঃ!

হুৰমুৰকৈ ষ্টলবিলাক বন্ধ হৈ গ'ল। চবেই 'ছাটাৰ ডাউন' কৰি দিলে। আশাহঁত আনন্দমেলাৰ পৰা ওলাই আহিল।

আশাপূৰ্ণাই ঘটি আৰু বাটিক সুধিলে,– এতিয়া কোৱাচোন,- তোমালোকে কি ঠিক কৰিলা? মৰিবানে?

- ওঁহো। নমৰো।

- কোনোপধ্যেই নমৰো।

- আন নহ'লেও এৎ-লিষ্ট 'বন্ধ-অসম'খনত থাকি বি-ৰ-ৰাট বটিয়া লাগিব।

- এৰা, মোৰো আটাইতকৈ বেছি সেইখনেই পচন্দ হ'ল।

- একদম ঠিক কৈছা দোস্ত। বন্ধ অসমখনেইহে আচল। তাত কোনো ঝামেলা নাই। কোনো কষ্ট নাই, সমস্যা নাই..

- আৰু কেৱল আমিয়ে নহয়, চাই থাকা,- প্ৰত্যেক অসমীয়াই সেইখনেই ভাল পাব। অসমীয়াৰ একদম মনৰ মতন বস্তু।

- তাৰ পৰা কিজানি অসমীয়াই ক'লৈকো এক খোজো লৰচৰেই নকৰিব।

সূত্ৰধাৰে গান লগাই দিলে। জীনা য়ঁহা মৰণা যঁহা, ইচ্কে চিৱা জানা কাঁহা?

কিছুদিন পিচতে আকৌ এক উৎসৱমুখৰ পৰিৱেশ। সৰস্বতী পূজা আৰু ভেলেণ্টাইন দিৱস একেলগে আহি গ'ল! টেপুৰামৰ দোকানৰ ওচৰতে ল'ৰা-ছোৱালীৰ প্ৰেমালাপ। গ্ৰীটিংছ কাৰ্ড, গোলাপ ফুল দিয়াদিয়ি।

দৃশ্যবোৰ ঘটিহঁতে ভেবা লাগি চাই থাকিল।

সূত্ৰধাৰে ক'লে,- 'দেখিছে? ভেলেণ্টাইন দিৱসৰ দিনা অসম বন্ধ বাবে প্ৰেমৰ পূজাৰীসকলে আগদিনাই, মানে সৰস্বতী পূজাৰ দিনাই ভেলেণ্টাইন পাতি দিলে। বাপ্পেকে। দুয়োটা উৎসৱ একেলগে আহি আৰু মজা হ'ল। একোপাহ গোলাপ ফুলৰ দাম বোলে পঞ্চাছ টকালৈকে উঠিছে! বাঃ

বেক্-গ্ৰাউণ্ডত পূজা, ভেলেণ্টাইন, গান, মাইক। হেজাৰ-বিজাৰ মানুহৰ লগতে সিহঁতো ৰাস্তাৰে আহি থাকিল।

ঘটিয়ে বহুত সময় কিবা এটা দকৈ চিন্তা কৰি হঠাৎ সুধিলে।

- আচ্ছা, স্বাধীন অসমত আমিওতো সাংঘাটিক ধৰণে স্বাধীন হৈ যাম?

- অঁতো। কিয় নহ'বি? আমি সকলোৱেই স্বাধীন হ'ম।

- যিহকে মন যায় তাকে খাব পাৰিম?

- ওঁ, যিহকে মন যায় তাকে খাব পাৰিবি।

- যেতিয়াই শুবলৈ মন যায় তেতিয়াই শুই থাকিম?

- পূ-ৰ-ৰা একদম ফুৰ্ত্তি মাৰি শুই থাকিবি।

# ঠেংচুই

- যি মন যায় তাকে কৰিব পাৰিম?

- নিশ্চয়। যি কৰিবলৈ মন যায় তাকে কৰি থাকিবি। কোনেও তোক চাবলৈ নাহে। ডিষ্টাৰ্ব কৰাতো দূৰৰ কথা...

- তেনেহলে আমি এটা কাম কৰিম। স্বাধীন অসমত সৰস্বতী আৰু ভেলেণ্টাইন দুয়োকে একেলগ কৰি পেলাম। কেৱল একেলগ কৰাই নহয়, আমি আৰু এটা কাম কৰিম। এই কম্বাইণ্ড, টু-ইন-ৱান উৎসৱটো পূ-ৰ-ৰা এক মাহ ধৰি চলি থাকিব।

- ঠিক। যিকোনো বস্তুৱেই... একেদিনাই শেষ হৈ থাকিলে বৰ বেয়া লাগে। মনটো বৰ ট্ৰেজেদী হৈ যায়। শোকে খুন্দা মাৰি ধৰে।

- গতিকে এইটো বৰ মজা হ'ব। যিকোনো ফেষ্টিভেলেই, যিমানে দীঘলীয়া হয় সিমানে ভাল লাগে।

- তাকেইতো!

- উৎসৱটো লেংদী কৰাৰ লগতে আমি এনেকুৱা এটা নিয়ম কৰিব লাগিব যাতে সেই মাহটোত কোনেও অসম বন্ধ দিব নোৱাৰে। যিকোনো বন্ধ একদম ষ্ট্ৰিক্টলি প্ৰহিবিটেড্। তাৰ সলনি মুক্তি বাহিনীৰ চৰকাৰে বিহু নাইবা পূজাৰ নিচিনাকৈ কেইদিনমান অফিছিয়েল হলিডে' ডিক্লাৰ কৰিব।

- ঠিক। আৰু আমি কি কৰিম বুইছ?

- কি?

- শুন। প্ৰতিখন স্কুল আৰু কলেজৰ সমুখত এখনকৈ লাভাৰ্চ পাৰ্ক আৰু এটাকৈ সৰস্বতীৰ মন্দিৰ বনাম।

- ৱাও!

- আৰু তাতেই পুৰোহিত হৈ ``ি থাকি তয়ে-ময়ে ঢে'ৰ পইচা ঘটিম।

- তেনেহলে লাভাৰ্চ পাৰ্কতো টেক্স লগাম। ভেলেণ্টাইনবোৰক কিছুমান এক্সট্ৰা সুবিধা দি এক্সট্ৰা ইন্‌কাম কৰিম.

- এক্সেলেণ্ট আইডিয়া।

- আৰু আমি ভেলেণ্টাইন ডে'ৰ দিনা লাভাৰবোৰক গোলাপ ফুল বিকিম। শুনিছোঁ,— এইবাৰ একো-একোপাহ গোলাপ ফুলৰ দাম হেনো চল্লিছ পঞ্চাছ টকালৈকে উঠিছে!

- তই . কি . খেতি কৰাৰ কথা ভাবিছনেকি?

- ধেৎ! তয়োযে আৰু . ! খেতি কৰিম কেলেই!

- তেনেহলে ইমানবোৰ গোলাপ পাবিনো ক'ত?

- পাম ৰচোন। খেতি নকৰাকৈয়ে হ'ব। মাত্ৰ অকনমান টোপনি খতি হ'ব।

- টোপনি খতি? বুজা নাই মই।

- ওঁ, কাৰণ খুব ৰাতিপুৱাই আন্ধাৰতে আমি উঠিব লাগিব।

# ঠেংচুই

- উঠি?

- চুৰ কৰি আনিম আক', বুজা নাই!? কাৰ কাৰ ঘৰত গোলাপ ফুল আছে, সেইটো তয়ে-ময়ে আগতেই চাই থ'ম। পূজাৰ দিনা পুৱা  জাষ্ট গৈ লৈ আহিম  । বচ, কাম ছে'চ।

ঘটি আৰু বাটি দুয়োটাই দুপাহ ৰঙা গোলাপ আশাক উপহাৰ দিলে।

- বাৰু  আশা  এটা কথা কোৱাচোন। এইযে আমাৰ সুন্দৰ অসমখন তৈয়াৰ কৰি আছে  মানে আগুৱাৰ কনষ্ট্ৰাকচন  যিসকলে কৰিছে  মুক্তি বাহিনীৰ এটা মুক্তি সংগ্ৰাম  এই মুক্তিটো বাৰু কেনেকুৱা মুক্তি? কাৰ মুক্তি? কিহৰ পৰা মুক্তি?

- কি আৰু  এই ধৰি লোৱা  শৰীৰৰ পৰা আত্মাৰ মুক্তি  । কিয  দেখা নাই? এই পৃথিৱীত কিমানবোৰ যন্ত্ৰণা,- সেই অগণন যন্ত্ৰণাৰ পৰা মুক্তি  ! সংসাৰৰ বান্ধোনৰ পৰা মুক্তি  ! ধেমাজিতযে মৰিল  সৰু সৰু ল'ৰা-ছোৱালীবোৰ  চোৱাচোন, কিমান সৰু কালতেই সিহঁতে মুক্তি পাই গ'ল  কথাটো তেনেকুৱা  এগালমান পঢ়া-শুনাৰ পৰা মুক্তি  ডাঙৰ-দীঘল হৈ ভাল মানুহ হোৱা, চাকৰি-বাকৰি বিচৰা,— সেইবিলাকৰ পৰা মুক্তি  ! দুখীয়া, নিৰপৰাধী, অসমীয়া মানুহবোৰক  হৰেক ৰকমৰ সমস্যাৰ পৰা, টেঞ্চনৰ পৰা মুক্তি .  ! পৰাধীন অসমখনৰ পৰা পৰাধীন মানুহবোৰক এনেকৈ এটা-এটাকৈ মুক্ত কৰি গৈ থাকিলেহে আক' এদিন মুক্ত আত্মাবিলাকে স্বাধীন অসমৰ আচল স্বাধীনতাৰ সোৱাদটো লাভ কৰিবগৈ  ! বুজা নাই?

হঠাৎ এটা বিৰাট বিস্ফোৰণৰ শব্দ হ'ল। চৌদিশে ধোঁৱা-কোঁৱা। মানুহৰ লৰা-ধপৰা। তাৰ মাজতে ঘটি আৰু বাটি মৰি থাকিল।

সূত্ৰধাৰে এটা হুমুনিয়াহ এৰি ক'লে,— হেঃ। ইহঁত দুটা  মৰি থাকিল। আৰুবা কোন কোন মৰিল চাওঁগৈ ৰ'ব।

সূত্ৰধাৰ খৰ খোজেৰে আতৰি গুছি গ'ল।

ক্ষন্তেক পিচত ঘটিৰ আত্মাই বাটিক সুধিলে,- ঐ  মুক্তি মানে কি,— বুজি পালি?

- অঁ পালো দে। এতিয়াহে মুকলি মুকলি লাগিছে।

- এটা বৰ ভাল কথা হ'ল বুইছ?

- কি?

- সেইযে আমি ফুটপাথৰ মেন্‌হ'লটোত সোমাই ছুইছাইড কৰিবলৈ ওলাইছিলো .

- অঁ, নকৰিলো,- বৰ ভাল হ'ল।

- তেতিয়া আমি ফুটপাথৰ তলতেই সোমাই থাকিব লাগিলহেঁতেন! এতিয়া চাচোন, কি বঢ়িয়াকৈ মুক্তি পাই গ'লোঁ!

- এৰা দোস্ত, ঠিক কৈছ। সেইবাৰ আত্মাই আমাক বৰ বচালে।

# ঠেংচুই

- আজি এই ৰ'মটো নুফুটা হলে...

- টেপুৰামৰ বেঞ্চতে বহি বহি জীৱনটো কটাব লাগিলহেঁতেন।

- এঃ   আমাৰ লগতে আত্মজনীও অহা হ'লে

- ৰচোন.  কিজানি আহিছেই.....

- চাওঁগে ব'ল..

- ব'ল. .

কথা পাতি পাতি লাহে লাহে ধোঁৱাৰ মাজত সিহঁত দুটা অদৃশ্য হৈ গ'ল। তলৰ মাটিত অগণন মানুহৰ সমদল, আৰু জিন্দাবাদ ধ্বনি।

- সোণৰ অসম   জিন্দাবাদ জিন্দাবাদ ...

- ৰূপহী অসম.   জিন্দাবাদ জিন্দাবাদ.

- স্বাধীন অসম .. জিন্দাবাদ জিন্দাবাদ

- বন্ধ অসম... জিন্দাবাদ জিন্দাবাদ ...

- অসম বন্ধ. ...  জিন্দাবাদ জিন্দাবাদ

আধা ৰাস্তাৰ পৰা তললৈ ঘূৰি চাই ঘটি-বাটিয়ে মিচিকিয়াই এবাৰ হাঁহিলে। সেইখিনিতে ক্ষন্তেক বৈ এইবাৰ একেবাৰে পূৰাপূৰিকৈয়ে নোহোৱা হৈ গ'ল। তলত আশা, সূত্ৰধাৰ আদিয়ে টা-টা বাই বাই দি থাকিল।

# আয়া
# বিহু
# ঝুমকে

গুৱাহাটীৰ পৰা বেংকক হৈ দুজন প্ৰডিউচাৰ একেকোবে হলিউদ পালেগৈ।

উদ্দেশ্য,-- তাৰ আৰ্টিষ্টখিনিক লগ ধৰি, কথা-চথা পাতি আল্টিমেৎলি তেওঁলোকক লৈ এটা জবৰদস্ত বিহু-সুৰীয়া এলবাম তৈযাৰ কৰা। আৰু অসমৰ 'সাতাম-পুৰুষীয়া' সংস্কৃতিক, বিহুটোক,-- 'জগত সভা', অৰ্থাৎ 'বিশ্ব-দৰবাৰলৈ' লৈ যোৱা

দুদিনমান থকাৰ পিচত এপইন্টমেণ্টটো হৈ গ'ল। গোটেইকেইজনে কথা পাতিম বুলি কথা দিলে।

কিন্তু একেখিনি কথাকে বেলেগে বেলেগে পাতি থকাতকৈ আৰ্টিষ্টকেইজনে ঠিক কৰিলে যে আটাইকেউজন একে সময়তে আহি জেনিফাৰৰ ঘৰতে গোট খাব।

থাৰ্টি থ্ৰী, ডাউন-টাউন বেভাৰ্লি হিলচত প্ৰথমেই আহি পোৱা মেডনাই তেওঁতকৈ জুনিয়'ৰ আৰু অতিকে' মৰমৰ ব্ৰিট্নিক সুধিলে,- কথাটো কিঅ' বিনি ?

- ময়ো ভালকৈ নাজানো। স'পেজ মাহীয়ে মাইকেল আংক্লক কোৱা শুনিছিলো,- কিবা হেনো নিউ ভেঞ্চাৰ, নতুন বিজিনেছ

যথাসময়ত প্ৰডিউচাৰে নিজেই আৰম্ভ কৰিলে,- আমি আচলতে বলিউদ ষ্টাইলত গলিউদ কাল্চাৰেল ইণ্ডাষ্ট্ৰীক গ্ল'বেলাইজ কৰিব খুজিছোঁ. । আৰু স্নেইটো সম্ভৱ হ'ব একমাত্ৰ হলিউদৰ কলাব'ৰেছনত

- ৰ'ব, ৰ'ব এক মিনিট এই গলিউদ, বলিউদ এইবোৰ কি বস্তু?

- একচুৰেলি মানে কি সঁচা কথাটো কৈযে দিওঁ আমাৰ তাত আমি সকলো কামেই আনৰ পৰা নকল মাৰি কৰো। নিজৰ বুলিবলৈ একো নাই। চিনেমাই হওক, গানেই হওক, বিউটি কণ্টেষ্ট, ফেশ্যন পেৰেড, ষ্টেজ শ্ব' এভ্ৰিথিং নকল। আনকি নিজৰ নামটোৱেই নকল। চুৰ কৰা। ডুপ্লিকেট

- নামটোৱেই নকল।? হাউ ইণ্টাৰেষ্টিং ।

- হয়। ভাৰতৰ চিনেমা জগতখনৰ নাম আজিকালি 'বলিউদ'। হলিউদৰ ডাইৰেক্ট্

নকল।

- বলিউদ!! অ' মাই গড.. !

- হলিউদৰ নকল হৈছে বলিউদ আৰু বলিউদৰ নকল কি জানে? - গলিউদ। আৰু এতিয়া ইণ্টাৰেষ্টিংলি আমি সেই গলিউদৰ পৰাই আহিছোঁ।

জেনিফাৰে বাগৰি বাগৰি হাঁহিলে। বাকীবোৰো হাঁহিত থাকিব নোৱাৰা হ'ল।

- তাত সকলোৱে এনেকৈয়ে কয়নেকি?

- হয়। সকলো সাহিত্যিক, সাংবাদিক, আনকি বাতৰি-কাকতৰ সম্পাদকেও তেনেকৈয়েহে কয়, আৰু লিখে।

- পিছে বলিউদে হলিউদৰ পৰা জাষ্ট আইডিয়াটো লয়নে বস্তুবোৰ পূৰাই মাৰি দিয়ে?

- আইডিয়া চাইডিয়া ল'বলৈ নাই, একদম পূ-ৰ্-ৰাই মাৰি দিয়ে। প্ৰথমে বলিউদে হলিউদৰ পৰা মাৰে, তাৰ দহ বছৰমান পিচত আমি গলিউদে আকৌ সেইখিনিকে বলিউদৰ পৰা মাৰো। অনন্তকাল ধৰি তেনেকৈয়ে চলি আহিছে...

- চিনেমাৰ ক্ষেত্ৰত আপোনালোকে কেৱল কাহিনীটোৱেই মাৰেনে? নে পূৰাপূৰি চব মাৰি দিয়ে?

- চব মাৰি দিওঁ। কাহিনীৰ পৰা আৰম্ভ কৰি শ্বট পৰ্যন্ত। অবিকল। ভাষাটোৰ বাহিৰে আন একোৱেই নসলাওঁ। এজ ইট ইজ। লগতে মাত্ৰ পোন্ধৰটামান গান আৰু এসোপা নাচ ভৰাই দিওঁ। সেইটো আমাৰ তাত কম্পালচৰি। নিদিলেই নহ'ব। প্ৰথমে নাচ-গান ঠিক কৰি লৈ তাৰ পিচতহে চিনেমা।

- আপোনালোকৰ গলিউদখন ক'ত?

- গ ফৰ গুৱাহাটী। বম্বে,- ব,- বলিউদ, গুৱাহাটী,- গ,- গলিউদ। এতিয়া শুনিছোঁ,- তেজপুৰ গুছি হ'ব তলিউদ, ডিব্ৰুগড়,- ডলিউদ

আটাইজাকৰে পেটৰ নাড়ী ভাল ভাল হ'ল। হাঁহি হাঁহি অৱস্থা কাহিল। লাষ্টত পেট বিষাই গ'লগৈ।

- অ' কে .! এতিয়া ভাঙি-পাতি ভালদৰে বুজাই কওকচোন,- একচুৱেলি আপোনালোক ইয়ালৈ কিয় আহিছে? আৰু আমিয়েইবা আপোনালোকৰ বাবে কি কৰিব পাৰো !

- শুনক। বহুত দিনৰ পৰাই আমাৰ তাত আমি 'বিশ্ব দৰবাৰ', 'জগত সভা',- - এনেকুৱা সাহিত্যিক শব্দবোৰ শুনি আহিছিলো। আমাৰ কলা-কৃষ্টি, সাহিত্য-সংস্কৃতি আদি বস্তুবোৰ হেনো তালৈ উলিয়াই নিব লাগে। কথাটো সকলোৱেই কৈ থাকে, কিন্তু কোনেও নিনিয়ে। সেইকাৰণে আমিয়েই,- ফাইনেলি,- বহুত ভাবি-চিন্তি, এতিয়া তালৈ ওলাই আহিব খুজিছোঁ। মানে এয়া আহিছোঁৱেই।

কথাটো বৰ ভালকৈ বুজি নাপাই ইজনে সিজনৰ মুখলৈ চালে। তাকে দেখি

# ঠেংচুই

প্ৰডিউচাৰে আকৌ বুজাই ক'লে ঃ

- অৰ্থাৎ আমি এটা ঠেক গণ্ডীত সোমাই থাকিব খোজা নাই। ইণ্টাৰ্নেছনেল হ'ব খুজিছোঁ। নিজকে গ্ল'বেল কৰিব খুজিছোঁ। অল্‌ৰেদি আমাৰ বিহুক দুজনমানে নেছনেল লেভেললৈ নিছেই। হিন্দীত কেছেট উলিয়াইছে। বলিউদৰ ছিংগাৰৰ হতুৱাই হিন্দীত বিহু গোৱাইছে। আৰু তামাম পপুলাৰো হৈছে.

- জাষ্ট এ' মিনিট বিহু কি বস্তু?

- বিহু হৈছে বন্ধপ্ৰদেশৰ মেইন ফেষ্টিভেল।

- বন্ধপ্ৰদেশ।? সেইটো কি?

- আমি য'ত থাকো সেই ঠাইখনৰ নাম। আগতে আছিল অসম। পিছত যেনেকৈ ব'ম্বে গুছি মুম্বাই হ'ল, মাদ্ৰাজ গুছি চেন্নাই হ'ল, তেনেকৈ অসম সলনি হৈ এতিয়া বন্ধপ্ৰদেশ হ'ল।

- সলনি কৰিলে কিয়?

- প্ৰদেশখন বছৰটোৰ প্ৰায় তিনিশ পঞ্চাছ দিন বন্ধেই হৈ থাকে। সেইকাৰণে।

- বন্ধ হৈ থকাৰ কাৰণটো কি?

- কাৰণ তাত মানুহে বন্ধ ভাল পায়। কামলৈ যোৱাৰ এলাহ, কাম নকৰি ঘৰতে সোমাই থকাৰ এক বিমল আনন্দ, মনোৰঞ্জন, ৰ'দ-বৰষুণ-গেলা গৰম আদিৰ পৰা এদিনৰ বাবে হলেও ৰক্ষা পোৱাৰ এক সুবৰ্ণ সুযোগ,— এইবিলাকেই বন্ধ ভাল পোৱাৰ কাৰণ। অৱশ্যে বন্ধও বহুত ধৰণৰ আছে। কিছুমান চৰকাৰে দিয়ে, কিছুমান ৰাইজে দিয়ে। বছৰটোত হেজাৰ-বিজাৰ উৎসৱ,- মানে ফেষ্টিভেল হৈ থাকে। মানুহবোৰ সাংঘাটিক ধৰণে ফুৰ্ত্তিবাজ। আপোনালোকে ইমাজিনেই কৰিব নোৱাৰিব। চৌবিছ ঘণ্টাই ফুৰ্ত্তি কৰি থাকি ভাল পায়। লাগিলে খাবলৈ নাপাই লঘোণে-ভোকেই থাকিব, নাইবা ভিক্ষা কৰিব, চুৰ কৰিব, ডকাইতি কৰিব,- কিন্তু ফুৰ্ত্তিটো নেৰে। চাৰিওফালে কিমানবোৰযে উৎসৱ হৈ থাকে,- দেখিলে আপোনালোকে বিচুৰ্ত্তি খাব। এঠাইত দেখিব কাজিৰঙা উৎসৱ, এঠাইত দেখিব ৰংপুৰ উৎসৱ, ক'ৰবাত দেখিব সাহিত্য সভা, ক'ৰবাত দেখিব শংকৰৰ সভা কিমান ৰকমৰ পূজা, কিমান ৰকমৰ তিথি. দিৱস.. হিচাপেই নোহোৱা হৈ যায়...

- ইয়াৰ বাহিৰে মানুহে অন্য একো কামেই নকৰেনেকি?

- নকৰে। কাম কৰি তাত সকলোৱেই খুব বেয়া পায়। বন্ধ-চন্ধ দি ঘৰতে সোমাই থকাটোকেইহে লাইফ বুলি ভাবে।

- ঠিক আছে, এতিয়া বিহুৰ বিষয়ে কওক। আৰু আপোনালোকে বিহুক লৈ কি বিজিনেছ কৰিব খুজিছে সেইটোও কওক।

- বিজিনেছৰ কথালৈ পিছত আহিম। প্ৰথমে বিহুৰ কথা কৈ লওঁ। আগতেই কৈছোঁ,- অসমীয়া মানুহৰ বাবে অল্‌ম'ষ্ট গোটেই বছৰটোৱেই উৎসৱমুখৰ, আৰু তাৰ ভিতৰত নাই-নমেও তিনিটা মাহ অকুপাই কৰি থৈছে অকল এই বিহুৱেই। দুৰ্গাপূজা, মেট্ৰিক,

# ঠেংচুই

মাৰ্চ্চ-এ'প্তিং, বানপানী, ফাকুৱা, শিৱৰাত্ৰি, অসম-বন্ধ, অসহযোগ,- এই আটাইবোৰতকৈ ইয়েই হৈছে একদম ওপৰত। ইয়াক আমি কোনোপধ্যেই নেগ্‌লেক্ট কৰিব নোৱাৰো। বাকীবোৰ ফেষ্টিভেল আছে বছৰটোত মাত্ৰ এবাৰ, কিন্তু বিহু আছে তিনিবাৰ।

- তিনিবাৰ আছে? বাঃ।

- ওঁ। এটা আছে মিড্-জানুৱাৰীত, এটা এপ্ৰিলত, আৰু থাৰ্ডটো.. থাৰ্ডটো... থাৰ্ডটো ছৰি. সেইটো কেতিয়া আছে একদম পাহৰি গৈছোঁ। সি বৰ চুপচাপ আহে আৰু গুছি যায়। বেছিভাগ মানুহে তাৰ অহা-যোৱাটো গমেই নাপায়।

- জানুৱাৰীৰ বিহুটোত আপোনালোকে কি কৰে?

- সেইটোৰ নাম হ'ল ভোগালী বিহু। বাংলাদেছীয়ে কৰা পাচলি আৰু অন্ধ্ৰপ্ৰদেশৰ মাছ বহুত বেছি দামত কিনি অসমীয়াই 'ভোগ' কৰে। ঘৰে-ঘৰে মত্ত খানা হয়। আগদিনা ৰাতি ভদ্ৰ ভদ্ৰ লোকে আনৰ ঘৰৰ পৰা ফুৰ্তিতে চকী-টেবুলৰ পৰা আৰম্ভ কৰি ফুলৰ টাব, বন্ধাকবি, বিলাহী বেঙেনালৈকে য'ত যি পায় চব গোটাই-পিটাই লৈ আহে। একে নিশাতে কেইবা কোটি টকাৰ প্ৰেম ফটিকা পান কৰে। বাইজে একে বেলাতে আটাইবোৰ বাইন শপৰ তলি উদং কৰি দিয়ে।

- আৰু এতিয়া যিটো বিহু আহি আছে...?

- এইটোৰে একদম হিল-দ'ল ভাঙি বজনজনাই আছে। সাংস্কৃতিক দিশৰ পৰা আছামিজ লাইফত ই বৰ ছিগ্‌নিফিকেণ্ট বস্তু। সন্মিলনৰ উদ্যোক্তাসকলৰ বাবে ইকনমিকেলিও তামাম ইম্পৰটেণ্ট। তেওঁলোকে এইকেইটা দিনতে খুব ভাল ইন্‌কাম কৰে।

এই বিহুটোৰ খদমদম একচুৱেলি ফেব্ৰুৱাৰীমানৰ পৰাই আৰম্ভ হৈ যায়। চাৰিওফালে দোকানবোৰত কেছেট বাজিবলৈ ধৰে। আগৰ দিনত গৰু বিহু বুলি এটা বস্তু আছিল,- সেইদিনা গৃহস্থসকলে নিজৰ নিজৰ গৰুবোৰ ধুৱাই চাফা কৰিছিল,- তাৰ সলনি আজিকালি কেছেটবিলাকে তিনিমাহ আগৰ পৰাই কানৰ কণামাকৰি চাফা কৰে। কেছেটৰ বিজ্ঞাপন দি দি বাতৰি-কাকতবোৰো ধনী হয়। বাৰ্চিল'না বিবানবৈৰ আৰ্হিত লিলিমাই তিবানবৈয়ে আৰু জানমইনা নিবানবৈৰ চেকেণ্ড এপিছ'ড হিচাপে 'শালমইনা টু-থাউজেণ্ড' বজাৰত ভুমুকি মাৰে।

- লিলিমাই তিবানবৈ? শালমইনা টু-থাউজেণ্ড. । - নামবোৰ শুনি মাইকেল জেক্‌চন আৰু ব্ৰিট্‌নি স্পীয়েৰ্ছে বৰ মজা পালে। বাঃ... এইবিলাকহে নাম। এতিয়াৰ পৰা আমাৰ এল্‌বামবোৰো তেনেকুৱাই কৰিব লাগিব। মিনিংফুল... এট্ৰেক্টিভ....।

অকণমান বৈ, পানী এঢোক খাই প্ৰডিউচাৰে আকৌ কৈ গ'ল ঃ

- কেছেট মেনুফেক্‌চাৰিঙৰ পেৰেলেলি ইফালে মিটিংবোৰো চুৰু হৈ যায়। মাৰ্চ্চ মাহৰ এইকেই তাৰিখমানৰ পৰা উদ্যোক্তাসকলে বিভিন্ন 'সভা' অনুষ্ঠিত কৰিবলৈ লয়। তাত দুঘণ্টামানৰ মল্লযুদ্ধৰ অন্তত সভাপতি, সম্পাদক, কোষাধ্যক্ষ আদি নিৰ্বাচিত হয়। যাবেই যিমান আপত্তি নাথাকক কিয়, আল্টিমেৎলি সৰ্ব সম্মতিক্ৰমেই সকলোৰোৰ কাম

সমাধা হয়।

পৰৱৰ্তী সভাবোৰত তেওঁলোকে বিহুৰ তাৰিখ, খৰচৰ বাজেট, পুঁজি সংগ্ৰহৰ কিটিপ কায়দা, নিৰ্দিষ্ট বক্তা, বিশিষ্ট অতিথি, স্মৃতিগ্ৰন্থৰ সম্পাদক আৰু উন্মোচক, সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধক, শিল্পীৰ লিষ্ট আদি ঠিক কৰে। মঞ্চ, পেণ্ডেল, বাঁহ, টিনপাত, ট্ৰিপাল, মাইক, শিল্পীৰ মাননি, অহা-যোৱাৰ খৰচ, গাড়ীৰ তেল, চাহ-তামোল, বিড়ি-চিগাৰেট, গামোচা, জাপি, পতাকা, বন্তী আদি কোনে কেনেকৈ যোগাৰ কৰিব তাৰো আলোচনা হয়। এপ্ৰিলৰ এক তাৰিখমানৰ পৰা বিহুৱলীয়া ফৌজিভাইসকলৰ খাবন-শোৱনেই নোহোৱা হৈ পৰে। দিনে-নিশাই তেওঁলোকে চান্দা তোলে। দোকানত দম দিয়ে। মাজ ৰাস্তাত বেঞ্চ পাতে। ঘৰে ঘৰে, হাটে-বজাৰে অবিৰাম গতিত ঘূৰি ফুৰে। বিহু মাৰিব জনাবিলাকে এমাহ আগতেই কন্‌ট্ৰেক্ট চাইন কৰি চহৰলৈ গুছি যায়, আৰু নজনাকেইটাই লেত্তোজেনৰ টেমা বজাই বজাই দোকানে দোকানে হুঁচৰি মাৰি ফুৰে। সংগৃহীত ধন ৰাতিলৈ ভোজ-ভাত, পাশা খেলৰ পণ আৰু মদিৰাত ব্যয় হয়। পেন্দুকণাবিলাকেও টেমাতেই ঢোলবাদন কৰি দুই এটকা তোলে।

আমাৰ অসমীয়া গৃহস্থসকলে যি সময়ত এই ধৰণৰ কামতে চৌবিছ ঘণ্টা ব্যস্ত হৈ পৰে, তেতিয়া অনা-অসমীয়া ভাইচাহাবসকলে বিহুৰ বজাৰখন সুন্দৰকৈ চম্ভালি থাকে। 'ভেৰাইটি মাসেৰে' দোকান ভৰাই দিয়ে, আৰু বিহু বুলি দেওবাৰেও দোকান খোলা ৰাখে। এশ টকীয়া বস্তুটো বিহুৰ বজাৰত আঢৈশ-টকীয়া হৈ পৰে। দোকানত অসমীয়াই নন-আছামিজ ভাষাতে যি পাৰে দৰ দাম কৰে। মৰি গ'লেও অসমীয়া ক'বলৈ চেষ্টা নকৰি তেওঁলোকে সাংঘাটিক মহানুভৱতাৰ পৰিচয় দিয়ে।

- সেইটো কিন্তু বৰ আচৰিত কথা। - মেডনাই মাৰ্টিনলৈ চাই ক'লে। - তুমি কথাটো মন কৰিছানে? আমাৰ ইয়াত চোৰাচোন,- কোনেও নিজৰ ভাষাটো নেৰে। ফ্ৰান্সত ইংৰাজী নুশুনা . স্পেইনত পৰ্তুগীজ নুশুনা .

সামান্যভাৱে মুখটো দুপিয়াই মাৰ্টিনে পকেটৰ পৰা চিগাৰেট উলিয়ালে, কিন্তু নজ্বলোৱাকৈয়ে সেইটো ফিল্মি কায়দাৰে ওঁঠত ধৰি ৰাখি প্ৰডিউচাৰলৈ চাই সুধিলে,- আপোনালোকৰ দোকানবোৰত ফিক্সড প্ৰাইচ ছিষ্টেমনে দাম-দৰো চলে?

- নাই নাই, বিৰাট দাম-দৰ চলে। - ডিঙিত জমা হোৱা সেপকণ পতাপত গিলি লৈ প্ৰডিউচাৰে নিজৰ ক'বলগাখিনি একেটা স্কেলতে কণ্টিনিউ কৰি গ'ল,- 'আমাৰ তাত বিহু পতা বীৰসকলে দোকানত গৈ শাড়ীখন বা ছাৰ্টটোৰ দাম পাঁচ টকা কমাব পাৰিলেই বিজয়ৰ উল্লাসত ফাঁটি পৰে। ইফালে গুড়ৰ বেপাৰীয়ে প্ৰতি কেজি গুড়ত পঞ্চাছটা মাৰি ফ্ৰী দিয়ে। তামিলনাডু, কেৰেলা, লুধিয়ানা আদিৰ বেপাৰীয়ে বিহুৰ বতৰত তাৰ পৰা অসমলৈ গামোচা, মেখেলা-চাদৰ পঠায়। ড্ৰয়িংৰুম ডেক'ৰেচনৰ বাবে ত্ৰিপুৰাৰ ফালৰ পৰা উন্নত মডেলৰ জাপি, পাটি আৰু পাৰ্টিছন আহে। প্ৰিটিংছ কাৰ্ডৰ কম্পেনিবিলাকে বিহুৱলীয়া ওলগপত্ৰ স্পেছিয়েলি তৈয়াৰ কৰে। বিহুত খাবলগীয়া সমস্ত খনাও পলিথিনৰ

বেগত ৰেডিমেইড পোৱা যায়। গৰু বিহুৰ দিনা আমুল স্প্ৰে'ৰ টেমাই গৰুৰ প্ৰক্ষি দিয়ে। মাহ হালধীয়ে বাথৰুম লেতেৰা কৰে কাৰণে মানুহ বিহুৰ দিনা লাক্স চাবোনেৰেই মানুহে গা পা ধোৱে। বিহুৰ বতৰত আত্মমিজ্জ ভদ্ৰলোকসকলে নিজৰ চাহাবী ড্ৰেছটোৰ ওপৰতে গামোচা এখন লৈ নিজকে অসমীয়া বুলি প্ৰমাণ কৰে। গাড়ীৰ সমুখতো গামোচা ওলোমাই দিয়ে। মিচ বিহু-কুইন কম্পিটিচন আৰু ফে'চন শ্ব' বিলাক ডাঙৰ ডাঙৰ কম্পেনিয়ে স্প'ন্‌ছৰ কৰে। তেওঁলোকেই হিৰ'ইনক মুকুট-তুকুটো পিন্ধায়।

- ফেচন শ্ব'ত কেবল লোকেল ছোৱালীয়েই কম্‌পিট কৰেনে? নে আমিও গ'লে কেতিয়াবা জইন কৰিব পাৰিম? - মেক্সিক'ৰ পৰা জাষ্ট আহি পোৱা ছাকিৰাই সুধিলে। তেওঁ ভাবিলে,- ইমান এখন ফুৰ্তিবাজ মানুহেৰে ভৰা দেশ... তাত গৈ নতুন এলবামখন প্ৰম'টেই কৰিব পাৰি দেখোন....!

- কিয় নোৱাৰিব? কেৱল ফেচন শ্ব'তেই নহয়, আনকি আলোচনা চক্ৰবিলাকতো প্ৰেজেণ্ট থাকিব পাৰিব।

- আলোচনা চক্ৰ. .!?

- অঁ, ফুৰ্তি তামচাৰ মাজতে সেইবোৰো হয়। তাত পণ্ডিতসকলে পাণ্ডিত্যপূৰ্ণ ভাষাত বিহুৰ তাৎপৰ্য আদি ব্যাখ্যা কৰে। বিশিষ্ট বক্তাসকলে ঘণ্টাৰ পিচত ঘণ্টা লালিত্যপূৰ্ণ - অৰ্থাৎ লেলাৰতী বৈ যোৱা - ভাষণ দিয়ে। চমৰুদাৰ শ্ৰোতা-দৰ্শকে অৱশ্যে সেইবোৰলৈ মুঠেও কৰ্ণপাত নকৰি হামিয়াই হিকটিয়াই বিহু-নাচ আৰু কিৰিলিকেইটালে বাট চাই থাকে।

দুৰ্দান্ত জাতীয়তাবাদী অসমীয়া পণ্ডিত আৰু ভাষা সাহিত্যৰ একনিষ্ঠ সেৱকসকলে বিহুৰ কেইদিনাও শিৱসাগৰক 'চিব্‌চাগৰ', শইকীয়াক চইকিয়া, আৰু সৰুমাইক চৰুমাই বুলিয়ে উচ্চাৰণ কৰে।

বঙ্কপ্ৰদেশতে থকা আৰু নথকা অগণন শিল্পীৰ প্ৰতিজনেই যাতে নিজ নিজ প্ৰতিভা বিকশিত কৰিব পাৰে তাৰ সুযোগ দিবৰ বাবেই বহাগৰ পৰা আৰম্ভ কৰি শাওণলৈকে হেজাৰ-বিজাৰ বিহু সন্মিলন নন-ষ্টপ চলি থাকে।

চান্দা দিয়া মানুহে কেতিয়াও খৰচৰ হিচাপ নিবিচাৰে। উদ্যোক্তাই নতুন গাড়ী, টিভি, ৱাশ্বিং মেছিন, ফ্ৰীজ আদি কিনে।

বিহুৰ কেইদিনত যি কোনো লাপিলুপা আৰ্টিষ্টকো সুবিধা দিয়া হয়, আৰু সকলোৱেই দুপইচা ঘটে। এইবাৰ আপোনালোকেও ঘটিব পাৰিব।

- অ'কে। তেন্তে বিজিনেছৰ কথালৈ আহোঁ?

- হয়, আহিব পৰা হৈছোঁৱেই আৰু. .

- কওক এতিয়া,— আমি কি কৰিব লাগিব?

- বলিউদৰ ছিংগাৰে যেনৌ শীত বিহু গাইছে ঠিক তেনেকৈ আপোনালোকে ইংলিছত বিহু গাব লাগিব। কাম সিমানেই। অৱশ্যে... লগতে...

- মই কিন্তু স্পেনিছতহে গাব পাৰিম। - ৰিকি মাৰ্টিনে ক'লে।

## ঠেংচুই

- কোনো কথা নাই। বঢ়িয়া হ'ব। যাৰ যি মন যায় ... স্পেনিছ, পর্তুগীজ, ফ্রেন্স, তামিল, তেলেগু, লেটেকু, পনিয়ল... যিকোনো ভাষাত, যিকোনো সুৰত, -নিশ্চিন্ত মনে গাই দিব। আমাৰ তাত চব চলে। এনিথিং। এগু এভ্রিথিং। খাঁটি অসমীয়া মানুহে নিজেই যি অসমীয়া লিখে,— দেখিলে আপোনালোকৰ পেটতে হাত-ভৰি লুকাব।

- ৱাও!

ৰিকি মার্টিনে একান্তমনে সুহুৰিয়াবলৈ ধৰিলে।

- তেনেহলে শুনক। আমি প্রথমে কেছেট আৰু অডিঅ' ছিডি কৰিম। তাৰ পিছত লগে-লগেই ভিডিঅ' এলবামো হ'ব। তাতো আপোনালোকেই এক্‌টিং কৰিব। যিমান পাৰে কাপোৰ-চাপোৰ খুলি নাচিব, হাঁহিব, কান্দিব, দৌৰিব

- আৰু পইচা..! পে'মেণ্ট? আমাকতো মিলিয়নৰ হিচাপত ডলাৰ দিব লাগিব! জানেই চাগে' ?

- জানো জানো। আমি সাজু হৈ আহিছোঁ। পইচাৰ কাৰণে কোনো চিন্তা নাই। আমাৰ তাত আপোনালোকে দেখি বিচুর্তি খাব,- ভিক্ষাৰীয়েও কোটিৰ হিচাপতহে কথা পাতে। মিনিষ্টাৰৰ পৰা তেল-চোৰলৈকে, ঠিকাদাৰৰ পৰা সাধাৰণ কর্মচাৰীলৈকে আটাইবোৰ মানুহ কোটিপতি। মাল্টি-মিলিয়নাৰেৰেই দেশখন ঠাহ খাই আছে। পইচা আছে কাৰণেইহে আক' চবেই মিলি ইটোৰ পিচত সিটোকৈ ই-ম্-মানবোৰ উৎসৱ পাতি থাকে ! বুজা নাই ?

জেনিফাৰহঁতৰ মুখত এইবাৰ হাঁহি নোলাল। ভিক্ষাৰীৰো কোটি টকা বুলি শুনি অবাক বিস্ময়ত সিহঁতৰ চকু-টকু টেলেকা হৈ গ'ল।

# কাহিল

কাহিলিপাৰাৰ প্ৰকাণ্ড অফিছটোত পুৱাৰে পৰা গধুলিলৈকে ওৰে দিনটো কটাই ছাৰৰ অৱস্থা কাহিল হৈ পৰিল। এক মিনিট বহিবলৈ পোৱা নাই, কিবা এটা খাবলৈ যাব পৰা নাই, পিয়াহত ডিঙি শুকাই গৈছে, ভৰি আৰু কংকালৰ বিষত প্ৰাণ যায়-যায় অৱস্থা, কামটোও হৈ নুঠে, কোনেও ভালকৈ মাত এষাৰ নামাতে...হেঃ ভাল বিপদতহে পৰিলো আজি!

কি মস্কিল! ক'ত সোমালোহি এইখন.

ইমানপৰে হাঁটোৰ দৰে লগতে লাগি ফুৰা, এসময়ৰ ছাৰৰ ছাত্ৰ, আৰু এতিয়াৰ শিক্ষক বিমৰ্ষবদনে সুধিলে,- 'ছাৰ, এই 'কাহিলিপাৰা' শব্দটো শুনিলে এনেকুৱা লাগে যেন ইয়াৰ কিবা এটা গভীৰ অৰ্থ আছে। আপুনি জানিব চাগে'....'

- নাজানিছিলো। কিন্তু আজি গম পাই গ'লো।

- কি গম পালে?

- তিনিটা শব্দ মিলি এইটো হৈছে। কাহিল, হৈ, পৰা। কাহিলিপৰা।

- অৰ্থাৎ ছাৰ,- ইয়ালৈ আহিলে দিনটোৰ শেষত আমাৰ অৱস্থা কাহিল হৈ পৰাটো খাটাং !?

- এৰাহে... আজি ইয়ালৈ অহাৰ পিচত তেনে যেনেই লাগিছে দেখোন। বাৰু ৰ'বাচোন, ইয়াত সদায়ে এনেকুৱানে...

- হয় ছাৰ, ইয়াত সদায়ে এনেকুৱা। সম্পূৰ্ণ সাম্যবাদ। যেনেকুৱা মানুহেই নাহক কিয়,- সকলোৰে বাবেই একে আৰু সমান ব্যৱস্থা। ইয়ালৈ প্ৰায়েই শিক্ষয়িত্ৰী থৈণীয়েকসকলৰ লগত পৰি গিৰিয়েকবোৰো আহিব লগা হয়। তাৰ মাজতে কেতিয়াবা বিখ্যাত সাহিত্যিক, সাংবাদিক, পণ্ডিত আদিও থাকে। সেইসকলবো কোনেও কেতিয়াও আজিলৈকে বহিবলৈ পোৱা নাই। ভাল মাত এষাৰ, বহিবলৈ চকী এখন,- সেইবোৰ বস্তু ইয়াত নিষিদ্ধ। কাহিলীপাৰাৰ প্ৰাচীন, নতুন আৰু সুদীৰ্ঘ ইতিহাসত তেনেকুৱা বস্তুৰ কোনো উল্লেখেই নাই।

বিমৰ্ষবদনৰ ভত্তগধুৰ কথা শুনি অলেখ যন্ত্ৰণাৰ মাজতো ছাৰৰ মুখত কিঞ্চিৎ হাঁহি বিৰিঙিল।

- আপুনি ছাৰ সেই চিৰিটোতে অকণমান বহকচোন।

- কোনটো চিৰিৰ কথা কৈছা?

- সেইযে বাহিৰৰ বাৰান্দালৈ উঠি আহোতেই চিৰিকেইটা দেখিছিল, তাতেই

সকলো গৈ বহে। তাত আপুনি এজনো ফাল্টু মানুহ দেখা নাপায়। দেখিব,- কোনোবা এজন প্রিঞ্চিপাল বহি আছে, কোনোবা এগৰাকী অতি সন্মানীয় প্রধান শিক্ষক বহি আছে, দুজনমান নামজ্বলা অধ্যাপক, বা কেইজনমান ছিনিয়'ৰ বিষয়-শিক্ষক বহি আছে । অৰ্ডিনেৰি মানুহ তাত নবহেই।

কথাটো হয। চিৰিটোৰ ওচৰ পাই ছাৰে দেখিলে,- ঠিক তেনেকুৱা ধৰণৰেই কেইবাগৰাকীও ভদ্ৰলোক পকাতে কাগজ আৰু ৰুমাল পাৰি আৰামত বহি আছে। তাৰ মাজতে এজন ছাৰৰ বাল্যবন্ধুও।

তেওঁৰ কাষতে ছাৰেও ৰুমাল পাৰিলেহি। কঁকালটো পোনাবলৈ বৰ্ত্তমান তাৰ বাহিৰেযে আৰু অন্য উপায় নাই, সেই কথা তেখেতৰো ভালদৰেই বোধগম্য হ'ল। বিমৰ্ষবদনে হাতত থকা বাতৰি-কাকতখনৰ দুটা পৃষ্ঠা ভাঁজ কৰি লাহেকৈ ছাৰৰ ৰুমালৰ তলত ভৰাই দিলে

দহ মিনিটমান সময পৰস্পৰে ইটো-সিটো খা-খবৰ দিয়া-লোৱাৰ পিচত ছাৰে বন্ধুক সুধিলে,- হে'ৰা, ইয়াতযে মানুহবিলাকে ইমান খাওঁ খাওঁকৈ থাকে, তাৰ কাৰণটো কি? তেওঁলোকৰ ইমান ভোক কিয ।

-এ হ! তেওঁলোকৰ অৱস্থা বৰ বেয়া হে'। অনবৰত ভোকে-লঘোণেই থাকে। কিমানবিলাক সমস্যাৰ মাজেৰে তেওঁলোক অফিছলৈ আহে, তুমি কি বুজিবা ? এপিনে গুৱাহাটীৰ ৰাস্তা। জানাই নহয়,- চৌবিছ ঘণ্টা ট্ৰেফিক জাম, বাৰিষাৰ দিনত পানী, বোকা, মিনিষ্টাৰৰ দীঘলীযা কন্‌ভয়, পুলিছৰ হুইছেল আৰু ৰামটাঙোন, ন'-এণ্ট্ৰি আনপিনে গোটেই ৰাজ্যখনৰ হেজাৰ-হেজাৰ শিক্ষকে অফিছটোলৈ কঢ়িয়াই অনা কিমান ধৰণৰ সমস্যা, তৰহে-তৰহে কাম, মেটমৰা লেঠা . । আৰু তাকে লৈ এওঁলোকৰ কিমান চিন্তা, কিমান এটা গধুৰ দায়িত্ব ভাবাচোন! সমস্যা সমাধানৰ উপায় ভাবি-ভাবি বেচেৰাহঁতে টুৱেণ্টি-ফ'ৰ আৱাৰ্ছ টেন্সনেই খাই থাকে। ভাত-পানী খাবলৈ সময়েই নহয়গৈ। অফিছলৈ সদায় লঘোণে-ভোকে, খালী পেটেৰেই গুছি আহে। সেয়েহে কেতিযাবা ফাইলৰ দ'মতে মূৰ থৈ এঘুমতি শুইও পৰে। সাৰ পাই উঠি 'চাহ এটোপা খাওঁ, তামোল এখন খাওঁ' কৰি থাকে। উপায় নাই বুইছা?

- পিছে বন্ধু, আজি ইয়াতে মই বহুত নতুন কথা শিকিলোহে'।

- যেনে?

- যেনে ধৰা,- এইযে 'সৰ্বশিক্ষা' শব্দটো! কাগজে-পত্ৰই অনবৰতে আমি পায়ে থাকো, আৰু মুখেৰে কওঁতেও সৰ্বশিক্ষা বুলিয়ে কওঁ ! কিন্তু আচলতে ই ভুল!

- ভুল .!?

- অঁ, শব্দটোৰ আমি কৰা উচ্চাৰণ একেবাৰেই অশুদ্ধ। আজি গোটেই দিনটোত শিক্ষা বিভাগৰ বিয়াগোম অফিছাৰসকলৰ পৰা আৰম্ভ কৰি কেৰাণী-মহৰী, পিয়ন-চকীদাৰলৈকে প্ৰত্যেকৰে মুখত শুনিলোঁ,- সকলোৱে 'ছৰ্বছিক্ছা' বুলিহে কয়।

- য়ে..কথাটো হয় কিন্তু। ময়ো মন কৰিছিলো।

- আৰু যিহেতু ভাৰতবৰ্ষৰ এখন বিয়াগোম গণতান্ত্ৰিক দেশ, আৰু তাত মেজৰিটি মাষ্ট বী গ্ৰাণ্টেড,- গতিকে

- গতিকে আমিও আজিৰ পৰা হুবহুকৈয়েই ক'ব লাগিব। সেই ক্ষেত্ৰত কোনো সন্দেহেই নাই।

অফিছটোৰ কাণ্ড-কাৰখানা দেখি ইমানপৰে বিমৰ্ষবদন একদম ফায়াৰ হৈ আছিল। ইয়ালৈ যিমান মানুহ আহে, বেছিভাগেই একো একোজন সন্মানীয় শিক্ষক, যাক দেখিলে ল'ৰা-ছোৱালীয়ে ছিগাৰেট লুকায়, মটৰ-চাইকেলৰ পৰা নামি দিয়ে, তেনেকুৱা একোজন মানুহক এনেকুৱা অসভ্য ব্যৱহাৰ. !

- এ' হ'ব দিয়াহে....। ষ্টুডেণ্টৰ কথা বেলেগ। ছাত্ৰ-ছাত্ৰীয়ে সন্মান কৰিলে বুলি এওঁলোকেও কৰিবনে? - বাল্যবন্ধুৱে বদনক ক'লে।

- কিন্তু আন একো কৰি নিদিলেও.... এট্-লিষ্ট দেউতাকৰ চিনা মানুহ এজনক বহিবলৈতো দিব পাৰে ?

- ওঁহো, ভুল ভাবিছা। কেনেকৈ দিব? তুমি দেখোন অফিছটো দেখিছাই। অথালি-পথালিকৈ এসোপামান টেবুল, তাতে ফাইলৰ পাহাৰ, ধূলি, থেপাথেপিকৈ এদ'মমান মানুহ . তাতনো কাৰোবাক 'বহক' বুলি কেনেকৈ কয়? ক'ৰবাত কিবা উপায় থাকিলেহে!

- এৰা, সমুখত অন্ততঃ চকী-তকী কিবা এখন থাকিবওতো লাগিব। নহলে ক'ত বহিবলৈ ক'ব? - ছাবেও বন্ধুক ছাপ'ৰ্ট দিলে। - তেওঁলোক নিজেই কেনেকৈ বহি আছে,— চোৱা। চকী আটাইবোৰ ফুটা। ঘৰৰ পৰা কুছন-তুছন আনি তাতে পাৰি লৈ যেনে-তেনেহে সৰি নপৰাকৈ আছে। বনমালী শৰ্মা উঠি যাওঁতে এবাৰ মই দেখিছোঁ নহয়।

- আকৌ টেবুলৰ ওপৰত যি দ'ম ফাইল, কাগজৰ যিটো পাহাৰ, তাৰ সিপাৰে মানুহটোকেই নেদেখি। ফাইলত যিমানসোপাহে ধুলি, দেখি বেয়াই লাগি গৈছে। বেচেৰাইতৰ চাগে' অনবৰত হাঁচি পানীলগা কাহ কফ এইবোৰ লাগিয়েই থাকে, আয়ৈ দেহী....!

- আপোনাৰ ফাইলটো বিচাৰি পালেনে ছাৰ?

- কেলেই সুধিলা?

- নহয় মানে... ইয়াত ফাইল হেৰোৱাটো কম্পালছৰি। কোনেও কাৰো ফাইল বিচাৰি নাপায়। সেইবাবেহে সুধিলো।

- এৰাহে, মোৰটোও নোলাল। গোটেইখন বিচাৰি চলাথ কৰিলে, চৰ তল-ওপৰ হৈ গ'ল,- পিছে চিনচাবেই নাই।

- এটা কথা কওঁ ছাৰ.... সন্তুষ্ট কৰিব জানিলে কিন্তু এক মিনিটতে ওলায়ো যায়। অৱশ্যে আপুনি আৰু' তেনেকুৱা এটা কাম..

সেইটো প্ৰসংগযে ছাৰৰ বাবে অলপ আছকলীয়া হ'ব কথাটো বুজি বন্ধুৱে আন কথা উলিয়ালে।

# ঠেংচুই

- হে'ৰি নহয় পিছে ঘৰৰ পৰা আহোতে লগত কি কি আনিছিলা?

- কি আনিম আৰু? দৰকাৰী কাগজ-পত্ৰখিনি, কলমটো, চছমাযোৰ, গামোছা এখন, সৰু বেগ এটা, পিন্ধা কাপোৰ এযোৰ

- নাকটোও বোধকৰো লগতে আনিছিলা?

ছাৰে ক'ব নোৱাৰাকৈয়ে নাকটো খেপিযাই চালে। আছে। থাকিব লগা ঠাইতে এজ্ ইটিজ্ ফিটিং দি আছে। ক'লৈকো যোৱা নাই। থাকিও অহা নাই।

- সেইখিনিতে তোমাৰ এটা ডাঙৰ ভুল হৈ গ'ল। সেইফেৰা সামগ্ৰীৰ ইয়াত কোনো কাম নাই। নাক মানেই লজ্জা। আত্মসন্মান। বুজিলা? পাছৰবাৰ আহোতে সেইটি ট্ৰাংকত ভৰাই ভালকৈ তলা মাৰি থৈ আহিবা।

চিৰিতে অলপ ছিৰিয়াছ কথাও হ'ল। ছৰ্‌বছিক্‌ছাৰ প্ৰসংগ আকৌ ওলাল।

- বুইছা বন্ধু, মোৰ ঘৰত বন-কৰা সৰু দুখীয়া ছোৱালী এজনী আছিল, এই আপদীযাটোৱেই তাইৰ জিন্দেগী একদম বৰ্‌বাদ কৰি দিলে।

- কেনেকৈ?

- কাম-বন'কৰি ঠিকেই চলি আছিল,- দুবেলা দুমুঠি খাবলৈও পাইছিল। হঠাতে আৱিৰ্ভাব হ'ল ছৰ্‌বছিক্‌ছাৰ। এমুঠি চাউলৰ আশাত কেৱল তায়েই নহয়, গোটেই ঘৰখনেই কাম-বন এৰি স্কুললৈ ধপলিয়ালে। যেনে-তেনে দুটা মাহ গ'ল,- তাৰ পিচত চাউলো নাই, কিতাপো নাই, ফলি নাই, ফলিগুটি নাই, ইপিনে তাইৰ লাওখোলাটোৱো ভিতৰলৈ একো নোসোমায়, গতিকে সকলো শেষ। ইপিনেও নহ'ল, সিপিনেও নহ'ল, থকাকণো গ'লহে। কাৰণ এবাৰ পঢ়াশালীলৈ যোৱাৰ পিচত আকৌ ঘূৰি আহি কাৰোবাৰ ঘৰত চাকৰ খটাৰ প্ৰশ্নই উঠিব নোৱাৰে। মান-সন্মানৰ কথা এটা আছে

- এতিয়া পিচে তাই কি কৰি আছে?

বন্ধুৱে কিবা উত্তৰ দিবলৈ পোৱাৰ আগতেই ভিতৰৰ পৰা এইবাৰ শ্ৰীযুতা বৰদলৈনী বাইদেউ ওলাই আহিল। আহিয়ে ছাৰক দেখি বিচুৰ্ত্তি খালে।

- ছাৰ! আপুনিও হ'বপায় চিৰিত?

- বহিবানেকি? আহা।

বাইদেউ ভেটাৰাণ মানুহ। আগৰে পৰা ইযালৈ আহি থকাৰ অভ্যাস আছে। গতিকে তলা-নলা চব জানে। কিটিপ-কায়দা আটাইবোৰ মুখস্থ। বাতৰি-কাকত হাততে আছিলেই,- তাকে বহলকৈ পাৰি বহি ল'লে।

- পিছে? কাম হ'লনে নাই?

- হ'ব যেন লাগিছে। কাইলৈ পুৱাই আকৌ এবাৰ আহিব লাগিব।

- ছৰ্‌বছিক্‌ছাতে আছা?

- ঈঃ নাথাকি আৰু ক'ত থাম? এইটো বৰ বঢ়িয়া বস্তু ওলাল।

- আমিও তালৈকেহে যাব লাগিব। শুনিছোঁ,- একেবাৰে হেনো ৰামৰাজ্য।

- ঠিক শুনিছে। কোৱালিফিকেশ্যনৰ কথা নাই, মগজ খটুওৱা বা পাৰ্ছ্বমেন্সৰ প্ৰশ্ন নাই, ইপিনে টকাৰে চৌ চৌ। জলপ্ৰপাতৰ নিচিনা .ঢালি আছে, পিলি আছে...আদি নাই, অন্ত নাই।

- কিন্তু ছৰ্বহিক্ছাতকৈয়ো বেছি পইচা ক'ত আছে,- কোৱাচোন?

- মূখ্যমন্ত্ৰীৰ পাকঘৰত। দেখা নাই? - চিয়েম হাবৰ খাচ ৰান্ধনী কনকলতা আইদেউৰ ঘৰত ডকাইতে ডকাইতি কৰিবলৈ আহি কিমান লাখ টকা পাই গ'ল!

- মই ভাবো,- আমাৰ মাষ্টৰণীবোৰে স্কুল-তুল সমূলঞ্চে বাদ দি মুখ্যমন্ত্ৰীৰ ঘৰত গৈ ভাত ৰান্ধি থকাই বুদ্ধিমান,- ছৰি, বুদ্ধিমতীৰ কাম হ'ব। কাৰণ তেওঁলোক বন্ধা-বঢ়াত সদায়েই ভাল। বেছিখিনি শিক্ষয়িত্ৰীয়েই খুব হাই-ক্লাছ ৰান্ধনী। ভাত-দাইল-ভাজিৰ পৰা আৰম্ভ কৰি ধোছা, ইড্‌লি, চিকেন বিৰিয়ানিলৈকে ঘৰত বৰ মজাৰ-মজাৰ ৰান্ধি থাকে। তথাপিও যদি মুখ্যমন্ত্ৰীৰ খানা বুলি স্পেছিয়েল ট্ৰেইনিং লাগে,- কনকলতা বাইদেউ আছেই। তেওঁ নিশ্চয় দেখুৱাই-মেলি দিব..

লাহে-লাহে গধুলি হ'ল। অ'ত-ত'ত দুই-চাৰিটা লাইটও জ্বলিল। তাকে দেখি বন্ধুৱে ক'লে,- 'তেনেহলে আমাৰ চিৰি-সন্মিলন আজিলৈ ইমানতে সামৰো। - নে কি কোৱা?

প্ৰস্তাৱটোত সঁহাৰি দি আটাইকেইজন বহাৰ পৰা উঠিল। আৰু সন্মুখৰ মুকলি ঠাইডোখৰত আহি থিয় হ'ল।

- ৰ'বা । যোৱাৰ আগতে আৰু এটা কথা। শিক্ষককুলৰ বাবে এইখিনিতে আমি দুটা অপ্‌ছন হাইলাইট কৰি দিব পাৰো।

প্ৰত্যেকেই বৈ লৈ বক্তাৰ মুখলৈ চালে।

- এক,- দলে-বলে আৰু অবিলম্বে সকলোটিৰে 'ছৰ্বহিক্ছা'ত যোগদান।

- 'ঠিক'। শ্ৰোতাসকলে সম্পূৰ্ণ সমৰ্থন জনালে। আৰু দুই?

- নতুবা দুই,— চিয়েমৰ ঘৰত ভাত-ৰান্ধনী। কাহিলিপাৰালৈ বেঙলাৰ মাকো মাৰি থকাসকলে ইয়াৰে যিকোনো এটা অপ্‌ছন চিবিয়াছলি চিন্তা কৰি চাব পাৰে। বিটোকেই নকৰক কিয়, কৰাসকলৰ লাইফবোৰ এতিয়াতকৈ যে বহুতখিনি উন্নত হ'ব, সেই কথা খাটাং!

# আজা তুঝ্‌ক' পুকাৰে মে'ৰা কে'ক

চৌদিশে উৰাবাতৰি ওলাল,– বন্ধপ্ৰদেশ চাবলৈ মেডাম আহিব! গুৰিতে ইণ্ডিয়ান নহয় যদিও ইণ্ডিয়াত মেডামৰ অখণ্ড প্ৰতাপ। এটা প্ৰকাণ্ড ৰাজনৈতিক দলে তেওঁৰ কাষত চৌবিছ ঘণ্টাই আঠু ভাঙি থাকে। এনি ম'মেণ্ট,- তেওঁ পি-এম হ'ওঁ হ'ওঁ। এনি টাইম,- তেওঁৰ ছিকিউৰিটি জেদ প্লাছ। তেওঁ আধুনিক হস্তিনাপুৰৰ উঠি-ৰাণী বহি-ৰাণী।

ৰাতি ভাতৰ পাতত পেহীয়ে পেহাক সুধিলে,– হে'-ই-ৰি, এইযে মেডাম আহিব বুলি শুনিছোঁ,– কথাটো সঁচানে?

- আহিলে আহিব, নাহিলে নাই। সেইবোৰ ডাঙৰ মানুহৰ কথা। উৰি আহি পৰিব, আকৌ উৰি গুছি যাব। তাত আমাৰ কিটো কৰিব লগা আছে?

- আছে, আছে, আমাৰো আছে।

- আমাৰো আছে? কি আছে?

- জানিব নহয় ৰ'বচোন। মাত্ৰ খাটাং খবৰটো দিযক। এক নম্বৰ কথা,- আহিবনে নাই! আৰু তাতোকৈও ডাঙৰ কথা,- যোৰহাটলৈ আহিবনে নাই, মোক সেইটো লাগে। বচ। আৰু একো কথা নাই।

- শুনিছোঁ,- তিতাবৰলৈ যোৱাটো হেনো ছিয়'ৰ।

- 'আহিব, আহিব যোৰহাটলৈও আহিব, খাটাং।' – ৰাস্তাৰ পৰাই চিঞৰ-বাখৰ কৰি পুতুকন সোমাই আহিল। - 'মই এইমাত্ৰ ছাৰ্কিট হাউছৰ ফালৰ পৰাই আহিছোঁ। সেইপিনে একদম সাংঘাতিক কাৰবাৰ। পুলিচ, মিলিটেৰিৰে টাঢ়ন ভৰ্ত্তি। গোটেইখন পিৎপিতাই ফুৰিছে। আক মৰিয়াইছে, তাক টঙনিয়াইছে। লগতে তামাম চে'কিং। স্কুটাৰ-মটৰচাইকেলতো বাদেই, ডাঙৰ ডাঙৰ মানুহৰ ধুনীয়া-ধুনীয়া গাড়ীবোৰো সাৰি যোৱা নাই.

- তাৰমানে সঁচাকৈয়ে আহিব। উৰাবাতৰি নহয়।

- ওঁহো, উৰাবাতৰি নহয়।

- নুৰাবাতৰিহে!

- একদম হাণ্ড্ৰেড পাৰ্চেণ্ট নুৰাবাতৰি।

- কোনোবা এবাৰ এক ভিআইপি ভদ্ৰলোক আহোতে উলুবাৰীত ইউনিভাৰ্ছিটিৰ প্ৰফেছাৰ এজনৰ পিঠিতো মাৰ পৰিছিল,- মনত আছে? সেইযে ৰিক্সা এখনত উঠি বৰা ছাৰ্ভিছৰ ফালে আহি আছিল.. আৰু তাতেই ছীফ মিনিষ্টাৰৰ কনভয়ে পালে!

- আজিও প্ৰায় সেই একেই ঘটনা। মোৰ চকুৰ আগতে! বি-এ'ড কলেজৰ প্ৰিঞ্চিপাল হাজৰিকা ছাৰে গাড়ী চলাই আহি আছিল। পিছে-পিছে তামাম স্পীডত তিনিখন

পুলিচৰ ট্ৰেকাৰ। ৰে'লগে'টত ছাইড দিওঁতে অকণমান হেৰ-ফেৰ হ'ল। তাতেই কি ৰুদ্ৰমূৰ্তি। দুটা অসমীয়া পুলিচে খাৰক 'কুকুৰৰ পোৱালী' বুলি চিঞঁৰি গালি পাৰি থৈ গৈছে! কেৱল সেয়ে নহয়, লগতে আকৌ 'তোক চাই ল'ম' বুলিও থ্ৰিট্‌নিং এটা... । ইমান এজন সন্মানীয় বয়োজ্যেষ্ঠ মানুহৰে সেই অৱস্থা.. ।

- তই যে আক' ভালে-ভালে ঘৰ পালিহি..

- অঁ পালোহি ঠিকেই, পিছে ধৰিছিল। একো নাপাই এৰি দিলে। কিন্তু মোৰ সমুখতে তপন আৰু ৰবীনৰ পৰা চাৰিশমান খীৰালে।

- পুলিচে নে মিলিটেৰিয়ে?

- খীৰোৱাটো জানাই নহয়,- আমাৰ অসম পুলিচৰ কাম। মিলিটেৰিৰ ধান্দা বেলেগত।

পেহী আকৌ মূল প্ৰশ্নলৈ ঘূৰি আহিল। – 'বাৰু, তেনেহলে মেডাম অহাটো খাটাং। মোক সেইটোহে লাগে....'

- হয়, খাটাং। কাৰণ অলৰেদি চাৰিওফালে ন' এণ্ট্ৰি লাগি গৈছে। টাউনখনৰ আধাতকৈ বেছি ৰাস্তা টোটেলি বন্ধ। থানাৰ সমুখত দ'ম-দ'ম পুলিচ, কণ্টিনিবাছ হুইছেলৰ শব্দ, লোকেল পাছলিবালাক ফুটপাথৰ পৰা উচ্ছেদ, যাৰে-তাৰে পিঠিত টাঙোনৰ কোব, লেতেৰা গালি,– এই আটাইবোৰ বজ্ৰা-ৰাণী অহাৰেই লক্ষণ। কেৱল সেয়ে নহয়,- বিকুইজিশ্যনো ফুল ছুইঙত চলি আছে। কেতিয়াৰি ফিল্ড ইতিমধ্যেই বাছেৰে ভৰ্ত্তি... '

- বাছ।? মেডামক বাছ কিয় লাগে? আমাৰ পৰিবহন মন্ত্ৰীয়ে তেওঁক এইবাৰ ভল্‌ভ'ত উঠাবনেকি? কিছুদিনৰ পৰা ৰবকৈ ভল্‌ভ' ভল্‌ভ' কৰি আছে নহয়।

- নহয় অ' বাছবোৰ মেডাম উঠিবলৈ নহয়। মিটিঙৰ বাবে মানুহ গোটাবলৈহে। আৰু ছেকেণ্ডলি,– ভল্‌ভ' বিকুইজিছন কৰা নাই, আমাৰ পুৰণা খেৎপেটীয়াবোৰহে কৰিছে। শুনিছোঁ,- চেলা-চামুণ্ডা, এচ-পি, ডি-চি আটাইবোৰলৈকে হুকুম আহিছে,– বাই এনি মিন্‌চ,- লাখৰ হিচাপত মানুহ গোটাব লাগিব। কেনেবাকৈ মেডামৰ মিটিঙত যদি মানুহ নহ'ব লাগিল, এ-ক্‌-কেবাৰে লংকা-কাণ্ড হ'ব। গোটেইসোপাৰে চাকৰি যাব।'

- কিন্তু বাছবোৰ নহ'লে মানুহৰ দিগদাৰি নহয়নে?

- নহয়। এইবিলাক কথা লৈ আমাৰ মানুহ আগৰ পৰাই অভ্যস্ত। আনকি এইযে ছিৰিয়াচ পে'চেণ্টেৰে সৈতে এম্বুলেন্সো তিনি-চাৰিঘণ্টা ৰখাই থৈ দিয়ে. আৰু তাতে কিছুমান মৰি সিফলীয়াই হৈ যায় ..সেইবিলাকো নিচেই সাধাৰণ কথা। কাৰো গাতেই নালাগে।'

ইমান ছিৰিয়াছ টপিকৰ মাজতো পেহীৰ মুখত মিহি-মিহিকৈ হাঁহি এটা যেন দেখি বাকীবোৰ আচৰিত হ'ল।

- 'কিহে' .. কি কথা ...?' - পেহাই সুধিলে। - 'ৰৰ বিতোপনকৈ ডালিমগুটীয়া এৰি আছা দেখোন!'

ডালিমগুটীয়া এৰাৰ কাৰণটো তেনেই ছিম্প্‌ল। ইতিমধ্যে পেহীয়ে বুজি পাই গ'ল,- মেডাম আহিবই। তিতাবৰ যেতিয়া ছিয়'ৰ, যোৰহাটলৈ অহাটোও ছিয়'ৰ। কাৰণ তিতাবৰত এয়াৰপৰ্ট নাই। প্লে'ন নামিবহি ৰৌৰিয়াত। আৰু ৰৌৰিয়া ক'ত? - যোৰহাটত।

পেহী তেতিয়াও মূল প্ৰশ্নটোতে অটল! লৰ-চৰেই নাই, জাষ্ট লাইক এন আধাৰশিলা। বেলেগ আৰু ক'ত কি হৈছে তেওঁক দৰকাৰ নাই!

-' কিন্তু এয়াৰপৰ্টৰ পৰা তোমাৰ জেঠায়েৰা বাহিৰে-বাহিৰেওতো গুছি যাবগৈ পাৰে! ব্যস্ত মানুহ, এদিনতে কিমানবোৰ প্ৰগ্ৰেম থাকে  কিমান জেগা ঘূৰিব লাগে  ।' - পেহাই জোকাবলৈকে ক'লে।

- লাগে। ঠিকেই। কিন্তু যোৰহাটত চাহপানী এটোপা নুখুওৱাকৈ চিয়েমে মেডামক কে-ত্‌-তিয়াও তিতাবৰলৈ নিনিয়ে। অঁ, মাত্ৰ এটা সমস্যা আছে,- বতৰ। যদি বাইচ্চান্স বৰষুণ আহি যায়,- প্লে'ন নানামিবও পাৰে, আৰু তেতিয়াহে প্ৰব্লেম হ'ব।

- খুব বঢ়িয়া হ'ব। এক ভয়ংকৰ সন্ত্ৰাসৰ পৰা আটায়ে ৰক্ষা পৰিব। প্ৰভুভক্ত পুলিছৰ নৃত্য-নাটিকা, ন'- এণ্ট্ৰি, ট্ৰেফিক জাম, পে'চেণ্টৰ পৰা পৰীক্ষাৰ্থীলৈকে সৰ্বতোপ্ৰকাৰৰ দুৰ্ভগীয়াই অনন্ত কাললৈ মাজ-ৰাস্তাত খাড়া হৈ থকা, ইণ্টাৰভিউত হাজিৰ হ'ব নোৱাৰি চাকৰি হেৰুওৱা  । উস্‌  !

- যোৱাবাৰ গুৱাহাটীত দেখা নাই,- স্বয়ং উকীলৰ পিঠিতেই পুলিচৰ ঔকিল  !? সেইটো লৈ কিমান হুলস্থুল লাগিল

- সেইবোৰ যি হয় হৈ থাকিব। আমি ৰাস্তাত নোলালেই হ'ল। মূঠৰ ওপৰত মেডাম আহিব লাগে,- বচ। মই কেৱল তাকেহে জানো।

- হে'ৰা  ! আজি ইমানকৈ যে মেডাম মেডাম কৰি আছা  কথাটো কি? মূৰত পলিটিক্‌চ সোমাইছেনেকি? নে কংগ্ৰেছত জইনেই কৰি দিবা .?

- ধেৎ! সেইবোৰ একো নহয়। তেনেকুৱা কিবা এটা কৰি মৰিলেহে হ'ব! দেখা নাই,- ইলেক্‌চন খেলিবলৈ গৈ হাজৰিকা হেন মানুহজনৰে কি অৱস্থাটো হ'ল! চাৰিওফালে লেই-লেই চেই-চেই। লাষ্টত এতিয়া পলাই ফুৰিব লগা হৈছে।

- তেনেহলে?

- শুনা। আচল কথাটো হ'ল,- এইযে আমাৰ চন্দামিতাৰ জন্মদিনটো আহি আছে,- - তাৰ বাবে এটা কে'ক বনাব লাগে।

- কে'ক  !!?

- অঁ,- কে'ক। যেতিয়াই কে'ক এটা বনাবলৈ লওঁ,- আধাতে কাৰেণ্টটো গুছি যায়, আৰু কে'কটো পণ্ড হয়। মেডাম যদি থাকে, কাৰেণ্টটোও থাকিব। অন্ততঃ এদিন,- সুখেৰে,- কে'ক এটা বনাব পাৰিম। কথা সিমানেই।

# আজিলৈ

# এইটোকে

ৰাস্তাৰ ভিক্ষাৰীকেইটাই এইখিনি সময়লৈকে পৰম আশাৰে বাট চাই থাকে। আৰু সিহঁতবো এনে কপাল যে মহা আনন্দৰে ভৰা এনেকুৱা সময় দেশখনলৈ বেহ ঘন-ঘনকৈয়ে আহি থাকে। আচলতে হেনো আহিব লাগে পাঁচ বছৰমানৰ মূৰে-মূৰে, কিন্তু কেতিয়াবা চাল পালে আগতীয়াকৈও সোমাই আহে। সিহঁতৰ মনত আছে,- এবাৰ এটা বছৰৰ ভিতৰতে এনেকুৱা অপূৰ্ব সোণোৱালী দিন মুঠতে দুবাৰ ওলাইছিলেহি।

জনা-বুজা মানুহৰ পৰা সিহঁতে এইটোও বুজিব পাৰিছে — এই সময়খিনিৰ নাম হ'ল 'নিৰ্বাচনৰ সময়'। কোনোৱে কয় নিৰ্বাচন, কোনোৱে কয় ইলেক্‌চন। মিনিং একেই নে বেলেগ,– সিহঁতে নাজানে। একেও হ'ব পাৰে, বেলেগো হ'ব পাৰে।

মিনিং অৱশ্যে যিয়েই নহওক, এই সময়ছোৱাত কেতিয়া কি ঘটিব সিহঁতে অতি সুন্দৰকৈ জানে। কাৰণ দৃশ্যবোৰ প্ৰতিবাৰেই একে। যিবিলাক ডাঙৰ-ডাঙৰ, বিখ্যাত-বিখ্যাত, পেটুৱা-পেটুৱা মানুহে অন্য সময়ত হ'লে বিহ-পচিহখন গাড়ীৰে গুলীৰ স্পীদত ধুলি উৰুৱাই সিহঁতৰ সন্মুখেৰেই গুছি যায়, যাক লগ-চগ পোৱাৰ প্ৰশ্নই নুঠে, যাক লগ পাবলৈ চেষ্টা কৰিলে বডীগাৰ্ডে কিজানি গুলীয়াই মাৰিয়ে পেলাব, যাৰ নাম আৰু ফটো আৰু খবৰ চৌবিছ ঘণ্টাই কেৱল বাতৰি-কাকত, ৰেডিঅ' বা টেলিভিছনতেই ওলাই থাকে, সেইখিনি মানুহেই এইখিনি সময়ত মষ্ট অৰ্ডিনেৰি মানুহৰ দৰে মাটিলৈ নামি আহে।

আহি অৰ্ডিনেৰি মানুহৰ দৰেই অৰ্ডিনেৰি মানুহৰ লগত কথা-বতৰা পাতে। হাঁহে, নমস্কাৰ দিয়ে। খা-খবৰ লয়। দুখত চকুলো টোকে। ঘনে-ঘনে 'উদ্বেগ' প্ৰকাশ কৰে। পত্তাপত ধিক্কাৰ দিয়ে, গৰিহনা দিয়ে। আৰু বৰ ধুনীয়া-ধুনীয়া, মৰম লাগি যোৱা কথাবোৰ কয়।

আনকি এনেকুৱা অদ্ভুত কাণ্ডও ঘটিছে,- তেনেকুৱা একোজন ইমান ওপৰ খাপৰ মানুহে নিজৰ পকেটৰ পৰা নতুন ধুনীয়া কমাল এখন উলিয়াই দুখীয়া, টেটেবা-মেমেৰা, দেখিবলৈ বেয়া ল'ৰা এটা বা ছোৱালী এজনীৰ নাকৰ শেঙুন পৰ্যন্ত মচি দিছে।

# ঠেংচুই

এইবিলাকতকৈয়ো বেছি আচৰিত কথা -- ইমান ধনী-ধনী, স্বাস্থ্যবান, লোদোৰ-পোদোৰ মানুহকেইজনে কাওবাও কৰি, হাতে-ভৰিয়ে ধৰি, দুয়ো হাত পাতি ভিক্ষাৰীৰ নিচিনাকৈ সিহঁতৰ পৰাই ভিক্ষাও বিচাৰে ।

আকৌ কেৱল ভিক্ষা বিচৰাই নহয়,-- ল'ৰা-ছোৱালীক চকলেট খাবলৈ দিয়ে, যাকে য'তে পায় পৎকৈ আঠু কাটি সেৱা এটি যাচে, মন্দিৰ মছজিদলৈ গৈ লুটি খাই-খাই পৰে। টুপী পিন্ধে, গীর্জালৈ যায়, নামত বহে, নামাজ পঢ়ে, গায়ত্রী জপে। মদ খুৱায়। চাহ-জলপান, ভোজ-ভাত খুৱায়। চিলাই মেচিন, ঠেলা-গাড়ী, তাঁতৰ শাল, বিক্রম, অট'ৰিক্সা, শাড়ী, কম্বল, আৰু নগদ টকা-পইচা বিলায়

এই গেৰেলা পার্টিটোৱে প্রতিবাৰে একেখিনি কামকেই কৰে, একেবোৰ কথাকেই কয়। ইলেক্‌চন নামৰ বস্তুটো খতম হোৱাৰ লগে-লগে ইম্মিডিয়েৎ ঘৰলৈ ঘূৰি গৈ আকৌ আগৰ নিচিনা হৈ পৰে। ভাওনাৰ শেষত যেনেকৈ ভাৱৰীয়াই ডাটি-চুলি, কাপোৰ-কানি, মোছ-তোছ আতৰাই মুকলি হয়, এইসকলেও মুখা-চুখা খুলি, মে'ক-আপ গুছাই অৰিজিনেল ৰূপ ধৰে

ভিক্ষাৰীহঁতে গোটেই নাটকখন ইমানদিনে কেৱল দূৰৰ পৰা চাইহে আছিল, এইবাৰ কিন্তু হঠাতে এটা তেনেই নতুন ঘটনা ঘটিল। পাহাৰটোৰ সমান প্রকাণ্ড পেটুৱা এটা গাড়ী এখনৰ পৰা নামি পোনে-পোনে সিহঁতৰ ওচৰ পালেহি। ধুনীয়াকৈ এটা নমস্কাৰো দিলে। হাত দুখন নমস্কাৰৰ ভংগীতে ৰাখি থৈ পেটুৱে ক'লে ঃ

- ইমানদিনে মই তোমালোকক বহুত কিবা দিলো, তোমালোকে জানাই। ফুটপাথ দিলো, মেনহ'ল দিলো। খাবলৈ বতাহ দিলো, ৰাস্তা ডুবি যোৱাকৈ পানী দিলো। ধুলি, বোকা, জাবৰ আৰু জোঠৰ দিলো। গোন্ধ দিলো, মাখি দিলো

মদ দিলো, ভাং দিলো। শাৰী-শাৰী ৱাইন শ্বপ দিলো, প্রেম-ফটিকাৰ আড্ডা দিলো

মাজ ৰাস্তাত মাছ মেলিব পৰা পুখুৰী দিলো, পানী সাঁচি থ'ব পৰা দ দ কুঁৱা দিলোঁ, সুন্দৰ সৰোবৰ দিলো.

তোমালোকক চকু-কান মুদি কোটি কোটি টকা হেলাৰঙে ভিক্ষা দি দিব পৰাকৈ দেশত অগণন ধনী মানুহৰ সৃষ্টি কৰিলো.

তোমালোকক সাধাৰণ ভিক্ষাৰীৰ পৰা একো-একোজন বহুমূলীয়া ভোটাৰ বনালো। ভোট কেন্দ্রলৈ নি তোমালোকক ভোট দিব পৰা কৰিলোঁ। মন্ত্রী-বিধায়ক বাছি উলিয়াব পৰা দেশখনৰ একো-একোজন সম্মানীয় নাগৰিকত পৰিণত কৰিলো ...

ৰাইজে জানে,- মই এক কথাৰ মানুহ। দহখন মুখেৰে দহ জাগাত দহটা কথা

# ঠেংচুই

কেতিয়াও কৈ নুফুৰো। পোন্ধৰ বছৰ আগতে, দহ বছৰ আগতে, বা পাঁচ বছৰ আগতে যিখিনি প্ৰতিশ্ৰুতি দিছিলো, আজিও সেই একেখিনিকেই দিবলৈ আহিছো। ইয়াৰ বাহিৰেও অহা পাঁচটা বছৰত আৰু বহুত কিবাকিবি দিম। তোমালোকৰ দিব পৰা মাত্ৰ এটা বস্তু এতিয়া যদি তোমালোকে মোক দিয়া, পিচত মই মোৰ দিব পৰা আতাইবোৰ,-- তোমালোককে দি দিম ’

পেটুৱে ভাষণ সামৰি ক্ষন্তেক বৈ ৰাইজৰ মুখলৈ চালে।

লগে-লগেই আতাইতকৈ যিটো কেটেং-মেটেং ভিক্ষাৰী, সি আৰু এক চেকেণ্ড নৰ'ল। দুখোজ আগুৱাই আহি পেটুৰ গালত এটা বিয়াগোম কানতলীয়া চৰ লগাই দিলে। ক্ৰমেও চাৰি হাতমান দূৰত পেটু উফৰি পৰিল।

চৰিয়াই লেতেৰা কৰা হাতটো ওলোটাই পেটুৱে দীঘল হলৌ-চোলাটোত মচি মচি কেটেঙে ক'লে ঃ

- দেউতা, আপুনি ভৱিষ্যতে আমাক যি দিয়ে দিব বাৰু। আমাৰ ফালৰ পৰা আজি প্ৰথম এইটোকে দিলো।

- কিন্তু এইটো আক' কি দিলা? — লাজ-মান সমূলঞ্চে কাটি কৰি থৈ পেটুৱে নিৰ্বিকাৰ চিত্তেৰে মাটিত পৰি থকাৰ পৰাই সুধিলে। — 'একমাত্ৰ দিব পৰা বস্তু' মানে মই ভোটটোৰ কথাহে ক'ব খুজিছিলো!

- এ’ দেউতা তেনেহলে মই ভুল বুজিলো। হাতত এইটোকে আছিল, আগ-পাছ নুগুনি চি-ই-ধা তাকে দি দিলো।

- ছেঃ।

- হ'ব দেউতা, এইটোও একো বেয়া বস্তু নহয়। আজিলৈ তাকে নিয়কচোন...

পেটুৱে ফৰফৰাই থকা গালখন ক'ব নোৱাৰাকৈয়ে এবাৰ হাতেৰে চুই চালে। তাকে দেখি কেটেঙে আকৌ ক'লে ঃ

- একেবাৰে একো এটা নিদিলে আপুনি বেয়া পাব নহয়,- ইমান দূৰৰ পৰা কষ্ট কৰি, আৰু কিমান আশা লৈ আমাৰ ওচৰলৈকে বুলি আহিছে ! আগলৈকো আৰু কি কি দিব পাৰি চাওঁ, নহয় জানো !?

# নিলাজৰ লাজ

জেনেৰেল মেডিকেল প্ৰেক্‌টিছত ডাক্তৰ এজনে সকলো ধৰণৰ বেমাৰীকেই চাব লগা হয়। মূৰৰ পৰা ভৰিলৈকে কোনোটো অঞ্চলৰ একো এটা বেমাৰেই বাদ দিব নোৱাৰি।

প্ৰতিটো কে'ছকে আন কাৰোবালৈ ৰেফাৰ কৰি থাকিব লগা হোৱা বা আটাইবোৰকে চাব নোৱাৰা মানে ডাক্তৰজনৰ বাবে একপ্ৰকাৰ লাজৰ কথাই।

এইযে তৰহে-তৰহে কে'ছবিলাক ডাক্তৰৰ ওচৰলৈ আহি থাকে, তাৰ মাজতে কেতিয়াবা একো-একোটা বৰ মজাৰ-মজাৰ জমনি-জমনি কে'চ আহে। সৌ সিদিনা এক ভদ্ৰলোক আহি ওলালেহি,— তেখেতৰ আক' বহুদিনৰ পৰা হৈ থকা এটা নাকৰ বেমাৰ। সুধিলো,- কওকচোন ভালকৈ বুজাই কি হৈছে' ক'লে,— নাকটোত কিবা এটা হৈছে ঠিকেই, কিন্তু ঠিক কি হৈছে বা হয় ভালদৰে বুজাই ক'ব নোৱাৰি। বৰ্ণনা দিয়াটো বৰ মস্কিল।

প্ৰথমতে ভাবিলো,- ছাইন'চাইটিছেই হ'ব চাগে'। আমাৰ ইয়াত সেইটোৰেই কমন। নহ'লে এট্ৰপিক ৰাইনাইটিচ। বা বৰ ডাঙৰ বিধৰ একোৰেই নহে তেনেই ছিম্পোল পানীলগা, হাঁচি, নাক সোপা মাৰি ধৰা .তেনেকুৱাও হ'ব পাৰে।

পিছে নহয়। পানী লগাও নাই, হাঁচি মৰাও নাই, আনকি সৰু-সুৰাকৈ সোপা মাৰিও ধৰি থকা নাই।

- হয়নেকি? তেনেহ'লে বা আক' কি। তাৰমানে অলপ ভালদৰেই সোধ-পোচ কৰিব লাগিল। কৰিলো। সোধোতে মানুহজনে ক'লে,-- নক'ব আৰু ছাৰ। বেমাৰটো সঁচাকৈয়ে অদ্ভুত। মই ইমান বেছি লাজ লাগিবলগীয়া কাম কৰো, অথচ একদম লাজ নালাগে। মোৰ নাকটোত জৰুৰ কিবা ডিফেক্ট আছে। আপুনি ভালদৰে এবাৰ চাই দিয়ক।

চালো। বাহিৰৰ পৰা দেখাত একো নাই। ভালকৈ টৰ্চ-চৰ্চ মাৰি ভিতৰখনো পৰীক্ষা কৰিলো। সেইপিনেও অল ক্লিয়েৰ। একেবাৰেই একো নাই। পলিপ নাই। ডেভিয়েছন নাই। কোনোধৰণৰ গ্ৰউথ নাই। কন্‌জেছন নাই .

- 'আচ্ছা, আপুনি কি কাম কৰে বাৰু ?' মই চিন্তা কৰি চালো,— কিবা সাংঘাটিক

বিধৰ এলাৰ্জি নহয়তো? আজিকালি এনভাইৰণমেণ্টেল বা অকুপেছনেল হেজৰ্ডি বস্তুটো খুবেই বেছি হৈছে।

কিন্তু নহয়। মানুহজনে ক'লে,– তেওঁৰ হেনো এলাৰ্জি তেলাৰ্জি একো নাই। ধুলি-ধোঁৱাৰ সতেও এব্‌ছ'লিউথলি দেয়াৰ ইজ ন' এনি ৰিলেছন। এ'এচ্‌ইবিত এটা ভাল চাকৰি কৰে। দৰ্মহাও বহুত পায়।

- আপোনাৰ বাৰু লাজটো কেতিয়া লাগিব খোজে? আই মিন,– ঠিক কেতিয়া লগা উচিত আছিল যেন লাগে?

- বেছিকৈ কেতিয়া ফিল্ কৰো জানে? ছাৰ গুছি যোৱাৰ ঠিক পিচতে।

- ছাৰ '?

এইবাৰ মানুহজনে প্ৰব্লেম্‌টো ভালদৰে বুজাই ক'লে। – ছাৰ, একচুৱেলি মানে কি,- মোৰ একমাত্ৰ কামটো হ'ল লাইন কটা। পুৱাৰ পৰা মাজনিশালৈকে কেৱল লাইনকে কাটি থাকো। দিনটোত তেত্ৰিছ বাৰৰ পৰা কেতিয়াবা বাস'ত্তৰ বাৰলৈকে,– একো হিচাপেই নাই। মোৰ ঘৈণী, ল'ৰা-ছোৱালীয়েও মোক জোকায় - মই হেনো লাইফত সেই এটা কামেই শিকিলো। পিছে যেতিয়াই কোনোবা এজন ছাৰ টাউনত ৰাতিটো থাকিবলৈ আহে,- - গোটেই কাণ্ডটোৱেই ওল্টা হৈ যায়।

- ৰ'বচোন, ছাৰ মানে কোন? কাৰ কথা কৈছে বাৰু? আপোনালোকৰ চীফ ইঞ্জিনিযাৰ নেকি?

- নহয় নহয়, ছাৰ মানে মিনিষ্টাৰ ছাৰ। চিয়েম ছাৰ। মাননীয় মুখ্যমন্ত্ৰী মহোদয়। তেখেত যেতিয়া আহে, আমি এক চেকেণ্ডৰ বাবেও লাইন কাটিব নোৱাৰো। পূ-উ-ৰা টুৱেণ্টি ফ'ৰ আৱাৰ্চ ৰাখি দিওঁ। কেনেকৈ ৰাখো, কি কৰো, কাৰেণ্টবোৰ ক'ত পৰানো পাওঁ, ভাবিলে নিজৰে আচৰিত লাগি যায়।

- সেইটো কৰিবলৈ হুকুম কোনে দিয়ে?

- কোনেও দিব নালাগে। সেইটো আমাৰ এপইন্টমেন্ট লে'টাৰতেই লিখা আছে। মিনিষ্টাৰ থকা সময়ত লাইন কাটিব লাগিলে চাকৰিয়েই চেটেপ।

- অকল চিয়েম ছাৰ আহিলেহে তেনেকুৱা হয়নে?

- নাই নাই, সৰু-সুৰা লাপি-সুপাবোৰ আহিলেও সেই একেটা কথাই। লগালগ ডিউটি চুক হৈ যায়। কেনোবাই বিয়া খাবলৈ আহে, কোনোবাই ছবিহ জানুৱাৰী গোৰ্ছৰ আগষ্টত পতাকা তুলিবলৈ আহে, ইলেক্‌চনৰ সময়ত ভোট বিচাৰি বা কেম্পেইন কৰিবলৈ আহে। গধুলি লাইটটো নগ'লে মানুহে অট'মেটিক গম পাই যায়,- কোনোবা এজন নিশ্চয় আহি ছাৰ্কিট হাউছত আছে। নহলে কিয় লাইন নাকাটিব।?

- ঠিক আছে, সেইখিনিলৈকে বাৰু অ'কে। বুজিলো। কিন্তু আপোনাৰনো

এক্জেক্টলি কি কি হয়, সেইটো মই এতিয়াও বুজিব পৰা নাই।

তেওঁ বুজাই ক'লে। এইযে ছাৰসকল যোৱাৰ লগে-লগেই আকৌ চাৰিওফালে সেই একেই অৱস্থাটো ঘূৰি আহে, একেই অন্ধকাৰ, পুণৰমুছিকো ভৱ,- তেতিয়াই তেওঁৰ প্ৰব্লেম্‌টো চুৰু হৈ যায়।

চবেই সোধে,-- ঐ নিলাজ, তোৰ ঈশ্বৰ প্ৰভুকেইটা গ'ল হ'বপায? আকৌ পূৰাদ্দমে লাইন কাটিবলৈ লাগি গ'লি? হাঁ। পিছে এইকেইদিননো ক'ৰপৰা দি আছিলি? এতিয়া দিব নোৱাৰ কেলেই? চাৰি-পাঁচ ঘণ্টা নাকাটিলে হেঁপাহেই নপলায় ?

- কি ক'ম আৰু ছাৰ। ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱ, ঘৰৰ ঘৈণী,- প্ৰত্যেকেই যিটোহে চাৱনি দিয়ে, যিবোৰ ডায়লগ মাৰে, যেনেকুৱাখন কৰে,- একদম খালে-ডোঙে পৰি মৰি যাম যেন লাগে। নাইবা নাকটোকে যেন গাৰ পৰা এৰুৱাই পকেটত ভৰাই থ'ম। অথবা পথাৰলৈ দলি মাৰি দিম! আপুনি কিবা এটা কৰক ছাৰ

মই আৰু কিটোনো কৰিম? লাহেকৈ ই-এন-টিলৈ ৰেফাৰ কৰি দিলো। পিচত শুনিলো,- ইএন্‌টিযেও হেনো ওলোটাই আক' প্লাষ্টিক ছাৰ্জাৰিলৈ পঠিয়ালে।

আচৰিত কথা,-- দুই-এদিনৰ অগাপিছাকৈ অবিকল একে ধৰণৰ এনেকুৱা কেইবাটাও কে'ছ আহিল। তাৰে কেইটামান গডকাপ্তানিৰ। সেই একেই প্ৰব্লেম। ছাৰসকল অহাৰ আগে আগে মানুহ কেইটামানে আহি যি কোনো প্ৰকাৰে মাটিযে-জাবৰে, ঘাঁহে-বনে ৰাস্তাৰ গাঁতবোৰ পুতি থৈ যায়, যথাসময়ত ছাৰে পিঠি দিয়াৰ লগে-লগেই গাঁতে আকৌ সেই আগৰ মূৰ্ত্তি ধৰে

পাব্লিকে গালি পাৰে,- ঐ নিলাজ, কি হ'ল অ' ৰাস্তাৰ? শহুৰ দেউতা আহোতে লৰালৰিকৈ বৰ পুতি দেখুৱাইছিলি দেখোন! সেইকেইটা আহিলে তেতিয়া শিলগুটি ওলায়, আলকাতৰা ওলায়, ফাগুত পইছাও থাকে! বুঢাৰ পৰা কেচুৱালৈকে, মতাৰ পৰা মাইকীলৈকে চবেই ইম্মান লাজ দিয়ে, পিছে কি হ'ব,- লাজেই নালাগে!

কে'ছটো অলপমান জটিলেই। ডাক্তৰ, নাৰ্চ-কম্পাউণ্ডাৰ, ৱাৰ্ডবয়-ছুইপাৰ, বেজ, কবিৰাজ, বৈদ্য, হোমিও-আয়ুৰ্বেদ সকলোৱেই যি পাৰে যথাসাধ্য চিন্তা কৰি চাবচোন।

কোনোবাই যদি দৰকাৰ বুলি ভাবে, বা সঁচাকৈয়ে কিবা কামত আহে, তেন্তে জৰা-ফুঁকাৰ ব্যৱস্থা কৰিব পাৰিলেও বেয়া নহয়।

# নমস্কাৰ

মাজতে অসমীয়া, বিহাৰী, ৰে'লগাড়ী, নিযুক্তি,— এইধৰণৰ টপিক লৈ চৌদিশে বেছ এটা হুলস্থুল লাগিল।

বিহাৰীয়ে বিহাৰত অসমীয়াক পিটিলে, তাৰ 'বিনিময়ত' অসমীয়াযো অসমত বিহাৰীক যি পাৰে দুই-এচৰ লগালে.

তাৰ মাজতে ইলেক্‌চনৰ খেলটোও পূৰাদমে চলি থাকিল। মাষ্টাৰ খেলুৱৈসকলৰ এক মিনিটো বহিবলৈ সময় নাই।

অৱশ্যে মাজে-মাজে চাহৰ টেবুলত, ইলেক্‌চনৰ অফিচত, বা হাটে-বাটে এই সম্পৰ্কে ৰাইজে দুই-চাৰিআষাৰ নপতাও নহয়।

- হেইৰা টেপুৰাম, - এই অসমীয়া বিহাৰী লৈ এইবোৰ কি লাগি আছেহে? শাম নাকাটিবই নেকি? মই এবাৰ দিল্লীলৈ যাব লাগিছিল।

লাল ফটিকাৰ আড্ডাত এক কেণ্ডিডেটে কাষৰ আন এজনক সুধিলে।

- এ' নক'বা আৰু। ৰে'লৰ এপইন্টমেণ্ট। প্ৰথমে হেনো অসমীয়াইহে বিহাৰীক জোকাই ল'লে। তাৰ পিচত বিহাৰীয়ে বিহাৰত অসমীয়াক পিটিলে। এতিয়া আকৌ ওলোটাই অসমত বিহাৰীৰ টিঘিলঘিলনি! এজ ইউজুৱেল।

- বুজিলোঁ। এসময়ত সেইযে অসমীয়া-বঙালীৰ লাগিছিল...

- প্ৰায় তেনেকুৱা বুলিয়ে ধৰা।

- এইবিলাক আৰু কি,- মাজে মাজে চলিয়েই থাকিব। অন্ত নাই..

- তাকেইতো। এইচব লৈ আৰু কি মূৰ ঘমাব।

- অৱশ্যে বিহাৰীয়ে যদি আমাক ভোট দিলেহেঁতেন, তেতিয়া কথাটো অলপ বেলেগ আছিল। কিন্তু...

- 'সেইটো আৰু' বাংলাদেশীৰ লগতহে এপ্লিকেব্‌ল। বিহাৰীৰ লগত আমাৰ তেনেকুৱা একো বন্দবস্তি নাই। ন' এগ্ৰিমেণ্ট।

- পিছে এটা কথা। সেই ডিব্ৰুগড়ৰ নন-আছামিজ এচ-পিটোৱে যি ধৰণৰ ডায়লগ

মাৰিছে, গণ্ডগোল এটা লাগিও যাব পাৰে কিন্তু। তিনিচুকীয়া, দুলীয়াজানত হোৱাৰ দৰে যদি গোটেই অসমতে কাৰ্ফিউ চাৰ্ফিউ হৈ যায়. ইলেক্‌চনৰ সময়ত

- ময়ো তাকেই চিন্তা কৰি আছোঁ। আৰু এটা কোনোবা নন-আছামিজ এমেলে'ই হেনো বিহাৰীক কণ্‌ষ্টেন্ট্‌লি উচটাই আছে।

- কেলেই, সেইটো ৰাজেন্দৰ ছিং আক'। সিদিনা সি কিমান বেয়াকৈ লেক্‌চাৰ দিছে শুনা নাই? সি মানুহক একদম খুচৰি দিছে।

- বৰ ডাঙৰ কথা দেই। আমাৰ অসমৰ এছেম্ব্লিত এই নন-আছামিজ এমেলে'বোৰ কিয়হে? পাৰ্লিয়ামেণ্টৰ কথা বেলেগ। অসম হৈছে অসমীয়াৰ। ইয়াত এমেলে' আটাইবোৰ অসমীযা মানুহেইহে হোৱা উচিত।

- এইবাৰ এইটো টপিক মিটিঙত উলিযাব লাগিব

চাহ খাই শেষ হ'ল। প্ৰত্যেকে আকৌ নিজৰ নিজৰ কামত লাগিলগৈ। প'ষ্টাৰ মৰা, টকা-পইচা বটল-কম্বলৰ হিচাপ কৰা, ভোটাৰ লিষ্ট ষ্টাডি কৰা, প্ৰতিশ্ৰুতিৰ তালিকা বনোৱা

ইলেক্‌চনলৈ ঠিক এসপ্তাহমান আছে, তেনেতে হঠাৎ চাৰিওফালে এটা নতুন দৃশ্য দেখা গ'ল। কেণ্ডিডেটবিলাকে, আৰু লগৰ চাম্‌চা, লিটিকাই আটাইবোৰেই ধামধুম বালিবাটৰ 'হনুমান গ্লাছ' নামৰ বিখ্যাত দোকানখনত সোমাবলৈ আৰম্ভ কৰি দিছে.

দোকানী নিজেও আচৰিত হ'ল। প্ৰতিজনকে সোধে,- কওকচোন ছাৰ, কি দিম

- আঠা।

- আঠা!?

- হয়। আঠা

প্ৰত্যেককে কিবা এবিধ খুব ভাল কোৱালিটিৰ আঠা লাগে। সেইযে টিভিৰ বিজ্ঞাপনত দেখুৱায়,- হাতীয়ে টানিছে, মানুহেও টানিছে, তথাপিও ছিঙিব পৰা নাই ঠিক তেনেকুৱা ধৰণৰ আঠা। দাম যেনেকুৱাই নহওক,- কথা নাই। লাখ হওক, কোটি হওক, মুঠতে তাৰ কাম ভাল হ'ব লাগে।

দোকানীয়ে ভালেই পালে। বস্তু বিক্ৰীহে হ'ব লাগে। যি য'ত হাতে-পোৱাতে আছিল, যথাসাধ্য দি গ'ল। কাৰোবাক দিলে ফেবিকল, কাৰোবাক দিলে ডেন্‌ড্ৰাইট, কাৰোবাৰ ভাগত পৰিল কুইক-ফিক্স। কোনোবাই পালে এৰেল্‌ডাইট, এৰ'ভাইট .

এটা সময়ত এনেকুৱা আঠা আটাইবোৰ যেতিয়া শেষেই হৈ থাকিল, এক অকৰা দোকানীয়ে বৈ থাকিব নোৱাৰি সুধি পেলালে,-

# ঠেংচুই

- আপোনালোকে চবেই যে ইমানকৈ আঠা বিচাৰি আহিছে, কাৰণটো কি?

- এ'  নক'বা আৰু। অভ্যাস নাই নহয়, মাজে-মাজে এৰাই গুছি আহে।

- এৰাই গুছি আহে? কি এৰাই গুছি আহে।

- কেলেই, হাতদুখন আৰু'।

- হাতদুখন ! ক'ৰপৰা এৰাই গুছি আহে?

- ইখনৰ পৰা সিখন। অকণমান অন্যমনস্ক হ'লেই ফৎকৰে এৰাই যায়। ঘৰ মস্কিল। ভাল আঠা এটা লগাই পাৰ্মানেন্টলি লগ লগাই নিদিলে এতিয়া দেখিছোঁ,- কামেই নহ'ব।

- কিন্তু..। ভাত খাব কেনেকৈ?

- এইকেইদিন আমাৰ কাৰণে ভাত খোৱাটো ডাঙৰ কথা নহয়। নমস্কাৰটোহে মেইন।

- নমস্কাৰটো মেইন!? কিয়?

- ইলেক্চনত উঠিছোঁ নহয়। অনবৰতে নমস্কাৰ দি থাকিব নালাগিব জানো? হাত দুখন এৰাই এৰাই গ'লে কেনেকৈ হ'ব? দুয়োখনকে যদি নমস্কাৰৰ ভংগী এটাত আঠা লগাই থওঁ, প্ৰব্লেম্টো অতি সহজেই চল্ভ্ হৈ যায়।

- বুজিলোঁ। তাৰমানে আঠা বিচৰাৰ সেইটোহে কাৰণ. ?

- হেঃ হেঃ হেঃ। সেইটোৱেই কাৰণ। দিয়ক এতিয়া। যিমান ভাল কোৱালিটিৰ আঠা আছে, উলিয়াই দিয়ক।

অ', দোকানী বাবু, আপোনাকো নমস্কাৰ। ভোটটো দিবলৈ নাপাহৰিব কিন্তু..!!

# সপ্তমত

# টিউন

স্বাধীনতা নে গণতন্ত্ৰ - পাহৰিছো। কিন্তু এই দুটা দিৱসৰে কোনোবা এটা।

আৰু তাৰ লগত ৰিলেটেড যিজনা মন্ত্ৰী আছিল, তেওঁৰ নামটোও,- ইস্মান ভাবিছোঁ,- মনত পেলাব পৰা নাই

নাম মানে অৱশ্যে অৰিজিনেল পোছাকী নামটোৰ কথা কৈছো। সেইটো একদম আচৰিত ধৰণে পাহৰি গ'লো। ৰাইজে দিয়া মৰমৰ উপনামটো পিছে ঠিকেই মনত আছে। আনাক'ণ্ডা। সম্পূৰ্ণ নাম,- আনাক'ণ্ডা ছাগলীমুখীয়া।

নামটো অলপ আচহুৱা যেন লাগিব পাৰে। কিন্তু অৰ্থৰ ফালৰ পৰা মুঠেও নিৰৰ্থক বুলি ক'ব নোৱাৰি। আচলতে খুবেই মিনিংফুল। এক নম্বৰ শব্দ,- আনাক'ণ্ডা। তাৰ অৰ্থটো যেয়ে-সেয়েই কিছু কিছু অনুমান কৰি ল'ব পাৰিব। স্পীলবাৰ্গৰ চিনেমাখনৰ মতে ই এটা অতি বিষাক্ত, ভয়লগা, ভোকাতুৰ, প্ৰকাণ্ড সাপ। যি যিকোনো মুহূৰ্তত যাকে-তাকে গোটে গোটে গিলি পেলাব পাৰে

আৰু বাকী থাকিল,- ছাগলীমুখীয়া। ইয়াৰ মানেটো ঠিক কি হ'ব পাৰে,- এদিন বন্ধু ৰোমান বৰুৱাক সোধোতে ক'লে,- জানেই নহয়, ছাগলীৰ স্বভাৱটো! এইযে ওখ জাগা দেখিলেই দৌৰ মাৰি গৈ তাতে উঠে, আৰু মুখখনেৰে একো বাচ-বিচাৰ নকৰি অনবৰতে লপ্‌লপাই থাকে, সমুখত যি পায় তাকে খাই দিয়ে, য'ত এবাৰ মুখ দিয়ে তাৰ আৰু ৰক্ষা নাই. সেইটোৱেই!

আনাকোণ্ডা ছাগলীমুখীয়াৰো অলম্‌ষ্ট একেটাই কথা। কোনোবাই বোধকৰো বহুত ভাবি-চিন্তি, গৱেষণা কৰিয়ে নামটো ৰাখিছিল। ওখ জেগা দেখিলেই তেওঁ মঞ্চ বুলি ধৰি লয়, আৰু চি-ই-ধা গৈ তাতে উঠি দিয়ে। লগে-লগেই বক্তৃতা চুৰু! সহজে শেষও নকৰে, দুই-তিনি ঘণ্টাৰ কমত নামিও নাহে। প্ৰসংগ সংগতি, স্থান, কাল, পাত্ৰ,-

## ঠেংচুই

সেইবোৰ একো নাই, মুখত যি আছে তাকে বলকি থাকে...

দিবসটোৰ দিনা কোনে কোনে ক'ত ক'ত পতাকা তুলিব লিষ্টখন ফাইনেল হোবাৰ পৰাই ছাগলীমুখীয়াৰ গাত তৎ নাই, মানুহটো একদম উফৰি ফুৰিছে .

কেইটা বজাত ঘৰৰ পৰা ওলাব লাগিব, কোনযোৰ কাপোৰ পিন্ধিব, কি ৰঙৰ পিন্ধিব, কংগ্ৰেছী নেতা হিচাপে মুৰত গান্ধী টুপী লগাব লাগিবনে নাই, একেলেঠাবিয়ে কিমান সময় ভাষণ দিব, শাহৰুখ খানৰ দৰে খৰ-খৰকৈ ক'বনে বাজপেয়ীৰ নিচিনাকৈ লাহে-ধীৰে শ্ল' মছনত ক'ব, মাজে-মাজে হাঁহিব নে অনবৰত গহীনেই হৈ থাকিব, কোনে কোনে মিলি ভাষণ লিখিব, ভাষণটোত কি কি ধৰণৰ কথা থাকিলে ভাল হ'ব,- এনেকুৱা হাজাৰ-বিজাৰ কথাই আনাকোণ্ডাক বেছ কিছুদিন ব্যতিব্যস্ত কৰি ৰাখিলে।

মাজে মাজে তেওঁ খাব-শুবলৈকো পাহৰি গ'ল.

যিমানেই সময় আগবাঢ়িল, সিমানেই ছাগলীমুখীয়াৰ দেহ-মন ৰাইজাই কৰিবলৈ ধৰিলে। গোটেই গাটোত ছটফটনি উঠিল। ভালকৈ ক'তোৱেই মন নবহা হ'ল।

দেউতাকৰ অৱস্থাটো দেখি দুপৰীয়া ভাতৰ পাতত পুতেকে সুধিলে,- কি হ'ল পাপা, ইমান বেছি ধৰ্ফৰাই আছাযে।? হোৱাথচ্ ডা মেটাৰ.

- কেলেই, মই জানো পোন্ধৰ আগষ্টৰ পতাকা তুলিবলৈ নাযাম?

- যাবা। কিন্তু যেনেকুৱাখনহে কৰিছা.. যেন তোমাক দেশৰ প্ৰধানমন্ত্ৰীহে পাতিলে এজ ইফ ইউ আৰ ডা পিএম.... আৰু তুমি গৈ যেন লালকিল্লাতহে ভাষণ দিবা। আমাৰ হলে একদম তেনেকুৱা লাগিছে।

ছাগলীমুখীয়াই মুখত ছাগলী মাংসৰ বিয়াগোম টুকুৰা এটা জাষ্ট ভৰাইছিলহে, গতিকে একো মাতিব নোৱাৰা হ'ল। তেওঁৰ হৈ মাকেই উত্তৰ দিলে,- দেউতাৰ এইবাৰেই ফাৰ্ষ্ট টাইম মিনিষ্টাৰ হৈছে,- অলপমানতো এক্সাইটেড হ'বই। তাত আচৰিত হ'বলৈ কি আছে? মিনিষ্টাৰযে হ'ব পাৰিলেগৈ সেইটোৱেই ডাঙৰ কথা। মইতো আশা এৰিয়ে দিছিলো। কিমান কি কৰিব লগা হ'ল পূজা-পাতলৰ পৰা আৰম্ভ কৰি দেউ, বাবা, তাবিজ, জ্যোতিষ, গণনালৈকে

ছাগলীমুখীয়াৰ মন্ত্ৰী হোবাৰ সপোন বহুদিনৰ। সৰুকালত সেই ছাগলী চুৰ কৰা দিনৰ পৰাই তেওঁৰ এই সপোন দেখা আৰম্ভ হৈছিল। এদিন দেশৰ ভাগ্য বিধাতা হ'ব, বগা-বগা চৰকাৰী এম্বেছেদৰত উঠি ঘূৰি ফুৰিব, গাড়ীত ৰঙা লাইট জ্বলিব। আগে-পিছে পুলিচ, চাইৰেণ, বডীগাৰ্ড। ব্ৰেক্-ফেট্....

ইখনৰ পিচত সিখনকৈ মিটিং গাব।

হেঁপাহ পলুৱাই দুয়ো হাতেৰে ৰাজকোষ লুটিব। দিচপুৰত বহি-বহি চাকৰি বিকিব। লাইচেন্স বিকিব, পাৰ্মিট বিকিব

অফিছাৰবোৰে হৰেক ৰকমৰ ফাইল আনি টেবুলত থ'ব, পাতবোৰ লুটিয়াই যাব, তাত তেওঁ মেজেষ্টিক কায়দাৰে চহী কৰিব।

হাজাৰ-বিজাৰ মানুহে সাক্ষাৎ পাবৰ বাবে ঘণ্টাৰ পাছত ঘণ্টা বাৰান্দাত লাইন লগাব। শ শ দালাল, বিজিনেচমেন, ঠিকাদাৰে দ'ম দ'ম উপহাৰ, ধন-দৌলত, খাদ্য-বস্তু, আ-অলংকাৰেৰে ঘৰ ভৰাই পেলাব। ইটো দিব সিটো দিব, অনবৰতে কিবাকিবি আনিযে থাকিব। বজাৰ-সমাৰ কৰিব, ল'ৰা-ছোৱালীক স্কুল-কলেজলৈ নিব। অন্নপ্ৰাসন, চূড়াকৰণ, লগুণদিয়ণি, তোলনি বিয়া, আচল বিয়া আদি যাৱতীয় সকলো উৎসৱ তেওঁলোকেই পাতিব। খুওৱা-বুওৱা, ৰভা দিযা, মানুহ মতা,- সমস্ত কাম সেইসকলেই কৰিব।

ফ্ৰী-তে মদৰ বটল আনি দিব।

মিনিষ্টাৰনী বাইদেউক এভ্ৰি অল্টাৰনেট ডে' বিউটি পাৰ্লাৰলৈ নিব

ছাগলীৰ টুকুৰাটো যেনে-তেনে ভিতৰলৈ ঠেলি মিনিষ্টাৰে ক'লে,- তইযে প্ৰধান-মন্ত্ৰী হোৱাৰ কথা ক'লি, সেইটো হৈ কি লাভ? সেইবোৰ হোৱা মানেই ঢে'ৰ চিন্তা। হাজাৰ-বিজাৰ কাম। অসংখ্য সমস্যা । এতিয়া মই যিটো বিভাগৰ মন্ত্ৰী.- বাঃ- কাম নাই বন নাই, কিমান আৰাম! কেৱল খাইছো, শুইছো, পইচা ঘটিছো. ছিগুিকেট কৰিছো, সাহিত্য সভা গৈছো, মেল-মিটিং গাইছো, সম্বৰ্ধনা লৈছো, গামোচা আৰিছো, এয়া কাইলৈ গণতন্ত্ৰ দিৱসৰ পতাকা তুলিম

- গণতন্ত্ৰ দিৱস।?

- এঃ হ'ব দে, একেই কথা। স্বাধীনতা আৰু গণতন্ত্ৰৰ মাজত কি ডিফাৰেন্সটো? একেই মানুহ, একেই ভাষণ, একেই অডিয়েন্স, একেই ফুলজাৰি.

যথাসময়ত মন্ত্ৰী মহোদয় সভাথলীত আহি উপস্থিত হ'ল। সাতজন চৰকাৰী বিষয়া আৰু দহ গাড়ী পুলিচে তেখেতক আদৰি সাদৰি মঞ্চলৈ উঠাই আনিলে। মালা পিন্ধালে, গামোচা আৰিলে, সেৱা কৰিলে ।

কিন্তু মঞ্চত ভৰি দিয়েই

উবা। এইটো আক' কেনেকুৱা অদ্ভুত দৃশ্য।?

সমুখৰ গোটেই প্ৰকাণ্ড পথাৰখনত দৰবৰত দিবলৈকো মানুহ এটা নাই। নাই যি নাই, মহ-মাখি, পইতাচোৰা, কুমজেলেকুৱা দুটামানো নাই। এৰিয়াটোত একদম টোটেল কাৰ্ফিউ।

# ঠেংচুহ

- কিন্তু কিয় হ'ল এনেকুৱা অৱস্থা ? - বহুত পৰৰ মূৰত সম্বিত ঘূৰাই আনি ছাগলীমুখীয়াই সুধিলে।

- ছাৰ, কাৰণ কেইবাটাও।

নাম্বাৰ ৱান,- আপুনি জানেই,- চৰকাৰীভাবে কোৱা হৈছিল,- সকলোকে সাৱধানে থাকিবলৈ। যিকোনো মুহূর্তত য'তে-ত'তে 'কুটাঘাতমূলক' কার্য্য সংঘটিত হ'ব পাৰে। ব'ম ফুটিব পাৰে, গুলীয়াগুলী হ'ব পাৰে

গতিকে পৰাপক্ষত মানুহ যেন ঘৰৰ পৰাই নোলায়। বাই চান্স ওলালেও যেন অ'ত-ত'ত পৰি থকা কোনো বস্তুত হাত নলগায়। হটাৎ গুলী খাই বা ব'ম ব্লাষ্টত মৰি থাকিলে যাতে আইডেণ্টিফিকেশ্যনত সহায় হয় তাৰ বাবে প্রত্যেকেই নিজ নিজ পৰিচয়-পত্র লগত আনে।

পিছে আমাৰ মানুহবোৰ ক'ত আৰু লগত পৰিচয়-পত্রখন থাকে।? সেইকাৰণে বা-প্-পেকে নাহিলেই!

দ্বিতীয় কথা,- পুলিচ-মিলিটেৰিয়ে আপোনাৰ ছিকিউৰিটিৰ নামত এসপ্তাহ আগৰ পৰাই কুচকাৱাজ আৰম্ভ কৰি দিছিল। ৰেহ-ৰূপ দেখি-শুনি বোধহয় পাব্লিকে বৈদ্য ভয় খালে।

আৰু ফাইনেলি,- সেইটোও আপুনি জানে,- ছাব্বিছ জানুৱাৰি পোন্ধৰ আগষ্ট বুলিলেই আছু , আল্‌ফা, এজিপি, বিজেপি,- কোনোবাই অসম বন্ধ, পথ বন্ধ, বর্জ্জন, প্রতিবাদ আদি কিবা এটা দিবই। সেইবুলি ৰাইজৰ এজ ইউজুৱেল ধাৰণা এটা সদায় থাকেই! সাতে-পাঁচে মিলি

হতভম্ব হৈ মূৰে-কপালে হাত দি মন্ত্রী ডাঙৰীয়া ঠাইতে বহি পৰিল। ঘৎ ঘৎকৈ এগিলাচ পানীও খালে।

বহুত পৰ তেনেকৈয়ে থাকি এবাৰ হঠাৎ গিৰিস্‌কৈ ঠিয় হ'ল আৰু যাবলৈ ওলাল।

- মই যাওঁগে। ইয়াত আৰু এক চেকেণ্ডো নাথাকো। লাইফত বৰ ডাঙৰ শক পালো।

- নহয় ছাৰ। নাযাব।

ছিনিয়'ৰ অফিছাৰ এজনে আগবাঢ়ি আহি ৰিকুৱেষ্ট কৰিলে।

- প্লিজ

- নাই নাই। থাকিনো কিডাল কৰিম ইয়াত?

- আছে ছাৰ। উপায় এটা পাইছোঁ।

- উপায়?

- হয় ছাৰ। আপুনি ভাষণটো আনিছিলনে বাৰু?

- আনিছিলোনে মানে!? একদম মুখস্থ। নগদ পাঁচজনকৈ সাহিত্যিকে লগ লাগি, ভাবি-চিন্তি কিমান সুন্দৰকৈ লিখি দিছিল। পুৰা-গধুলি ৰিহাৰ্চেলো কৰিলো । চব অথলে গ'ল

- নাই যোৱা ছাৰ। আৰু আপুনিও নাযাব। অডিয়েন্স নাথাকিলেও এট্-লিষ্ট টিভি কেমেৰাটো আছে। ভাষণটো দি দিয়ক।

- ভাষণটো দি দিম!? কি কয়হে' .?

- হয় ছাৰ। দি দিয়ক। আপুনি গোটেই মানুহটো বৰ ধুনীয়াকৈ টিভিত ওলাই থাকিব।

- টিভিত ওলাম!? সঁচাকৈয়েনে

- সঁচাকৈয়ে ছাৰ। একদম ছিয়'ৰ। হাণ্ড্ৰেদ্ পাৰ্চেণ্ট।

হেৰাই যোৱা হাঁহিটো মন্ত্ৰীৰ মুখলৈ আকৌ নিগৰি ওলাই আহিল। তেওঁ গৈ মাইক্ৰ'ফোনটোৰ কাষত পজিছন ল'লে।

পকেটৰ পৰা উলিয়াই চছমাযোৰ পিন্ধিলে।

ৰুমালখন উলিয়াই ঘামখিনি মচিলে।

দুটা গলখেকাৰি মাৰি নেলুটো সপ্তমত টিউন কৰি ল'লে।

বেগৰ পৰা কাগজৰ নুৰাটো উলিয়ালে।

আৰু,—

হাত-ভৰি জোকাৰি উদ্দাত্ত কণ্ঠেৰে ভাষণ দিবলৈ লাগি গ'ল

# ৩৩

দুহেজাৰ তিনি চন।

দুৰ্গা পূজালৈ মাত্ৰ দুটা দিন বাকী।

ইপিনে সেইদিনাই বম্বেত কৰিস্মা কাপুৰৰ বিয়া। গোটেই ইণ্ডিয়াতে হুলস্থুল। হ'বই। হোৱালী এলাপেচা নহয়। স্বয়ং ৰাজকাপুৰৰ নাতি, ববিতা-ৰণধীৰৰ ডাঙৰ জীয়েক। নিজেও বিখ্যাত ফিল্মষ্টাৰ। হুলস্থুল হোৱাৰেই কথা। পৃথিৱীত এনেকুৱা বিয়া কেইখননো হয়?

- টিভিৰ দুটামান চেনেলত একদম লাইভেই দেখুৱাই আছে। জোৰোণৰ কাপোৰ দেখুৱাইছে, মেইন হে'ট দেখুৱাইছে, অলংকাৰ দেখুৱাইছে। ববিতাই পানী তুলিবলৈ যোৱা, আখৈ দিয়া, চাউলৰ চৰিয়াত আঙুঠি বিচৰাৰ পৰা আৰম্ভ কৰি ৰভা-তলিত কি ঘটি আছে, কোন কেতিয়া আহিল, কি কৈছে, কি পিন্ধিছে, এভ্ৰিথিং।

নন্-ষ্টপ দেখুৱাবই লাগিছে। উইডাউৎ এনি ব্ৰে'ক .

অবশ্যে কৰিস্মাৰ বিয়াখন অভিষেক বচ্চনৰ লগত হোৱা হ'লে আৰু বেছি জমিলেহেঁতেন। নহ'ল। বিধাতাৰ লিখন। যাৰ য'ত হ'ব লগা থাকে তেনেকৈয়ে হ'ব। ভাবি বা দুখ কৰি লাভ নাই।

বিয়া খাই আহি ৰাতি আঢৈমান বজাত ঠিক শুইছিলোহে, পুৱা পাঁচটাতে কলিংবে'লৰ শব্দত আকৌ ধৰ্‌মৰ্‌কৈ উঠিবই লগা হ'ল।

মহা মস্কিল।

উঠি আহি দেখো,- বাহিৰত প্ৰিয়ৰঞ্জন মহন্ত আৰু সুন্দৰ কাকতি। অবিকল ৰাধা-কৃষ্ণৰ ফটোখনৰ দৰে যুগলবন্দী হৈ কলিংবে'লটোৰ কাষতে ফিটিং দি আছে।

দুয়োকে আথে-বেথে আনি বহুৱালো। কাগজৰ মানুহ,- সিমানখিনি কৰিবই লাগিব। মুৰত আহিনৰ কুৰ্বলী সানি ইমান দোকমোকালিতে কিয়বা আহিল,- সকামটিও সুধিলো।

- লেখা এটা লাগে। পৰহিলৈ পূজা পালেহিয়েই নহয়।

- এৰাতো! পূজা পালেহিয়েই। লেখা এটা নিলিখিলে কেনেকৈ হ'ব? শৰতৰ বতৰ। কিবাকিবি অলপ নিলিখিলে নিজৰে মনটো বেয়া লাগি থাকিব।

- সম্পাদকে কেতিয়াবাই ক'লে। আমিহে. একচুৰেলি আপোনাৰ টেলিফোন নাম্বাৰটো

হয়। যোৱা ছমাহত আমাৰ টেলিফোন নাম্বাৰটো তিনিবাৰ সলনি হ'ল। বাইজৰ

# ঠেংচুই

মস্কিল হৈছে,- মই গম পাইছোঁ। কিন্তু

কিন্তু উপায় নাই।

অলপ সময় আড্ডা মাৰি দুয়ো গ'লগৈ।

গে'টৰ মুখলৈকে আগবঢাই দি ভিতৰলৈ আহিলো। কাগজ-কলম উলিয়ালো।

ঠিক লিখিম বুলি ভাবিছোঁ,- তেনেকুৱাতে কলিংবে'লটো আকৌ বাজিল। ওলাই গৈ দেখো,- এইবাৰ মহিষাসুৰ। জোতাই-মোজাই, টুপীযে-চছমাই, তেৰোঁ কলিংবে'লটোৰ কাষতেই খাড়া হৈ আছে।

মহিষক দেখি মই অকণমান আচৰিতেই হ'লো।

- তুমি পালাহিয়েইনেকি? পূজালৈ দেখোন এতিয়াও দুদিন বাকী।

মহিষ মোৰ পুৰণি বন্ধু। মই জানো,- মই তাক এই ধৰণে কথা ক'লেও সি একো মাইণ্ড নকৰে। কেতিয়াবা সিও মোক তেনেই চিধাচিধি খাৰাংখাচকৈ কথা কিছুমান কৈ দিযে। মই অকণো বেয়া নাপাওঁ। বেঙাটোৰ দৰে হাঁহি হাঁহি শুনি থাকো।

আমাৰ ঘৰত জোতা-মোজা বাহিৰতে খোলাৰ নিয়ম। গতিকে আগৰ আহি-মেলি থকা পুৰণা ৰেগুলাৰ আলহী হিচাপে ইতিমধ্যেই সি সেইবোৰ খোলা আৰম্ভ কৰি দিছিল। গোন্ধাই থকা মোজা দুপাত জোতাৰ ভিতৰলৈ গুজি-গুজি সি ক'লে,- পূজাৰ মুঠেই দুদিন আগত দেখিয়ে তুমি আচৰিত হ'লা!? ঘৰৰ পৰা ওলাই অহা কমেও আজি মোৰ পোন্ধৰ দিনৰ ওপৰ হ'ল।

- ক'ত আছিলা ইমানদিনে?

- ক'ম নহয় ৰ'বা। পিছে তুমি কি কৰি আছিলা আগতে সেইটো কোৱা। কিবা লিখি-মেলি আছিলানেকি? মই আহি ডিষ্টাৰ্ব কৰা নাইতো?

- ধেৎ। অৱশ্যে পূজা সংখ্যা মেগেজিন এখনলৈ কিবা এটা লেখিম বুলি বহিছিলো, সেইটো ঠিক।

- কি লেখিলাহেঁতেন?

- ক'ব নোৱাৰো। বহিছিলোহে

- তেনেহলে ভালেই হ'ল। এতিয়া মোৰ কথাকে লিখিব পাৰিবা। কেপ্‌ছনটো দিবা,- মংগলছে আয়া মে'ৰা দোস্ত দোস্তক' চা-ল্-লাম্ কৰ'

মুখ-হাতধোৱা, কাপোৰ-কানি সলোৱা, চাহ-জলপান খোৱা ইত্যাদি কামবোৰৰ ফাঁকে-ফাঁকে তাৰ নিজৰ কথাবোৰ সি কৈ গ'ল। পৃথিৱীলৈ হেনো সি পৰহিয়ে আহিল। তাৰ আগতে ইমানদিন আছিল মঙলত।

- মঙলত .!?

মই আচৰিত হ'লো। মঙলৰ লগতনো ইয়াৰ ইমান দোস্তি কেতিয়াৰ পৰা হ'ল... ?

- অঁ মঙলত।

সেইযে আগষ্টৰ ছাব্বিছ তাৰিখতে মঙল গ্ৰহ পৃথিৱী ফুৰিবলৈ আহিছিল,

# ঠেংচুই

সেইদিনাই একেলগতে সিও গুছি আহিল। আহি ইমানদিনে মঙলৰ লগতে থাকি হেঁপাহ পলুৱাই ইটো-সিটো চালে, খালে, ফুৰিলে, ফটো তুলিলে, আৰু শেহত কালি কৰিস্মা কাপুৰৰ বিয়া খাওঁগৈ বুলি সাজি-কাছি ওলাই বম্বে পালেহি

- আচ্ছা, তাৰমানে বিয়াঘৰত তুমিও আছিলা? দেখা নাপালোযে।?

- ক'ত দেখিবা? বাহিৰত যি প্ৰচণ্ড ভিৰ, ওচৰ চাপিবই নোৱাৰিলো। এবাৰ ভাবিছিলো,- জেকী শ্ৰফৰ নিচিনাকৈ মটৰ-চাইকেলতে যাওঁ। কিন্তু ভিৰৰ মাজেৰে সিও নসৰকিল। বা-প্-পাঐ ইম্মানসোপা মানুহ। উঃ

ব্ৰে'কফাষ্ট টেবুলত বহি তাক মঙলৰ কথা সুধিলোঁ।

- কোৱাচোন, মঙলৰ খবৰ কোৱা।

- মঙলৰ খবৰ আৰু কি! মহা ফূৰ্ত্তিত আছে। প্ৰথমবাৰ যেতিয়া তেওঁ পৃথিৱীলৈ আহিছিল,- তেতিয়া তোমালোক লেংটা।

- লেংটা ! আমি ?

- অঁ, লেংটা। নাই যি নাই তলত আণ্ডাৰ্পেণ্ট্‌বোৰো নাই। হাতে হাতে ধনু, কাঁড়, শিলগুটি, কেটেপা । দীঘল দীঘল চুলি, দাড়ি। মস্ত-মস্ত নখ। খাবৰ বাবে ঘাঁহ, বন, গছ, পাত, জন্তুৰ কেঁচা মঙহ

পিছে এইবাৰ পৃথিৱীৰ চেহেৰা দেখি তেওঁ একদম সাংঘাটিক ধৰণে ফিউজ। কি নাই কৰা আধুনিক মানুহে।? এৰ'প্লেনেৰে খুন্দিয়াই এমেৰিকা হেন দেশতে দুটাকৈ এশ-দহমহলীয়া ঘৰ ভাঙি দিছে। একো-একোটা ৰাজকোষ গোটেপাতে খাই হজম কৰি পেলাইছে! ৰাস্তাত গাঁত খান্দি মাছ পুহিছে, বিনাপইচাতে মানুহৰ দাঁত উঘালিছে।

বিদ্যুৎ বচাই টিপচাকি আৰু মমবাতিৰে ঘৰ পোহৰ কৰিছে। অত্যাধুনিক অট্টালিকাত এয়াৰ-কণ্ডিছনাৰ ফিট কৰি লৈ উৰাই-ঘূৰাই বিচনি মাৰি আছে।

সৰ্বশিক্ষাৰ পইচা খাবলৈ খোদ সঞ্চালককে পছ খেদন দিছে

- এইবিলাক দেখি-শুনি মঙল হ'বপায় সেইখিনিৰ পৰা নাতবাই হ'ল। মই গধুলি হ'লেই সদায় আকাশলৈ চাওঁ। একদম ছেইম প্লে'ছ। একেটা জাগাতে দেইলি ট-টকৈ জিলিকি থাকে। এতিয়া কমেও দুমাহ হ'বৰ হ'ল। বাপুকণৰ লৰচৰেই নাই।

- তাকেইতো। এ-ক্-কেবাৰে ফিক্সড় ডিপ'জিট ।

- মানে?

- মানে মঙল বাপু সেইখিনিতে ফিক্সড় ডিপ'জিট হৈ গ'ল! বোধকৰো চাৰি-পাঁচ কঠামান মাটি কিনি, ঘৰ-দুৱাৰ সাজি গৰুৰে-গোহালীয়ে গে'ৰেজে-পাকঘৰে পাৰ্মানেণ্টলি ছেটোলেই হৈ যাবনেকি।

- ৰাও! ষাঠি হেজাৰ বছৰৰ মূৰত আহি এইবাৰ তেওঁ পৃথিৱীৰ প্ৰেমত পৰিল যেনহে লাগিছে।

- সিদিনা মোক কৈছে,- পাৰিলে অসমতে ছোৱালীজনীক মেডিকেলো পঢ়ুৱাব।

# ঠেংছুই

আজিকালি হেনো তোমালোকৰ ইয়াত বায়লজী নাথাকিলেও ছীট পায?

চাহ্-তাহ খাই আমি পিচফালৰ বাৰান্দাত বহিলোঁহি। মই তাক সুধিলো,- ৰ'বাচোন, তুমি বাৰু মঙলৰ পিঠিতেই আহিলা। এতিয়া পিছে বাকীবোৰ কেতিয়া আৰু কিহত আহিব? শুনিছোঁ,- জেঠাইটি হেনো দোলাত আহি অগপত যাব?

- 'অগপত' মানে?

- কেলেই! পাহৰিলা হ'বপায ? আগতে তুমিযেই দেখোন হাতী দেখিলে 'অগপ' বুলি কৈছিলা

- আ হা হা । যেচ। সঁচাকৈযে পাহৰি গৈছিলো। আচলতে কি জানা? ইতিমধ্যে অগপ নামৰ বস্তুটোৱেই মোৰ মগজুৰ পৰা ওলাই গ'ল। ঠিক ওলাই গ'ল বুলি ক'লেও ভুল হ'ব। সিহঁতৰ কাণ্ড-কাৰখানা দেখি অতিষ্ঠ হৈ শব্দটোকেই মে'মৰিৰ পৰা উলিযাই পেলালো।

- এতিযা কোৱাচোন, দুৰ্গা জেঠাইটি সঁচাকৈযে দোলাত আহি

- ধু-ৰ্-ৰ্-ৰ্ । এইবিলাক চব ফক্কৰবাজী কথা। আজিকালি হাতী, ঘোঁড়া, নাওঁ, দোলা এইচবত কোন উঠেহে? প্ল' মছন ভেহিক'লত উঠি অহা-যোৱা কৰাৰ দিন কেতিয়াবাই গ'ল। মানুহৰ ইমান সময়ো নাই। এতিয়া মাউছৰ একেটা ক্লিকত বস্তু উত্তৰ মেৰুৰ পৰা দক্ষিণ মেৰু পহুঁছি যায়।

শুনা, জেঠাইটি আহিব তেণ্ডুলকাৰৰ নতুন ফেৰাৰিখনত। সেইখনতে উভতিও যাব। ইপিনে আক' কাৰ্তিক আহিব কৰিণা কাপুৰৰ লগত। জে'ট এযাৰৱেইজ

মহিষে যিমান যি কথা পাতি নাথাকক, মই এটা বস্তু আৰম্ভনিৰ পৰাই মন কৰি আছিলো। তাৰ মনটো যেন অলপ ডাইভাৰ্টেড হৈ আছে। সি যেন বেলেগ এটা কথাহে পেটে-পেটে ভাবি কিছু অস্থিৰ হৈ পৰিছে।

মোৰ ধাৰণাযে একদম সঠিক, ক্ষন্তেক পিচতেই কথাটো প্ৰমাণ হৈ গ'ল। মহিষে বাথৰুমৰ পৰা আহি সেমেনা-সেমেনিকৈ আৰম্ভ কৰিলে,- দোস্ত, এটা বৰ ডাঙৰ কথা হ'ল নহয়। মানে. আহি পায়ে মোৰ মাথা গৰম কি কৰা যায়

- কি কথা?

- তুমিতো পানী-দুনী বৰ এটা নধৰাই। মই যিমান দূৰ জানো,- বছৰত মাত্ৰ এদিন। হেমেন বৰুৱাৰ পাৰ্টিত। হৰ্ষ-ৰে'ছৰ আগে-আগে। হযনে বাৰু কথাটো?

- হয়।

- কিন্তু আমাৰ কি হ'ব এতিয়া? কোৱাচোন।

- মানে?

- মানে তুমিতো জানাই আৰু। আমাক অকণমান নহ'লেই নহয়। পুৱা-গধুলি ডিঙিটো তাৰেই তিয়াওঁ।

- তিয়াবা আক'। মই মানা কৰিছোঁনেকি?

# ঠেংচুই

- নহযহে  সমস্যাটো বেলেগ। পূজাৰ আগে-আগে নগদ দুটাকৈ দিন,- শুকান দিন। মানে ড্ৰাই-ডে'। ত্ৰিছ চেপ্তেম্বৰ আৰু এক অক্তোবৰ। দুই তাৰিখে সপ্তমী। আৰু এবাৰ সপ্তমী হ'ল কি নহ'ল,- পূজা শেষেই। ফুৰ্ত্তি কৰিবলৈ মাজত সময়েই নাথাকিল।

- কিয় ?

- আৰে, মালকণহে আচল বস্তু। দুটাকৈ শুকান দিন আগত লৈ এইবাৰ পূজা কি জমিব? ডিঙিটোৱেই যদি শুকাই শুকাই যায়, পূজাৰ দিনত ৰস-পমবোৰ ক'ৰ পৰা আহিব? তুমি কথাটো এবাৰ ভাবি চোৱাচোন।

মহিষৰ কথা শুনি মই সঁচাকৈয়ে চিন্তাত পৰি গ'লো। হয়তো,- যিকোনো এটা উৎসৱ বুলিলেই ল'ৰাৰ পৰা বুঢ়ালৈকে প্ৰথম বস্তু,- বটলটো। আজিকালি হেনো ছোৱালীযেও ধৰে। সৰস্বতী, বিশ্বকৰ্মা, বিহু, ফাকুৱা, দেৱালী  একো ৰেহাই নাপায়। অকে'জন যিয়েই নহওক, এটুপি ধৰিবই লাগিব। তেনেস্থলত দুৰ্গাপূজাৰ দৰে মেইন ফেষ্টিভেলটোত দুটাকৈ শুকান দিন।? এইটোতো সঁচাকৈয়ে মহা বিড়ম্বনাৰ কথা হ'ব  .

- হে'ৰা  নহয নহয  একো বিড়ম্বনা নহয়। বৰ ভাল খবৰ। - শ্ৰীমতীয়ে জপনা-মুখৰ পৰাই চিঞৰিলে। ইতিমধ্যে হকাৰে কাগজবোৰ দি গৈছিল। তাৰে এখনত বৰ বৰ হৰফৰে এটা প্ৰকাণ্ড খবৰ,- ড্ৰাই-ডে' উঠাই দিয়া হৈছে। ভগৱন্ত পুৰুষে যদি চকু মেলি চায়, তেন্তে কেৱল এই দুদিনৰ বাবেই নহয়, হয়তো পাৰ্মানেণ্টলিয়ে উঠি যাব। হাই লেভেলত টপিক্‌টো লৈ জল্পনা-কল্পনা চলি আছে.

সুদূৰ আমেৰিকাৰ পৰা আমাৰ মুখ্যমন্ত্ৰীয়ে হুকুম দিছে,- পূজাৰ দিনত ৱাইন শ্বপ বন্ধ কৰি ৰাইজক মালানন্দৰ পৰা যেন বঞ্চিত কৰা নহয়। পূজাতেই মাল নাখালে আৰু কেতিয়া খাব? শুকান দিন বুলি এতিয়া আৰু কোনো দিন নাই। প্ৰতিটো দিনেই ৰসাল দিন।  সুখৰ দিন, আনন্দৰ দিন।

ৰাতিপুৱা শুই উঠাৰ পৰাই লাগি যোৱা। আকৌ ৰাতি শুই নপৰালৈকে  !

হেঁপাহ পলুৱাই মদিৰা পান কৰা।

সকলোটিয়ে। ল'ৰা-বুঢ়া নিৰ্বিশেষে। মদিৰাত ডুব গৈ শুকান পৃথিৱীখনক এটা ৰসাল তৰমূজৰ দৰে জীপাল কৰি তোলা  .

বাতৰিটো পায়েই নগদ তেত্ৰিছটা সোলা দাঁত বাহিৰলৈ উলিয়াই মহিষাসুৰে ঘৎ ঘৎকৈ হাঁহিবলৈ ধৰিলে। তাৰ আনন্দ ফুলাই পাছিয়ে নধৰা হ'ল। দুপৰীয়া এঘাৰটামানলৈকে সি নন-ষ্টপ হাঁহিয়েই থাকিল।

# কা
# হঁ
# গাওৱা

ঘটিৰাম-বাতিৰাম টাইপৰ নৰ্মেল লাইফ এটা হোৱা হ'লে মানুহজনে মাজনিশালৈকে টোপনি খতি নকৰিলেহেঁতেন। জপং জপং বৰশী বাই এনেকৈ বোন্দাপৰ দি বহিও নাথাকিলেহেঁতেন। পু-ৰ-ৰা দহ বজাতে আঠুৰাখন তৰি,- বচ 'মজাৰচে' লেপৰ তলত ।

পিছে কি হ'ব আৰু,- এইটো জনমত তেওঁৰ কপালত সেইকণ সুখ বিধাতাই একদম টোটেলি নিলিখিলেই!

লাইফটো কেৱল কাম, কাম আৰু কামতেই গ'ল।

কণা গোঁসায়ে তেওঁক ফিটিং কৰিলে ঘটিৰামহঁতৰ প্ৰায় পঞ্চাছ মাইলমান ওপৰৰ সাংঘাতিক ওখ লেভেল এটাত। তেওঁ হ'বগৈ লগা হ'ল এখন ৰাজ্যৰ হৰ্ত্তা, কৰ্তা, স্বৰ্গদেউ, বিধাতা, মাইবাপ। টুৱেণ্টি ফ'ৰ আৱাৰ্চ গোটেই দেশখন নজৰত ৰখা, নিতৌ হাজাৰ-বিজাৰ সমস্যা সমাধান কৰি মিচিক-মিচিক হাঁহি থকা, মেল-মিটিং গোৱা, নিজৰে দেশত মিটিং কৰিবলৈ গৈ বিহাৰীৰ খেদাত প্ৰাণ লৈ পলোৱা, অসমীয়া বাদ দি হিন্দীত ভাষণ দিয়া, বৰহোলাত গৈ ন খোৱা, হেলিকপ্টাৰত উঠি বানপানী চোৱা, গল্ফ খেলা, দিল্লী-দিচপুৰৰ মাজত নন্‌-ষ্টপ মাকো মাৰি থকা,- বাপ্পা ঐ কিমানবিলাকযে কাম। এ'ভাৰ-বিজি লাইফ্‌টোত কেতিয়াবা খাব-শুবলৈকো সময় নহয়গৈ

এইবিলাকেই আটিছিল, তাৰ ওপৰতে আজিকালি আকৌ মাজনিশাও টেলিফোন। সাৰে নাথাকিলেই নহয়। ফোন কৰাবোৰ চব ডাঙৰ ডাঙৰ মানুহ। মেডাম চোনিয়াজী, মেডাম কিড্‌ৱাইজী, কমলজী, আদবানিজী, বাজপেয়ীজী

সপোন, টোপনি, বিচনা, লেপ, আৰাম,- সকলো বাদ দি এক্কে দৌৰে গৈ ৰিছিভাৰ দাঙিব লগা হয়। সিপিনে বামুণেই মৰক, বা লগুণেই ছিগক।

মাজতে আক' দুদিনমান লণ্ডিল,- লালুবা। এঘাৰ বজাৰ পিচত ফোনটো বাজিলেই তৰুণদাৰ হাহাকাৰ লাগি যায়। আকৌ বা ক'ত কি হ'ল। যদি কেনেবাকৈ বিহাৰী

মৰিল,- সৰ্বনাশ। লালুৱে কলিজা খাই দিব

ক'ৰবাত অকণমান কিবা এটা হ'লেই প্ৰথমতে লালুৱেহে গম পায়। ইমান গৰমে-গৰমে লালুৱাক কোন চোৰাংচোৱাই খবৰবোৰ দিয়ে,- ভাবি-ভাবি তৰুণদাৰ টেমা গৰম। বাপুকণৰ নে'টৱৰ্ক বিবিচি চিএনএন, আনকি চব্‌চে তে'জ আজ-তকতকৈও একোৱ চৰা। অসম মুলুকৰ নিচিনা হ'প্‌লে'চ বেক্‌ৱাৰ্ড জংগলৰ চুক এটাত কোনোবা অখ্যাত বিহাৰী এটা মৰিল লালুৱে গম পালেই! তৰুণদাৰ ইমান এটা শক্তিশালী, বিযাগোম জন-সংযোগ বাহিনী ক'ৰবাতে থাকিল। চোৰাংচোৱা, ফেক্স, টেলিফোন, পুলিছ, সাংবাদিক,- সেইবিলাকৰো কাম নোহোৱা হ'ল। খবৰ আহে লালুৰ পৰাহে! ধেৎ...

এব্‌চ'লুট্‌লি দিচ্‌গাষ্টিং।

'মেইন কালপ্ৰিট ..' কোনোবাই আহি কৈছে,- 'আপোনাৰ সেই ত্ৰিনিচুকীযাৰ এচ্‌পি। ছিং । যিমান যি গৰম খবৰ থাকে, চব চি-ই-ধা লালুক দি দিয়ে।'

হ'বও পাৰে। কিন্তু উপায় নাই। সেইবিলাক দিল্লীৰ খাচ মানুহ। হাত দিলে নিজৰে বিপদ।

চাৰে-এঘাৰটামানত দীঘলকৈ হামি এটা মাৰি তৰুণদাই সতৃষ্ণ নয়ণেৰে লেপখনৰ ফালে চায়। তেনেকুৱাতেহে আক' ফোনটো বাজে।

- কা হ' গগুৱা খবৰ কইচন হে? মানে কি খবৰ তোমাৰ? ফুট গধুলিতে শুলাই নেকি তুমি?

- নাই নাই নাই শোৱা। এতিযাও এয়া কামকেই কৰি আছোঁ।

- কৰা। খুব কৰা। পিছে তোমাৰ বঙ্গপ্ৰদেশত বিহাৰী মৰাটো বন্ধ হৈছেনে নাই?

- এঃ লালুৱাজী, সেইবোৰ কেতিয়াবাই বন্ধ হ'ল। মনত পেলাইনো আৰু লাজ দিয়ে কিয়?

আন কোনোবা এৰাতি ফোন বাজোতে আমাৰ ককাইদেউৰ মুড্‌ খুবেই ভাল। গতিকে দিলে এগালমান ফৰ্‌ফৰ্‌কৈ কৈ। . কা হ ববুৱা তোহাৰ কইচন হে? উ ৰাব্‌ৰীমা আচ্ছা হে না দুধুৱা খীৰাইকে হমাৰী আছামুৱা অভী একদম ছাণ্ট। ফিৰচে কয়ী বিহাৰী না মৰি

লালুৱে দেখিলে,- কথা বিষম। মাজনিশা শুই থকাৰ পৰা জগাই ৰাব্‌ৰীক ক'লে,- গগুৱালৈ আৰু ফোন নকৰো বুইছা, নিজেই আছাম গৈ আহোঁ, মজাৰ পলিটিক্স হ'ব। আমাৰ বিহাৰীখিনিৰ মাজত তোমাৰে-মোৰে পপুলাৰিটিটোও বাঢ়িব। কোনে জানে,-হয়তো শান্তিৰ নবেল-তবেলো পাই যাব পাৰো।

কথামতেই কাম। লগত এদ'ম বডীগাৰ্ড লৈ লিচদিনাই বাপুকণ,- উইথ

# ঠেঁংচুই

সৌশৰীৰ,- গুৱাহাটীত হাজিৰ।

লালুৱাক চাবলৈ গোটেই চহৰতে ৰাস্তাত বহুত মানুহ জমা হ'ল। কাণ্ড দেখি তৰুণদাৰ অৱস্থা কাহিল। মানুহটোৱে ক'ত কি কৈ দিয়ে একো ঠিক নাই। বিহাৰী পিটাৰ সমস্ত দোষ যদি কেনেবাকৈ 'গগুৱা'ৰ মূৰতে জাপি দিয়ে,- খেলা খটম! পিছে হিমন্ত ৰেকিবুলে আহি ক'লে,- চিন্তা নকৰিব ছাৰ, আমি দুটা টুৱেণ্টি ফ'ৰ আৱাৰ্চ ছাঁটোৰ দৰে লাগি থাকিম। আৰু আপুনিও ছাৰ পপট্‌টোক ঘৰলৈকে মাতি আনি খুব বঢ়িয়াকৈ খানা-চানা খুৱাই তেল মাৰি থাকক

সেইটোৱেই হ'ল। এপিনে হিমন্ত ৰেকিবুলে পূৰাদমে ফিটিং দি দিলে, আনপিনে দুই ডজন ব্যঞ্জনেৰে ভোজ-ভাত খাই লালুৱা একদম খুচ। ভাতৰ পাততে তৰুণদাক ক'লে,- পহলে উ পৰফুলোৱা হমাৰা দোস্ত ভৈল। কিঁউকে ৰভী এল'চি খাযা, আউৰ হমনেভী। লেকিন ৱ জে'ল নহী গযা। ইচলিযে হমকো বহুত গুচ্ছা আযা। অব আপনে ইতনা আচ্ছা খিলাযা, পিলাযা। মগেম্ব খুচ হ' গযা। পটনা জৰুৰ আইযেগা

লালুৱে তৰুণদাক এবাৰ পাটনালৈ অহাৰ কথা ক'লে। - আহা তুমিও এবাৰ। তাত ভাল-ভাল হাড়ৰ ডাক্তৰবোৰ আছে। এইযে মেৰুদণ্ড নাই বুলি মহন্তটোৱে গাই-বাই ফুৰিছে,- মোৰ মুঠেও বিশ্বাস হোৱা নাই। ডাক্তৰে সেইডাল জৰুৰ বিচাৰি উলিয়াব। মহন্তযে মিছলীযা, তেতিয়া সেইটোও প্ৰমাণ হ'ব

ভাতৰ পাততে লালুৱাৰ আৰু এটা কথা মনত পৰিল। - এক বাত পুছোঁ গগুৱা ?

- হাঁ, পুছিয়ে।

- যে য' বিহাৰকে লোগণ যহাচে গয়ে এইযে আমাৰ বিহাৰী মানুহবোৰ ইয়াৰ পৰা গ'লগৈ সিইঁতে এৰি যোৱা খালী জেগাবোৰ এতিয়া অসমীযাই পূৰাইছেনে নাই পিছে?

সাংঘাটিক প্ৰশ্ন। লালুৱাই এনেকুৱা কথা এটা সুধি দিব বুলি কোনেও ভবাই নাছিল।

গগুৱাই ইম্মিডিয়েৎ টেলিফোন উঠালে। ৰিং বাজিলগৈ জ্যোতি ৰাজখোৱাৰ ঘৰত। - হেৰি নহয় ৰাজখোৱা, লালুৱে সুধিছে,- আমাৰ ল'ৰাইঁতে বাৰু ঠেলা চলোৱা, কাপোৰ ধোৱা, লণ্ড্ৰী খোলা, চেলুন খোলা, চুলি কটা, জোতা চিলোৱা আদি কামবোৰ চুৰু কৰিছেনে? আপুনি কিবা জানেনেকি ?

প্ৰশ্নটোৰ উত্তৰ ৰাজখোৱায়ো ফটকৈ দি দিব নোৱাৰিলে। - ছাৰ মই এন্‌কোৱাৰি এটা কৰিব লাগিব। তেহে ক'ব পাৰিম।

# ঠেংচুই

- কৰকচোন। খবৰটো মোক লাগেই...

ৰাজখোৱাৰো আজিকালি বহুত সমস্যা। আগৰ নিচিনাকৈ ফ্ৰীলি ঘূৰিব নোৱাৰা হ'ল। লগত ছিকিউৰিটি থাকে। মানে থকাটো এটা নিয়ম। সিদিনা যোৰহাটলৈ আহিছিল। উন্নয়ণ ভৱনৰ সমুখত পুলিচ, ন' এণ্ট্ৰি, ট্ৰেফিক জাম। চিনাকি ডাক্তৰ এজনে গাড়ীৰ ভিতৰৰ পৰাই ক'লে,- এ' নকৰা আৰু, আধা ঘন্টাৰ ওপৰ বহি আছোঁ। চীফ ছেক্ৰেটৈৰি।'

মই অবাক হ'লো। জ্যোতি ৰাজখোৱাৰ বাবে শান্তাত মানুহ ফচিব লগা অৱস্থা।? তাকো যোৰহাটত

অৱশ্যে উপায় নাই। এই চাকৰিবোৰেই তেনেকুৱা।

ছিকিউৰিটিক নজনোৱাকৈ সাধাৰণ কাপোৰ এযোৰ পিন্ধি ৰাজখোৱা মনে-মনে ৰাস্তালৈ ওলাই আহিল।

একে সময়তে সিপিনে লালুও গুৱাহাটী ফুৰিবলৈ ওলাল। ৰাস্তা পায়েই তেওঁ নিজৰ ভাওনা আৰম্ভ কৰি দিলে। আলিবাটত চালি ধৰি অসমীয়া বিহাৰী যাকে য'তে পালে গবা মাৰি-মাৰি ধৰিলে। 'অসমীয়া-বিহাৰী ভাই-ভাই' শ্ল'গান দিলে। কেইবাবাৰো অ'ত-ত'ত ঘোৰাৰ পিচতো এঠাইত এখন চেলুনৰ সমুখত এজাক ডেকা ল'ৰা দেখি লালুৰা আকৌ বৈ গ'ল।

লালুৱে ভাবিছিল,- ধোবা, নাপিত, ঠেলাৱালা, মুচি টাইপৰ মানুহবোৰ গুচি যোৱাৰ পিচত লোকেল দাদা-বাইদেউহঁতে পূৰাদমে সিহঁতৰ কামবোৰত লাগি গৈছে। পিছে তেওঁ ভিতৰলৈ জুপি চাই দেখিলে,- দৃশ্য সেই আগৰটোৱেই। বিহাৰী নাপিতে কিচিক কিচিক চুলি কাটিছে আৰু লোকেল দাদা এজনে মহা আৰাম পাই চকু মুদি আছে....

লালুৱে বাহিৰত এজ ইউজুৱেল ল'ৰাখিনিক গবা মাৰি ধৰিলে। শ্ল'গান-ত'গান দিলে। ইতিমধ্যে সিপিনৰ পৰা ৰাজখোৱাও আহি তাতে উপস্থিত হ'ল।

- হেৰি নহয়. বিহাৰীৰ চেলুনবোৰ আপোনালোকে কেপ্চাৰ নিদিলেনেকি? - ৰাজখোৱাই সুধিলে।

- চেলুন কেপ্চাৰ .!? কিয়. ?

- উৱা, ইমান এটা সুন্দৰ সুযোগ. .বিহাৰীবোৰ পলাই গুচি গৈছে.... দোকানবিলাক খালী হৈ পৰি আছে.... আগতে চান্স নাপাইছিল,- কথাটো বেলেগ আছিল। এতিয়া সিহঁত নথকাৰ সুযোগতে....

- কি কৰিব লাগিছিল? আমি কি বিহাৰী নাপিতৰ দৰে চেলুনত চুলি কাটিম।? ঠেলাগাড়ী চলাম? বস্তা কঢ়িয়াম.. ?

- অঁহো। চুলি কাটিব, কাপোৰ ধুব, জোতা চিলাব, ঠেলা চলাব, বস্তা কঢ়িয়াব।

কি ডাঙৰ কথাটো? তেতিয়া বিহাৰীৰ অভাৱ অসমত কোনেও ফিলেই নকৰিব। সেইবোৰ কৰি লগতে নিজেও স্বাৱলম্বী হ'ব। পইচা ঘটিব। সেইযে অসম আন্দোলনৰ সময়ত ল'ৰা-ছোৱালীবিলাক স্বাৱলম্বী হৈছিল জোতা মচিছিল, জবৰদস্তি গাড়ী ধুই দিছিল, পাহৰিলে? কাগজত ফটো-চটো ওলাই গৈছিল। এতিয়াও ওলাব .

- হে-ই-ৰি আপুনি কি বুলি ভাবিছেহে আমাক? কৰিবলৈ আমাৰ আৰু বেলেগ কাম নাই? ইমান ফাল্টু মানুহ নহয়, বুইছে। আ-ব্-বে অসমীয়া হয় কে-এ-ল্-লা

- কেলেই, লাচিতৰ দিনৰ অসমীয়াই দেখোন একেধাৰে সকলোবোৰ কামেই কৰিছিল।

- লাচিত! কোন লাচিত? আমি কোনো লাচিত ফাচিত চিনি নাপাওঁ। আমি নতুন যুগৰ নতুন আছামীজ। আমি চিনি পাওঁ দীন'মৰিয়া, জন্আব্রাহাম, বিপাছা, কাট্রিণা

- ঠিক আছে। হ'ব বাৰু। পিছে বিহাৰী পিটিলেনে নাই?

- কিয় নিপিটিম। সেইটো আৰু সোধা কথানেকি? সমুখত যিকেইটা মক্কেল পালো,- উৰাই দিলো

- কেনেকুৱাবোৰক পিটিলে? মুচি, নাপিত, ঠেলাৱালা

- আৰে, বিহাৰী মানেতো সেইবোৰেই। বেলেগ আৰু কাক পিটিম?

- আছে নহয় কিছুমান ৰাজিন্দৰ টাইপ, সেই তিনিচুকীয়াৰ এমেলে'টো আনক উচটাই জোল খোৱা নেতা, এমে'লে, অফিছাৰ, মিনিষ্টাৰ

- ধেৎ তেৰি সেইবিলাক হৈছে ডাঙৰ-ডাঙৰ মানুহ। সিহঁতক পিটিব পাৰিনেকি! বডীগাৰ্ড, পাৱাৰ, ছিকিউৰিটি . কি নাই সিহঁতৰ? একদম থেতেলি নেপেলাব আমাক !!

ৰাজখোৱাই ভাবিলে,- হ'ব আৰু, ইমানেই যথেষ্ট। গগুৱাক ৰিপ'ৰ্টটো দি দিওঁগৈ। তাতে যদি লালুৱা থাকে,- ভালেই। তেওঁৰো ৰিয়েক্চন্টো চাব পৰা হ'ব।

# লেডী নাম্বাৰ ৱান

প্ৰতি বছৰেই কামাখ্যাত এটা সাংঘাটিক ভিৰ হয়। কিন্তু বিশ্বৰ্টমতে এইবাৰেই হেনো মেক্সিমাম মানুহ। কামাখ্যাৰ ইতিহাসত এনেকুৱা কাহানিও হোৱা নাই। লোকেল, চালানি, বিলাতী চাহাব, মেম, ইণ্ডিয়ান, বাংলাদেশী,- চব মিলাই কেইবালাখো।

শিলপুখুৰীৰ এখন বিখ্যাত ৰেষ্টোৰাৰ মালিকে খবৰ দিলে,- কেইবাজোৰাও ৰোমিঅ'-জুলিয়েটে তাত গৈ ঠাইৰ অভাৱত মটৰ-চাইকেলেই পাৰ্ক কৰিব নোৱাৰিলে। নিজে পাৰ্ক হোৱাটো দূৰৰ কথা।

লগে-লগেই ছাইবাৰ কাফেত তমোময় আড্ডা। কি হৈছে অ' কামাখ্যাত? মেলা, ফকীৰ, ফৰেইনাৰ, পুলিছ, মিলিটেৰি . বিৰাট কাৰবাৰ দেখোন।

— আৰে বাবা, সেইটোৱেইতো অম্বুবাচী।

— অম্বুবাচী ? হোৱাট্'ছ ডেট্ !?

— ইট্'ছ এ' গ্ৰে'ট ছায়েণ্টিফিক ডিছ্‌ক'ভাৰী। আমাৰযে এই প্লেনেট্‌টো আই মিন্ ডা আৰ্থ . দিছ ইজ্ ন' ম'ৰ্ এ' গ্ৰহ। কথাটো একদম প্ৰমাণ হৈ গৈছে। আনকি ই এটা নক্ষত্ৰ বা উপগ্ৰহো নহয় .

— হাউ ষ্ট্ৰে'ঞ্জ! তেনেহ'লে কি?

— এগৰাকী ভদ্ৰমহিলা।

— ভদ্ৰমহিলা? ইউ মিন এ' লেডী??

— অ' য়েছ। তাকো আক' পূৰ্ণযৌৱনা। যাৰ ডেফিনিট্‌লি এটা ইউটেৰাছ আছে, অ'ভেৰি আছে, ইষ্ট্ৰজেন-প্ৰজেষ্টেৰণ আছে, যাৰ ৰেগুলাৰ্‌লি মেন্‌ছ হৈ থাকে..

ল'ৰা-ছোৱালীহঁতে এক চেকেণ্ডো নষ্ট'লেই। চি-ই-খা অসম বিজ্ঞান অকাডেমিৰ কম্পিউটাৰত গৈ ইম্মিডিয়েট্ এটা ৱে'বছাইটেই খুলি পেলালে। অম্বুবাচী ডট্ কম্।

'অগ্ৰাজাল' পোটেই পৃথিৱীতে হুলস্থুল লাগিল। নাছা, নেছনেল জিয়গ্ৰাফিক,

# ঠেংচুই

ডিছ্‌কভাৰী ছেনেল আদি একপ্ৰকাৰ বলীয়া হোৱাদিয়ে হৈ গ'ল। অত্যাধুনিক যন্ত্ৰপাতি, কেমেৰা, আল্ট্ৰাছাউণ্ড ছনগ্ৰাফী আদি লৈ প্ৰত্যেকৰে ৰিছাৰ্চ্চ টীম দুদিনতে আহি কামাখ্যাত হাজিৰ।

তেওঁলোকে আহি দেখিলে,- আগৰ ভগা-ছিগা, আন্ধাৰ-মুন্ধাৰ অসম আৰু নাই। ছায়েণ্টিফিকেলি গোটেইখন সাংঘাটিক ডেভেলপ্‌ড। ইণ্টাৰ্‌নে'ট, মডেম, ই-মেইল, মাইক্ৰছফ্‌ট, পাৱাৰপইণ্ট, পাছৱৰ্ড আদি শব্দ মানুহৰ মুখত আঁখৈ ফুটাদি ফুটিব লাগিছে। যেনি-তেনি মাউছৰ ক্লিক্‌। হাতে-হাতে ম'বাইল। হাই-পাৱাৰ ইণ্টাৰকাম, ফ্লেট টিভি, ছিডি-ৰম্‌ ড্ৰাইভ। স্পীকাৰত উফাৰ। আলিবাটত লানি-নিছিগা নতুন মডেলৰ গাড়ী। একেই লানি-নিছিগা শাৰী-শাৰী ৱাইন-শ্বপত গোটেই দুনীয়াৰ ফুৰ্ত্তিপানী। হাত মেলিলেই সকলো এভেইলেব্‌ল। গতিকে গ্ল'বেল ষ্টেন্দাৰ্দত এওঁলোকে কিবা এটা সাংঘাটিক আৱিস্কাৰ কৰিব নোৱাৰাৰ কোনো মানেই নাই।

ৰিছাৰ্চ্চ টীমবোৰে প্ৰথমেই বিজ্ঞান অকাডেমীৰ ৱে'ব্‌ছাইট খুলি প্ৰিলিমিনেৰি ইন্‌ফৰ্‌মেশ্যন বিচৰাত লাগিল। আচল কথাটো কি?

ছিম্প্‌ল। আমাৰ মাটিৰ তলৰ পৃথিৱীখনক আমি এগৰাকী নাৰী বুলি ভাবো। এনেই অৰ্ডিনেৰি যিবোৰ মাইকী-মানুহ, বা ছোৱালী,- বীণা-মামনি, লাহৰী-পাপৰী, সৰুমাই-ভনীমাই, ৰিংকি-পিংকি তেওঁলোকৰ মাহে মাহে মেন্‌চ হয়। কিন্তু এইযে বিগ্‌ বছ মিচ বসুন্ধৰী দেখিছেই নহয়,- অলপ বেলেগ ছাইজ্‌টোও ডাঙৰ.. গতিকে বছৰত মাত্ৰ এবাৰ। আৰু সেইটোৱেই হৈছে স্বনামধন্য অম্বুবাচী।

অ'কে, দেট্‌চ অল্‌ৰাইট। কিন্তু কামাখ্যা পাহাৰটোত কি হৈছিল?

এগৰাকী দেৱীৰ কিবা ৰিপ্ৰডাক্টিভ অৰ্গেন শৰীৰৰ কোনো এক অংশ ইয়াতে সৰি পৰিছিল। আকাশৰ পৰা।

এইযে আমি ইমানদিনে ভাবি আছিলো,- আমাৰ পৃথিৱীখন নটা গ্ৰহৰে এটা অন্যতম গ্ৰহ, সূৰ্য্যৰ পৰা চিটিকি অহা জ্বলন্ত অগ্নিপিণ্ড, এটা নিৰ্দ্দিষ্ট কক্ষপথত ই ঘূৰে শিলৰ স্তৰ, মাটি, পানী, বোকা অ'এন্‌জিচিৰ তেল, গেছ... কণ্টিনেণ্টেল ড্ৰিফ্‌ট... মুভিং প্লে'ট্‌বিলাক.

ন'। সেই আটাইবোৰ ধাৰণাই ভুল। তেনে সমস্ত থিয়ৰি এতিয়া অব্‌ছ'লেট্‌।

আকৌ এইযে ভিতৰৰ প্ৰচণ্ড উত্তাপ, উদ্‌গীৰণ, জ্বালামুখী .. লাভা...

লাভাবোৰক এম্‌নিয়টিক ফ্লুইড্‌ বুলি ধৰিব পাৰা। ঠিক তেনেকৈ গৰমপানীৰ উঁহ, আইচ্‌লেণ্ড, আমেৰিকা বা নিউজিলেণ্ডৰ গীজাৰবিলাক নাথিং বাট্‌ ছাব্‌ভাইকেল্‌

ডিচ্চাৰ্জ। বা লিউক'ৰিয়া।

ছাট্-হাউছত অগণন প্ৰশ্ন। জাৰ্মেনীৰ পৰা কোনোবাই সুধিছে,- অন্ধবিশ্বাস নহয়তো?

নামুম্‌কিন। এক পাৰ্চেণ্টো অন্ধ নহয়। পূৰাপূৰি ছিক্স-বাই-ছিক্স দৃষ্টিশক্তিৰ এটা মজবুত আৰু প্ৰতিষ্ঠিত সত্য। অফিছিয়েলিও ৰিকগ্‌নাইজ্‌ড। মেন্‌ছ শেষ হ'বৰ দিনা কাপোৰ-কানি ধুবলৈ চৰকাৰে বন্ধ পৰ্য্যন্ত দিয়ে।

হোৱাট্ ইজ্ ষাঠ?

মিন্‌ছ ড্য পিৰিয়ড। এইখিনি সময়ত আপোনালোকে জানেই নাৰীৰ কণ্ডিশ্যান খুবেই নাজুক. আই মিন্ ডেলিকেট হৈ পৰে, গতিকে মানুহে যিমান পাৰে কষ্ট নিদিয়াকৈ থাকে। যেনে খেতিয়কে পথাৰত হাল নাবায়। ট্ৰেক্টৰ নচলায়। কোৰ নামাৰে। পঞ্জিকাত হাল-খতি মেন্‌শ্যন্ কৰা থাকে। ভাল ঘৰৰ লিখা-পঢ়া কৰা, জনা-বুজা মানুহেও ৰিলিজিয়াছ্‌লি ষাঠ পালন কৰে। ইভ্‌ণ্ ছায়েন্টিষ্টে মাকলৈ ফল-মূল কিনি নিয়ে।

ফল-মূল কিয়?

ৰিছাৰ্চ্চ চলি আছে। কাৰণটো এতিয়াও ক্লিয়েৰ হোৱা নাই। কিন্তু ষাঠত বিধবা নাৰীয়ে বহুত কিবাকিবি নাখায়। গেষ্ট্ৰিক, ডায়েবেটিছ, গেছৰ সমস্যা যিয়েই নাথাকক কিয় তেওঁলোকে ষাঠ পালন কৰেই। নাপালিলে আনেও বেয়া বোলে।

ইণ্টাৰেষ্টিং। আৰু কোনে কি কৰে?

প্ৰশ্নটো শুনি মোৰ চাংকৈ গোঁহাইলৈ মনত পৰিল। মানুহজনে ঘৰটো বৰ ধুনীয়াকৈ ৰাখে। সুন্দৰ লন। মনোমোহা ফুলনি। নানা ৰঙৰ ফুল। পিছে সিদিনা গৈ দেখিলো,- সদায়ে মিহি হৈ থকা লনখনৰ ঘাঁহ আৰু কাষৰ হে'জবোৰ কিবা অসমান, খেলিমেলি, জংকপংক। গোঁহায়ে ক'লে,- ষাঠটো ভাগক। দেওবাৰেহে কটাম আৰু। এইকেদিন দা-কটাৰি লগাব নাপায়। লন্-মৱাৰো মাৰিব নোৱাৰি।

গাৱঁৰ পিনেও একেই ছেলিব্ৰেশ্যন। সমানেই উৎসাহ। এঘৰত জেওৰা ভাঙি গৰু সোমাল। শাকে-পাতে, ফুলে-দেৱদাৰুৱে গোটেইখন খাই তহিলং কৰিলে। গৃহস্থ নিৰ্বিকাৰ। বাৰীতে বাঁহো আছে, অথচ জেওৰা মেৰামতিৰ নাম-গোন্ধ নাই। সুধিলো,- কথাটো কি? কথা আৰু কি হ'ব,-অম্বুবাচীৰ কেইদিন বাঁহ কটা নিষেধ।

খবৰবোৰ লৈয়ে আটাইকেউটা ৰিছাৰ্চ্চ টীমে এক মুহূৰ্তও বিলম্ব নকৰাকৈ কঁকালত টঙালি বান্ধিলে। - অ'কে ফ্ৰে'গুছ, আচলখিনি আৱিষ্কাৰ হৈছেই। বাকী অলপমান গৱেষণা আমিও কৰা দৰকাৰ। এটা গ্ৰ'কেল আৰু সুদূৰ-প্ৰসাৰী উদ্দেশ্য লৈ আহক,- এলানি

ইন্‌ভেষ্টিগেশ্যন কৰোঁ। যেনে ছনগ্ৰাফী। ল'ৱাৰ এব্‌ডমেন, পেল্‌ভিছ, ঘাইকৈ ইউটেৰাছ আৰু অ'ভেৰি দুটা

সেইটোহে অকণমান মস্কিল। এইযে ব্লাডাৰ ফুল্ নোহোৱালৈকে গিলাছে গিলাছে পানী খাই থাকিব লাগে বি-ৰ্-ৰাট অশান্তি। পেচেণ্টে বৰ টান পায়। এবাৰ এগৰাকীয়ে ধৰি ৰাখিবই নোবাৰিলে। পেটিত হাত থোৱাৰ লগে-লগেই বিচনা উটি গ'ল। আই বসুন্ধৰাৰ ক্ষেত্ৰত যদি তেনেকুৱা কিবা এটা হ'ব লাগিল, গোটেই ব্ৰহ্মাণ্ড নহ'লেও অন্ততঃ গুৱাহাটী পানীত ডুব যাব। তাতেই আহাৰ মাহ, বাৰিষা, কাষত ব্ৰহ্মপুত্ৰ

এঃ ৰ'বা, গুৱাহাটী সদায়ে পানীৰ তলত। পৌৰসভাই চাব্‌মেৰিন মগাইছেই। তাতে যেনিবা আৰু অলপ পানী যোগ হ'ল কিনো সমস্যাটো হ'ব?

তেনেহলে অ'কে। ছনগ্ৰাফীত যদিহে ফাইব্ৰইড বা কোনোধৰণৰ টিউমাৰ আদি নোলায, ফেলপিযান টিউবো ঠিকেই থাকে, অ'ভেৰি নৰ্মেল তেন্তে হয়তো আই বসুমতীয়ে কন্‌ছিভ্ কৰিবও পাৰে।

কন্‌ছিভ্?! ইউ মিন বসুন্ধৰীৰ গৰ্ভধাৰণ??

য়া। একজেক্টলি। নিযমীযাকৈ তেওঁৰ মেন্‌ছ হৈ আছে, মেন'পজৰ কোনো লক্ষণ নাই পৃথিবীয়ে কিয় কন্‌ছিভ নকৰিব? তাৰ পাছত ভাবাচোন। কিমান প্ৰব্লেম ছ'ল্‌ভ্‌ড! কেৱল ইণ্ডিয়াতেই এশ কোটি মানুহ। তাৰে আধাও যদি গুছি যায় । তাত গৈ আমি ঘৰ সাজিম, থাকিম। নতুন নতুন গৱেষণা কৰিম। জেনেৰেশ্যন নেক্সটে পুৰা-গধুলি কিতাপত পঢ়িব,- বৃহস্পতিৰ ঔৰসত বসুন্ধৰীৰ গৰ্ভত . অমুক দিনা অমুকৰ জন্ম হৈছিল।

আস্! কল্পনাত ভাঁহি উঠিল — কি-য্-যে বঢিয়া লাগিব — মহাকাশত চুঁচৰি ফুৰিছে লেংটা-পেংটা, থোলোকা, মৰম লগা অকণমানি মাইনা এটা আয়ে দেহি !!

# ক্রিকেট,
# ঈশ্বৰ,
# আৰু গেং

এডিলেইডত ইণ্ডিয়া অষ্ট্ৰেলিয়াৰ থাৰ্ড টেষ্টখন শেষ হোৱাৰ চাৰিদিন পিচৰ কথা। চন,- দুই হেজাৰ চাৰি। ভাৰতীয় ঋতু অনুসৰি গ্ৰীষ্ম কাল।

অষ্ট্ৰেলিযাৰ বিখ্যাত উইকেট-কীপাৰ আৰু একেধাৰে ধোঁৱাধাৰ বেটবাজ শ্ৰীমান গিল্‌খ্ৰীষ্ট। তেওঁৰে ল'ৰাটোৰ অন্নপ্ৰাসন উপলক্ষ্যে আটাইবোৰ ক্ৰিকেটাৰ আহি গোট খাইছে। আগফাল পিছফাল,- ঘৰ গোটেইখন মানুহৰে গিজগিজ।

ডেকা-বুঢ়া, নতুন-পুৰণা বুলি কথা নাই,— চব আহিছে। ব্ৰেড্‌মেন, টেইলাৰ, ব'ৰ্ডাৰ, বুন, লিলি, থমছনৰ পৰা আৰম্ভ কৰি মাৰ্ক-ৱ, ষ্টিভ-ৱ, পণ্টিং, হেইডেন, চাইমন, ৱাৰ্ণ, লী, মেকগ্ৰাথ, জেলেপী(তেওঁলোকৰ মতে গিলেস্পী), কাছপ্ৰৱিজলৈকে,- গোটেইজাক, দলে-দলে, সপৰিয়ালে, হিল-দ'ল ভাঙি ওলাইছেহি...

অৱশ্যে কেবল অন্নপ্ৰাসনটোৱেই কথা নহয়, গোট খোৱাৰ আৰু এটা কাৰণ আছে। ৰিচেণ্ট্‌লি একদম নভৱা ঘটনা এটা ঘটি গ'ল। সকলোৱেই ধৰি লৈছিল,— ছিৰিজটোত ইণ্ডিযাই ষ্টুল-হাৰণ খাব। আৰু যিমান দূৰ সম্ভৱ হোৱাইট ৱাশ্বেই হ'ব। পিছে আল্টিমেৎলি তেনেই ওলোটা কাণ্ড এটা হ'ল।

এডিলেইডত বৰ আচৰিত ধৰণে অষ্ট্ৰেলিয়া নিজেই হাৰি থাকিল।

গতিকে এতিয়া আটাইবোৰে গোট-পিট খাই কিছু আলোচনা বিলোচনা নকৰিলেই নহয়। কাৰণ কাগজে-পত্ৰই এতিয়াও ধুমুহা-বতাহ, শিল-বৰষুণবিলাক চলিয়ে আছে। ভাৰতক প্ৰশংসা, অষ্ট্ৰেলিযাক গালি। হ'ব লাগিছিল এটা ক্লিন হোৱাইট ৱাশ্ব, হ'লগৈ ড্ৰ।

কোনোবা ক্ৰিটিকে কৈছে,- অষ্ট্ৰেলিয়া খটম। সাফল্যই ইহঁতৰ মূৰত ধৰিলে। পণ্টিংহঁত দুদিন আগলৈকে আছিল হিৰ'। এতিয়া একেকোৰে হৈ গ'ল জিৰ'।

— ধু-ৰ্‌-ৰ্‌.. । এই মিডিয়া বস্তুটো এনেকুৱাই, বুইছনে নাই? পাছৰ দুখন খেলত জিকি দেখুৱাই দে। বচ । আকৌ চব ওল্টা হৈ যাব। আকৌ হিৰ', আকৌ প্ৰশংসা। আকৌ ঢোল, আকৌ অভিনন্দন। ইণ্ডিয়াত যেনেকুৱা, ইয়াতো সেই একেই। এদিনীয়াৰ ফাইনেলত যেতিয়া ষ্টুল খুৱাই দিম, তাৰ পিচত চাবি..

- আচ্ছা ৰ, ফাৰ্ষ্ট এটা কথা ক,— কলিকতীয়া গেং মহাৰাজে সিদিনা যিবোৰ ডায়লগ মাৰিলে,- সেইখিনি শুনি কেনেকুৱা লাগিল? যেনে এইযে ক'লে,— 'বুদ্ধ জয়

কৰিলোঁ' 'জীৱন-মৰণ সমস্যা'. ৰাহুলে 'ঈশ্বৰৰ দৰে' খেলিলে এইবিলাক।?

গোটেইবোৰে ঢেক্‌ঢেক্‌কৈ হাঁহিবলৈ ধৰিলে।

- হেৰৌ, থ পায়। গোটেই পৃথিৱীয়ে জানে,— ক্ৰিকেট খেলটোৰ লগত 'বিশ্ব' বোলা শব্দটো খাপেই নাখায। বিশ্বৰ কেইখন দেশেনো ক্ৰিকেট খেলে? সৌ সিদিনালৈকে আছিল আঠ। বহুত জোৰা-ফোন্দা দিয়াৰ পিচত এতিয়া যেনে-তেনে এক ডজনমান হৈছেগৈ।

- অঁ, যদি এনেকুৱা হ'লহেঁতেন,— যে দিগ্বীজয়ী ঘোঁড়াটোৰ লগত যোৰাৰ দৰে কোনোবাই এখন-এখনকৈ দেশবোৰৰ লগত যুদ্ধ কৰি গৈ আছে, জিকি আছে, জিকিযেই আছে, ক'তো কেতিয়াও এবাৰো হৰা নাই, তেতিয়া কথাটো বেলেগ আছিল। ডেফিনিৎলি সেইখন দেশক 'বিশ্ব'-চেম্পিয়ন বুলি ক'ব পৰা গ'লহেঁতেন। কিন্তু মাত্ৰ এক ডজন দেশৰ মাজত

- পৃথিৱীখনৰ অন্ততঃ ফিফ্‌টি পাৰ্চেণ্ট দেশেও যদি খেলিলেহেঁতেন!

- ফুটবলত আকৌ সেইটোৱেই মজা। ইমানবিলাক দেশে খেলে,- কথাটোৱেই বেলেগ হৈ যায়।

- গেং মানুহটো অলপ ভেজাল যেন পাইছোঁ। এবাৰ সেইযে কাপোৰ-কানি বখলিয়াই ষ্টেডিযামতে জাপকেইটা মাৰিছিল মনত আছে? গাভাস্কাৰ, পাটাউদি, বা ছুছিনইঁতে কেতিযাবা তেনে কাম কৰিলেহেঁতেননে? ছিঃ

- গেং বাপুৰ ডায়লগবোৰৰ ভিতৰত চবতকৈ কি মজা লাগিল ক?

- সেইটোনো আৰু ক'ব লাগিছেনে! এইযে ক'লে,— 'ৰাহুলে ঈশ্বৰৰ দৰে খেলা' বুলি সেইটোৱেই মেক্সিমাম জমনি। তাতকৈ আৰু কি জমিব?

- এই কথাষাৰৰ কিন্তু কিবা এটা বিৰাট তাৎপৰ্য আছে।

- মানে?

- মানে হয়নে নহয় চিন্তা কৰি চাচোন

- হয় হয়। কিবা এটা তাৎপৰ্য নিশ্চয় আছে।

- কি হ'ব পাৰে ক আকৌ! তেহে।

আটাইবোৰে একান্তমনে চিন্তা কৰিবলৈ লাগি গ'ল। ঠিক তেত্ৰিছ ছেকেণ্ডৰ লগে-লগে হঠাৎ পিচফালৰ পৰা জেলেপীয়ে আৰ্কিমিডিচৰ ষ্টাইলত এটা প্ৰকাণ্ড চিঞৰ মাৰি দিলে (গিলেস্পীৰ ঘৰত মতা নাম জেলেপী। ইণ্ডিয়াতো আমি সকলোৱে জেলেপী বুলিয়েই মাতোঁ।)।

- কি হ'ল ঐ জিলাপী? - ৰেহমানে সুধিলে।

পাকিস্তানত লেহমানক সকলোৱে কয়,- ৰেহমান। ৰেহমানক অসমীয়াই কয় ৰহমান।

- ওঁ, মই বুজি পাই গ'লোঁ।

# ঠেংচুই

- কি বুজিলি অ' তই?

- বুজিলোঁ যে ইণ্ডিয়াত ঈশ্বৰেও ক্রিকেট খেলে।

- ঠিক কৈছ্য দোস্ত। সেইটোৱেই আচল কথা।

- হয। আমাৰ জেলেপীকণেই একদম ঠিক কথা কৈছে। ইণ্ডিয়াত ঈশ্বৰে ক্রিকেটো খেলে।

- ইচ্ ৰাম, আমাৰ ইয়াতো খেলা হলে !

ঈশ্বৰে ক্রিকেট খেলাৰ ওপৰত বহু সময় ধৰি গভীৰ আলোচনা হ'ল। মাইকেল বেভান বৰ গহীন গম্ভীৰ মানুহ। কথা-বতৰা কমকৈ কয়, প্রয়োজনত ক্রিজলৈ আহে আৰু দলক জিকাই থৈ গুছি যায়। বেভানে ক'লে,-- ইউৰোপৰ ক্লাব্‌বিলাকে বেক্‌হাম, ৰ'নাল্ড'ইঁতক কিনাৰ দৰে আমিও যদি সৰহকৈ পইচা এগাল দি ঈশ্বৰক কিনি ল'ব পাৰিলোঁহেঁতেন!

- এৰা ! সকলোৱে সমস্বৰে কথাটোত হয়ভৰ দিলে আৰু একেলগে দীঘল হুমুনিয়াহ এৰিলে।

ষ্টিভ্ ৱ প্রায়ে ভাৰতলৈ আহি থাকে। গতিকে ইণ্ডিয়াৰ বহুত কথাই জানে। ষ্টিভক ব্রেট লীযে সুধিলে,– ষ্টিভ্‌দা, তুমি কেতিয়াবা দেখিছানে.. তাত, মানে ইণ্ডিয়াত ঈশ্বৰক ক্রিকেট খেলা?

- দেখিছোঁ, বৰ ধুনীয়া খেলে। এইবাৰ ইয়ালৈ আহি দুখনমান খেলত ৰাহুল, লক্ষ্মণহঁতে যেনেকুৱা খেলিছিল, অবিকল তেনেকুৱাই। ঈশ্বৰৰ নাম গেং মহাৰাজে এনেয়েই লোৱা নাই।

- ঈশ্বৰ বাৰু অল-ৰাউণ্ডাৰনেকি?

- অঁতো আৰু'। অৰবিন্দৰ নিচিনা একদম ষ্ট্রেইট বেট। ষ্ট্র'ক খুব সুন্দৰ। পাৱাৰফুল। ক'ভাৰ ড্রাইভ্‌কেইটা চাবলগীয়া। লাৰাৰ দৰে। দৰকাৰ হ'লে ক্লুজনাৰ, কেয়ার্নচ্‌হঁতৰ ষ্টাইলত এচাট-দুচাট গৰু-পিটনো দি দিয়ে। ছিক্সবিলাক আৰু' একদম জিম্বাবুৱে'ৰ ষ্টুৱার্ট কার্লাইল, বা আৰ্‌ভিনহঁতৰ নিচিনা। চাইয়ে মজা লাগে। বহি লৈ থিতাতে মাৰি দিয়ে। ফিল্ডিংতো আৰু ক'বই নালাগে,-- জণ্টি ৰ'ড্‌চৰ বাপেক। ইপিনে ব'লাৰ হিচাপেও বলত দুৰন্ত পে'চ। এভাৰেজ স্পীড মিনিমাম দুশ মাইল পাৰ্ আৱাৰ। আউট চুয়িং, ইন চুয়িং, অফ-ব্রে'ক, লে'গ-ব্রে'ক, গুগ্‌লি,-- কেতিয়া কি দিয়ে একো ঠিক নাই।

- বাপ্‌ৰে. তেখেত যে এনেকুৱা এজন তামাম প্লে'য়াৰ, কথাটো জনাই নাছিলো। গেঙে নোকোৱা হ'লে গমেই নাপালোহেঁতেন .

- কিন্তু এটা কথা। কেবল ক্রিকেটেই নেখেলি ঈশ্বৰে যদি ইণ্ডিয়াত আৰু কিবাকিবি কৰিলেহেঁতেন, বৰ ভাল আছিল। -- ষ্টিভে অতি দুখ মনেৰে ক'লে।

- কি কৰিব লাগিছিলনো?

- এই ধৰি লোৱা,- মোৰ নিচিনাকৈ অলপ চেৰিটি. । অলপ হ'ছিয়েল ৱর্ক,

ৰাজহুৱা কাম। তোমালোকে আচল ইণ্ডিয়া দেখাই নাই। কাৰণ এয়াৰপৰ্টৰ পৰা চিধা নি গোটেইবোৰকে ডাঙৰ হোটেল এখনত ভৰাই দিয়ে, তাৰ পৰা ওলাই আহি আকৌ ষ্টেডিযাম। আকৌ গধুলি বেক টু হোটেল। নাইবা ক্লাব। অন্যফালে যাবলৈ, কিবাকিবি চাবলৈতো চচান্সেই নাই।

আটাইগালে ষ্টিভক হেঁচা মাৰি ধৰিলে। - কোৱাচোন ষ্টিভ্‌দা, আমাক আচল ইণ্ডিয়াৰ কথা কোৱা

— এঃ ক'বলৈ ভাল নালাগে। বাদ দিয়া সেইবিলাক।

- ঠিক আছে বাৰু। নালাগে ক'ব। — মেক্‌গ্ৰাথে শলাগি থৈ দিলে।

- তুমি নক'লেও আমি অলপ-চলপ জানোঁ কিন্তু। এ-ক-কেবাৰে নজনা নহয়। — মাৰ্ক ৱ' আৰু মেথিউ হে'ডেনে লগ লাগি জোকোৱাৰ সুৰত কথাষাৰ কৈ মিচিক মিচিক হাঁহি থাকিল।

- কি জানা, তেনেহলে তোমালোকেই কোৱা আক'।

- এই ধৰি লোৱা,- শ্বেন ৱাৰ্ণে ক'লে,— গোটেইখন কিবা অৰাজক, লেতেৰা, অসভ্য, বিশৃংখল। হয়নে নহয় কোৱা। সেইকাৰণেহে তুমি ক'বলৈ বেযা পাইছা। চাৰিওফালে ভযংকৰ দুৰ্নীতি। ৰাস্তাবোৰ ভগা-ছিগা। মস্ত মস্ত গাঁত। আৱৰ্জনা। ভেকেটাভেকেট দুৰ্গন্ধ। ফুটপাথত প্ৰকাণ্ড একোটা ফুটা

- বাৰিষাত নৰ্দ্দমাৰে নগৰৰ জীযা মানুহ উটি গুছি যায়।

- আকৌ দেখিবা,- ধুনীযা ছোৱালী এজনীযে আগলৈ থুৱাই থুৱাই গৈ আছে! তামোল খোৱাবোৰে য'তে-ত'তে পিক পেলাইছে। চুণ সানিছে.

- সঁচা কথা ক'বলৈ গ'লে সেইখন দেশত ক্ৰিকেট বস্তুটো খাপেই নাখায়।

- বাপ্‌ৰে। তোমালোকে ইম্মানবোৰ কথা জানা? তেনেহলে নাজানিবলৈনো আৰু কিটো বাকী থাকিল?

ষ্টিভ সঁচাকৈযে আচৰিত হ'ল। ইহঁতে ইণ্ডিযাৰ বহুত খবৰ ৰাখিছে!

- আৰু সেইকাৰণে আমিও ভাবো,— ইণ্ডিযাত ঈশ্বৰে কেৱল ক্ৰিকেটকে খেলি থকাটো উচিত নহ'ব।

- ঠিকেই। তেখেতে ক্ৰিকেটৰ খেলাৰ লগতে যদি অন্য কিছুমান কামো কৰে,- দেশখনৰ বহুত উন্নতি হ'ব। হয়নে নহয় কোৱা।

প্ৰশ্নটো সুধি অষ্ট্ৰেলিয়াৰ ভেটেৰান আৰু পেটুৱা, 'জবৰদস্ত' ক্ৰিকেটাৰ শ্ৰীমান ডেভিড বুনে উত্তৰৰ আশাত একে থৰে ষ্টিভ ৱ'ৰ ফালে চাই এজ ইউজুৱেল মোকোৰা-মোকোৰে চুয়িং-গাম চোবাই থাকিল।

ঠেংচুই

# বিদেশত আপোন মানুহ

মৰমৰ ৰহমৎ মিএগ, ফৰিদা খাতুন

কি খবৰ! ভালে-কুশলেই আছা বুলি ধৰি লৈছো। আমাৰ মৰম-চেনেহবোৰ থাকিল। সকলোৰেই ভগাই-মেলি ল'বাহঁক।

আমি সেইদিনা বাংলাদেছৰ পৰা আহি বৰ ধুনীয়াকৈ, একো অসুবিধা নোহোৱাকৈ আছাম পাই গ'লোহি। বাটত কোনো ধৰণৰেই দিগদাৰি নহ'ল।

সেইযে তোমালোকে ভাবি আছিলা,- ব'ৰ্ডাৰত চাগে' চাইনা ৱালৰ নিচিনা প্ৰকাণ্ড এখন ইটা আৰু শিলৰ ৱাল থাকিব, নাইবা ডাঠ কাঁটাতাৰৰ ফেন্সিং ,

মূৰত হেলমেট আৰু হাতত মেচিনগান লৈ শাৰী-শাৰী পুলিচ, মিলিটেৰি

চিনেমাত দেখাৰ নিচিনা ওখ-ওখ টাৱাৰ, তাতে ঘূৰি-ঘূৰি পোহৰ মাৰি থকা শক্তিশালী চাৰ্চ্চ-লাইট

ধেৎ তেৰিকি,- সেইবিলাক চব মিছা। তেনেকুৱা এ-ক্-কোৱেই নাই। গোটেইখন ধোপাংপাং। একদম উদং-মুদং। লেংটা-পেংটা। ইটাৰ ৱাল, কাঁটাতাঁৰ বাদেই,- তাঁৰৰ নামত মিহি অকণমানি ফিউজ-ৱায়াৰ এডালো নাই।

আৰু কি জানা? সীমান্ত-ৰখীয়া বুলিবলৈ যি দুই-চাৰিটা জোৱানে হামিয়াই-হিকটিয়াই খৈণী মাৰি বহি আছিল, সিহঁতে আমাক দেখা মাত্ৰকতে হাত দুটাহে পাতি দিলে। পাঁচ টকা দহ টকা যি দিয়া তাতেই খুচ। সীমা পাৰ হোৱাত ওলোটাই সহায়-চহায়হে কৰি দিয়ে।

বেচেৰাহঁতলৈ আচলতে বেয়াই লাগে। অকলে-অকলে জংগলখনতনো কিভাল কৰি থাকিব? কিমান মদ খাব? কিমান জুৱা খেলিব? আমাৰ ফালৰ পৰা মানুহ অহা যেন দেখিলে এঘণ্টামান চুপতি মৰা, সিহঁতৰ পৰা লৈ আকৌ এবাৰ খৈণী খোৱা, জোৱালী জোকোৱা,- কাম বুলিবলৈ সিমানেই...

যি কি নহওক, সেইদিনা আছাম-বাংলাদেছ ব'ৰ্ডাৰ সুকলমেই পাৰ হৈ আহি আমি কিছুদিন কটালো প্ৰথমটো কেম্পত। ধুবুৰীৰ ফালে। তাতো বৰ ধুনীয়া সুবিধা। আমাৰ নতুন মানুহখিনিক সৰু-সুৰা ট্ৰেইনিংবিলাক তেওঁলোকে বঢ়িয়াকৈ দি দিয়ে। অসমীয়া ভাষাৰ

লাগতীয়াল শব্দকেইটামান তাতেই শিকি ল'লো। দুই-এখন ঠাইৰ নাম, আৰু লগতে চাৰি-পাঁচটামান বেয়া-বেয়া গালিও শিকাই দিলে

তাৰ পিচতে আহিলো গুৱাহাটীলৈ। কিছুমান গ'ল যোৰহাট, গোলাঘাটৰ ফালে। জবৃৰ মিএগাই আমাৰ কোন কেনি যাব সমানে ভাগ কৰি দিলে

বাৰু,- এতিয়া আচল কথালৈ আহো, শুনা। ইয়াত ইমুৰৰ পৰা সিমুৰলৈকে গোটেইখন আমাৰেই আপোন মানুহেৰে ভৰি আছে। কোনোবাই ৰিক্সা চলাইছে, কোনোবাই দোকান দিছে, কোনোবাই মাছ বিকিছে।

কিছুমানে খেতি কৰিছে।

কিছুমানে বেলেগ-বেলেগ ধৰণৰ ব্যৱসায় আৰম্ভ কৰিছে। প্ৰত্যেকতেই লাভ আছে আৰু প্ৰতিজনেই সুখে-শান্তিৰে, দুবেলা দুমুঠি খুব ভালদৰে খাই-মেলি, ধুনীযাকৈ পিন্ধি-উৰি, সুন্দৰকৈ জীয়াই আছে।

ইয়াত আহি পায়ে মন কৰিছিলো,- এটা বৰ বটিযা কথা,- কওঁ কওঁ লাগি আছে,--কি জানা? আমাৰ মানুহেই খেতি-বাতি কৰি ইয়াৰ লোকেল মানুহবোৰক জীযাই ৰাখিছে। আমি ইয়ালৈ দলে-বলে আহি খেতিত নধৰা হ'লে ইহঁতমখা খাবলৈ নাপাই, শুকাই-খীনাই, লেৰেলি গৈ, কেতিয়াবাই মৰি ভূত হ'লহেঁতেন।

এইযে জানুবাৰী মাহত ভোগালী বিহু নামৰ বস্তুটো হয়,-- সেইখিনি সময়ত তোমালোকে কাণ্ড দেখিলে হাঁহি হাঁহি মৰি যাবা। আমি কৰা খেতিকে সিহঁতে চাৰি গুণ দাম দি কিনি নিয়ে, নি 'ভোগ' কৰে, কৰি ভোগালী বিহু পাতে!

ভাবাচোন কেনে মজা! সিহঁতৰ নিজৰ বুলিবলৈ একোটো নাই। বাৰীখনত মৰি গ'লেও নোসোমায়। ক'তো ধনীয়া পাত এটাও নাই। পুখুৰীত মাছ নাই। ইফালে আকৌ 'মাছ পুঠি এটা নহ'লে পেটলৈ ভাতো নাযায়' বুলি যিহে বাহাদুৰী মাৰি কথা ক'ব,- শুনি বিচুৰ্ত্তি খাবা! অদ্ভুত বস্তু ইহঁত। বিহু বুলি এসপ্তাহ আগৰ পৰাই বজাৰত ভিৰ লগায। প্ৰথমেই উদং কৰে বিলাতী মদৰ দোকানকেইখন। তাৰ পিচত বাকীবোৰ।

আছাম মুলুক ওৰফে বঙ্গপ্ৰদেশত আৰু এটা বস্তু বৰ জমি থাকে। সেইযে আয়েমডিটি বুলি আইন এখন আছে,- সেইখনৰ কথা মাজে-সময়ে ওলাই থাকে, আৰু ওলালেই এসোপামান মুছলমান মানুহে হুলস্থুল লগাই দিয়ে। আমি একো কৰিবই লগা নহয়। নিজে-নিজেই চব ঠাণ্ডা হৈ যায়।

আটাইবোৰে মিলি খেলাটোক মজাৰচে ধৰ্মৰ ফালে টানি নিয়ে আৰু বিৰাট ডেলিকেট কৰি পেলায়। গতিকে সি আৰু বেছি সময় টিকি নাথাকে। পতাপত চেটেপ হৈ যায়। ইয়াত এইটো অনবৰতে চলি থকা এটা কমন পলিটিক্স। ইয়াত আমাৰ মানুহ চীফ মিনিষ্টাৰ হ'বলৈ বৰ বেছি দিন নাই আৰু! চাই থাকা। খুব বেছি আৰু ছয়-সাতটামান বছৰ!

সিদিনা বিজেপিৰ লীডাৰ এজনে কৈছে,- আমাৰ মানুহ বোলে ইয়াত স'ত্তৰ

লাখমান আছে! আৰু আচলতেনো ঠিক কিমান আছে সেই কথা গণ্টি-ভণ্টি কৰি সঠিক সংখ্যাটো চৰকাৰে তেওঁলোকক ৰাজহুৱাকৈ জনাব লাগে! কথাটো শুনি আমি চবেই হাঁহি হাঁহি মৰিছো। আমিযে কোনোবা কাহানিতেই কোটিৰ পাৰ হ'লো বেচেৰাই ক'বকে নোৱাৰে। তেওঁ এতিয়াও লাখতেই আছে!

অৱশ্যে মানুহজন খুবেই ঠাণ্ডা প্ৰকৃতিৰ। সহজ-সৰল বিধৰ মানুহ! নতুনকৈ লীডাৰ হৈছে। খুব বেছি কথা শিকা নাই। এনেকুৱা কথা কিছুমান ক'ব লাগে কাৰণেই কৈ দিলে।

বঙ্গপ্ৰদেশত যে একালত এটা 'বিদেশী খেদা' আন্দোলন হৈছিল তোমালোকৰ মনত আছেনে বাৰু? সুধিছো এই কাৰণেই,- কাৰণ ইয়াৰ লোকেল মানুহেই সেইবিলাক কেতিয়াবাই পাহৰি-মেলি আজৰি হ'ল। সেই আন্দোলনটোত যিবিলাক লীডাৰে আটাইতকৈ বেছি আগভাগ লৈছিল,- চব এতিয়া বিৰাট ডাঙৰ-ডাঙৰ মানুহ। তাৰে এসোপামান মন্ত্ৰী, বাকীবোৰ এম্পি, এমেলে'। কোনোবা নিগমে মৰা নিগমৰ চেয়াৰমেন। পোন্ধৰ বছৰমান সেইসকলে চৰকাৰো চলালে। ৰাজ্য শাসন কৰিলে। হেঁপাহ পলুৱাই ৰাজকোষ লুটিলে। খাই খাই গেৰেলা লাগিলে। বিয়া-বাৰু কৰালে। ঘৰ-সংসাৰ পাতিলে।

কিন্তু আটাইতকৈ ডাঙৰ কাণ্ডটো হ'ল,— যিটো তোমালোকে দেখি বা শুনি হাঁহি হাঁহি মৰিলাহেঁতেন,— সেইসকলৰ ঘৰতেই 'বিদেশী' মানুহ সৰ্বাতোকৈ সৰহ! আমাৰ মানুহেৰেই সিহঁতবোৰৰ ঘৰ ভৰি থাকে। সৰা-মোচা কৰিবৰ বাবে আমাৰ মানুহ, বাৰীত হাজিৰা কাম কৰিবৰ বাবে আমাৰ মানুহ, ভাত ৰান্ধিবৰ বাবেও আমাৰ মানুহ। খেতি-বাতি চাবলৈ, গাড়ী ধুবলৈ, মিস্ত্ৰীৰ কাম কৰিবলৈ, যোগালীৰ কাম কৰিবলৈ, চাদ ঢালাই কৰিবলৈ চবেই কেৱল আমাৰ মানুহহে বিচাৰে।

আমাৰ অৱস্থা ইয়াত যাক কয়,- জয়-জয় ময়-ময়। এতিয়া তেওঁলোকে কয়,- অসমীয়াতকৈ বোলে আমিহে ভাল। কাম ভালকৈ কৰো, পইচা কমাই লওঁ, দৰ-দাম নকৰো, যি দিয়ে তাতেই খুচ । আমাক কামত লগাবলৈ পাই তেওঁলোকৰ ফূৰ্ত্তি কি চাবা? ইজনে সিজনৰ আগত কৈয়ে তৎ নাপায়। কওঁতে, জহাওঁতে সোতৰ ইঞ্চি বুকু ওফন্দি তেত্ৰিছ ইঞ্চি হৈ যায়গৈ .

আৰু এটা মজাৰ খবৰ। এই মুলুকৰ লোকেল মানুহে আমাক এতিয়াও সংখ্যালঘু বুলি কয়। কিন্তু বৰ্তমান আমাৰ সংখ্যা সিহঁততকৈ বহুত বেছি। সিহঁতৰ সংখ্যা আমি কেতিয়াবাই ক্ৰচ কৰিলো। ইচ্ছা কৰিলেই আচলতে আমি এতিয়া 'বাংলো-আচাম' বনাই দিব পাৰো। বনাই দিচপুৰৰ সিংহাসনত মজাৰচে বহি দিব পাৰো। বহাহে নাই। তোমালোককো আনি-মেলি আৰু অলপমান মজবুত হৈ ল'ব খুজিছো।

'সংখ্যালঘু' শব্দটো শুনিলেই আমাৰ বিৰাট হাঁহি উঠে। হাঁহোতে-হাঁহোতে পেটৰ নাড়ী-ভেৰু ডাল-ডাল হয়।

ইয়াত এখন বঢ়িয়া টিভি চিৰিয়েল চলি আছে। বিদেশত আপোন মানুহ। সেওবাৰে

# থেংকছুই

গধূলি গুৱাহাটীৰ দূৰদৰ্শনত ওলায়। মানুহে খুব চায়। বিৰাট পপুলাৰ। মন কৰিলে আমাৰ আপোন মানুহবোৰক লৈ তোমালোকেও বাংলা দূৰদৰ্শনৰ বাবে এনেকুৱা এখন চিৰিয়েল কৰিব পাৰা।

আৰু যদিহে সঁচাকৈ কৰিম বুলি ভাবা,– শুদা মানুহ দুটা আহিলেই হ'ব। কেমেৰা আমি ইয়াতেই যোগাৰ কৰিব পাৰিম। চুৰি-ডকাইতিত আমাৰ মানুহ সাংঘাটিক ধৰণে এক্সপাৰ্ট হৈ গৈছে। নাইট বাছৰ পৰা আৰম্ভ কৰি যিকোনো ডকাইতিতে সদায় যিমান ডকাইত ধৰা পৰে,-- নামবোৰ পঢ়ি চাই দেখো,-- চব আমাৰেই মানুহ। কেমেৰা এটা ক'ৰবাৰ পৰা সিহঁতে ইজিলি মাৰি দিব। কোনো চিন্তাই নাই।

চিৰিয়েলখন যদি বনোৱা,– তেন্তে খৰচ বুলিবলৈও একোটো নাই। আমাৰ লগতে আহি থাকিবা। খাবা। শুবা। আৰু তাকে মাত্ৰ ববিতা বাইদেউৰ নিচিনাকৈ কেমেৰাটোত ধৰি ৰাখিবা। কাম সিমানেই।

পাছত গৈ অলপ-চলপ ঠিক-ঠাক, সামান্য আগ-পিচ কৰি গান এটা লগাই দিলেই কাম চে'চ। কাহিনীৰ কথা নাই, ডাইৰেক্সনৰ ঝামেলা নাই, এক্তৰ-এক্ট্ৰেছক পইচা দিবলৈ নাই। উইডাউৎ এনি লেঠা, এনি খৰচ,- চিৰিয়েল সাজু।

আমি ভাবিছো,- নামও সেই একেটাই হ'ব। বিদেশত আপোন মানুহ। আজিকালি চুৰি কৰাত কোনো লুক-ধাক নাই। সেইবোৰ লাজ-চৰমৰ কথা এ-ক্-কেবাৰেই উঠি গ'ল। নকল যি কৰিবা,- ডাইৰেক্ত কৰিবা। খুল্-লম্ খু-ল্-লা

গতিকে .? আজি আৰু বেছি নিলিখো? তপতে-তপতে দৰকাৰী খবৰকেইটা দিলো। কেতিয়াকৈ আহিব পৰা হ'বা,- জনাবা। দেৰি কৰি নাথাকিবা। যিমান পাৰা সোনকালেই গুছি আহা।

খোদা হাফিজ

ইতি

বিকাছুদ্দিন।

# অসুৰ

মহিষাসুৰৰ ঘৰত যেন কাৰোবাৰ বিয়াহে।

উধৰ পৰা মুধলৈকে গোটেইখন অসুৰেৰে গিজগিজ।

ড্ৰইং-ৰুম, বে'ড-ৰুম, বাথৰুমৰ পৰা আৰম্ভ কৰি পাছফালৰ ছাৰ্ভেণ্ট কোৱাৰ্টাৰলৈকে,- ক'তো নাকটো সুমুৱাবলৈয়ো ঠাই নাই। স্বৰ্গ, মৰ্ত্ত্য, আৰু নৰকত যিমানবোৰ অসুৰ আছে আটাইবোৰ গোট খাইছেহি।

তাতোকৈযো ইণ্টাৰেষ্টিং কথা এইটোৱেই যে কেৱল অসুৰেই নহয়, দেৱতা আৰু অপেস্বৰীসকলো আহিছে। চুচুক চামাক্‌কৈয়ো নহয়, একদম হিলদ'ল ভাঙি, ফেনে-ফোটোকাৰে, দলেবলে আহিছে। নহাৰ ভিতৰত মাত্ৰ অ'ত-ত'ত ডিউটি কৰি থকা পাঁচছজনমান যমদূত, চিত্ৰগুপ্ত, যমৰজা, শিৱ, পাৰ্বতী, আৰু কুম্ভকৰ্ণ। বাকী ওৱান টু অল্ — চব হাজিৰ।

পিছে ইমানকৈ লৰি-ঢাপৰি আহিছে ঠিকেই, মন কিন্তু কাৰো ভাল নহয়। কোনোফালেই মুখত হাঁহি এটা নাই। আনহে নেলাগে, টিভিটোও বন্ধ। আন দিনা হোৱা হ'লে সেইটোৱেই তালফাল লগাই থাকিলেহেঁতেন। মহিষৰ মিছেচে দহ-এঘাৰ দিন লাগিলে খানা পিনাকেই বাদ দিব, কিন্তু মৰি গ'লেও ছিৰিয়েল মিচ নকৰে। ডালমুটৰ বটলটো কোলাতে লৈ ইখনৰ পিচত সিখন। নন্-ষ্টপ

চাৰিওপিনৰ গোমা পৰিবেশটোলৈ চাই মহিষ অলপ কন্‌ফিউজ্‌ড হ'ল। কথাটো কি? গোটেইবোৰ গোট-পিট ঠিকেই খাইছে, অথচ . ওঁহো, ডালমেঁ জৰুৰ কুছ কালা হেয়

ওখ ঠাই এডোখৰত থিয় হৈ লৈ সি তিনিটা হাত-চাপৰি মাৰিলে। সকলোৰে দৃষ্টি তাৰ পিনে আকৰ্ষিত হ'ল।

হাতত মাইক্ৰ'ফোন এটা লৈ, ভালদৰে গল-খেকাৰি এটা মাৰি সি সুধিলে,- ৱেল লেডীজ এণ্ড জেণ্টল্‌মেন, কওকচোন কথাটো কি? এনি বেড নিউজ?? সকলোৰেই দেখোন কিবা অলপ ডাউন হৈ আছে। আগত পূজাটো আহিছে, উৰাই ঘুৰাই ফুৰ্তিহে কৰিব লাগে

কোনেও একো নামাতিলে। আটাইবোৰে গোমোঠা মাৰিয়েই বহি থাকিল। মহিষে আকৌ ক'লে,- আৰে, কওকনা আপোনালোকৰ দুখটো কি! ক'লেহে কোনোবাই জানিব পাৰে। তেনেকৈ মুখ ওফোন্দাই থাকিলে কিটো হ'ব....

# ঠেংচুই

কোনেও একো নেমাতিব যেন দেখি উৰ্বশী আগবাঢ়ি আহিল। লগত ৰম্ভা আৰু মেনকা। তিনিও স্বৰ্গৰ বিখ্যাত অপেস্বৰী। অমৰাৱতিৰ ৰাজসভাত তেওঁলোক নহ'লেই নহয়। নাচে-গানে, মাতে-কথাই, ৰূপে-লাৱন্যই তিনিও লাজবাব। অৱশ্যে ৰূপত উৰ্বশী একাঠি চৰা। নাম্বাৰ ওৱান। এবাৰ দেখাৰ পাচত চকু ঘূৰাই অনাই মস্কিল। তেওঁৰ তুলনাত সুস্মিতা সেন, ঐশ্চৰ্য্য ৰায়, জয়া প্ৰদা, মাধুৰী দীক্ষিত আদিও এটা-এটা জিৰ' পাৱাৰৰ বাল্বহে

দেৱতা, অসুৰ, অপ্সৰা, সকলোৰে হৈ উৰ্বশীযে ক'লে,- শুনা, আচল কথাটো মই ফ্ৰেংক্লি কৈ দিছো। সকলোৰেই তোমাক খুব বেয়া পাইছে। আৰু সেইবাবেই এনেকৈ মুখ ওফোন্দাই আছে।

- মোক বেয়া পাইছে! কিন্তু কিয়?

- এইযে তুমি ইণ্ডিযালৈ পাৰ্মেনেণ্টলি গুছি যাব খুজিছা

- আৰে! সেইটো আক' কি বেয়া পাব লগা কথা হ'ল? মাজে-মাজে মানুহ অ'ৰ পৰা ত'লৈ নেযায় নেকি? কিছুমানে দেখোন অনবৰত ট্ৰেন্সফাৰেই হৈ থাকে। বেডিং বাকচ খুলিবলৈকে নেপায়, আকৌ ক'ৰবালৈ যাবৰ হয়েই। আকৌ ৰ'বা সেই বাংলাদেশীবোৰ দেখা নাই? টোপোলাই টাপলিয়ে আটাইগাল যে বঙ্গপ্ৰদেশলৈ গুছি আহিল। ....

- এঃ ৰ'বা। আনৰ কথা এৰা। তুমি কি কাৰণে ইয়াৰ পৰা গুছি যাবলৈ ওলাইছা, একদম খোলাখুলিকৈ কোৱা। তোমাৰ এব্‌চেন্সত ইয়াত আমাৰ কিমান বেয়া লাগিব সেই কথাটো এবাৰ ভাবি চাইছানে? যাওঁ বুলিয়েই খুচিমত গুছি যাব পাৰিনেকি! আনৰ ভাল পোৱা বেয়া পোৱা তেনেকুৱা কি একো কথা নাই?

উৰ্বশীৰ মুখলৈ একেথৰে চাই কথাখিনি শুনি থাকোতেই হঠাৎ মহিষৰ মনলৈ শেহতীয়া হিন্দী চিনেমাৰ বিৰ্‌ৰাট পপুলাৰ গান এটা ক'ব নোৱাৰাকৈয়ে আহি গ'ল।

উৰ্বশী  
উৰ্বশী  
টে'ক্ ইট্ ইজি উৰ্বশী

কেৱল মনলৈ আহি যোৱাই নহয়, মাইক্ৰ'ফোনটো হাতত টানকৈ খামোচ মাৰি ধৰি গোটেই গানটো আৰম্ভনিৰ পৰাই সি চিঞৰি চিঞৰি গাবলৈ লাগি গ'ল। গানৰ লগে লগে অবিকল প্ৰভুদেবাৰ ষ্টাইলত ঠেং ঠুং দাঙি নাচিবলৈয়ো লাগিল। মহিষৰ গান শুনি আৰু নাচ দেখি স্বয়ং ব্ৰহ্মা বিষ্ণুৰ মুখতো খিলখিলকৈ হাঁহি ওলাল। যিবিলাক দেৱতা অসুৰ অলপ দূৰে দূৰে আছিল, সিহঁতিও ওচৰ চাপি আহিল। গানটো যাতে আৰু অলপ বেছি জমে তাৰ বাবে মহিষে একোবত সাউংকে' গৈ টে'প ৰেকৰ্ডাৰত কেছেটটোও লগাই দি আহিল। এইবাৰ মিউজিকে-তিউজিকে পৰিবেশ বহুত বেছি গৰম হৈ গ'ল। চাই থাকোতেই চৰৰে মুড সলনি হৈ আহিল। মহিষৰ লগতে এটা-এটাকৈ

বাকীবোৰ অসুৰেও চকু-তকু মুদি একান্তমনে 'টেক্ ইট্ ইজি ' গাবলৈ ধৰিলে।

কেবল গোৱা আৰু নচাই নহয়, প্ৰভুদেবাৰ ষ্টাইলত মহিষে ৰাইজে দেখাকৈ মাজে-মাজে পিঠিটোও খজুৱাই থাকিল। তাৰ পিঠি খজুৱাৰ নমুনা দেখি ৰম্ভা-মেনকাৰ পৰা আৰম্ভ কৰি সীতা, দ্ৰৌপদী, হিডিম্বা, পুতনা, আটাইবোৰৰে পেটৰ নাড়ী ডাল-ডাল হ'ল।

গান-নাচ শেষ হোৱাৰ পিচত ভাগৰ লাগি অসুৰবোৰ বহিল। মহিষে সকলোৰে বাবে চৰ্বতৰ অৰ্ডাৰ দিলে।

চৰ্বতৰ গিলাছ হাতত লৈ উৰ্বশীয়ে বেছ ঠাণ্ডা মগজুৰে এইবাৰ মহিষক সুধিলে,-

- হেৰি নহয় মহি, এতিয়া তুমি সঁচাকৈয়ে কোৱাচোন,- ইমাননো কি ভাল পোৱা তাত?

- আচলতে কি জানা উৰ্বশী, গোটেই মৰ্ত্যখনেইযে ভাল লাগে, তেনে নহয়। তাৰ মাজতে কিছুমান জেগা আছে.. একদম ছিলেক্টেড সেইবিলাক কিন্তু সঁচাকৈয়ে খুব বঢ়িয়া বিৰ্ৰাট ভাল লাগে।

- যেনে?

- যেনে ধৰি লোৱা মোৰ আটাইতকৈ ফেভাৰিট জেগা হৈছে,- বন্ধপ্ৰদেশ।

- বন্ধপ্ৰদেশ!? - নামটো শুনি উৰ্বশীয়ে বিচুৰ্তি খালে।

- কিয়, আচৰিত হ'লাযে? তোমাৰ যেনেকৈ বেষ্ট ফেভাৰিট জেগা স্বৰ্গৰ অমৰাৱতী, মোৰ তেনেকৈ অসম। আই মিন বন্ধপ্ৰদেশ। ইয়াত বিচুৰ্তি খাব লগা কি আছে?

- কিন্তু

- হে'ৰা উৰ্বশী, এই 'কিন্তু' ডাল নলগাবাচোন ৰ'বা। শব্দটো শুনিলেই কিবা কুফা যেন লাগে।

- নহয়হে, নকৈনো কেনেকৈ? চবৰে মুখত কথাবিলাক শুনি থাকো কাৰণেহে!

- কি কথা শুনিছা তুমি!?

- চবেই আহি কয়, তোমাৰ সেই বন্ধপ্ৰদেশেই হেনো পৃথিৱীৰ আটাইতকৈ পিচ-পৰা আৰু ৰসাতলে যোৱা দেশ। আমিনো কি জানো! শুনিছো,- ঠাইখনৰ হেনো অৱস্থাই নাই। চাৰিওপিনে একদম যা-তা কণ্ডিছন।

- আচ্চৰিত। কেনেকুৱা 'যা-তা' বুলি শুনিছা বাৰু?

- এই ধৰা তাৰ আটাইবিলাক ৰাস্তা সাংঘাতিক ধৰণে ভগা-ছিগা। ক'তো কেনিও হেনো পকা ৰাস্তা নায়েই। কেৱল মস্ত-মস্ত গাঁত। পুখুৰী। কুঁৱা। দাঁত নিকটাই থকা শিলগুটি। যেনি-তেনি ওখ-ওখ স্পীড-ব্ৰে'কাৰ। ৰিক্সা, ঠেলা, গৰু, কুকুৰ। দিনটোৰ বেছিখিনি সময় কাৰেণ্টৰ টিকনিকে দেখিবলৈ নাই। সন্ধিয়াৰ পাছতেই

গোটেইখন আন্ধাৰ-মুন্ধাৰ। লাইট নজ্বলে। ফেন নুঘুৰে। ভাল চাফা খোৱা-পানী একণ পাবলৈ নাই। বজাৰত বস্তুৰ জুই-খুই দাম। গৰুৱেও নোখোৱা মাটি দাইল মানুহে কিনি খায় আঠত্ৰিছ টকা কিলোত। ‘ভোগালী বিহু'ৰ উৰুকাত ভোগবলীয়া অসমীয়াই এক কেজি পাভ মাছ কিনি খায় আঢ়েশ টকাত .

- আকৌ আমি শুনিছো,- এইবাৰ মেনকাই ক'লে,- দিছপুৰলৈ গৈ গৈ মানুহবোৰে হেনো লাখ-লাখ টকা দি চাকৰি কিনিব লাগে। ইপিনে বজাৰত মানুহো বিক্ৰী হয়। সৰু সৰু মানুহে কম-কম দামতে ডাঙৰ-ডাঙৰ মানুহবিলাক কিনি পেলায়। কিযে আচৰিত কথা।

- অঁ। বেছিখিনি মানুহৰে কপালত হেনো আজিকালি ফৰ্ ছে'ল অৰ্থাৎ বিক্ৰীৰ বাবে বুলি লিখাই থাকে। সেইমতে দাম-দৰ কৰি কিনি পেলালেই হ'ল। যিকোনো মানুহেই যাকে তাকে কিনি ল'ব পাৰে। অলপমান পইচাতেই ডাক্তৰ, ইঞ্জিনীয়াৰ, নেতা, মন্ত্ৰী, বৰ-বৰ আমোলা, বিষয়া চব বিক্ৰী হৈ যায় । এইবাৰ ৰম্ভায়ো আহি যোগ দিলে।

মহিষে কথাবিলাক শুনি বিচুৰ্তি খালে।

- ৰ'বাচোন ৰ'বা হে'ৰা সোনপাহীহঁত, এই ইমানবিলাক কথা ক'ত গম পালা তোমালোকে? মই প্ৰথমে সেইটোতহে আচৰিত হৈছো।

- পালো আৰু গম। কোৱা মানুহ আছে নহয় আমাকো!

- সেইটোতো বুজিলোৱেই বাৰু। তথাপি! ইম্‌মান ডিটেইল্‌চ গম পাই গ'লা তোমালোকে!!

উৰ্বশীয়ে এইবাৰ বুকু ফিন্দাই উত্তৰ দিলে,- শুনা মিষ্টাৰ মহিষাসুৰ, তুমি নেভাবিবা যে মৰ্ত্যৰ বাতৰি কেৱল তুমিহে জানা। খবৰ আমিও ৰাখোঁ, বুইছা?

- যেয়ে যেতিয়াই তালৈ যায়, প্ৰত্যেকেই আহি আমাক খবৰ দিয়ে। - মনিকাই ক'লে। - সিদিনা সেয়া নাৰদ কাকাই কাণত ধৰি আহিছে। মৰি গ'লেও হেনো আৰু তালৈ নেযায়। আমি সুধিলোঁ, কি হ'ল কোৱাচোন কাকা। ক'লে,- বাপ্পা ঐ, গোটেইখনতে মিলিটেৰিৰ কি ঘিটঘিটনি! কেৱল ধৰ্ষণ, বলাৎকাৰ, গুলীওৱা, মানুহ মৰা, সেইবোৰেই। তাৰ বাহিৰে যেন সিহঁতমখাৰ আৰু একো কামেই নাই। উস ৰাম, দেখি শুনি বিতৃষ্ণা লাগি গ'লগৈ।

- ইহ! কেৱল মিলিটেৰিয়েইহে নে? - ৰম্ভাই ক'লে,- ছিভিলিয়ানো সেই একেই। সেয়া কোনোবা ঠিকাদাৰ এটা, সি হেনো য'তে-ত'তে ধৰ্ষণেই কৰি ফুৰে। কোনোবা ছোৱালী এজনীয়ে কৰ্টত কে'ছ দিছিল। একো নহ'ল। চব ফুচ্‌ফাচ। দহ বছৰ তাক পুলিচে বিচাৰিয়েই নেপালে। ইফালে সি বোলে আৰু' এই দহ বছৰ পুলিচৰ ঘৰতেই সোমাই আছিল।

- পৰহি গুৱাহাটীৰ পৰা বান্ধৱী এজনীয়ে মোলৈ ফোন কৰিছে,- সিহঁতে

হেনো আজিকালি অনবৰতে বেগত কেঁচী এখনহে ৰাখে।

- কেঁচী?

- অঁ, কেঁচী। যিহে বোলে চাৰিওপিনে ধৰ্ষণকাৰীৰ টিঘিলঘিলনি, বিৰাট চোকা কেঁচী এখনৰ বাহিৰে আন বস্তুৰ একো কামেই নাই।

- কেৱল সেই ঠিকাদাৰটোৱেই নহয়, নেতা মন্ত্ৰী বিধায়ক,- কাৰো কোনো বিশ্বাস নাই। তেনেকুৱা দুই-এটা মন্ত্ৰীয়েইনে বিধায়কেই,- ক'ৰবাত ইতিমধ্যে বেয়াকৈ ধৰাও পৰিছে। সৌ সিদিনা ৰূপেটা নামৰ ঠাই এডোখৰত হেৰো মহা দগাবাজ এটাক পুলিচে যেনে-তেনে ধৰি নি জে'লত ভৰাইছেগৈ..

- আৰু তুমি আৰু' সাজি-কাচি তেনে এখন ঠাইলৈকে ওলাইছা,- পাৰ্মেনেন্টলি থাকিমগৈ বুলি! কিযে আচৰিত মানুহ।

উৰ্বশী, ৰম্ভা, মেনকাৰ গৰমা-গৰম কথাবোৰ কাণ পাতি শুনি লৈ মহিষে ক'লে,- ৰ'বাচোন, এটা কথা নহয়। গুৱাহাটীত যে তোমালোকৰ বান্ধবীজনী আছে, তাইৰ কথা বাৰু বেলেগ। তাই গাভৰু ছোৱালী, ধৰ্ষণকাৰীলৈ ভয় কৰিবই। সিহঁতে বেগত কেলেই কেঁচী লৈ ফুৰিছে, তাকো মই বুজিছো। কিন্তু মোৰ নিচিনা মতা মানুহ এটাৰতো ধৰ্ষণকাৰীক লৈ একো সমস্যা নাই। আছে জানো? সিহঁতৰ ভয়ত মই কিয় অসমলৈ নেযোৱাকৈ থাকিম?

- অকল ধৰ্ষণেই নহয় নহয়, আৰু বহুত কথা আছে। তাৰে দুই-এটা দেখোন অলৰে'ডি তোমাক কৈছোৱেই।

- ঠিক আছে। সেইবিলাক এটা-এটাকৈ ডিচ্‌কাচ কৰা যাব। আগতে এই ধৰ্ষণৰ টপিক্‌টো শেষ কৰি ল'বলৈ দিয়া। তোমালোকে নিশ্চয় নেজানা, কিমানবিলাক ডাঙৰ-ডাঙৰ মানুহৰ লগত সেই ঠিকাদাৰ জনৰ ভাল। কিমান বিখ্যাত বিখ্যাত মানুহে তেওঁক বিচাৰি ফুৰে। জানা জানো?

- ইঃ নেজানিলেহে পাৰিছে। - ঠেহ পতা ভংগীমাৰে মুখখন বেঁকা কৰি উৰ্বশীয়ে ক'লে। - আমাক কোনো দৰকাৰ নাই তেনেকুৱা এটা মানুহক কোনে বিচাৰি ফুৰিছে, কাৰ কাৰ লগত ভাল

- ওঁহো, দৰকাৰ নাই বুলিলেই নহ'ব নহয়। খবৰ ৰাখিলে মানুহে পুৰাকৈ ৰাখিব লাগে। আধা-খুন্দিয়া ইন্‌ফৰ্‌মেচন.. ভেৰি বেড। সেই ঠিকাদাৰজনৰ সৈতে কোনে কিমান ঘনিষ্ঠ হ'ব পাৰিছে, তাৰ বাবে গুৱাহাটীত মুধাফুটা মানুহ বিলাকৰ মাজত কি সাংঘাটিক কম্পিটিচন,- সেই খবৰটো তোমালোকে ৰখাই নাই। মহা-মহা মন্ত্ৰী, বিয়াগোম নেতা, ৰিটায়াৰ্ড দেশপ্ৰেমিক, ডাগৰৰা উগ্ৰপন্থী, প্ৰাক্তন আদৰ্শবাদী, মস্ত-মস্ত পুলিচ অফিচাৰ, ব'ম ব'ম বিষয়া, ধনী-ধনী ডাক্তৰ, ইঞ্জিনীয়াৰ, স্বনামধন্য শিল্পী, সাহিত্যিক, অপাৰ ক্ষমতাশালী মেজিষ্ট্ৰেট, এড্‌ভকেট, মেডিকেল কলেজৰ ছুপাৰিণ্টেণ্ডেণ্ট ...

# ঠেংচুই

মহিষে বুকু চুকু ফিন্দাই যিমানে নামবোৰ কৈ গ'ল, সিমানে উৰ্বশীয়ে আৰু বেছিকৈহে নাকটো কোঁচাই দিলে। পিচে কোঁচ-মোচ খালেও ধুনীয়া জোঙা নাকটো সুন্দৰ মুখখনত অকণো বেয়া নেলাগিল।

তামোল খাই পিক পেলোৱাৰ নিচিনা কৃত্ৰিম ভংগীমা এটা দি উৰ্বশীয়ে লাহেকৈ ক'লে,- ছি কটা। সেইসোপাৰ মুখত এনেকুৱা কৰিবলৈহে মন যায়। নিজৰ লাওখোলা, ঘিঁউ-মৌ বুলিবলৈ একোয়েই নাইনে সিহঁতৰ? ৰেপিষ্ট এটাৰ লগ বিচাৰি যে হাবাথুৰি খাই ফুৰিছেগৈ!

- পিচে এটা কথা, উৰ্বশী। এইমাত্ৰ এইযে তুমি থুই পেলোৱাৰ নিচিনা একটিং এটা কৰিলা, সেই কামটো কিন্তু এক্চুৰেলি, মানে ৰিয়েল লাইফত কেতিয়াও নকৰিবা।

- কিয়?

- কাৰণ, উৰ্বশী বুলিলেই এনেকুৱা এটা নাম, যাৰ মুখৰ সামান্য অকণমান থু আহাহা! মৰ্ত্যৰ মানুহৰ বাবে কিমান প্ৰেচিয়াচ, সেই কথা তুমি নিজে কি বুজিবা। তেনেবোৰ খবৰ আক' আমিহে ৰাখো। যাৰ মুখত ই পৰিব, সি নিজকে ওলোটাই ভাগ্যবান বুলিহে ভাবিব, গম পাইছানে নাই? তুমিযে আচলতে তাৰ মুখত খঙতে থুৱাইহে দিলা সেই কথা সি ইমাজিনেই কৰিব নোৱাৰিব।

মহিষৰ আওপকীয়া কমপ্লিমেণ্টটো পাই উৰ্বশীয়ে সামান্য লাজ-মিহলি হাঁহি এটা মাৰিলে। যিমান যি নহওক, ছোৱালী মানুহ। কোনোবাই ৰূপৰ প্ৰশংসা কৰিলে ভাল লাগিবই। সেইটো একো নতুন কথা নহয়। তেহেলৈ ৰূপহী গৰাকী ৰাক্ষসী হিড়িম্বাই হওক বা নাক-কটা শূৰ্পনখাই হওক!

হাঁহিৰ লগে-লগে উৰ্বশীৰ দুগালত দুটা ডিম্পল পৰিল। সেই দুটাই তাইক দেখিবলৈ আৰু বেছি ধুনীয়া কৰি পেলালে। তাকে দেখি মহিষাসুৰে গহীন হৈ ক'লে,-

- বুইছা উৰ্বশী, মৰ্ত্যৰ সেই মিলিটেৰিমখা, সেই ঠিকাদাৰটো, বা নেতা, মন্ত্ৰীবোৰৰ কথা বাদেই দিয়া। যিকোনো ভাল মানুহেও তোমাক দেখা মাত্ৰকে পিচে-পিচে খেদিলেহেঁতেন। শিৱক যেনেকৈ ভষ্মাসুৰে খেদি লৈ ফুৰিছিল, ঠিক তেনেকৈ মানুহৰ খেদাত তুমিও ৰক্ষা নেপালাহেঁতেন।

- হে'ৰা মিষ্টাৰ তুমি কাৰ লগত মোক কম্পেয়াৰ কৰিলাহে'? - অৰিজিনেল ভষ্মাসুৰে খঙেৰে সুধিলে।

- এ' আছে ৰ'বা, তুমি চিনি নোপোৱা। মৰ্ত্যত এনেকুৱা কিছুমান টপ্-ক্লাছ ভাগ্যবান মানুহ আছে, যি অনবৰতে কেৱল ঘিঁউ মৌবেই খাই থাকে। যি হাড়ে হিমজুৰে ফটুৱা, বদমাচ, ধুৰন্ধৰ,- অথচ দুনীয়াৰ চব ডাঙৰ মানুহ আহি তেনেকুৱাবোৰৰ ভৰিতেই পৰি থাকে। পিটিকলি পুলিচটোৰ পৰা আৰম্ভ কৰি দেশৰ প্ৰধান-মন্ত্ৰীলৈকে যাক প্ৰত্যেকেই প্ৰটেক্চন দিয়ে। প্ৰশাসনে আইন-আদালতৰ পৰা পলুৱাই ৰাখে। বে'ফিকিৰ চুৰি, ডকাইতি, লুট, মাৰৰ পৰা আৰম্ভ কৰি ধৰ্ষণলৈকে চব কৰি থাকে

অথচ কোনেও যাৰ নোম এডালো লৰাব নোবাৰে. ।

এতিয়া আমাৰ সেই ঠিকাদাৰ কাইটিলেকে চোৱা,- দহ বছৰ আগতেই হোষ্টেলত গৈ ছোৱালী এজনীক ৰে'প কৰি থৈ আহিল। আৰু খবৰটো ওলাইছে,- এতিয়া। ভাগ্য ভাল,- সিদিনা ডাঙৰীয়াই আকৌ এঘৰলৈ গৈ দুজনীক একেবাৰেই খতম কৰি থৈ আহিল। তাকে নকৰা হ'লে এতিয়াও খবৰটো যোৱা দহ বছৰে লুকাই থকাদি লুকায়েই থাকিলহেঁতেন।

আৰু তাতোকৈয়ো ইণ্টাৰেষ্টিং কি জানানে নাই? এতিয়া হাতে-লোটে ধৰা পৰাৰ পাচতো ককাইটিক পুলিচে থানাত বহুৱাই লৈ বেগুলাৰ চিকেন খুৱাই আছে। গাত টোপ এটাকে পৰিবলৈ দিয়া নাই। চিকেন খুৱাইছে, আইচ ক্ৰীম খুৱাইছে, ৰছমলাই খুৱাইছে .

- পুলিচ থানাত চিকেন? আইচ ক্ৰীম...? ৰছমলাই?? বাও... ! মৰ্ত্যত আজিকালি ধৰ্ষণকাৰীৰো ইমান ভাগ্যনে? চিৰি বিচু. ..। তেনেহ'লে তাত মাজে মাজে আমিও গৈ ধৰ্ষণ কৰিমগৈ .!! য়া-ক্-কু ..

ভস্মাসুৰৰ জিভাইদি হৰহৰকৈ পানী বৈ আহিল। যেন সৰুসুৰা এটা নায়েগাৰা ফলচ্হে!

'য়া-ক্-কু' শব্দটো ভস্মাসুৰে মহিষৰ ঘৰত বহি-বহি টিভি চিৰিয়েল 'চন্দ্ৰকান্তা'ৰ পৰা শিকিছিল। চন্দ্ৰকান্তাৰ অসুৰ এটাই অনবৰতে য়াক্কু য়াক্কু বুলি চিঞৰি থাকে। য়াক্কু মানেনো কি তাৰ অৰ্থ অৱশ্যে কোনেও নাজানে।

মহিষাসুৰে ক'লে,- কেৱল ধৰ্ষণকাৰীয়েই নহয়, মৰ্ত্যত সকলো অপৰাধীয়েই ভাগ্যবান। তাত গৈ তুমি গৰু ছাগলীক দানা খুওৱাৰ নামত কোটি-কোটি টকা লুটি দিয়া,- কোনেও নধৰে তোমাক! মিছাকৈয়ে গৰু ম'হৰ বাবে ঘাঁহৰ খেতি কৰিলো বুলি কোৱাঁ, পুখুৰী খান্দিলো বুলি কোৱাঁ, গৰু ছাগলীয়ে চাবৰ কাৰণে লাখ-লাখ টকাৰে হিন্দী চিনেমা আৰু জেনেৰেটৰ কিনা বুলি কোৱাঁ,- তোমাক কোনেও অবিশ্বাস নকৰে। বৰঞ্চ সকলোৱে তোমাৰ হাতে-পাৱেঁই ধৰিবহি।

আকৌ সেই কোটি-কোটি টকাৰে তুমি হোটেল সাজা, চিনেমা-হল বনোৱা, দুই-তিনিখনকৈ বাতৰি কাকতৰ মালিক হোৱা, হৈ তাৰে কেইকোটিমান টকাৰে বাচকবনীয়া দুজনমান সম্পাদক কিনা, সাংবাদিক কিনা, সাহিত্যিক পোহা, এদ'মমান গাড়ী-মটৰ কিনা, বিদেশ ফুৰিবলৈ যোৱা, মুঠতে যি মন যায় কৰি থাকা। একো প্ৰব্লেমেই নাই। আনকি মৰমেৰে পোহুপাল দি ৰখা সাংবাদিক কেইজনে যি পাৰে তোমাৰ সপক্ষেহে দুআষাৰ লিখিব। বিৰুদ্ধে ক'তো শব্দ এটাও নুওলা।

ভস্মাসুৰে অলপ সময় একান্ত মনে মূৰটো খজুৱালে। আৰু কিবা শব্দ দুটামান মনত পেলাবলৈ চেষ্টা কৰিলে।

- হে'ৰা, এসময়ত মৰ্ত্যৰ মানুহবোৰে যে খুবকৈ ইউজ কৰিছিল,- স্বৰ্ণ

কিছুমান,- কি আছিল? অঁ ৰ'বা মনত পৰিছে। বিবেক, বুদ্ধি, নৈতিকতা । কি হ'লহে সেইবোৰ? আজিকালি নাইনেকি?

- নাই নাই, সেইবোৰ আজিকালি উঠি গ'ল। শব্দবোৰৰ অবিহনে মৰ্ত্যৰ অভিধানখনেই মস্ত পাতল হৈ পৰিল।

উৰ্বশীয়ে চান্সটো পাই মহিষলৈ এবাৰ বেঁকাকৈ চাই ল'লে। আৰু ভষ্মাসুৰক উদ্দেশ্য কৰি ক'লে,-

- বিবেক, বুদ্ধি, নৈতিকতা সেইবোৰ থকা হ'লে তাত এনেকুৱা অৱস্থা নহলেহেঁতেন নহয় ভষ্ম! বাকীবোৰৰ কথা বাৰু বাদ। অন্ততঃ লিখা-মেলা কৰা মানুহখিনিয়ে লাজতে তলমুৰ কৰি, তেনেকুৱা এখন বাতৰিকাকতৰ পৰা ৰিজাইন দি ওলাই আহিলেহেঁতেন। হৰি হৰি, লুটৰ পইচাৰেই বোলে দুখনমান বাতৰিকাকত এতিয়াও চলি আছে।

শুনিবলৈ পাইছোঁ,- কোনোবা এখন কাকতৰ মালিকে ভুৱা এল'চিৰেই গোটেইখন লুটি-পুটি শেষ কৰি দিলে।

- এই এল'চিটো কি বস্তুহে' উৰ্বশী? - ভষ্মাসুৰে সুধিলে। - দুদিনমানৰ পৰা ৰবকৈ নাম শুনি আছো।

- এল'চি আচলতে কি বস্তু ময়ো ক'ব নোৱাৰিম ভষ্ম। মাত্ৰ ইমানেই জানো,- তাৰে কোটি-কোটি টকা মাৰি দিব পাৰি। ইচ্ছা কৰিলে বস্তা হিচাপত, ইচ্ছা কৰিলে কুইণ্টল হিচাপতো পাৰি। ইমানেই ভাল বস্তু।

ভষ্মাসুৰৰ বৰ লোভ লাগিল। মহিষৰ লগতে তাৰো মৰ্ত্যলৈ আহো-আহো যেন লাগি গ'ল।

- গুৱাহাটীৰ বান্ধৱীজনীয়ে এবাৰ চিঠিত লেখিছিল

উৰ্বশীয়ে কৈ গ'ল।

- বেছিখিনি মানুহৰে হেনো খাবলৈ নাই পিন্ধিবলৈ নাই, অথচ কোনোবা 'হতশ্ৰী' এটাই তিৰাল্লিশ কোটি টকাৰে হেলিকপ্টাৰ কিনে। বছৰি দুহেজাৰ কোটি টকাৰে মিলিটেৰি পোহে। এগাল-এগাল ব্ৰেককেট কমাণ্ডো পোহে। চিকিউৰিটিৰ নামত লোহাৰ দুৰ্গ সাজে। কাতিবিহুতো পঁইশবিধ জলপানেৰে বিৰাট পাৰ্টি দিয়ে।

মহা-মহা মন্ত্ৰীগণে কেৱল ভাষণ দিবলৈকে, আৰু ইটো-সিটো 'বিতৰণ' কৰিবলৈকে লাখ-লাখ টকাৰ পেণ্ডেল বনায়।

শুনিছো,- এতিয়া বোলে নিৰাপত্তাৰ নামত কেৱল বুলেট-প্ৰুফ জেকেটেই নহয়, ৰকেট-লাঞ্চাৰৰ ৰকেটেও ভেদ কৰি যাব নোৱাৰা বনিয়ন, আণ্ডাৰৱেৰ, পেটিকোট, মেখেলা.. ঘৰৰ চৌহদত প্ৰকাণ্ড বৰটোপ, টেংক, হেলিপেড.... সেইবোৰো ব্যৱস্থা হ'বগৈ।

ইপিনে খাবলৈ নোপোৱা কেটেংবোৰৰ টেটুফলা চিঞৰত গগণ ফাটিছে

# ঠেংচুই

ৰাস্তাৰ গাঁতত উজুটি খাই মানুহ মৰিছে। আলিবাটত শিলগুটি দুটামান পেলাবলৈয়ো ৰাজভৰালত পইচা নাই। ট্ৰেন্সফৰ্মাৰত লগাবলৈ তাঁৰ এডাল নাই। কৰ্মচাৰীক দিবলৈ দৰ্মহা নাই। পেঞ্চন নাই। তাৰ ওপৰতে আকৌ কিছুমানে লগাইছে,- গুণ্ডাকৰ!

- গুন্দাকৰ!? সেইটো আক' কেনে বস্তু?

- আছে। তেনেকুৱা এটাও খুব চলি আছে অসম মুলুকত। যাৰে মন যায় সিয়ে তুলিব পাৰে। চৰকাৰৰো চাপৰ্ট আছে। গুন্দাসকলে গুন্দাকৰ তুলি অ-গুন্দাবিলাকক নিজৰে পৰা ৰক্ষা কৰে!!

তাৰ উপৰিও আক' দেখিবা,- যিকোনো মানুহেই যেতিয়াই তেতিয়াই চান্দা তুলি ফুৰিছে। কোনো কথা নাই বতৰা নাই ৰছীদ-বহী এখন উলিয়াই দি ক'ব,- পইচা দে! একদম বেফিকিৰ দিন-ডকাইতি। পুলিচে গুণ্ডাৰ লগ লাগি বন্ধৰ দিনত দোকানৰ তলা ভাঙিছে। ৰাস্তালৈ টানি আনি ছাত্ৰৰ সন্মুখতে মাষ্টৰ পিটিছে। আঁঠু কঢ়াইছে .

এগালমানে বটল খাই দিনে-নিশাই মাতলামী কৰিছে। দুৰ্ঘোৰ অপৰাধীয়ে আইন, আদালত, চৰকাৰ, পুলিচক যুগ-যুগ ধৰি বুঢ়া আঙুলি দেখুৱাই আহিছে।

বিহাৰৰ পৰা হাতত ঘটি এটা লৈ অসমলৈ অহা দেচুৱালীয়ে দিচপুৰত পৰিবহন মন্ত্ৰী হৈ খুচিমত বাছৰ ভাড়া বঢ়াইছে।

সোণৰ অসম বনাব খোজা দেশপ্ৰেমিকসকলেও হেঁপাহ পলুৱাই নিজৰ-নিজৰ জেপতহে সোণবোৰ ভৰাইছে। আৰু তাকে আকৌ লিখা-মেলা কৰা কাৰণে কোনোবা বাতৰি-কাকতকেই চাই ল'ম বুলি ভাবুকি দিছে।

দুই টকীয়া মদাহীক কাণত ধৰাই আঁঠু কঢোৱা দুৰ্দ্ধৰ্ষ বিপ্লবীয়ে নিজেই মাল খাই নৰ্দমাত পৰি আছে। তিনি ইঞ্চিৰ আতৰে আতৰে মদৰ দোকান খুলিছে।

আক' সেইযে টেলিভিছন নামৰ আজৱ বস্তু এটা ওলাইছে, তাত সাজি-কাচি বহি লৈ 'বাতৰি' পঢ়াৰ নামত ভদ্ৰ ঘৰৰ জীয়ৰী বোৱাৰীয়েও যিহে মিছা কথাবোৰ ক'ব,– তুমি দেখিলে বিচুৰ্তি খাবা ভগ্মাসুৰ! সঁচা কথানো কি বস্তু সিহঁতে পাহৰিয়েই গ'ল।

আৰু অসমলৈ গৈ যেতিয়া তুমি এই আটাইবোৰ দেখিবা নহয়,– তোমাৰ চিচকেনৰ 'চ'টোও মনলৈ নাহে। মগজুৰ পৰা ছাগলী, মুৰ্গী সোপাই ওলাই লৰ মাৰিব। কেনেকৈ যে এই মানুহবোৰে ৰাজহাড় নোহোৱাকৈ থিয় হৈ আছে, ভাবি মই বিচুৰ্তি খাওঁ। আমাৰ আকৌ মহিষ ককাইটিয়ে বাছি বাছি সেইখন ঠাইহে বিচাৰি পালেগৈ!

– প্লীজ প্লীজ উৰ্বশী! অকণমান ক্ষান্ত হোৱাচোন।

একদম ঠাণ্ডা মগজুৰে মহিষাসুৰে ক'লে।

– প্লীজ টে'ক ইট ইজি। তুমি বহুত কথাই ক'লা। ময়ো বেছ মনপুতি শুনিলো। মষ্ট প্ৰবেবলি তোমাৰ গুৱাহাটীৰ বান্ধৱীজনীয়েই তোমাক বেছিখিনি খবৰ দিছে। কিন্তু তেওঁ প্ৰতিটো কথাতেই কেৱল বেয়া চাইড্‌টোহে কিয় ক'কাচ কৰিছে মই

বুজি পোৱা নাই। কথাবোৰ যিধৰণে বুজিছা আচলতে তেনেকুৱা নহয়। ইয়াত ভুল ধাৰণাই সৰহ।

চোৱা। এই অসম নামৰ ঠাইখন পৰমপিতা পৰমেশ্বৰে, ব্ৰহ্মা-বিষ্ণু মহেশ্বৰে, বা আমাৰ দেৱতাসকলে কেনেকুৱা পায় মই নাজানো। তোমালোকেনো কেনে পাবা তাকো মই ক'ব নোৱাৰো। কিন্তু আমাৰ নিচিনা অসুৰবিলাকৰ বাবে সেইখন এখন ফেণ্টাষ্টিক জেগা। ফৰ অল অফ আচ ডেট্চ এন ৰণ্ডাৰফুল প্লে'চ। সেই কথা মই তোমাক বুকু ডাঠ কৰি ক'ব পাৰো।

তুমি ইমানপৰে যিবিলাক মানুহৰ কথা অতিপাত বেয়াকৈয়ে ক'লা,— তেওঁলোকৰ প্ৰত্যেকজনেই তাত একো-একোজন অতি নমস্য ব্যক্তি। সকলো ৰাইজেই তেওঁলোকক শ্ৰদ্ধা কৰে।

সন্মান কৰে। ভাল পায়।

তেওঁলোকৰ কোনোবা যদি ইলেক্চনত উঠে, ৰাইজে অতি আগ্ৰহেৰে তেনেজনক উপযাচি গৈ নিজৰ বহুমূলীয়া ভোটটো দি আহে।

তেওঁলোকক যদি তুমি বেয়া বুলি কোৱা, তাত মানুহে তোমাৰ ঠেং ভাঙি দিব। নেলু মুচৰি পেলাব।

অতি ভাগ্যবান সকলেহে তাত জন্মগ্ৰহণ কৰিবলৈ সুযোগ পায়, সেই কথা তুমি জানানে? যাৰ কপাল বেয়া তেনে মানুহে আমেৰিকা, জাপান, জাৰ্মেনী আদি ঠাইত গৈ উপজিব লগা হয়। কেইবাটাও জনমৰ পূণ্যৰ ফলতহে মানুহ অসমত ওপজে। ঈশ্বৰক সুধি চাবাচোন,— কথাটো হয়নে নহয়।

কেতিয়াবা গ'লে নিজ চকুৰেই দেখিবা,— অসমখন কেনে বঢ়িয়া ঠাই! তাত আমাৰ দৰে অসুৰৰ সাত খুন মাফ। খুন কৰা, ডকাইতি কৰা, বস্তাই বস্তাই ৰাজহুৱা টকাবোৰ পকেটত ভৰাই থাকা। যি খুচি!

ন' পানিছমেণ্ট। ন' জে'ল।

ইভ্ন পুলিচেও ওলোটাই চালামহে ঠুকে! থানাত নি চিকেন খুৱায়। বৰ বৰ নেতা মন্ত্ৰীয়ে আমাৰ পিচে-পিচে দৌৰি ফুৰে। চান্স পালেই হাত-ভৰি পিটিকি দিয়ে। তপিনাই-গোৰোহাই কেৱল চুমাকেই খাই থাকে। চেলেকে। মোহাৰে

ব্ৰেণ্ডী, হুইস্কি, চুলাই, লাওপানীৰ নিজেই যোগান ধৰে।

বেমাৰ-আজাৰ নাথাকিলেও আমি তৎক্ষণাৎ চৰকাৰী হস্পিটেলত পেয়িং কেবিন পাই যাওঁ। একদম ৰ'বলৈকে নাই।

আদালতৰ পৰা সাৰিবলৈ পুলিচেই নি আমাক তাত ভৰাই দিয়ে। স্বয়ং মেডিকেল কলেজৰ চুপাৰিণটেণ্ডেণ্টে বেমাৰীক গতিয়াই উলিয়াই দি হ'লেও আমাৰ বাবে কেবিন খালী কৰি দিয়ে।

ডাঙৰ ডাঙৰ ডাক্তৰে কিচনা পাৰি দিয়েহি। আঠুৱা খুচি দিয়েহি। বিৰাট বিৰাট

পুলিচ অফিচাৰে চৌবিছ ঘণ্টাই খবৰ লৈ থাকেহি।

কিন্তু ইমানবোৰ সন্মান, শ্ৰদ্ধা, ভক্তি, অতবোৰ সুযোগ, সুবিধা পাবলৈ আমি কি কৰিব লাগে জানা?

একোৱেই নালাগে। পঢ়া-শুনা নালাগে। পাণ্ডিত্য নালাগে। ভাল চাকৰি নালাগে। কেৰিয়াৰ বা ৰেপুটেছন নালাগে। এক্সপেৰিয়েন্স নালাগে। মাত্ৰ ঠগবাজী, ফাংফুং, ভুৱা, অভিনয়, হত্যা, ধৰ্ষণ, জাল, জুৱাচুৰি, লম্পটামি, লুটপাত, প্ৰবঞ্চনা, মাৰপিট

বচ্। সিমানেই। সিমানখিনি কৰিব পাৰিলেই সমস্ত সংসাৰ ভৰিৰ তলত।

আচলতে কি জানা উৰ্বশী? অসম নামৰ ঠাইটুকুৰাক দেৱতা, অসুৰ, মানুহ,- - সকলোৱেই এটা সোণৰ খনি বুলিয়েই ভাবে। আজিকালি টকা ঘটিবলৈ মিড্‌ল ইষ্ট, আৰব, ইৰাক, ইৰাণ,— এইবিলাকলৈ কোনো নাযায়।

আটাইবোৰৰে একমাত্ৰ এইম,— আমাৰ অসম মুলুক। তাত দুবছৰো যদি থাকি আহোঁগৈ,- বচ। গোটেই জীৱনটোলৈকে আৰু চিন্তা নাই। মদে মাংসেই, বাৰীয়ে ঘৰে, গাড়ীয়ে মটৰে, চৈধ্য পুৰুষ,- তোমাৰ,- মজাৰচে চলি থাকিব।

মই বেছি কথা নকওঁ উৰ্বশী। পাৰা যদি তুমিও এবাৰ আহি যোৱা। আহি পাই লাগিলে গুৱাহাটীৰ ফ্ৰেণ্ডজনীৰ ঘৰতেই এসপ্তাহমান থাকা। চাওঁ বুলিলে ভাল বিলাক তাত নিজেই দেখিবা।

মহিষে কথা কৈ থকাতে থাকিল। উচাৎ মাৰি ৰম্ভা, মেনকা, উৰ্বশী, তিলোত্তমা, গোটেইকেজনী ভিতৰলৈ উঠি গুছি গ'ল। ভিতৰত মিছে মহিষাসুৰে ইতিমধ্যে টিভিটো লগাই দিছিলেই। আটাইকেজনীয়ে হাতত ডালমুটৰ টেমা লৈ সুৰসুৰকৈ তাত বহিলেগৈ।

এইপিনে অসুৰমথাই মহিষক হেঁচা মাৰি ধৰিলে।

- মহিষদা, এইবাৰ আমিও যাম আপোনাৰ লগত। অসম ইমান ভাল বুলি আমি আগতে গমেই পোৱা নাছিলো। গম পোৱা হ'লে কাহানিবাতেই গুছি গ'লোহেঁতেন। লগতে নিবনে আমাক?

- অঁ। ওলা আকৌ।

মহিষে ফুচফুচাই কোবাদি ক'লে।

- তাত কি-য্-যে মজা নহয়, তহঁতে গ'লে আৰু বেছি ভালদৰে গম পাবি। যি মন যায় তাকেই কৰি থাকিব পাৰিবি। কোনেও তহঁতক একো দিগদাৰী নকৰে। আইন, আদালত, পুলিচ, চৰকাৰ,— চব আমাৰ ফালে।

আৰু যিবোৰ প্ৰজা আছে সিহঁত আমাৰ কুম্ভকৰ্ণতকৈয়ো চাৰ। চৌবিছ ঘণ্টা কেৱল শুয়েই থাকে। সিহঁতৰ নাকৰ ঘৰ্ঘৰণি শব্দটোৱেই যি একমাত্ৰ ডিষ্টাৰ্বেন্স। বাকী আৰামেই আৰাম. ...

# ঠেংচুই

-- হেৰি নহয় মহিষদা, প্ৰথম গৈয়ে আমি থকা জাগা, খাদ্যবস্তু, আৰু বিশেষকৈ এইযে টকা-পইচা বোলা বস্তুটো,— সেইবোৰ পিছে ক'ত পাম? চলিবলৈ আৰম্ভণিতে অলপমান নালাগিব জানো?

— ধেৎ তেৰি! ..

মহিষৰ হাঁহিও উঠিল, আৰু কথাটো শুনি সমানে খঙো উঠি গ'ল।

— ইমান পৰেনো মই কিখন গালো-বালো অ'? চব খোলাকটিৰ তাল কৰি দিলি। তাত গৈ টকা ঘটিবলৈ কিমান সময় লাগিছে? নিশাটোৰ ভিতৰতে কোটিপতি হৈ যাবি। এক্কেবাৰে ইজি উপায় আছে।

— দুই এটা কওকনা।

— এই ধৰি ল,— চৰকাৰী অফিচ এটাত গৈ ভুৱা বিল এখন চাব্মিট কৰি দিলি। বচ। কেই কোটি টকা লাগে, ফটাফৎ বেংকৰ পৰা উলিযাই লৈ গুছি আহ। তাৰে পাৰ্চেণ্টেজ যাক যি লাগে দি দিলি, বাকীখিনি নিজৰ হৈ গ'ল।

নতুবা ৰছীদ বহী এখন বনাই লৈ দোকানে দোকানে চান্দা তুলি ফুৰ্। বিহু সন্মিলন পাত্। দুৰ্গা পূজা পাত্। পুতলা পিষ্টল এটা লৈ মাৰোৱাৰীৰ পিঠিত লগাই দে। নহ'লে টেলিফোনত টকা খোজ্।

অ'এন্জিচিত গৈ অফিচাৰক দম্ দে। ৰাতিটোৰ ভিতৰতে ছাপ্লায়াৰ হ। মন্ত্ৰীৰ লগত হলিগলি কৰ্। কিবা ফাংচন তাংচনৰ নামত, পেগুলৰ নামত, তেনেকৈয়ো কেইকোটিমান ঘট্। দুই-তিনিহেজাৰ টকাৰ কাম কৰি দহ কোটিৰ বিল বনাবলৈ শিক্।

আৰু একোৱেই যদি কৰিব নোৱাৰ তেতিয়াও উপায় আছে। ৰিটায়াৰ্ড উগ্ৰপন্থী বুলি ছাৰেণ্ডাৰ কৰি দে। লগে লগেই পাই যাবি দুই লাখমান টকা, দুখনমান গাড়ী, মদৰ দোকান, লাইচেন্স, পাৰ্মিট, ছোৱালী, বিনামূলীয়া ৰভা, সংৰক্ষিত বনাঞ্চল, কোটি-টকীয়া কাঠৰ কুন্দা, বাছ, ট্ৰাক, বিক্ৰম, টাভেৰা, বলেৰ', স্কৰপিঅ'.

এনেকুৱা ঢে'ৰ কিবাকিবি পাবি। লগতে পাবি এটা বন্দুক। গুণ্ডামি কৰাৰ, য'তে-ত'তে যাকে-তাকে ভাবুকি দিয়াৰ অফিছিয়েল পাৰ্মিছন.

হেৰৌ, তাত টকাৰ কি অভাব? কোনেও কোটিৰ তলত কথাই নাপাতে। শ, হাজাৰ, লাখ,— সেইবোৰ উঠিয়ে গ'ল। ব্ৰীফ কে'ছত যিকোনো মানুহেই হিন্দী চিনেমাৰ ষ্টাইলত বান্দোলে বান্দোলে টকা লৈ ফুৰে। তইতেও ইচ্ছা কৰিলে ছমাহে বছৰেকে ছয়-সাতশ কোটি আৰামত ঘটি থাকিব পাৰিবি। বুজি পাইছ?

টকা-পইচাৰ হিচাপ, আৰু অংক শুনিয়েই কোনোবা দুটামান অসুৰৰ মুৰ ঘুৰাই গ'ল। কেইবাটাও চকুৰ পচাৰতে ধুম্-ধুম্কৈ লুটি খাই পৰিল।

আন কেইটামানে আহি সেইকেইটাক তুলি দিলে। চকুৱে মুখে পানী ঢালিলে। তেল-টেঙা সানিলে. .

মহিষে সুধিলে,— ঐ, কি হ'ল অ' তইতকেইটাৰ? কথা নাই বতৰা নাই,- সৰি-

# ঠেংচুই

সৰি পৰিলি দেখোন।

-- জানো,- কি হৈ গ'ল! মৰ্ত্যৰ কথাবিলাক শুনি শুনি মোৰ নিজকে দেখোন কিবা পাগল পাগলহে লাগিছে। কথা শুনিয়েই এই অৱস্থা। তালৈ যোৱাৰ পিচত বা কি হয় !!

- হাঃ হাঃ হাঃ হাঃ ..

মহিষে প্ৰচণ্ড জোৰেৰে হাঁহিবলৈ ধৰিলে।

-- ঐ গৰুহঁত! মই যি দেখিছোঁ, -- তালৈ গ'লে তহঁতসোপা সঁচাকৈয়ে বলীয়া হৈ যাবি! মইতো কিছুমান কথা তহঁতৰ আগত কোৱাই নাই। তাত অনবৰতে কেৱল বন্ধই বন্ধ। বছৰটোৰ ভিতৰত কমেও তিনিশ দিন স্কুল, কলেজ, অফিচ, কেছাৰী, চব বন্ধ হৈ থাকে। মাহটোৰে প্ৰতি মিনিমাম ছয়-সাতটাকৈ উৎসৱ। বিছটামান অসম-বন্ধ। কেৱল খাব লাগে, শুব লাগে, আৰু ফুৰ্তি কৰিব লাগে। ক'তো কোনেও একো কাম কৰাৰ দৰকাৰ নাই। বহি বহিয়েই দৰ্মহা। বিনা কষ্টতেই শকত শকত উপাৰ্জন।

- অ' মহিষদা, সঁচাকৈ বলীয়া হৈ যাম দেই! আৰু একো ন'কব আপুনি। ইমানেই আতিছেগৈ. !

- বাৰু যি হব, হ'বি। এতিয়া ওলাগৈ যা। আমাৰ যাবৰ হ'লেই নহয়, গম পাইছ নে নাই? পূজালৈ মাত্ৰ দুদিনহে আছে। পৰহিলৈকে ষষ্ঠী নহয় জানো?

কথা শুনি গোটেই অসুৰজাকে নাচিবলৈ ধৰিলে। দুটামানে মহিষক বেঢ়ি ধৰি থিয়ৈ থিয়ৈ জপিয়ালে। সিহঁতৰ মুখেৰে হি-হি, হু-হু, য়াস-য়াস, য়াক্কু আদি আসুৰিক শব্দবোৰ অট'মেটিক ওলাই আহিল।

হুলস্থুলত থাকিব নোৱাৰিয়েই হ'ব পায়, উৰ্বশী টিভিৰ ওচৰৰ পৰা উঠি আহি আকৌ আগৰ ঠাইত উপস্থিত হ'ল। অসুৰহঁতৰ নিচেই ওচৰলৈ আহি তেওঁ খঙেৰে সিহঁতৰ পিনে চাই পঠিয়ালে।

এইবাৰ পিচে উৰ্বশীয়ে চাবলৈহে পালে, অসুৰ বাহিনীক আৰু পায় কোনে? সিহঁতে সমস্বৰে আকৌ গাবলৈ আৰম্ভ কৰি দিলে,-

... উৰ্বশী
উৰ্বশী
টে'ক ইট ইজি উৰ্বশী ..

অৰ্থাৎ গানৰ মিনিংটো এনেকুৱা,-- হে' উৰ্বশী, তুমি অ-ক্-ক-নমান ক্ষান্ত হোৱাচোন! হৈ তাৰ পিচত তোমাৰ মুৰটো ঠাণ্ডা কৰা। কথাবোৰ সহজ ভাবে লোৱা। ক'ৰবালৈ আমাৰ যাবৰ মন গৈছে, যাম। তুমি কিয় মাজতে সোমাই টেপেৰ টেপেৰ কৰিছা? অসম নামৰ ঠাইডোখৰ বহুতৰে মুখত ভাল বুলি শুনিছোঁ কাৰণেহে আমি আটাইবোৰে মিলি তালৈ যাবলৈ ওলাইছোঁ। সেইটো কথাত তুমি বেয়া পোৱাৰ কোনো

কাৰণেই আমি দেখা পোৱা নাই নহয় ।

যোৱাচোন। এতিয়া তুমিও যোৱা। টিভি চিৰিয়েল এখনকে ভালদৰে মন পুতি চোৱাগৈ। কাহানী ঘৰ-ঘৰ কী আছে, চাঁহুভী কভী বহু থী আছে, অমিতাভ বচ্চনৰ কৌন বনেগা কড়োৰপতি আছে । যোৱা, চোৱাগৈ,- খুব ভাল লাগিব। ইযাত আৰু মিছাতে গোলমালখন লগাই নাথাকিবা .

নাচ আৰু গানে বহুত সময়লৈকে অসুৰ ৰাজ্য তালফাল লগাই থাকিল। পিচৰফালে আটাইতকৈ বেছি বাজিল 'ধুম মচালে ধুম মচালে' গানটো। সেইটোৰ লগত ষ্টেপ মিলাই তাল মিলাই অসুৰহঁতে নাচিও ভাল পালে। নাচি নাচি আটাইগাল ভাগৰি গ'লগৈ। ঘামি-জামি প্ৰত্যেকৰে অৱস্থা.নোহোৱা হ'ল।

পিচদিনা ৰাতিপুৱাই দলে-বলে মহিষাসুৰ অসমলৈ বুলি ওলাল।

আৰু,–

পুজাৰ বতৰত গোটেই অসম মুলুক ওৰফে বন্ধপ্ৰদেশ নামৰ প্ৰদেশখন হেজাৰ-বিজাৰ অসুৰেৰে ভৰি পৰিল।

# লাডেন

টেপুনগৰ আঞ্চলিক বিহু সন্মিলনৰ সভাপতি শ্ৰী টেপুৰাম কেওঁটৰ খুপৰিলৈ হঠাৎ এটা টেৰিফিক আইডিয়া আহি গ'ল। আৰু আইডিয়াটো আহিল কি নাহিল, তেখেতে ইম্মিডিয়েৎ এক্‌চ্‌প্ৰেছেই কৰি দিলে।

— হে'ৰা ... আমাৰ বিহুখনলৈ এইবাৰ কোনোবা এজন খুব ফেমাচ, বিশ্ববিখ্যাত মানুহক মুখ্য অতিথি কৰি লৈ আহিব নোৱাৰিনে? সদায়নো একেবোৰকে আৰু কিমান মাতি থাকিবা? লোকেলবিলাক দেখি দেখি আমনি লাগি গৈছেগে।

সভাপতিৰ সকলো কথাতে চেক্ৰেটেৰিৰ ফুল চাপ'ৰ্ট। তাৰ কাৰণ কেইবাটাও। মেইনটো হৈছে,- এগ্ৰিমেণ্ট। বিহুৰ নামত যিখিনি ইনকাম হ'ব দুয়োৰে মাজত ফিফ্‌টি ফিফ্‌টি। গতিকে তেওঁ আনে মতাৰ আগতেই তপৰকৈ মাত লগালে,— 'আইডিয়াটো বঢ়িয়া। এইবাৰ সাংঘাটিক কোনোবা এজনক লৈ আহিব লাগে। গোটেই অসমত আটাইবোৰৰে চকু ঠিয় হৈ যোৱাকৈ। কওক,- কাক মাতিম??'

- বুশ্ব নাইবা লাডেন।

- 'লাডেন . লাডেন.. .' চাৰিওপিনে চৰেই চিএৰ-বাখৰ লগাই দিলে। 'লাডেনহে বেছি জমিব। যেনে-তেনে তেওঁকেই আনিব লাগে।

গতিকে একপ্ৰকাৰ সৰ্বসম্মতিক্ৰমেই ঠিক হ'ল যে এইবাৰৰ বিহু সন্মিলনলৈ বিশিষ্ট অতিথি হিচাপে লাডেন আহিব। সৰ্বকালৰ মহাবীৰ মহামতি ওচামা বিন লাডেন।

দুজনমান অত্যুৎসাহীয়ে ক'লে,- কেবল বিশিষ্ট অতিথিয়েই নহয়, তেখেতকে সভাপতি, নিৰ্দ্দিষ্ট বক্তা, সাংস্কৃতিৰ সন্ধিয়াৰ উদ্বোধক. .. আটাইবিলাক দায়িত্ব দিয়া উচিত। ইমান দূৰ ৰাস্তা এবাৰ বাটকুৰি বাই আহিবই যেতিয়া ..

- আৰু তেওঁ অহা মানেই পিছে-পিছে মুখ্যমন্ত্ৰী, ৰাজ্যপাল,- সেইসকলো আহি ওলাব। বচ, আৰু কোনে পায়? একদম গাধীবতে মহৰ খুটি।

- কি...ন্তু .. তেখেতক বিচাৰি পাব ক'ত? ইমানখন কাও কৰিও বুশ্বে টিকণিডালকে উলিয়াব নোৱাৰিলে ....

- পাৰিম, পাৰিম। বুশ্বে নোৱাৰিলে, কি হ'ল? আমি জবৰ বিচাৰি উলিয়াম।

- কেনেকৈ?

- একদম সহজ। সেইযে বাতৰি-কাকতৰ সম্পাদকজন,- তেওঁক লগত লৈ

ল'ম। বচ। চি-ই-ধা নি কোনোবা এটা গুহাত উলিয়াই দিবগৈ।

- আইডিয়া। তেওঁতো পুতুক-পুতুক গৈয়ে থাকে।

- তেনেহলে বৈ থাকিবলৈ নায়েই আৰু, আজি ৰাতিৰ গাড়ীত মই গ'লো বুলিয়ে ধৰা

কোষাধ্যক্ষৰ পৰা টকা দুই লাখ লৈ টেপুৰাম ককাইটি ইম্মিডিয়েৎ সেইদিনাই ৰাতিৰ গাড়ীত উঠি দিলে। প্ৰথমে গুৱাহাটী। তাৰপৰা বাকীখিনি ৰে'লত। ৰে'ল নহ'লে প্লে'নত। বা উটত। বা ঘোঁৰাত। মুঠতে বাই এনি মিন্‌চ,- লক্ষ্যস্থান আফগানিস্থান।

যথাসময়ত তেওঁ গৈ লাডেনৰ কাষত উপস্থিত হ'ল।

— চালাম আলেইকুম। হম হেয় টেপুৰাম। আয়া হুঁ বন্ধপ্ৰদেশচে।

— আচ্ছা। - লাডেনে সুধিলে,- টেপুৰামজী, আপুনি কোন ঠাইৰ পৰা অহা বুলি ক'লে?

— বন্ধপ্ৰদেশ। আগতে যাৰ নাম আছিল অসম। আপুনিতো কেইজনমানক চিনিয়ে পায়।

— ওঁ পাওঁ। কিন্তু 'অসম',— এই ইমান ধুনীয়া নামটো আপোনালোকে কিয় সলনি কৰিলে?

- এইযে প্ৰদেশখন কথা নাই বতৰা নাই অনবৰতে বন্ধই হৈ থাকে,- সেইকাৰণেই বন্ধপ্ৰদেশ। অৰ্থটো খুব বেছি খাপ খোৱা হয়। তদুপৰি উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ,- এইবিলাকৰ লগতো মিলি যায়। এজ-এ'-হ'ল গোটেই বস্তুটো ইণ্ডিয়ান মেইন ষ্ট্ৰিমত গুছি আছে কাৰণে শুনি বা কৈ ভালো লাগে

— বঢ়িয়া। পিছে আপোনালোকৰ বন্ধপ্ৰদেশ বৰ্তমান বন্ধ নে খোলা?

— ইঃ সেইটো আৰু সুধিব লাগেনে? সম্পূৰ্ণ বন্ধ। তাকো মিনিমাম এসপ্তাহলৈ।

— এইটোনো কিহৰ বন্ধ?

- অসমীয়া জাতিৰ বাপতি সাহোন। হিয়াৰ আমঠু। যিটো কোনোপধ্যেই নাপাতি থাকিব নোৱাৰি,- সেইটো।

- অ' আই। সেইটোনো কি?

- বিহু। তাকো একেবাৰে মেইনটো। মানে ৰঙালী বিহু।

— কি কি হয় বিহুত, কওকচোন? হাউ ইউ চেলিব্ৰেট?

— এই ধৰি লওক প্ৰথমেই এখন বিহু সন্মিলন। যিমান ডাঙৰকৈ পাতিব পাৰিব সিমানেই আপুনি সাংঘাটিক আৰু আচল অসমীয়া মানুহ। বিধে বিধে নৃত্য, গীত, বহুৰি, কৌতুক । এখন বি-ব-ৰাট সাংস্কৃতিক সমাৰোহ। হৰেক ৰকমৰ আৰ্টিষ্ট। বিধে বিধে খানা, বিধে বিধে পিনা। আমাৰ ভাত.. তাৰ মানে ছাৰ.... যিটো বিহু ভেল হয় নহয়... টেৰিফিক. বি-ব-ৰ-ৰাট ছেক্সি। বাহিৰৰ মানুহে দেখিব লাগিলে একদম পাগল হৈ যাব।

— আচ্ছা। হয়নেকি?

— হয় হয়। — এইবাৰ দুগুণ উৎসাহেৰে ককাইটিয়ে আৰম্ভ কৰিলে,— কেৱল ডালেই নহয়, লিৰিক্‌চ বিলাক তাতোকৈয়ো হেস্থি। অ' চেনাই তোক নাপালে এক চেকেণ্ডো থাকিব নোৱাৰো.... যৌৱনে পিৰপিৰায়, দেহাটো চটফটায়... মাখি হৈ পৰিমগৈ ওঁঠত... চব এই টাইপৰ গান।

— চহৰৰ এৰিষ্টক্ৰেট মানুহবিলাকেও এইদৰেই গায়নেকি?

— নাই, নাগায়। কিন্তু এনজয় কৰে। একচুৰেলি এইবিলাক ফুৰ্ত্তি একালত গাওঁৰ ল'ৰা-ছোৱালীবোৰে কৰিছিল। নদীৰ পাৰত। ধাননিত। পথাৰত। গছৰ তলত। হাবিৰ মাজত। এইবোৰ গাই-গাই ল'ৰাই ছোৱালী পতাইছিল। মন-পচন্দ লাভাৰক লৈ বিহুৰ বতৰতে ক'ৰবালৈ ফুটি দিছিল।

— ফুটি দিছিল?

— মানে পলাই গৈছিল। গৈ দুবছৰতে তিনিটা কেচুৱাৰ বাপেক হৈছিল।

— আৰু এতিয়া?

— এতিয়া টাউনৰ মানুহবোৰে তাকে আনি ষ্টেজত উঠালেহি। বিহুলৈ দুই-তিনিমাহ থাকোতেই তেওঁলোক চুবুৰীয়ে-চুবুৰীয়ে গোট খায়। আগৰ বাৰৰ মানুহখিনিৰ মাজত টকা-পইচা, হিচাপ-নিকাচ, আৰু প'ৰ্টফলিঅ' লৈ প্ৰচণ্ড 'হয়ে' এটা হয়। হোৱাৰ পাছত তেওঁলোকে ভাগ-ভাগ হৈ মিটিং পাতে। নিজৰ ভিতৰতে নতুনকৈ সভাপতি, সম্পাদক আৰু কোষাধ্যক্ষ নিৰ্বাচিত কৰে। হাজাৰ-হাজাৰ, লাখ-লাখ, কোটি-কোটি টকাৰ চান্দা তোলে। প্ৰত্যেকেই প্ৰকাণ্ড-প্ৰকাণ্ড পেণ্ডেল সাজে। তাতে বিহু-বলীয়া বাইজে দিনে-ৰাতিয়ে বিহু মাৰি থাকে।

— কেৱল বিহুৰ দুদিনহে বিহু মাৰে চাগে'?

— আপোনাক বিহু দুদিন বুলি কোনে ক'লে?

— শুনিছিলো।

— ক'ত শুনিছিল?

— কোনে জানো কৈছিল। কিয়,— গৰু বিহু আৰু মানুহ বিহু. বিহু এই দুদিনেই নহয় জানো?

টেপুৰামৰ 'বৰা জোৰ' হাঁহি উঠি গ'ল।

— হিঃ হিঃ হিঃ। কোনে কৈছে? একদম নহয়। বিহু বুলিলে কমেও চ'তৰ পৰা আৰম্ভ কৰি এট্‌লিষ্ট জেঠলৈকে,— মিনিমাম দুমাহ। কেতিয়াবাতো শাওণো পাই যায়গৈ।

লাডেনে বিচুৰ্তি খালে। ইমান দীঘলীয়াকৈ এটা বস্তু হ'ব পাৰেনে? বিহুৱেই হওক বা যিয়েই.... চ'তৰ পৰা শাওণলৈকে. . বাপ্পা ঐ, ধেমালি নহয় দেই! মানুহবোৰৰ ভাগৰ লাগি নাযায়গৈনে?

— নাই, নালাগে। বিহু বুলিলেই অফুৰন্ত স্পিৰিট। সকলো পকৰে।

— সকলো পক্ক মানে?

# ঠেংচুই

— এই ধৰি লওক,- প্ৰথম পক্ষ যেনিবা উদ্যোক্তাসকল। তেওঁলোকৰ বাবে মেইন কথা,— ইন্‌কামটো। উপাৰ্জন যিহেতু খুবেই ভাল, গতিকে ভাগৰ লগাৰ প্ৰশ্নই নুঠে। যিমানে ডাঙৰ-চাঙৰকৈ, দীঘলীয়াকৈ, আহল-বহলকৈ বিহুটো পাতিব পাৰি সিমানেই লাভ। ইণ্টাৰ-চুবুৰী বুলি কম্পিটিছনৰ কথা এটাও আছে।

- কম্পিটিছন!? বিয়েলি ?

- অব্ কৰ্ছ ! আজিকালি সকলোতেই ফালাফালি কম্পিটিছন।

- আৰু দুই নম্বৰত? মানে দ্বিতীয় পক্ষ?

— শিল্পীসকল। বঙ্কপ্ৰদেশৰ কমেও চাৰি-পাঁচশ শিল্পীয়ে গোটেই বছৰ বিহুটোলৈকে বুলি বাট চাই থাকে। চ'ত সোমোৱাৰ লগে-লগেই তেওঁলোক বৰ্তমান কোন ক'ত আছে, নিজৰ-নিজৰ টেলিফোন নম্বৰ, কাৰ লগত এগ্ৰিমেণ্ট কৰিব লাগিব, সেই সকলো কথা বিতংকৈ জনাই বাতৰি-কাকতত বিজ্ঞাপন দিয়ে। নতুন বছৰৰ বাবে নতুন-নতুন ৰে'ট ফিক্স কৰে। তাৰ পিচত ভ্ৰাম্যমান থিয়েটাৰৰ দৰে নন-ষ্টপ অল-আছামত গান গাই ফুৰে।

— হাজৰিকাদ্দাও নেকি?

— উৰা! বিহুৰ কেইদিন দাদা অসমত নাথাকিলে কেনেকৈ হ'ব? কিমানে গান গাবলৈ মাতিব... কিমানে সম্বৰ্ধনা জনাব কিমানে

টেপুৰামে নিজেই,- মানে মনৰ ভিতৰতেই,- অকণমানকৈ গলখেকাৰি এটা মাৰি ল'লে।

— স্বয়ং চীফ মিনিষ্টাৰে টেলিফোনতে কৌতুক শুনাব। অবশ্যে কেৱল দাদাই নহয়, বঙ্কপ্ৰদেশৰ বাহিৰত থকা আন-আন শিল্পীসকলৰো একেই কথা। বিহুৰ বতৰতে ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহে আৰু অহাৰ বতৰাটো নিউজ-পে'পাৰৰ যোগেদি পাব্লিকক জনাই দিয়ে।

— আৰু কোনোবা এটা তৃতীয় পক্ষও আছে নহয়? নাই জানো!

— এঃ! আচল বস্তু সেইটোহে আকৌ।

— হয়নেকি?

— অঁ। কেলেই, সেইযে সভাবোৰত, সাংস্কৃতিক সন্ধিয়াত সম্বোধন কৰে,— 'পৰম শ্ৰদ্ধেয় কলামোদী বাইজ'। তেওঁলোকৰ অবিহনে জানো কিবা হয়? ওঁহো, নে'ভাৰ। ৰাইজ নহ'লে এভ্ৰিথিং মিছা। বঙ্কদেশত যেনেকৈ বন্ধ আৰু উৎসৱৰ অভাৱ নাই, তেনেকৈ কলামোদী ৰাইজৰ ফুৰ্ত্তি, দম আৰু উৎসাহৰো অন্ত নাই।

যেতিয়াই য'তে যি ওলায়,- তেওঁলোক ইম্মিডিয়েৎ জপিয়াই পৰে।

বিহু সন্মিলনেই হওক বা দুৰ্গাপূজা, সাহিত্য-সভাই হওক বা শিৱৰাত্ৰিৰ মেলা... গান-বাজনা, থিয়েটাৰ, চিনেমা, সাংস্কৃতিক সন্ধিয়া... একো বাদ নিদিয়ে। কেতিয়াও পিচ নোহোঁহকে।

# ঠেংচুই

পাব্লিক হৈছে এ'ভাৰগ্ৰীণ, অল-টাইম ফুৰ্ত্তিবাজ। লাগিলে সিপিনে ছয়-সাতমাহ দৰ্মহাকে নাপাওক।

বা লঘোণেই থাকওক,— কথা নাই।

তেনেস্থলত ভাবকচোন... বাপতি-সাহোন বিহুটিক বাৰু বাইজে শুদাই এৰিবনে?। চেলিব্ৰেট কৰাটো এটুলিষ্ট দুমাহলৈকে একদম কম্পালছৰি। প্ৰি-বিহু, অৰ্থাৎ আগৰ দুমাহ যোগ দিলে টোটেল চাৰিমাহ।

ওচামা বিন লাডেনে আঙুলিৰ মূৰত কিবাকিবি গণ্টি কৰিবলৈ লাগি গ'ল। 'হেৰি নহয়, আগৰ দুমাহ মানে?'

— এইযে কৈছিলো মেল-মিটিংবিলাক. তেনেকৈ আৰু কিছুমান বস্তু এক্চুৱেল বিহুটোৰ দুই-তিনিমাহ আগৰ পৰাই আৰম্ভ হৈ যায়। যেনে ধৰক,- তাৰে এটা হৈছে বিহু-সংখ্যা আলোচনী। লেখা বিচৰা, ফৰমাইচ, চিঠি, টেলিফোন, বিমাইণ্ডাৰ....। সেইবোৰ জানুৱাৰীমানতেই চুৰু হয়। একদম হুলস্থুল কাৰবাৰ। কোনে কিমান আগতে আলোচনীখন বজাৰত উলিয়াব পাৰে, তাকে লৈ তামাম কম্পিটিচন। কিছুমানৰতো মাৰ্চ্চতেই ওলাই যায়।

আন এটা হ'ল,- কেছেট। বিহু সংস্কৃতিৰ একদম আচল বস্তুটো। এইটো বতৰত এইখন সাম্ৰাজ্যৰ কথাই সুকীয়া। প্ৰেমজী, মুৰাৰী, বাজিন্দৰ, খাণ্ডেলৱাল, গোয়েংকা, মাথুৰ, অৰোৰা. . এইবিলাক মানুহৰ ছয়-সাতমাহ খাজন-শোৱনেই নাই। চৌবিছ ঘণ্টা কেৱল অসমীয়া সংস্কৃতি, ঐতিহ্য, পৰম্পৰা.. এইবোৰহে চিন্তা। ৰেকৰ্ডিং, মাৰ্কেটিং, ক'ভাৰ, ডিজাইন, ডুপ্লিকেছন, কুমাৰ চানু, অভিজিত, উদিত নাৰায়ণ ...। অমুক নাম্বাৰটো জখলাবন্ধাত দহ হাজাৰ, তমুক নাম্বাৰটো লক্ষীমপুৰত একলাখ

— নাম্বাৰ মানে?

— এটা মডাৰ্ণ টেক্নিকেল শব্দ। পিও'ৰলি বিজিনেছৰ বস্তু। যেনেকৈ আজিকালি বাগানৰ মানুহক বনুৱা কয়, ব্লেক মাৰ্কেট হ'লগে গ্ৰে' মাৰ্কেট, মদৰ বটলৰ নাম প্ৰফুল্ল মহন্ত, সন্ত্ৰাস বুলিলেই লাডেন,— আই মিন,— অৰ্থাৎ আপুনি, ঠিক তেনেকৈ নাম্বাৰ হৈছে বিহুৰবীয়া এটা অন্যতম ঘাই বস্তু। মানে কেছেট। অৰ্থাৎ গান।

— গান!

— অঁ, গান আৰু'। যেনে ধৰক,- জানমনি নিবানবৈ, শালমইনা টু-থাউজেণ্ড, দেহা মোৰ ঐ টু-থাউজেণ্ড ওৱান, কোবানা ভালপাওঁ টু-থাউজেণ্ড টু ..

নামকেইটা লাডেনে বৰ ভাল পালে। মুখৰ ভিতৰতে দুবাৰমান আওঁৰায়ো চালে। 'কোবানা ভালপাওঁ'টোযে পপুলাৰ হিন্দী চিনেমা 'কহোনা প্যাৰ হেয়'ৰ ডুপ্লিকেট, তেওঁ সেইটোও বুজি পালে। আফগানিস্থানত হিন্দী চিনেমা বিৰাট পপুলাৰ। অমিতাভ বচ্চন, ঋনি দেউলাইভৰ তাত সাংঘাটিক ডিমাণ্ড।

— বাৰু কওকচোন,- মিষ্টাৰ টেপুৰাম মহাশয়,- গান-বাজনাৰ বাহিৰে বিহুত

আৰু আপোনালোকে কি কি কৰে?

— চান্দা তোলো। বহিদ বহী চপাওঁ।

পায়জামা-পাঞ্জাবী পিন্ধো। কান্ধত গামোচা লওঁ।

পিঠা খাওঁ। জলপান খাওঁ। গুড় খাওঁ। তিল খাওঁ

— নিজৰ তৈয়াৰি?

— ন'। আমি আজিকালি নিজে একো তৈয়াৰ কৰিব নালাগে। চব বস্তু ৰেডিমেইড। ইজিলি এভেইলেব্‌ল ইন ডা মাৰ্কেট। কিনি আনক, খাই থাকক। আমেৰিকান বজাৰৰ নিচিনা।

ভোগালী বিহুৰ 'ভোগ'টোও আমাক বাংলাদেশীয়েই কৰোৱায়। যিবোৰে উচিত মূল্য দি কিনি খাব নোৱাৰে, সিহঁতে আনৰ বাৰীৰ পৰা চুৰ কৰি খায়। বাকী আচল মালটো,- - মানে গধুলিৰ ফুৰ্ত্তিপানীকণ,— বিদেশৰ পৰা আহে। এক্-কে-বাৰে নায়েগ্ৰাৰ্ৰ ফল্‌চৰ নিচিনাকৈ। হোহোৱাই। গিৰগিৰাই। ধল বোৱাই

— ৰ'বচোন ... তাৰমানে. বিহুৰ কেইদিন আপোনালোকৰ 'বঙ্গপ্ৰদেশ'ত দোকান-বজাৰবোৰ বন্ধ নাথাকেনেকি?

ওচামা ভাইজান বেছ এটা চিন্তাতেই পৰি গ'ল।

— ভেৰি ইণ্টেলিজেন্ট কুৱেশ্চন।

টেপুৰামে চকু-তকু টেলেকা কৰি দিলে। ইমান এজন বিখ্যাত মানুহে বিহুৰ কথাবোৰত ইণ্টাৰেষ্ট লোৱা দেখি তেওঁৰ আচলতে মনটো খুব ভাল লাগিল।

— একচুৱেলি কি জানে, দাদা? আমাৰ তাত লাখ-লাখ দোকানৰ মাজত চাৰি-পাঁচখনমানহে অসমীয়া মানুহৰ দোকান আছে। সেইকেইখন ডেফিনিথলি বন্ধ থাকে। কিন্তু বাকীবোৰ,- চব খোলা।

— কিয়?

— অ'। নহ'লেনো আমি বজাৰ কৰিম ক'ত? বিহু বুলি নতুন কাপোৰ ল'বই লাগিব। জোতা-চেন্দেল-শাড়ী-পেটিকোট . । ডাঙৰ-সৰু, বুঢ়া-বুঢ়ি, ডেকা-ডেকেৰি প্ৰত্যেককে কিবা এটা নিদিলেই নহ'ব।

ইফালে গুড়-তিল-বৰাচাউলৰ পৰা আৰম্ভ কৰি পলিথিনৰ পেকেটত ৰেডিমেড পিঠা-পনালৈকে,— বিহুৰ দিনত কিমানবিলাক বস্তু লাগে। আকৌ ড্ৰাই ডে' হোৱাৰ আগতেই মিনিমাম বিহু-পঁচিচটা বটলো কিনি থ'ব লাগিব।

- বটল??

- অহ। সেইটোতো কম্পালচৰিয়েই। বিহু বঙালী, ভোগালী, কঙালি,- যিয়েই নহওক কিয়, বটল লাগিবই। ইটিজ এ' মাষ্ট।

আৰু এটা মৰকাৰী কথা। আমাৰ এটা আধুনিক পৰম্পৰা হ'ল,- ল'ৰা এমখাই অনা-অসমীয়াৰ দোকানে-দোকানে ফটা ঢোল এটা পিটি-পিটি পইচা তুলি ফুৰে। গতিকে

অনা-অসমীয়াৰ দোকানকেইখনেই যদি খোলা নাথাকে, কেনেকৈ হ'ব? সিহঁতেতো আৰু হাবিয়ে-জংগলে বিহু মাৰি ফুৰিবগৈ নোৱাৰে।

— আৰু গাড়ী-মটৰ, বাছ-ৰে'ল সেইবোৰ একা? খোলা থাকেনে বন্ধ?

— সেইবিলাক চলি থাকিলেহে আৰু' তিনি-চাৰিদিন আগতেই আন-অফিছিয়েল ছুটীটো মেনেজ কৰি ভাগে-ভাগে মানুহবোৰ ঘৰলৈ যাব পাৰিব। বিহু বুলিলে সিও এটা ডাঙৰ বস্তু। ইজনে সিজনক লগ পোৱা, খা-খবৰ লোৱা, ইটো-সিটো প্ৰেজেণ্ট দিয়া, একেলগে বহি খোৱা-বোৱা কৰা.

আৰু এটা কথা। এইযে বিহুৰ ধৰ্তৰত মাজ-বাস্তাতে বেঞ্চ এখন পাতি ডেকাল'ৰাবোৰে চান্দা তুলি থাকে,- সিহঁতৰ কি হ'ব? গাড়ী-মটৰবোৰ যদি চলি নাথাকে, সিহঁত খাবলৈ নাপাই মৰি যাব নহয়।

হঠাতে লাডেনৰ এটা হাঁচি আহি গ'ল। বেছ দীঘলীয়াকৈয়ে। হাঁচিটোৰ লগতে এটা মাখিও সোমাই গ'ল। তেওঁ গমকে নাপালে।

— আপোনালোকৰ বিহু-উৎসবটোৰ তাৎপৰ্য এইবিলাকেই নে? নে আৰু কিবা আছে?

— নাই-নাই। এইবোৰেই আৰু। বেলেগ কিটো থাকিব।

এইবাৰ টেপুৰাম-কাইটিয়ে বিহু নাচিবলৈ আৰম্ভ কৰি দিলে।

তেওঁ ভাবিলে,— ওচামা কাইটিক বিহুৰ চেম্পোল এটা দেখুৱাই দিয়াই ভাল হ'ব। পিছে কঁকাল ভাঙি নাচোঁতে-নাচোঁতে কেতিয়াবা ভাগৰ লাগিল, কেতিয়ানো বহিল, কেতিয়ানো লাডেনৰ কোলাতে মূৰ থৈ টোপনি গ'ল, ককাইটিয়ে একো তৰ্কিবই নোৱাৰিলে।

সাৰ পালে তেতিয়া,— যেতিয়া বাহখন জখলাবন্ধা পাৰ হৈ আহি মাজনিশা আমনিত সোমাল, চাৰিওপিনে পোহৰ হ'ল, আৰু লগে-লগে এক কোটিমান কেছেট প্ৰচণ্ড গৰ্জনেৰে, সৰ্বশক্তিৰে, একেলগে বাজি উঠিল...।

# ভূত

এজন ডেকা ল'ৰা।

খুব ধীৰ খোজেৰে তেওঁ ৰাজধানী চৌহদলৈ সোমাই আহিল

চাৰিওফালে হাজাৰ-বিজাৰ মানুহ। এজাক এৰাল খুলি দিয়া উদণ্ডীয়া গৰুৰ দৰে যেনি-তেনি পংপঙাই ঘূৰি ফুৰিছে। প্ৰত্যেকৰে হাতত এজাপ এজাপ কাগজ। দুই-তিনিটাকৈ ফাইল। কান্ধবোৰত একোটাকৈ জোলোঙা।

ঠাণ্ডা দিন। কিছুমানে গছৰ তলৰ পৰা আতৰি গৈ এচেৰেঙা ৰ'দ বিচাৰি উলিয়াই তাতে থিয়ডঙা দি কমলা-টেঙা বখলিযাইছে। কোনোৱে ভজা বাদাম চোবাইছে। বেছিভাগেই আকৌ বেঞ্চবোৰত বহি টোপনিয়াই আছে। মাজে-মাজে সাৰ পাই হামিয়াইছে । এঙামুৰি দিছে। জনতা ভৱনৰ হৰ্তা-কৰ্তা, বিধাতা, মহা-মন্ত্ৰী, মহাপুৰুষ, বিধায়কসকলৰ কোঠাৰ সন্মুখতো ভালেমান বেঞ্চ পাতি থোৱা আছে, তাতো অগণন দৰ্শনাৰ্থী।

- হেৰি, শুনকচোন। ছাৰসকলক আজি লগ নাপামেই নেকি বাৰু?

- ওঁহো, কোনো আশা নাই। ঘূৰি যাওকগৈ।

- ছেঃ। ৰাতি-ৰাতিখন টোপনি খটি কৰি নাইট চুপাৰত মিছাতেই আহিলো।

- এৰা বুজিছেনে। ৰাতিৰ গাড়ীত ভাড়াও বেছি ভৰিলো। দিনতে অহাই ভাল আছিল।

এনেকুৱা ধৰণৰ অসংখ্য ডায়লগ শুনি শুনি ডেকাল'ৰাজন সেই একেই ধীৰ খোজেৰে আন এটা কোঠাৰ ফালে গ'ল। তাতো কোনো নাই।

সমবেত সুধীবৃন্দৰ মাজত বিৰাট গৰম গৰম কথা।

কোনোবা গাওঁ পঞ্চায়তৰ সমবায় সমিতিৰ সভাপতিয়ে দুই লাখ টকাৰ ঘিউ অকলেই হজম কৰি দিলে। কোনোবাই বান-সাহাৰ্যৰ নামত অহা সমুদায় চাউল আৰু টিনপাত বাহিৰে-বাহিৰে ট্ৰাকেৰেই নি ঘৰ পোৱালেগৈ। ইৰিগেছনৰ নলাত কোটি-কোটি এন্দুৰ। বনাই শেষ নহওঁতেই ভাগি-ছিগি অন্ত।

পি-ডব্লিউ-ডিৰ গোটেই পইচাগাল মাত্ৰ চাৰিটা মানুহে খাই লেঠা মাৰি থ'লে। ইএণ্ডিৰ ছাহগেণ্ড হোৱা ইঞ্জিনীয়াৰে তিনিমাহতে দহ কোটি টকাৰ অট্টালিকা সাজি দেখুৱালে। ৰাজধানীৰ কোনোবা বিয়াগোম মহাপুৰুষে হোটেলৰ পাৰ্টিত গৈ ছালফাৰ লগ লাগিল। দুটামানে আকৌ ছহীদৰে পইচা খালে...

# ঠেংচুই

- বুইছা, আমাৰ ফালে আৰু একোব চৰা। স্কুলত বিলাবলগীয়া বিনামূলীয়া কিতাপ স্কুলৰে শিক্ষকে 'সুলভ মূল্যত' হোৰাহোৰে বজাৰত বিকি ফুৰিছে। কিনা মানুহৰো অভাব নাই। ঢে'ৰ। কম দামতে পাই মস্ত-মস্ত লাইন লগাই দিছে।

- আমাৰ তাত ইৰিগেছনৰ এজন ভব্য-গব্য ইঞ্জিনীয়াৰ নদগ সত্তৰ নে আশী লাখ টকা পকেটত ভৰাই ফুটিল। পাছত শুনিছোঁ,- গুৱাহাটীলৈ আহি এতিয়া সেই টকাৰেই তামাম কাৰবাৰ! ৰিচেণ্টলি বোলে জু-ৰ'দত প্ৰকাণ্ড এখন কাপোৰৰ দোকান আৰু ফাষ্ট-ফুড কৰ্ণাৰো খুলিছে.

- গডকাপ্তানিৰ অভিযন্তা-ঠিকাদাৰে মিলি কাজিৰঙাত গৈ বৰভোজ খালে। ততে আকৌ স্বযং বনবিভাগৰ বন-মন্ত্ৰীয়েই বনৰ পৰাই ধৰি আনি গোঁসানীৰ আগত এটা ম'হ বলি দি দিলে। কাণ্ড চোৱা।

- চাওকচোন, যোৱা আঠ বছৰে কলেজৰ চাকৰি এটাৰ বাবে ইণ্টাৰভিউ দি আছোঁ। মাৰ্ক ছিটত নম্বৰ সৰহকৈ দেখিলে কয়,- 'এক্সপেৰিয়েন্স' লাগে, এক্সপেৰিয়েন্সো আছে বুলি ক'লে ক'ব,- অমুকে আগৰ পৰাই অফিছটোত কাম কৰি আছে, গতিকে তেওঁকো এতিয়া পাৰ্মানেণ্ট নকৰিলে নহয়..! এইসোপা পাগলেই নে ছাগলেই,-- জানো!

- পিছে আমাৰ এই ছাৰসকলে জানো কিবা কৰিব পাৰিব? বাহিৰত দেখুৱাই চবকেইতো একলম লিখি দিয়ে। কাম হওক বা নহওক.. বিমুখ নকৰেই নহয় কাঁকো। এভ্ৰিবডী বেলকাম। সিফালে যিয়েই নহওক.

- চাওঁ কি হয। গোটেইবোৰে আহিবলৈ ক'লে, গুছি আহিলো।

- হাজৰিকা বোলাজনৰ কিন্তু বিৰাট পাৱাৰ। ফিক্স পঞ্চাছ হাজাৰ ল'ব, বচ,- কাম হাছিল। নোহোৱাৰ কোনো কথাই নাই। দৌতা-ঈশ্বৰ আটাইকেউজন তেখেতৰ হাতৰ মুঠিত।

- এ' হাতৰ মুঠি আৰু কি. ফিফ্‌টি ফিফ্‌টি ভাগ বতোৱাৱাহে, কথা সিমানেই।

- চেষ্টা এটা কৰি চাবনেকি? ট্ৰেন্সফাৰৰ কামত পিছে আমাৰ শইকীয়াও বেয়া নহয়। পতাপৎ কৰি দিয়ে। ফিজটোও কম। ত্ৰিছ হাজাৰমানত হৈ যায়।

ল'ৰাজনৰ কাণ-মূৰ গৰম হৈ আহিল। কথা-বতৰাবোৰ শুনি তেওঁৰ পেটতে হাত-ভৰি লুকাল। ছেঃ এইখন দেখোন কিবাহে হ'ল!

হাতত বিয়াগোম এটা ফাইল লৈ বয়সীয়াল মানুহ এজন সেইপিনেই আহি আছিল। ল'ৰাজনো তেখেতৰ ফালেই অকণমান আগবাঢ়ি গ'ল।

- হেৰি! চাওঁ শুনিছেনে?

- নাই শুনা।

- নাই শুনা?

- ওঁহো। এতিয়ালৈকে একো শুনা নাই। আপুনি কিবা শুনাই যদি শুনাওক। অতি আনন্দ মনেৰে শুনিম।

## ঠেংচুই

দুয়োৰে মুখত হাঁহি বিৰিঙিল। বুজা গ'ল,- মানুহজন ৰসাল। তেখেতেই আকৌ ক'লে,- আজি লগ নাপাব বুজিছে। ইয়াত বোন্দাপৰ দি থাকি লাভ নাই। যাওকগৈ।

- কাক লগ পোৱাৰ কথা ক'লে?

- মানে?

- মইতো কাকো লগ পাবলৈ অহা নাই। এনেয়ে এবাৰ চাই যাওঁ বুলিহে আহিছিলো

সিজনে কথাষাৰলৈ মন নিদিলেই। নিজস্ব ষ্টাইলত ওলোটাই প্ৰশ্নহে কৰিলে,- কওকচোন কি সকামত অহা হ'ল? চাকৰি নে বদলি?

- মানে?

- তাৰমানে তাৰ এটাও নহয়। কিবা বৃত্তি? স্কলাৰছিপ? পেঞ্চন? উদ্বোধন? উন্মোচন? নিশ্চয় কিবা এটা মহান উদ্দেশ্য লৈয়েহে আপুনি ইয়ালৈ আহিছে। এনেয়ে কেলেই আহিব? এইখন সাম্ৰাজ্যত

ল'ৰাটোৱে এইবাৰ অবাক হৈ চাই থাকিল। একো উত্তৰ নিদিলে।

- চাওক, সংসাৰৰ সকলো প্ৰকাৰৰ কৰ্মসিদ্ধিৰ বাবে পাব্লিক ইয়ালৈ দৌৰে। যেতিয়া যাক যি লাগে  সেইযে প্ৰাচীন কালত কিবা এটা প্ৰব্ৰেম  হ'লেই ভগবানৰ বৰ বিচাৰি এফালে ঋষি-মুনি, ধাৰ্মিক মানৱ আৰু আনফালে দুৰ্ধৰ্ষ অসুৰবিলাক তপস্যাত বহিছিল  কথাটো প্ৰায়  তেনেকুৱাই। আনকি ভোজ-ভাত খাই থাকোতে ডিঙিত মাছৰ কাঁইট লাগিলেও কিছুমানে হস্পিটেল নাযায়, চিধাই এইখিনিহে পায়হি।

ল'ৰাটোৱে থৰ লাগি মানুহজনলৈ চাই থাকিল। মুখেৰে মাত-কথা একোৱেই নোলোৱা হ'ল।

- বাৰু। যি মতলবতেই নাহক কিয়, মোৰ পৰা পিছে একো লাভ নহ'ব। আগতীয়াকৈয়ে কৈ থৈছোঁ। যাৰ পৰা হ'ব, তেখেতসকলে একদম  ৰয়েল ষ্টাইলত, ৰাজকীয় ভংগীমাত নিজ-নিজ জাগাত ফিটিং দি আছে.

- ৰ'বচোন, আপুনিওতো ইয়াতেই কাম কৰে?

- কাম কৰো বুলি ক'লে অকণমান ভুল কোৱা হয়। শুদ্ধ কথাটো হ'ল,-  সৌযে অফিছ নামৰ কোঠাটো, তাতে কেইখনমান টেবুল আৰু চকী আছে। তাৰে এখন চকীত মই বহি থাকো। এবাৰটাৰ পৰা তিনিটামানলৈকে যেনে-তেনে ইচাট-বিচাট কৰি কটাই দিওঁ। তাৰ পাছত ঘৰৰ বুঢ়া ঘৰলৈ গুছি যাওঁ। কথা সিমানেই।

ডেকাৰ ওঁঠত এইবাৰ অকণমানকৈ এটা হাঁহি বিৰিঙিল। তাকে দেখি মানুহজনৰো বোধহয় মৰমেই লাগি গ'ল। আগতকৈ অলপ মিহি-মিহি ভাবেৰে সুধিলে,- কওকচোন, আচল কথাটো কি? কিবা লাইচেন্স লাগেনেকি? নে পাৰ্মিট? ক'ৰবাত মদৰ দোকান খুলিবনেকি? নাইট চুপাৰ? বিক্ৰম? ক'ৰ-জিৰ'-ছেভেন? ...

ল'ৰাটোৰ মুখত একেবাৰেই মাত নোহোৱা হ'ল।

- বুজিছোঁ। নিশ্চয় কিবা দাবী.. নহ'লে আন্দোলনৰ ভাবুকি। অভিযোগ, স্মাৰকপত্ৰ, মেমৰাণ্ডাম। অসম বন্ধ। পথ বন্ধ। চকা বন্ধ.

- ওঁহো, এইবোৰ একোৱেই নহয় খুৰা। আপুনি মোক ভুল বুজিছে। তেনেকুৱা কোনো কামত মই ইয়ালৈ অহা নাই।

- তেনেহ'লে কি বুলি আহিল, কওকচোন? এই অঞ্চলটোক টুৰিষ্ট স্পট বুলিওতো ক'ব নোৱাৰি। চাবলৈ-চিটিবলৈ এইখন মুলুকত ক'তা,— একোটোৱেইতো নাই। চিৰিয়াখানা নাই, মিউজিয়াম নাই, তাজমহল নাই, কুটুবমিনাৰ নাই...

- কিয় খুৰা, এনেয়ে আহিব নাপায় নেকি?

- এনেয়ে?? হাঁ. কি ক'লা !??

খুৰাই অবাক হৈ মুখ-চুখ মেলি ভতিজাৰ মুখৰ পৰা ভৰিলৈকে আঁকৌ নতুনকৈ এবাৰ চালে। হাই পাৱাৰৰ চছমাৰ ফাঁকেৰে বাহিৰৰ পৰা তেখেতৰ চকুদুটা ৰবাৰ টেঙাটোৰ সমানকৈ দেখা গ'ল।

- আচলতে চন্দ্ৰ, প্ৰফুল্ল, বিৰাজ, ৰমেন, দিলীপহঁত মোৰ বৰ ভাল বন্ধু আছিল। সিহঁতক এবাৰ লগ কৰি, চাই যাওঁ বুলি আহিছিলো।

- আ-হা-হা! এইবেলিহে উৰাবী গৰুৰ ওৰটো ওলাল!! মই জানিছিলো নহয়। কিবা এটি মতলব থাকিবই লাগিব। এনেয়ে কোনেই আহিবাহে? হ'ব আৰু, বাকীখিনি ক'বই নালাগে। এইটো মতলবতে নাইনটি পাৰ্চেণ্ট মতলবী আছে। বিশেষকৈ তোমাৰ নিচিনা ডেকা আৰু পিলিঙাবোৰ..

- নহয় খুৰা। মোৰ আন একো বিশেষ উদ্দেশ্য নাছিল। সঁচাকৈয়ে এবাৰ বন্ধুহঁতক চাই যাওঁ বুলি আহিছিলো। যেতিয়া ইয়াত চাৰিওফালে বাইজৰ কথাবোৰ শুনিলো, তেতিয়া ভাবিলো অলপ আলোচনাও কৰো। বাইজৰ অভিযোগবোৰ সিহঁতক জনাই দিয়া ভাল...

- অভিযোগ জনাবা? বাঃ! সেইটোওনো ইমান কি নতুন বস্তুটো? যেতিয়াই কাৰোবাৰ চাকৰি যায়, বৰ্খাস্ত হয়, নিলম্বিত হয়, দুৰ্নীতি কৰি ধৰা পৰে, লগালগ হৰেক ৰকমৰ অভিযোগ লৈ আমাৰ হাৰসকলৰ ওচৰ চাপে। আমি জানো নহয়। সদায় দেখিয়ে আছোঁ।

- ওঁহো, নহয় খুৰা। প্ৰফুল্লহঁতক মই ক'ম বুলি ভাবিছিলো,- কিবা এটা ক'ৰবাত গণ্ডগোল হৈছেনেকি.. বাইজে দেখোন বৰ ওল্টা-পাল্টা কথাবোৰ কৈ আছে... তোমালোকে অলপ মন-কাণ দিয়া।

- ইঃ বাইজৰ কথা গুলী মাৰাহে। সিহঁতে নিজে কি কামটো কৰে? ধোদ, অকৰ্মণ্য। কেৱল শুই-বহি খাবলৈ লাগে। ষ্টুপিড। নিজৰ কোঠাটো, নিজৰ চোতালখন নিজে চাফা কৰি ল'ব নোৱাৰে। দিনে-ৰাতিয়ে পদুলিৰ মুখত গোবৰ একুৰা পৰি আছে, তাকো গুচাবলৈ লাজ। চব কাম চৰকাৰে কৰি দিব লাগে। স্কুলত খোৱাপানীৰ ফিল্টাৰ এটা লাগে, তাৰ বাবেও বছৰ-বছৰ ধৰি কিমান মেল, মিটিং, প্ৰস্তাৱ, আন্দোলন, পৰিছিলা,

মেম'ৰাণ্ডাম। হেৰ'. ফিল্টাৰটোওনো চৰকাৰেহে দিব লাগেনে? নিজে যোগাৰ কৰি ল'ব নোৱাৰ? পানীটোপানো ক'ৰ বিদেশী বঙালটোৱে আহি খাব? নিজেইহে খাবি। তহঁতবে ল'ৰা-ছোৱালীয়ে খাব। পাঁচ-পাঁচ টকাকৈ তোল আৰু বজাৰৰ পৰা কিনি লৈ আহ! বচ। খেলা খটম, পইচা হজম।

- কিন্তু .

- কিহৰ কিন্তুটো? ঘৰৰ সন্মুখতে আলিবাটটো ভাগি-ছিগি ডোখৰ-ডোখৰ হ'ল. বছৰৰ পিচত বছৰ তেনেকৈয়ে পৰি আছে, কেৱল গালি-শপনি, লেখালেখি, দপ্দপনি। আৰে! দেশখনত তেনেকুৱা কিমান হাজাৰ-বিজাৰ আলিবাট, খবৰ আছেনে? সেই আটাইবোৰ কি সদায় চৰকাৰেই ৰিপিয়াৰ কৰি থাকিব?। কিয় ৰাইজেই গাঁতকেইটা পুতি ল'ব নোৱাৰে? শিল, বালি, আল্‌কেতেৰা নহ'লেও অন্ততঃ ঘাঁহে-বনে মাটি দুচপৰামানতো ভৰাব পাৰে। পাৰেনে নোৱাৰে?

- উৰা, আপুনিও বৰ আচৰিত মানুহ দেই। সেইবোৰ যদি ৰাইজেই কৰিব লাগে, চৰকাৰ এখনৰ কি কাম?

- এঃ। চৰকাৰখনে তাতকৈ কিমান ডাঙৰ-ডাঙৰ কামত লাগি আছে তুমি নাজানা? অসম চুক্তি ৰূপায়ণ, ট্ৰিবিউনেল আইন সংশোধন, বিদেশীৰ সংজ্ঞা নিৰূপণ, খিলঞ্জীয়া কোন, বিৰোধী ঐক্যৰ বাবে নেতৃত্বৰ সন্মিলন

- তাৰ মানে সৰু-সুৰা আটাইবোৰ কাম ৰাইজেহে কৰিব লাগিব?

- য়েছ। সেইটোৱেই বেষ্ট ছলিউছন।

খুৰা সেইখিনিৰ পৰা আতৰিল। পিছে অলপ গৈয়ে আকৌ কি মনত পৰিল, দুখোজ ঘুৰি আহি ক'লে,- ঘৰৰ ল'ৰা ঘৰলৈ যোৱাগৈ। বন্ধুহঁতক লগ পোৱাৰ কোনো চান্স নাই। বুজিলা? যোৱা, ইমানতে ভালে-ভালে ফুটি দিয়া।

- কিয়?

- নাই আৰু'। তেখেতসকল নট্ এভেইলেব্‌ল্। সেইকাৰণে।

- বাৰু। পিছে সিহঁত কেনি গ'ল, আপুনি জানেনে খুৰা? নিয়ম মতেতো থাকিবই লাগে এইখিনি সময়ত। অফিছ আৱাৰ্ছ

- হাঃ হাঃ হাঃ। অফিছ আৱাৰ। - মানুহজনৰ অট্টহাস্য শুনি ওচৰৰ আটাইবোৰেই ঘুৰি চালে। - তুমি অতি সাংঘাতিক ফুচুৰি, মই গম পাই গ'লো। শুনা বাপুকণ। তোমাৰ বন্ধু আজি মুঠতে এজনো নাই ইয়াত। কোনোবা জাপানত। কোনোবা ইউৰোপত। দুজনমান গ'ল দিল্লীলৈ।

- যোৱাখিনি বাৰু গ'ল, বাকীবোৰ?

- অ'ত ত'ত। দিহিঙে দিপাঙে। কিমানবোৰ কাম, কিমান দায়িত্ব। উদ্বোধন, উন্মোচন, আধাৰশিলা স্থাপন, সম্বৰ্ধনা গ্ৰহণ, মেল, মিটিং, চেমিনাৰ, অধিবেশন, কৰ্মশালা, ভোজমেল, প্ৰেছ কন্‌ফাৰেন্স....

# ঠেংচুই

- হয়নেকি?

- অঁতো। সাতজন একেলগে গৈছে কিবা এখন সন্মিলন এটেণ্ড কৰিবলৈ।

- সাতজন? একেলগে?? একেঠাইলৈকে।

- অফ কৰ্ছ ব্ৰাদাৰ! আচৰিত হ'লাযে? এজন সভাপতি। এজন বিশিষ্ট অতিথি। এজন উদ্বোধক। এজন স্মৃতিগ্ৰন্থ উন্মোচক। দুজন নিৰ্দিষ্ট বক্তা .

- বুজিলোঁ।

- কি বুজিলা!? আচৰিত, তুমিওযে অৱশেষত কিবা এটা বুজি পালা! ইউ ব্ৰাদাৰ অফ মোলা

- ব্ৰাদাৰ অফ মোলা?

- মানে হোলাৰ ভাই মোলা। কোৱাচোন কি বুজিলা?

- মই যি বুজিছোঁ, সিহঁতে এৎ-লিষ্ট এইটো খুব ভাল কাম কৰিছে। ৰাইজৰ ওচৰ চাপিছে। ইলেক্‌চনত জিকি অহাৰ পিচত ভোটাৰখিনিক অন্ততঃ পাহৰি যোৱা নাই। আগৰ নেতাসকলেতো ৰাইজৰ ওচৰেই নাচাপিছিল। পাঁচটা বছৰ আমি টিকণিকে নেদেখিছিলো।

- অঁতো আক'। আৰু কেবল সেয়ে নহয়। তেখেতসকলকো ওলোটাই ৰাইজে বিচাৰি থাকে। ৰাইজে বিচাৰে কাৰণেহে এনেকৈ সাত-আঠজনকৈ মন্ত্ৰী একেলগতে যাব লগা হৈছে।

- তাকেইতো।

- ভোটাৰসকলে কাকো এক চেকেণ্ডো ৰাজধানীত জিৰাবলৈকে নিদিয়ে। পাকঘৰ, ডাকঘৰ, বিউটি পাৰ্লাৰ, লেট্ৰিন, ইউৰিনেল সেইবোৰো আনকি আমাৰ ছাৰসকলেহে উদ্বোধন কৰিবগৈ লাগে!

- বাঃ। তেনেহ'লে ৰাইজেনো আক' বদনামবোৰ কিয় গাই আছে। অলপ আগতে সৌখিনিতে শুনিলো,- কোনোবা এজন মিনিষ্টাৰে হেনো আনকি ছহীদৰ পইচাও চুচি-বাচি খাই পেলালে!

- এ' বাদ দিয়া সেইবিলাক। নলগা জেঙাত লাগি থাকি একো লাভ নহয়। সদায় নিজৰ ভালটো চিন্তা কৰিব লাগে। কি নাম তোমাৰ?

- খৰ্গেশ্বৰ।

- নামটো শুনা শুনা যেন লাগিছে।

- শুনিব পাৰে। মই পিছে কেতিয়াবাই ছহীদ হ'লো।

- এ' হয়নেকি? তেনেহলে ভালেই হ'ল। সৌফালে এঠাইত ছহীদ তৰ্পণ চলিয়েই আছে। চি-ই-ধা গৈ তাতে জইন কৰি দিয়া।

- ঠিক আছে। হ'ব বাৰু। আপুনি যাওক। মোৰ লগত বহুত সময় নষ্ট কৰিলে। বেয়া নাপাব। ধন্যবাদ।

- অঁ। তুমি তাতে দুই এজন পুৰণা বন্ধুকো চাগে' লগেই পাই যাবা। মই যাওঁ।

মাত-বোল লগাই দুয়ো দুফালে গুছি গ'ল। পিছে খুৰাৰ হঠাতে কি মনত পৰিল, আকৌ পিচফালৰ পৰা চিঞৰিবলৈ ধৰিলে।

- হে'ৰা, চাওঁ । চাওঁ শুনাচোন

খৰ্গেশ্বৰ ঘুৰি আহিল।

- কি হ'ল খুৰা?

- এই অ-ক-কণমান আগতে তুমি কি কথাটো কৈছিলা?

- কোনটো কথা?

- সেইযে ছহীদ হোৱা বুলি কৈছিলা তাৰমানে কি? তুমি কি ধৰণৰ ছহীদ? নামটোও খৰ্গেশ্বৰ বুলি ক'লা। কোন খৰ্গেশ্বৰ?

- তালুকদাৰ। গীলৰ গোৰ খাঁই খাই ৰাস্তাৰ ওপৰতে মৰি গৈছিলো মই। মনত পৰিছেনেকি অলপ অলপ?

- তুমি তাৰমানে সঁচাকৈয়ে সেই ছহীদ খৰ্গেশ্বৰ তালুকদাৰ?

- হয় খুৰা।

- কি কিন্তু তুমি জীয়াই আছানে মৰি গ'লা? মৰাৰ পাছতহে মানুহ ছহীদ হয়। তুমি

- ময়ো মৰিছিলো খুৰা। নমৰাকৈ কেনেকৈ ছহীদ হ'ম?

- তেনেহ'লে .!?

- কেনেবাকৈ ক'ৰবাত জীয়াই আছোঁনেকি চাবলৈ আহিছিলো। বন্ধুহঁতকো এবাৰ চাব খুজিছিলো,— কিনো কৰি আছে

- হেঁ !!

- হ'ব বাৰু। আজিলৈ থাকক। আহিব পাৰিলে আকৌ কেতিয়াবা আহিম

খুৰাৰ কাণত আৰু একো নোসোমাল। তেখেতৰ হে'ড্-অফিচত বোধকৰো একেবাৰে মেইন ফিউজজনলেই উৰি গ'ল। ভালেমান সময় সম্পূৰ্ণ ফিউজ হৈ থাকি একোবত মানুহজনে প্ৰাণটাকি চিঞৰিবলৈ ধৰিলে।

- ভূত! ভূত! ভূত.. !

# চৰণং গোস্বামী

হিন্দী চিনেমাবিলাকত এই ছীণটো প্ৰায়ে দেখা যায়।

এপিনে এঠাইত মাকজনী শুই আছে, আন এফালে ভিলেইনৰ হাতত আৰু মাৰত পুতেকৰ যোবা-থোবা অৱস্থা। লাঠিত ল'ৰা বেহঁচ। এটা বিকট চিঞৰ। একেসময়তে মাকেও ধৰমৰকৈ সাৰ পাই উঠিছে। আউলি-বাউলি মে'ক-আপ্। তৰানৰা ছিগা দৌৰ। বেক্‌গ্ৰাউণ্ডত বাযন্তীখন ভায়লিন। তেসত্তৰটা ৰুংগ'।

অৱশ্যে দৃশ্যটো যে কেৱল মাক-পুতেকৰেই একচেতিয়া সম্পত্তি,– তেনে নহয়। মজনু, মহিবাল, হীৰৰ পিঠিত ধাৰাসাৰ ঔকিল, আৰু ইপিনে চট্‌ফটাই মৰিছে লেয়লা, ছোহ্‌নী আৰু ৰান্‌ঝাই,– চিনেমাত এইটোও কমন। বেগুলাৰ চাই-মেলি থকা দৰ্শকে খুব ভালদৰেই জানে।

ঠিক এনে এটা ছীণেই আকৌ এবাৰ ৰিপিট হ'ল,– স্বৰ্গত।

আঠানবৈ চন। মে' মাহৰ দ্বিতীয় সপ্তাহ। গৰমৰ দিন।

জিৰ' পইণ্ট ফাইভ মিলিগ্ৰামৰ এল্‌প্ৰ'জলাম এটা খাই ঠেং-ঠুং মেলি বেছ আৰামেৰেই শুই আছিল বুদ্ধ। হঠাৎ দুৱাৰিৰ ক'ৰবাত কেইটামান গুৰুম গুৰুম শব্দ হ'ল। লগে লগেই তেওঁ সাৰ পালে। খকমককৈ উঠি বিচনাখনতে বহিল। চকু দুটা মেলি, চছমাযোৰ লগাই ইফালে-সিফালে চালে। শব্দকেইটানো ক'ৰ পৰা হ'ল, কোনপিনৰ পৰা আহিল, বহুত চেষ্টা কৰিও একো বুজিব নোৱাৰিলে।

কিন্তু মনতে এনে লাগিল যেন ক'ৰবাত তেওঁৰেই কোনোবা এটা সন্তান বিকলাংগ হৈ গ'ল। বা হয়তো একদম ফাইনেলি চেটেপেই হৈ থাকিল।

ডিঙিটোকে অকণমান তিয়াওঁ বুলি বুদ্ধই পানীলৈ হাত মেলিলে। পিছে আন্ধাৰে-মুন্ধাৰে হাতখন ক'ৰবাতহে লাগি গিলাছটোও থনৰকৈ মাটিত পৰিল...

গিলাছ পৰাৰ শব্দটো হ'ল কি নহ'ল,– মুহূৰ্ততেই বিক্ৰমশীলাৰ গোটেই এশ আঁঠজন অধ্যাপক, নালন্দাৰ প্ৰিন্সিপাল ছাৰ, মহামতী অশোক, কণিষ্ক, হৰ্ষবৰ্দ্ধন, সংঘমিত্ৰা আইদেউকে আদি কৰি অসংখ্য মানুহ য'ৰে-তৰে পৰা লৰি-ধাপৰি আহি বুদ্ধদেৱৰ কাষত উপস্থিত হ'ল।

গিলাছৰ শব্দতকৈও বুদ্ধৰ বুকুৰ ধপ্‌ধপনিয়ে গোটেই স্বৰ্গৰাজ্যত হুৱাদুৱা লগালে। স্বয়ং প্ৰভু-ঈশ্বৰেই বোহঘৰৰ পৰা উধাতু খাই দৌৰি আহিল।

মিছেচৰ হাতৰ পৰা ম'বাইল ফোনটো লৈ ইন্দ্ৰাডিৰেৎ তেওঁ চিএন্‌এন, বিবিচি বৰ্ল্ড, জিহ্ক'ভাৰি, ষ্টাৰ-নিউজ আটাইবোৰ ডায়েল কৰিলে। বাকী বাহিৰে উৎকণ্ঠাৰে বাট

চাই থাকিল।

নগদ চাৰে-বাস'ত্তৰ ছেকেণ্ড কথা পতাৰ পিচত ফোনটো সামৰি উত্তেজিত কণ্ঠেৰে প্ৰভুৱে ক'লে,– অবশেষত খবৰটো পালো বুইছা! উস

– কওকচোন প্ৰভু। ক'ত কি হ'ল।

– আচৰিত কথাহে! ইণ্ডিযাই এটম ব'ম ফুটাইছে।

– ব'ম !!

– এৰা। ব'ম। এটাও নহয়, দুটাও নহয়,– এক্কেকোবে পাঁচটা। বুদ্ধ-জয়ন্তী উপলক্ষ্যে ফুটাই ব'মকেইটা সিহঁতে বুদ্ধৰ নামত উচৰ্গা কৰিছে।

ফৎকৈ একো টং কৰিব নোৱাৰি অকৰাটোৰ দৰে বুদ্ধই ঈশ্বৰৰ মুখলৈ চাই থাকিল। চকু-তকু সেইপিনেই থৰ হ'ল। গোটেই জিভাখন প্ৰায় আঠ ছেণ্টিমিটাৰ বাহিৰলৈ ওলাই আহিল।

তেখেতৰ কণ্ডিছনটো দেখি আম্ৰপালি বাইদেউ আৰু ওচৰত নৰ'লৈই,– একে দৌৰে পাকঘৰ পালেগৈ। ফ্ৰীজৰ পানী এগিলাছ আনি তাৰে এচলু মুখত দিলে। বাকীখিনি ইন্ষ্টল্মেণ্টত-চকুৰে-মূৰে চটিযাই থাকিল।

– ছাৰ, এই বিষয়ে ডিটেইল্চ আৰু কিবা গম পালেনে বাৰু?

দুখোজমান আগবাঢ়ি আহি মহান বৈজ্ঞানিক আইনষ্টাইনে ঈশ্বৰক সুধিলে।

– ওঁহো। ইমান বেছি চিঞৰ-বাখৰ, ঢাক-ঢোল, ছেলিব্ৰেছন, অভিনন্দন, হৈ-হাল্লা, ফটকাৰ আৱাজ যে মত্ত এটা খেৰ্খেৰনি শব্দৰ বাহিৰে পাছলৈ আৰু একোৱেই নুশুনিলো।

– ইণ্ডিযাত হোৱা হাল্লা এমেৰিকালৈকে শুনিছে? আচৰিত! হংকং, কৰাচী, বেইজিং, লণ্ডন, এইবিলাকত চাগৈ

– এ'! ক'বই নালাগে আৰু। সেইবিলাক ঠাইত মানুহৰ কাণৰ কণামাকৰি আটাইবোৰ থল্থল্কৈ মাটিত।

– তেনেহলে আমাৰ ফালৰ পৰাই এন্কোৱাৰি এটা কৰা ভাল হ'ব।

ভীষণ উদ্বিগ্ন হৈ ঘৰটোতে পায়চাৰি কৰি থকা মহাদেৱে মাত লগালে।

– ইমানবিলাক এটম ব'ম ফুটিছে যেতিয়া কলি যুগ চাগে' শেষেই! আৰু যদি এক্চুৱেলি সেইটোৱে হয়, ময়ো তাণ্ডৱৰ বাবে সাজু হ'বৰ টাইম আহি গ'ল।

– হয় প্ৰভু। পিছে আপোনাৰ কঁকালৰহে যি কণ্ডিছন...

নাৰদে নিজৰ নাৰদীয় ষ্টাইলত প্ৰব্লেমটো 'পেছ' কৰিলে।

– তাকেইতো। যোৱা চাৰিদিনমানৰ পৰা বিষটো সঁচাকৈয়ে বৰ বেছি হৈছে।

– কিন্তু যম ছাৰে কাইণ্ডলি যদি এখন টেম্পৰেৰি ভিছা ইছু কৰি দিয়ে,–মেইন কাল্প্ৰিটকেইটাক জীয়াই জীয়াই আমি ইয়ালৈকে ধৰি লৈ আহিব পাৰো।

চোকাটেকেলাই পৰামৰ্শ দিলে।

— ইয়াত সিহঁতবোৰে অন্ততঃ ফাকি মাৰিব নোৱাৰিব। যি কয় সঁচা ক'ব লাগিব। পাছত আকৌ ঘূৰাই নি আটাইকেউটাকে পৃথিবীত থৈ আহিলেই হ'ল।

— বাঃ! হোৱাট এন আইডিয়া!

— অ'কে। ন' প্ৰব্লেম।

— ছুজুকি ছামুৰাই। গ' এহেড্। যোৱা, গৈ আহা আৰু লৈ আহা।

হাইকমাণ্ডে ৰিকমেণ্ড কৰিবলৈহে পালে, মিষ্টাৰ টেকেলা এক মুহূৰ্ততে গৈ নতুন দিল্লীত হাজিৰ। বাছি বাছি চাৰিজন মুখ্যফুটাক তেওঁ মোনাত ভৰালে। আৰু মোনাই-চোনাই আনি ৰাইজৰ সমুখত মেলি দিলেহি।

হেম্পলকেইটাৰ মুৰৰ পৰা ভৰিলৈকে এবাৰ ভালকৈ নিৰীক্ষণ কৰি ঈশ্বৰে সুধিলে,-- হেৰৌ, দেখাতচোন আটাইকেউটা বেছ নিৰামিষেই! ব'ম তহঁতিয়েই ফুটাইছিলিনে?

— হয় প্ৰভু। আমিয়ে ফুটাই থৈ আহিছো।

— বৰ কোব! পিছে খাবলৈ নোপোৱা দেশ এখনে পাঁচোটাকৈ এটম ব'ম কিয় ফুটাব লগা হ'ল অ'? কি ইমান ইমাৰজেন্সি ওলাল।

-- নাই ছাৰ, ওলোৱা নাছিল। নিজেহে উলিয়াই ল'লো।

— অৰ্থাৎ?

-- অৰ্থাৎ আৰু কি,-- গাদীত বহিয়ে হঠাৎ দেখিলো,-- ব'ম! একদম ৰেডিমে'ড। অল্‌ৰেডি বনাই থৈ দিয়া আছে। এক-গুদাম। টিপ্‌টপ। লগে লগেই খুপ্‌ৰিত আইডিয়া আহি গ'ল। বাহাদুৰী লবাৰ এয়াই উত্তম সুযোগ। গতিকে দিলো বাপেকে ফুটুৱাই। এতিয়া আমি শৌৰ্য, বীৰ্য, বল, শক্তিত আমেৰিকাতকৈয়ো স্ট্ৰং হৈ গ'লো। সিহঁতে জাপানত দুটাহে ফুটাইছিল, আমি পাঁচটা ফুটালো।

আৰু ছাৰ,-- আপুনি আমাক খাবলৈ নোপোৱা বুলি কিয় কৈছে? আমিতো অতিপাত খাওঁ। সমুখত যিহকে পাওঁ চব খাই দিওঁ। খাই খাই আমাৰ ইণ্ডিয়াত মানুহে গৰু-গাহৰীৰ দানা-পানীৰ পৰা আৰম্ভ কৰি ৰাজকোষ পৰ্য্যন্ত চব ধুনাপাত কৰি দিছে। যোৱা পঞ্চাছ বছৰে কেৱল খাইছে আৰু লুটিছে। দুটাই কাম।

-- আকৌ আটায়ে দেখোন কয়, ৰাস্তাৰ সেই বিয়াগোম গাঁতকেইটা পুতিবলৈকো হেনো তহঁতৰ পইচা নাই। পইচাৰ অভাৱতে মাষ্টৰক দৰমহা নিদিয়, ক'তো এটা লাইট নজ্বলে, সামান্য খোৱা-পানীকণৰো যোগান নহয়..

— অ'স্-স'.. তাকেইতো! পইচা বুলিলে আমি ৰ'বই নোৱাৰো নহয়। যি য'ত ওলায় নিমিষতে খায়েই পেলাওঁ। একদম তহিলং কৰি দিওঁ। দেশৰ কাম কৰিবলৈ ফুটাকড়ি এটাও বাকী নাথাকেগৈ। তাতে এইবাৰ ব'মকেটাও ফুটাব লগা হ'ল। তাতো এগালমান খৰচ। টকাৰ ভীষণ টনাটনি। জোৰা মাৰিবলৈকে আকৌ এতিয়া পেট্ৰলৰ দাম বঢ়াইছো, চাউল-দাইল-আলু-পিয়াঁজৰ দাম বঢ়াইছো, ৰে'লৰ ভাড়া বঢ়াইছো, কিমান

যে কি কৰিব লগা হৈছে

সংঘমিত্ৰাই দুটা এক্সট্ৰা গাৰু আনি গুৰুজনাৰ মূৰৰ শিতানটো ওখ কৰি দিলে। দিয়াৰ ফলত এইবাৰ মানুহবিলাক তেওঁৰ চকুৰে-চকুৰে পৰিল। লগে-লগে ছেম্পলকেইটাই হঠাৎ চকু-তকু মুদি, কুঁজা হৈ, 'সেবা' টাইপৰ ভংগীমা একোটা দি, প্ৰাৰ্থনাৰ সুৰেৰে ভোৰভোৰাবলৈ ধৰিলে,— বুদ্ধং চৰণং গোস্বামী, বুদ্ধং চৰণং গোস্বামী

'চৰণং গোস্বামী' শুনি বাকীবোৰৰতো বাদেই স্বয়ং যম ৰাজৰে ফিউজ উৰি গ'ল। তেওঁ ভীষণ মূৰ্ত্তি ধৰি গৰজি উঠিল।

— কটা নিধক। ইষ্টুপিৎ ব্লাডি ছোৱাইন। মুখত গচ্ছামি নুফুটা নিলাজৰ সঁচ। বেবেৰিবাং বলকিবলৈ আহিছ। পাপিষ্ঠ। নৰাধম। হেৰৌ মনত নাই? ভূ-ভাৰতৰ মাটিত তইঁতেই বুদ্ধৰ কবৰ খান্দিছিলি। হিন্দু ধৰ্মৰ পৰা ফালৰি কাটি অহা মানুহজনক ওলোটাই হিন্দুৰে অৱতাৰ বনাইছিলি। এতিয়া চৰণং গোস্বামী ক'বলৈ আহিছ !?

শংকৰাচাৰ্য্য, ৰামানুজম, কুমাৰিলভট্ট আদিয়ে দুৱাৰমুখতে থিয়াথি কৰি শচীন তেন্ডুলকাৰৰ স্টাইলত নখ কামুৰি থাকিল। কণিষ্ক আৰু হৰ্ষবৰ্দ্ধনেও লাহেকৈ ফুটি দি আলমাৰিৰ চুকত গৈ পজিছন ল'লে। যেনে-তেনে দুই ঠেঙৰ ওপৰত নিজকে ফিটিং কৰাই লৈ দিল্লীবালা ছেম্পলকেইটাই যমক ক'লে,-

— ম নহয় স্মা মানে তেখেতৰ ইনষ্ট্ৰাক্‌চনবিলাক বৰ বেছি স্ট্ৰিক্ট আছিল ছাৰ। তেখেতে কৈছিল,- চুৰি নকৰিবা। ডকাইতি নকৰিবা। হিংসা বেয়া। ভ্ৰষ্টাচাৰ বেয়া। মিছা কথা, বেয়া কথা, লোভ, মোহ,- এই আটাইবোৰ তেখেতে বেয়া বুলি কৈছিল। কিন্তু এইবিলাক বাদ দি আমি বাৰু কেনেকৈ থাকো কওকচোন? কণ্ডেকীয়া এটা মানৱী জীৱন। চকু মুদিলেই সকলো শেষ। ইম্‌মান বেছি নিৰামিষ হ'ব নোৱাৰি নহয়। চুৰেই যদি নকৰো, মিছাই যদি নেমাতো, জীয়াইনো কেনেকৈ থাকিম? তেখেতৰ মতে হিংসা কৰাও মানা। আৰে! এটম ব'ম বনাইছো, আৰু হিংসা নকৰিম। সেইটোওনো সম্ভৱনে?

— তাৰমানে তইঁতে এটম ব'ম ফুটাইছে এৰিবি?

— ফুটামতো 'আৰু'। নহলে বনাইছো কেলেই....

— মানুহো মাৰিবি?

— হাঁয় বিধি। মানুহেই যদি নমৰে, সেইটো আৰু ব'ম হৈ থাকিলনে। ব'মটোৱে প্ৰতি কমেও দহ কোটিমানকৈ মৰিব লাগিব,- তেহে ! তাৰ উপৰিও আন তিনি-চাৰিদহ কোটি বিকলাংগ হৈ, ঠেং-ভৰি হিনি, চুঁচৰি, বাগৰি, চিৎভোলোঙা খাই, আধাবলীয়া হৈ,- নাগাচাকি-হিৰ'চিমাৰ ষ্টাইলত,- বুজিছেই নহয় ছাৰ....

ইতিমধ্যে মাৰ্কণি, গ্ৰাহাম বে'ল আদিয়ে ঈশ্বৰৰ পৰা হেটলাইট ফোনটো লৈ চিএনএনৰ সতে আকৌ এবাৰ যোগাযোগ কৰিলে। সবিশেষ, মানে ইন্ ডিটেইল্‌চ,- খবৰবোৰো পালে। পাই সকলোৰে হৈ নিউটনে ক'লে,- এটম ব'ম ফুটুৱাৰ নিচিনা

# ঠেংছুই

ইমান হাই-টেক্ ছায়েন্টিফিক কাম এটাওযে পঞ্জিকা চাই নির্দিষ্ট তিথিৰ লগত আপোনালোকে মিলাব পাৰিছে,- এইটো কম ডাঙৰ কথা নহয়। ইউ আৰ ৰিয়েলি গ্রেইট্। যাক কয় লাজবাব! আকৌ এইযে ব'ম ফুটুৱা ঠাইখিনিত মন্দিৰ সজাৰ আইডিয়াটো, পোখৰাণৰ মাটি-বালি নি ভিআইপিৰ চিতাভস্মৰ দৰে দেশত ছটিয়াই দিয়াৰ প্লেনটো,— সিও বণ্ডাৰফুল। এইবোৰ কথাৰ কাৰণে গোটেই ব্ৰহ্মাণ্ডখনেইযে টুপী খুলি ইণ্ডিয়াক অভিনন্দন জনাব, তাত আমাৰ তিলমাত্ৰও সন্দেহ নাই। মাত্র এটা কথাহে অলপমান জেং, আই মিন খোকোজা লাগি আছে। মানে কন্‌ফিউজিং হৈ পৰিছে, মানে একচুৰেলি .

— কিনো সেইটো?

-- কথাটো হ'ল,- এইযে এটম ব'ম ফুটুৱাৰ দৰে টপিক এটাৰ লগত আপোনালোকে বুদ্ধৰ নিচিনা মানুহ এজনক কিয় লেটিয়াইছে? হিট্‌লাৰ নহয়, আলেকজেণ্ডাৰ নহয়, কৈলাশৰ শিৱ বা এমেৰিকাৰ বাৰ-টাইম প্রেচিডেণ্ট মিষ্টাৰ ট্রুমেনো নহয়, আউট অফ অল্ পিপল্,— বুদ্ধ!? বাতৰি-কাকতত লেখিছে,- এয়া হেনো বুদ্ধৰ হাঁহি। দুয়োবাৰেই ব'ম ফুটিছে বুদ্ধ-পূৰ্ণিমাত। পোখৰাণৰ পৰা খবৰ আহে,— ডা বুদ্ধ ইজ্ স্মাইলিং। কিন্তু কানেক্‌ছনটো কেনি? বুদ্ধইনো কেতিয়া হাঁহিলে? কিয় হাঁহিলে? ক'ত ব'ম, আৰু ক'ত বুদ্ধ। ক'ত হৰিদ্বাৰ, ক'ত ..

— তাকে ময়ো সুধিব খুজিছো বোপাইহঁত,— এইবাৰ স্বয়ং বুদ্ধদেৱেই মাত লগালে,-- কোৱাচোন 'কানেক্‌ছনটো' কেনি? তোমালোকৰে এজনে বিৰাট ছেণ্টিমেণ্টেল কবিতা লিখিছিলা,— হিৰ'শ্চিমা-নাগাচাকিত ব'ম পেলোৱাৰ দুখত। গালি পাৰি। ক্রিটিছাইজ কৰি। তথাপিও বাৰু ব'ম ফুটালা। ঠিক আছে। যি হ'ল হ'ল। কিন্তু মোৰ পিচত এনেকৈ কিয় লাগিছা? কেতিয়ানো হাঁহিলো মই ?

— নহয় ছাৰ মা . মানে প্ৰভু.... আমি একচুৰেলি ব'মবোৰ শান্তিৰ নামত উচৰ্গা কৰিছো। আপুনিও একালত মহন্ত, শইকীয়াৰ দৰে শান্তিৰ বাণী বিলাই ফুৰিছিলযে, সেইকাৰণে ভাবিলো আপোনাৰ নামতে ব'মবোৰ ডেডিকেট কৰো। দুজনমানেতো নামেই ৰাখিব খুজিছিল,- বুদ্ধবোমা।

— বুদ্ধবোমা?!

— অঁ, বুদ্ধবোমা। ইয়াৰ পাচত বিকেইটা ফুটাম,— মহাত্মাৰ নামত ফুটাম। তেখেতেও হেনো শান্তি আৰু অহিংসাৰ হকে জীৱনটো একদম নেফানেফ কৰি দিছিল। সেইকেইটাৰ আমি নাম ৰাখিম,— গান্ধীবোমা। বেয়া হ'বনে বাৰু?

চাই থাকোতেই বুদ্ধৰ মুখখন লিওনাৰ্ড ডা ভিঞ্চিৰ মনালিছাৰ নিচিনাকৈ হাঁহিছেনে কান্দিছে ধৰিব নোৱাৰা হ'ল। তেওঁ মূৰে-কপালে হাত দিলে। বাসন্তৰ বৰুৱা কেচুৱা ল'ৰাৰ ডায়লগ শুনি আঢ়ৈহেজাৰ বৰুৱা ককাদেউতাজন লাহেকৈ বিচনাতে ঢলি পৰিল।

# টেংচুই

অশোক, আম্রপালি, সংঘমিত্রা আটাইবোৰে লগে লগেই ডাক্টৰৰ ওচৰলৈ দৌৰ মাৰিলে। আৰু সেই সুযোগতে একে জাপে এমেৰিকান ছায়েন্টিষ্ট এজন গৈ বুদ্ধৰ কাষত বহিল। কাণৰ ওচৰলৈ মুখখন নি তেওঁ ফুচফুচাই কোবাদি ক'লে,- ছাৰ আপুনিতো জানেই,— এই ইণ্ডিয়ানমখা এক নম্বৰৰ ভেজাল। মহা দুই নম্বৰী। যোৱা পঞ্চাছ বছৰে ইহঁতে উন্নতি কৰাতো বাদেই, ৰাস্তাৰ গাঁতকেইটাকে পুতিব নোৱাৰিলে। কোনোদিনে একো এটা কৰিব নোৱাৰি এতিয়া ব'ম ফুটাই এটেন্‌চন ডাইভার্ট কৰিব খুজিছে। কথা নাই বতৰা নাই এনেই-এনেই চীনক জোকাই লৈছে। নানা পাটেকাৰৰ দৰে বিৰাট বিৰাট ডায়লগ মাৰিছে। ইহঁতে জানে,- এটম ব'ম, যুদ্ধ, চীন, পাকিস্থান, স্বাধীনতা, অখণ্ডতা,— এনেকুৱা ধৰণৰ শব্দ কিছুমান দুয়োকাণে ভৰাই দিব পাৰিলেই মানুহে আলু-পিয়াঁজৰ দাম, কপালৰ ঘাম, কোটি-কোটি টকাৰ লেটিপেটি, হাৱালা, এল'চি, ভগা-ছিগা ৰাস্তা, নিজৰ নিজৰ বেমাৰ, আনকি পেটৰ ভোকটোও পাহৰি থাকিব। যুদ্ধ-বিগ্ৰহ, মাৰপিট বুলিলে সিহঁত এনেই পাগল। টিভিটোৰ সমুখত বহি লৈ আওাৰ্‌টেকাৰ- ষ্টন্‌ক'ল্ডষ্টিভ্‌ অষ্টিনহঁতৰ ভুৱা ফাইটিংবোৰকে চৌবিছ ঘণ্টা গো-গ্ৰাসে গিলে। চানী দেউলৰ ঘোচা, আৰ্ণল্ডৰ বৰটোপ, গড্‌জিলা, আনাক'ণ্ডা, ৰেছ্‌লিং, বক্সিং চাই-চাই দিনে-ৰাতিয়ে বেহঁচ। তেনেস্থলত ইণ্ডিয়া-পাকিস্থানৰ যুদ্ধ, বৰ্ডাৰ-বাৰ, গুলীয়াগুলি, এটম ব'ম, কোটি-কোটি মানুহৰ ডেডবডী, নতুন-নতুন হিৰ'শিমা, চকুৰ পচাৰতে ধ্বংস হৈ যোৱা এখন-এখন নাগাচাকি, হেজাৰ-বিজাৰ বিস্ফোৰণ ! আহাহা! ইমাজিন কৰকচোন। এইবোৰে গোটেই ইণ্ডিয়ানমখাক একদম বলীয়া কৰি নেপেলাবনে?!

মানুহজনে মাতৰ পিংচ্‌ এইবাৰ অলম'ষ্ট শূণ্য ডেছিবললৈ নমাই নাৰদীয় ষ্টাইলত ক'লে,— কিন্তু আচল মজাৰ কথাটো কি জানে ছাৰ? শেহতীয়াকৈ অহা ছিক্ৰেট ছাৰ্ভিছৰ ভিতৰুৱা খবৰ মতে ব'মকেইটাও দুই নম্বৰী হোৱাৰ চান্সহে বেছি। নিৰ্জন মৰুভূমিখনত সোমাই লৈ একচুৰেলি বা সিহঁতে কি ফুটালেগৈ কি ঠিক। আপুনি মিছাতে টেন্‌চন নোখোৱাই ভাল হ'বনেকি.

কথাকেইটা শুনি এইবাৰ বুদ্ধৰ গা আৰু মন দুয়োটাই হঠাৎ ভাল লাগি গ'ল। এৰা, এওঁ কথাবোৰ ঠিকেই কৈছেনেকি। তেতিয়াহলে দেখোন ভালেই!

বুদ্ধৰ সঁচাকৈয়ে হাঁহি দিম যেন লাগিল।

# মহামান্য অসামান্য

ওঁহো। ফৎকৰে কৈ দিয়াটো বৰ মস্কিল। কেৱল চেহেৰা চায়েই কোন কি ডায়গ্‌নছিচ কৰিবলৈ গ'লে বিপদ আছে।

যেনে,– একালত মন্ত্ৰী বুলিলেই এখনি ছবি ভাহি উঠিছিল,– যঁত আছিল এটি বিয়াগোম ছাইজৰ পেট, এটা বগা কাপোৰৰ টুপী, এটা খদ্দৰৰ চোলা, এখন ধুতি, ডিঙিটোত কেইডালমান মালা, দুহাতত অনবৰতেই আঠা লাগি থকা এটা নিৰ্বাচন টাইপ নমস্কাৰ, কেইটামান গহীন-গম্ভীৰ খোজ, ওঁঠত এলানি ছিণ্‌থেটিক ডালিমগুটিয়া হাঁহি, পেটৰ ভিতৰত ৰহস্যময় সাঁথৰ, লাওখোলাৰ ভিতৰত চৌবিছ ঘণ্টাই পলিটিক্‌ছ. .

কিন্তু সিদিনা কলিকতাৰ অসম ভৱনত আক' হঠাতে দেখিলো,- বগা এম্বেছেদৰথনৰ পৰা দৌৰি অহাদি এজন নামি আহিল,– গোমোঠা মুখ, ভয়াৰ্ত চাৱনি, পখৰা-পাখৰি চোলা, এমেৰিকান জিন্‌চৰ ট্ৰাউজাৰ, ককালত বে'ল্ট।

দেখা মাত্ৰকে সেইজনক মন্ত্ৰী বুলি কোৱাৰ কোনো উপায়েই নাই। উপৰি-পুৰুষৰ সম্পত্তি বুলিবলৈ,– বা ট্ৰে'ড লাইচেন্স হিচাপে,– থকাৰ ভিতৰত আছে কেৱল প্ৰকাণ্ড পেটটো। বাকী এভ্‌ৰিথিং হ' ডিকাৰেন্ট..

আকৌ তেনেকৈ কিছুমান সৰুফুটীয়া, মানে স্মল ভেৰাইটিৰ ল'ৰা-ছোৱালী আছে,– যি ঘৰতে ফ্ৰক বা অকনমানি কিবা এটা পিন্ধি থাকে, যাক দেখিলে এনে লাগে যেন খুব বেছি ক্লাছ এইট বা নাইনত পঢ়ি আছে,– কিন্তু নহয়,– আচলতে হয়তো কলেজ, বা ইউনিভাৰ্চিটি, সকলোবোৰ সাং কৰি বৰ্তমান দৰা বা চাকৰি বিচাৰিহে দুদিনমান ঘৰত আছেহি. ...।

মুঠতে বিৰাট দিগদাৰি। আজিকালি এই ডায়গ্‌নছিচ বোলা বস্তুটো ইজ এ' ভেৰি কম্‌প্লিকেটেড থিং। স্কেন, ছনগ্ৰাফী.... এইবোৰ নহ'লেই নহয়।

সেই একেটা ঘটনাই ঘটিল ডিহ্‌ক'ভাৰি হেনেলৰ খনামধন্য প্ৰপ্ৰেম এক্‌জিকিউটিভ শ্ৰীমতী সুদৰ্শনাৰ বেলিকাও। সৌ সিদিনাৰ কথা।

তেওঁ বিচাৰি আহিছিল এজন অতি সামান্য মানুহক। কিন্তু যিজন মানুহক সামান্য বুলি ধৰি লৈছিল, আহি দেখে,– তেওঁৰ এটা প্ৰকাণ্ড ঘৰ। এখন বিয়াগোম গে'ট। তিনিখন মস্ত-মস্ত গাড়ী। চাৰিটা গেৰেজ। পাঁচটা ড্ৰাইভাৰ। ছটামান কুকুৰ।

# ঠেংচুই

থুলন্তৰ চেহেৰাৰ লপক্-থপক্ কেইটামান ল'ৰা-ছোৱালী।

শকত-আৱত সু-স্বাস্থ্যৱতী এগৰাকী ডাৰ্লিং।

সকলোৰে হাতত একোটাকৈ ম'বাইল। প্ৰত্যেকৰে সুকীয়া সুকীয়া ৰিংট'ন। ইফালে কিংছেনত ঘনাই ঘনাই টিং টিং কৰি থকা কৰ্ডলে'চ টেলিফোন।

বাহিৰে-ভিতৰে পাঁচ-ছটা 'কামকৰা' মানুহ। বাৰান্দাই-চোতালে দৰ্শনাৰ্থীৰ ভিৰ। ফুলনিৰ মাজত ছটামান মালী।

দেখিলেই এনে লাগে যেন মানুহজন আচলতে কোনোবা এম্‌পি, এমেলে' বা ওপৰ খাপৰ আমোলা, বিষয়া, বা ইঞ্জিনিয়াৰ, মেডিকেল কলেজৰ ডাক্তৰ, নতুবা বিজিনেছমেনহে!

পিছে নহয়। তেখেত বঙ্গপ্ৰদেশৰ এগৰাকী 'সামান্য' কৰ্মচাৰীহে।

জীৱনত 'অসামান্য' কাম কৰি বিখ্যাত হৈ পৰা 'সামান্য' মানুহৰ সন্ধানত ডিচ্‌কভাৰি ছেনেলৰ মানুহ বহুদিনৰ পৰাই টাকুৰি ঘূৰাদি ঘূৰিয়ে আছিল। আৰু আহি আহি এদিন অতি সঠিক ভাৱে এখেতৰ ঘৰতো উপস্থিত হ'ল।

যথাস্থানত কেমেৰা-তেমেৰা ফিট কৰি হাতত দীঘল মাইক্ৰ'ফ'ন এটা লৈ ডিচ্‌কভাৰিৰ নিজস্ব সংবাদদাতা (ছৰি, সংবাদদাত্ৰী) শ্ৰীমতী সুদৰ্শনাই ক'লে,— নমস্কাৰ, হে' বিখ্যাত মানুহজন। আমাৰ ছেনেলৰ ফালৰ পৰা আপোনালৈ থাকিল আন্তৰিক অভিনন্দন।

— ঈঃ। মোৰনো কিটো আছে বাৰু? — শ্ৰীমান অসামান্যই লাজ-লাজ ভাৱেৰে উত্তৰ দিলে। — কোৱালিফিকেছন বুলিবলৈতো একোৱেই নাই। চাকৰিও সৰু। অফিচটোত বেতিয়ালৈকে বহি থাকো,- ভালেই বাৰু, কিন্তু পিঠি দিলেই কলিগ্‌সখাই যিহে তিংকাৰি মাৰে...

— আস্! হ' নাইচ অব্ ইউ। আপুনি সঁচাই এজন ভদ্ৰলোক। ইমান নম্ৰ। অহংকাৰৰ চিন-চাবেই নাই। কিমান সহজ, কিমান সৰল

একেই লাজকুৰীয়া ভংগীমাৰে অসামান্যই সামান্য বেঁকাকৈ ভিতৰৰ পিনে চাই পঠিয়ালে। আৰু আশা কৰা মতেই পৰ্দাৰ ফাঁকেৰে শ্ৰীমতীৰ ফটা গোৰোহা এটা, লগতে ওপৰৰ পিনে দীঘল কাণফুলিপাত দেখি অধিক আনন্দিত হ'ল।

— অথচ আপুনি অসাধ্য সাধন কৰিছে। আপোনাৰ নাম যেনি-তেনি বৈ-বৈ গৈছে। কওকচোন কি আছে এই সফলতাৰ আঁৰত?

প্ৰশ্নটো শুনাৰ লগে-লগেই পৰ্দাৰ সিটো ফালে কাণ পাতি থকা শ্ৰীমতী অসামান্যা ডাৰ্লিঙৰ তৎক্ষণাৎ টিভিটোলৈহে মনত পৰি গ'ল। সেইয়ে সোঁধে,- চাবোনৰ বিজ্ঞাপনত,- ৰাজ ক্যা হেয়! লগে লগে তেওঁৰ নিজকে শ্ৰীদেৱী যেন লাগি গ'ল। জীয়েকেও পিচফালৰ পৰা আহি গালতে জোৰকৈ চিকুট এটা মাৰিলে।

'ৰাজ ক্যা হেয়'ৰ উত্তৰটো ফংকৰে দিব নোৱাৰি এইপিনে শ্ৰীমানঅসামান্যই

# ঠেংছুই

বেঙাটোৰ দৰে হাঁহি থাকিল। তাকে দেখি সুদৰ্শনাই পিন-পইণ্ট কৰি সুধিলে,– আপুনি বাৰু কিবা অ'ভাৰটাইম হু'ভাৰটাইম কৰেনেকি?

– হিঃ। ভাল কথাটো ক'লে। অ'ভাৰটাইম কৰাটো বাদেই, মই সাধাৰণতে অফিছলৈকে নেযাওঁ। যাব যাব কাম থাকে,– মোৰ ঘৰলৈকে আহে।

- অফিছলৈ নাযায়? হোৱাট স্ট্ৰেঞ্জ। আনবি-লি-ভে-বল।

- অঁ। প্ৰায় নাযাওঁ বুলিয়েই ধৰক।

- কিন্তু কিয়?

- অ'ঃ আপুনি জানিবই লাগিছিল। সাংবাদিক মানুহ। বছৰটোত দিন হ'লগৈ মুঠেই তিনিশ পঁয়ষষ্ঠীটা। তাৰে এশ এঘাৰ দিন চৰকাৰৰ ফালৰ পৰাই বন্ধ। হলিডে' লিষ্টখন আপোনাক দেখুৱাম ৰ'ব। খুব ফুৰ্ত্তি লাগিব। পু-ৰ-বা পঞ্চলিছ মাইল দীঘল। বাৰ মাহত মিনিমাম বাৰহেজাৰটা উৎসব। তাৰোপৰি প্ৰাইভেট বন্ধৰ বাবে ৰিজাৰ্ভ আনাদাৰ ডেড়শমান দিন। যেনে ধৰি লওক,– আছুৰ বন্ধ, আলফাৰ বন্ধ, অগপৰ বন্ধ। পিচিজিৰ বন্ধ, বিজেপিৰ বন্ধ। হিন্দুৰ বন্ধ, মুচলমানৰ বন্ধ। বাকী যিকেইটা দিন বাকী থাকে আমি সৰ্বাত্মক কৰি পাৰ কৰি দিওঁ। বচ্। কাম শেষ।

– সৰ্বাত্মক মানে !?

– উৰা! বাতৰি কাকতত দেখোন ওলায়ে থাকে। সেইযে বাস'ত্তৰ ঘণ্টীয়া, এহেজাৰ ঘণ্টীয়া সৰ্বাত্মক অসহযোগবিলাক। নিজ নিজ কৰ্মক্ষেত্ৰত অনুপস্থিত থাকি শহুৰৰ ঘৰলৈ যোৱা, দাৰ্জিলিঙলৈ যোৱা, বিয়া খাবলৈ যোৱা। তাৰ উপৰিও ধৰ্ণা, বিবৃতি। তীব্ৰ প্ৰতিবাদ। কৰ্মবিৰতি। আকস্মিক গণছুটী। কেতিয়াবা শোভাযাত্ৰা, কেতিয়াবা দিল্লীযাত্ৰা

– বাৰু বাৰু ৰ'বচোন। অসম বন্ধ, পথবন্ধ, চকাবন্ধ,- এনেকুৱাবিলাক আপোনালোকৰ নাইনেকি?

– নাই নাই। আমাৰ সেইবোৰ নাই। আমাৰ সৰ্বাত্মকতে সেই আটাইবোৰ সোমাই যায়। প্ৰেক্‌টিকেলি অসম বন্ধৰ দৰেই হ'ল, অথচ বাছ-ৰে'ল, দোকান-বজাৰো খোলা থাকিল,– মুঠতে এক মজাৰ কাৰ্য্যসূচী। আৰু গোটেই বস্তুটো শুনিবলৈকো ভাল।

– মানে?

– মানে এই শব্দবোৰযে,– কৰ্ম, বিৰতি, সৰ্বাত্মক, অসহযোগ,– শুনিয়ে ভাল নালাগেনে বাৰু? কিমান সাহিত্য-সুলভ। আৰু কিমানযে ৰোমাণ্টিক। অসম বন্ধ বুলিলে বৰ খহটা খহটা লাগে।

– বুজিছো। তেনেহ'লে নেক্সট থিং আহিল যে,- আপোনালোকক লাগে কি? অনবৰতে কিয় সৰ্বাত্মক কৰি থাকে?

– বাপৰে! আমাকতো বহুত কিবাকিবিয়েই লাগে। যেনে ধৰি লওক,–সবহকৈ

দৰ্মহা লাগে। বেছিকৈ সুবিধা লাগে। ব'নাছ, ছুটী, আৰাম, ঘৰভাড়া,– এই আটাইবোৰ লাগে।

– এতিয়া এইবিলাক কমনেকি?

– ঈঃ। তেনেই কম আক'! চেণ্ট্ৰেলৰবোৰে কিমান গালে-গালে পাইছে দেখা নাই? আমাকো সিমানেই লাগিব। সিহঁতনো কি বেলেগটো? আমাৰ নিচিনা একেইহে ধদুৰা! অথচ সিহঁতে বহিব এ'-চিত, খাব চিকেন বিৰিয়ানি। আৰু আমি বহিম মান্ধাতা যুগৰে ঠেং-মূৰ নাইকিয়া চকী এখনত। খাম ফাইলৰ ধুলি। আৰু তপিনাত উৰহৰ কামোৰ

– বেয়া নাপ্পাব, কথা এটা সোধো। আপোনালোকে, আই মিন,– ধৰি লওক আপোনাৰ কথাই কৈছো,– আপুনি বাৰু কিমান দৰ্মহা পায়?

– ওঁহো। নাজানো। ছৰি। দৰ্মহাৰ লগত মোৰ বৰ এটা কাৰবাৰ নাই। ৰাইজৰ আশীৰ্বাদত ইমানদিনে প্ৰাইভেট প্ৰেক্‌টিছেৰেই চলি আহিছো।

– তেনেহ'লে আপোনাৰ যে দৰ্মহা কম সেই কথা কেনেকৈ জানিলে?

– এঃ। লগৰবোৰে কৈছে আক'! চবৰে মুখত এটাই কথা। দৰ্মহা কম। দৰ্মহা কম। গতিকে সৰ্বাত্মক কৰিব লাগে।

– শুনিবলৈ পাইছো,– বেছিভাগেই হেনো অফিছত একো কাম-বন নকৰে। আহো-নাহোঁকৈ লেলাই-ধেন্দাই এঘাৰটামানত ওলায়হি, আকৌ যাবৰ হয়েই। তিনিটাত ঘৰেই পায়গৈ। অপেন্‌লি টকা-পইছা খায়। টকা নাপালে একো কৰি নিদিয়ে। কাইলৈ আহিব পৰহিলৈ আহিবকৈ চোঁচোৰাই থাকে। এই বিষয়ে আপোনাৰ কি মতামত?

শ্ৰীমান অসামান্যই আকৌ এবাৰ বেঙা হাঁহিটো মাৰি পাতলিয়াকৈ মূৰটো খজুৱালে। কিবা এটা ক'ম বুলি ভাবিও তেওঁ ৰৈ গ'ল।

– আচ্ছা ঠিক আছে,- বেছিকৈ দৰ্মহা লাগে। কিন্তু গাভ্‌মেণ্টৰযে পইচাই নাই। সেইসকলে ৰাস্তাৰ গাঁতকেইটাকে পঞ্চাছ বছৰে পুতিব নোৱাৰিলে। ইপিনে লাইট নাই, পানী নাই, অমুক নাই তমুক নাই,- তেনেকুৱাত

– এঃ চব বাজে কথা। ভোজ-ভাত খাবলৈ কিন্তু সিহঁতৰ দ'ম দ'ম টকা। গোটেই ভঁৰালটো চুচি-বাচি, চেলেকি, ফেনেকি মাহটোতে কেইবাকোটি ঘটে। তথাপি সিহঁতৰ পেট নভৰে। খুচিমত নিজৰ দৰ্মহা নিজেই বঢ়াই লয়। যিটো কাম আমাৰ প্ৰতিনিধিয়ে পাৰে,– আমি কিয় নোৱাৰো? হুঁ।

সুদৰ্শনাই ঘড়ীলৈ চালে। আৰু সামৰাৰ ইংগিতেৰে শেষ প্ৰশ্নটোলৈ আহিল।

– অ'কে, আপোনাক আৰু ডিষ্টাৰ্ব নকৰো। আপুনি কামৰ মানুহ। মাত্ৰ এটা কথা সোধো। আপোনালোকৰ সৰ্বাত্মক এতিয়াও চলি আছেনেকি?

– হয়। চলি আছে।

– ভেৰি গুড্‌। খুব ভাল কথা। এই সৰ্বাত্মকটো ভৱিষ্যতে আৰু-অলপ

এক্সটেণ্ড কৰিবনে বাৰু?'

– এক্সটেণ্ড! মানে. ?!

– মানে ধৰি লওক,– এই যে অফিছত কাম-বন নকৰা, পইছা খোৱা আদি কমপ্লেইনবিলাক,– যদিহে সঁচা হয়,– তাৰো প্ৰতিবাদত অথবা ছেণ্ট্ৰেলৰ দৰেই আঁঠটাৰ পৰা পাঁচটালৈকে 'আমিও কাম কৰিব লাগে' বুলি, এশ-এঘাৰটাকৈ বন্ধ কেন্সেল কৰি কেজুৱেলো মাত্ৰ দহটামান দিলেই হ'ব বুলি, পাঞ্চ-কাৰ্ড ছিষ্টেম প্ৰবৰ্তন কৰিব লাগে বুলি. . ইত্যাদি দাবীৰে,– ৰসতে নাম থৈ হ'লেও,– অলপমান 'সৰ্বাত্মক' আপোনালোকে কৰিবনে কেতিয়াবা. . !? আৰু ধৰক,– একেকেইজন মানুহেই বছৰ বছৰ ধৰি নেতা হৈ আছে, অলপ অচৰপ পলিটিক্সো কৰিছে,– তেওঁলোকৰ ঠাইত আন কাৰোবাক ? ভাবিছেনে কিবা??

সুদৰ্শনাৰ ৰেপিদ্-ফায়াৰ কুইজে অসামান্য বাপুকণৰ মেইন ফিউজ উৰাই দিলে। মানুহটো যেন পায়নিয়াৰ ইলেভেনত গৈ থকাৰ পৰা পিচল খাই থলৰকে' নিজৰ পকা চোতালখনতে পৰিল। চকু টেলেকা-টেলেক হ'ল। মেলা মুখেদি জিভা গোটেইখন হৰ্‌হৰকৈ বাহিৰ ওলাল।

নগদ সাত মিনিট তেৰষ্ঠী হেকেণ্ড সেইটো ভংগীমাতে থেলপোঙা দি থকাৰ পিচত কথম্‌পি সেপ-তেপ ধুকি, পানী-দুনী পি মহামান্য অসামান্যই সুদৰ্শনা আইদেউক কম্‌প্লিটলি ইগ্‌ন'ৰ কৰি এইবাৰ মুৰৰ ওপৰৰ চিলিংখনলৈ চালে। চাই থাকি পৰম ভক্তিভাবেৰে দুইখন হাত যোৰ কৰিলে। আৰু প্ৰাৰ্থনাৰ সুৰেৰে বিৰ্‌বিৰাবলৈ ধৰিলে,–

– হে' প্ৰভু! হে' দয়াময়! এইজনীয়ে এইবোৰ কি গাইছে হয়নে? তুমি তাইক সুমতি দিয়া। বৰ অমংগলীয়া কথা কিছুমান বলকি আছে। সঁচাকৈয়ে বাৰু কেতিয়াবা তেনেকুৱা দিন আহিবনে?

ননাবা ঈশ্বৰ। আৰু যদি কেনেবাকৈ আহেও,- তাৰ আগতেই যেন মই ৰিটায়াৰ হওঁ। বিপদত নেপেলাবা আৰু প্ৰভু! হে' দয়াময়। বহুত দিছা। আৰু একো নিবিচাৰো। মাত্ৰ

কেমেৰা-চেমেৰা সামৰি শ্ৰীমতী সুদৰ্শনা যাবলৈ ওলাল। আৰু ইপিনে শ্ৰীমান অসামান্যই ছ'ফাখনতে লেপেটা কাঢ়ি বহি লৈ নন্‌ষ্টপ বিৰবিৰাই থাকিল।

# ঠেংচুই

নতুনকৈ কনিষ্টবল হোৱা বাংলাদেছী এজনক সুধিলো,- কোৱাচোন, চাকৰিটো কেনেকৈ যোগাৰ হ'ল? ধৰা পৰি যোৱা আধা-ভঙা অসমীয়াৰে কনিষ্টবল ডাঙৰীয়াই ক'লে,- বাবাৰ ঠেং চুই ভালদৰে এটি প্ৰণাম জনাইছিলো,- বচ, হৈ গ'ল। ইণ্টাৰভিউ নিদিয়াকৈয়ে পাই গ'লো।

- 'ঠেং' বুলি ক'লাযে। বাবাজন চাৰিঠেঙীয়ানেকি?

- না না না  তেওঁ উচপ খাই উঠিল। - চৌঠেঙীয়া নয, দুই-ঠেংগীযা আচল মানুছ। অবশ্যে হাঁ, মানুহ বুলি নকৈ দেৱতা জৰুৰ ক'ব পাৰি। বিশ্বব্ৰহ্মাণ্ডত এনে কোনো সমস্যা নাই যিটো বাবাই সমাধান কৰিব নোৱাৰে

অসমলৈ আহিব খোজা বাংলাদেছীক অসমীয়া শিকাবৰ বাবে বাংলাদেছত বহুতো পঢ়াশালী হৈছে। তাতে পটি কেইটামান শব্দ ক'ব পৰা হ'লেই সিহঁতৰ শিক্ষা সাং হয়, অসমলৈ গুছি আহে। আমাৰ এইজনো তেনেকুৱাই। 'ঠেং' গুছি চৰণ নৌ হওঁতেই ভৰি আহি সীমাৰ এইপাৰ হ'ল।

- বাবাই তোমাক কি কি বিধান দিছিল?

- প্ৰতি দেওবাৰে পুৱা ছয় বাজি তেত্ৰিছ মিনিট যোৱাত চাৰিশ পঞ্চাছ গ্ৰাম ওজনৰ এটা নাৰিকল বাষষ্ঠীবাৰ মূৰৰ চাৰিওফালে ঘূৰাবলৈ দিছিল। এখন খাকী ৰঙৰ লুঙি পিন্ধি গাঁঠিটোত এডাল তেত্ৰিছ ইঞ্চি দীঘল বেত ওলমাই ল'বলৈ কৈছিল.

- লগত কিবা মন্ত্ৰ চন্ত্ৰ  ?

- দিছিল। ওঁম কণিষ্ঠবলং নমস্ততে । লগতে মণি-মুকুতাবোৰতো আছিলেই।

- সেইবোৰ ক'ত পাইছিলা?

- বাবাৰ নিজৰ দোকান আছে, তাৰ পৰাই কিনিছিলো।

- বাবাই চোৱা-মেলাও দোকানতেই বহি কৰেনেকি.  ?

- দোকানত কৰে, ঘৰত কৰে, সপ্তাহৰ তিনিদিন সুন্দৰী এগৰাকীক লগত লৈ দূৰদৰ্শনৰ বাকচটোতো বহে। ঘৰৰ পৰাই চিঠি লেখি বাকচটোত বহি থকা সময়খিনিত

তেখেতৰ পৰা বিনা-পইচাতেও এড্‌ভাইছ ল'ব পাৰি।

- বাঃ! বঢ়িয়া সুবিধা। মানুহে চাগে' তামাম চিঠি লিখে। আৰু এইযে ঠেংচুই পুতলাবিলাক, সেইবোৰ ক'ত পায়!

- সেইবোৰো তাতেই পায়। . ব'লক, যাবনেকি ?

মোৰ এজনী মাহী আছিল। মাহী যেতিয়া ক্লাছ টেন্‌ত, তেতিয়া মই থ্ৰীত। মানে,- তৃতীয় শ্ৰেণী। থ্ৰী, ফ'ৰ, ফাইভকৈ গৈ গৈ ময়ো যথাসময়ত টেন পালো। মাহী তেতিয়াও টেন্‌ত। হায়াৰ ছেকেণ্ডেৰি পাছ কৰি ওলালো, ওলাই মেডিকেলত সোমালো। মেডিকেল পাছ কৰিও যেতিয়া ওলালো, তেতিয়াও মাহী টেন্‌ত। সুন্দৰকৈ একে জেগাতে ফিটিং দি আছে। যেন কোনোবা মিনিষ্টাৰে কাহানিবাতেই স্থাপন কৰি থৈ যোৱা এটা আধাৰশিলাহে!

আন্টিমেথলি মাহীৰ মেট্ৰিক পাছ কৰা নহ'ল। তেওঁতকৈ তিনিবাৰ কম মেট্ৰিক দিয়া ল'ৰা এজনক এদিন ঘৰৰ সমুখতে পাই ক'লে,- আমি দুটা বৰ ভাল মিলিমহে'। এই বিষয়ে তুমি কি ভাবা ? ল'ৰাই ঠিকেই ভাবিলে, আৰু কালক্ৰমত তেৱেঁ গৈ আমাৰ মহা হ'ল।

সেই মহা-মাহীৰে ডাঙৰ ল'ৰাটো যেতিয়া একেলেঠাৰিয়ে চাৰিবাৰ মেট্ৰিকত গেঠেলা লাগিল, তেতিয়া এদিন মাহীয়ে মহাক ক'লে,- বুইছা, মই লক্ষণটো ভাল দেখা নাই। আমাৰ গতিয়েই হ'বগৈনেকি। মই ভাবিছো, বাবাৰ তালৈকে লৈ যাওঁ। ইমানবিলাক মানুহ গৈছে! সেইযে মৰিগাওঁত টিংকু ডেকা ওলাইছিল, তাতোকৈয়ো বেছিহে ভীৰ

পুত্ৰ-সমন্বিতে মহা-মাহী গৈ বাবাৰ দুই ঠেঙত লাং খাই পৰিল। হাতৰ তলুৱাতে কেল্‌কুলেটৰ এটা লৈ বাবাই গণনা আৰম্ভ কৰিলে

এদিন খবৰ এটা লৈ আহোগে বুলি গ'লো। চিৰিৰ সমুখতে বাৰান্দাৰ তিনি ঠাইত তিনিটা পুতলা আৰু এটা হাঁহৰ কণী। 'এইটো ইয়াত কেলেই' বুলি ঠিক বুটলিবলৈ লৈছো, ঘৰখনৰ আটাইবোৰ প্ৰাণী বিশ্বাশবদে মোৰ ফালে দৌৰি আহিল। - হে' হে'... কি কৰা কি কৰা নুচুবা.. নাতবাবা.....!

মই বিচুৰ্তি খালো। উবা, এয়া বা কি! মহাই ক'লে,- এয়া ঠেংচুই। বাবাই যেনেকৈ কৈছে,– একদম তেনেকৈয়ে ৰাখি দিছো। থকা জেগাৰ পৰা এক ইঞ্চিও ইফাল-সিফাল হ'ব লাগিলে,- সৰ্বনাশ!

ঘৰলৈ আহি বস্তুকেইটা আৰু সিহঁতৰ পজিছন সম্পৰ্কে শ্ৰীমতীক ডিটেইল্‌চ বৰ্ণনাটো দি শেহত সুধিলো,- ব'বাচোন, এই হাঁহৰ কণীটোৰ কি মিনিং হ'ব পাৰে বাৰু...?

# ঠেংচুই

- কেলেই, হাঁহ জানো সৰস্বতীৰ ছিম্বল নহয়? এতেকে

- ঠিক আছে, সেইটো বাৰু বুজিলো। পিছে এইযে 'ঠেংচুই' শব্দটো,- শুনিলে কিবা ফেংচুইৰ নকল যেন নালাগেনে?

- লাগে। কিন্তু কি কৰিবা? আজিকালি এভ্ৰিথিং নকল। দেখিছাই,- হলিউদক দেখি বলিউদ, আকাইক দেখি তাকাই, আইবাৰ জেগাত নাইবা সেইবোৰ আছেই আৰু! আমাৰ এই চিৰচেনেহী বঙ্গপ্ৰদেশ দেখোন আনবিলাক কথাৰ লগতে ভেজাল আৰু নকলৰ কাৰণেও সমানেই বিখ্যাত। সেই কথা গোটেই ভূ-ভাৰতেই জানে। এতেকে ফেংচুই, ঠেংচুই, জেংচুই এই আটাইবোৰ একেই বুলি ধৰাচোন।

ঘৰৰ কাষৰে এক ডেকাল'ৰা। বেছ ফুৰ্তিত থাকে। দেখিলেই আগবাঢ়ি আহে। খা-খবৰ লয়। আৰু দিয়েও। কেতিয়াবা দুই-এফাকি কবিতা শুনায়। শেহতীয়া জ'ক-ত'ক পালেও লাহেকৈ ফুটাই থৈ যায়হি

হঠাৎ এদিন মন কৰিলো,-ডেকাৰ আগৰ মুডটো নাই। কিবা যেন অলপ মৰহি গৈছে! দেখি আগবাঢ়ি অহা নাই। এটা হাঁহি মৰা নাই। আতৰি আতৰি ফুৰা যেন লাগিছে। দাঢ়িবোৰো কটা নাই।

তেওঁৰে এক বন্ধুক সুধিলো,- কি হ'ল ৰোমিঅ'ৰ?

- এ' বাপুকণ প্ৰেমত পৰিল

- প্ৰেমত পৰিল? তেনেহলে ফুৰ্তিটো আগতকৈও আৰু বেছিহে হ'ব লাগিছিল! দমি গৈছে কেলেই?

- ঈ.... ৰ'ব, প্ৰেম বেছিদিন নিটিকিল নহয়। এদিন সন্ধিয়া এওঁ এইপিনে পাৰ্কৰ সমুখত ৰৈ থাকোতেই গ'ল, সিপিনে বেলেগ এজনৰ বাইকত বহি আইদেউ কোনোবা ধুবুৰী পালেগৈ। সেই তেতিয়াৰে পৰাই টোটেলি ডাউন। প্ৰথম কিছুদিন ঠিকেই আছিল। মাজে-মাজে চাওঁ। নাই, সেই একেদৰেই আছে। কণ্ডিচন অকণো ইম্প্ৰুভ হোৱা নাই। মতা নাই। হঁহা নাই। সম্পূৰ্ণ বিৰহ। সেইযে ভাওনাবোৰত হিৰ'ই বহি লৈ আঠুত মুৰটো গুজি 'বিলাপ' কৰে,— কৈক গৈলা প্ৰাণ প্ৰিয়া.... একদম চেইম ছিচুৱেইচন। কোনো ডিফাৰেন্স নাই।

কেইবামাহো পাৰ হৈ গ'ল। এদিন দেখিলোঁ,- ৰোমিঅ'ৰ মুখখন যেন সামান্য পোহৰ! গালৰ দাড়িবোৰ নাই। এদিন চকুৱে চকুৱে পৰিলত লাজ-লাজকৈ হাঁহি এটাও মাৰিলে। তাৰ দুদিন পিচত আগবাঢ়ি আহি দুবাৰমান কথা পাতিলে....

বন্ধুজনে ক'লে,- এৰা, তাক মধ্যে পঠালো। ক'লোঁ,— যাচোন, বাবাৰ তালৈকে।

কিবা এটা কিজানি হয়েই। বহুত মানুহ গৈছে।

- তাৰ পিচত?

- হৈ গ'ল কাম। পাঁচটা গোলাপৰ কাঁইট জুইত পুৰি তলমুৰাকৈ পুতি থ'বলৈ দিলে। লগতে এটা চুম্বক। দুই কেজি মচুৰ দাইল। আধা কেজি ৰহৰ। আৰু দুটা তাবিজ। তাৰে এটা তাবিজৰ ভিতৰত পাঁচটা জেঠী-কণী, তিনিটা ভেঙী, আৰু এঘাৰ দশমিক পাঁচ শূণ্য গ্ৰাম ক'লা ৰঙৰ মকৰা-জাল।

- মকৰা জাল!

- অঁ, মকৰা জাল। তাৰ বাহিৰেও এটা পাত-বেং আৰু এটা ঠেংচুই পুতলা। পুতলাটোৰ নাম লাভ বাৰ্ড নে লাভ পিৰামিড,- এনেকুৱা কিবা এটা। কৈছিল, মই পাহৰিলোঁ। বাবাই ক'লে,- ইয়াৰ উপৰিও শোবনি কোঠাৰ দক্ষিণ কোণত চাৰে-এঘাৰ চেণ্টিমিটাৰ ওখ এটা শিৱলিংগ ৰাখা, ৰাতি এঘাৰ বাজি তেত্ৰিছ মিনিট বিৰাল্লিছ চেকেণ্ডৰ পৰা দুই বাজি ন মিনিট তেইছ চেকেণ্ডলৈকে আণ্ডাৰ্‌পেণ্ট নোহোৱাকৈ এখন ৰে'ড কালাৰৰ ছিন্থেটিক লুঙি পিন্ধি বিচনাৰ তলত উবুৰিকৈ শোৱা .

- ছিন্থেটিক !?

- ওঁ। ছিন্থেটিক। আৰু প্ৰতি একাদশী তিথিত এশ-আঠপাহ ৰঙা গোলাপেৰে ভেলেণ্টাইন পূজা কৰা,- বচ, আৰু একো নালাগে, তোমাৰ হেৰোৱা মানুহ কেনেকৈ ঘূৰি নাহে মই চাই ল'ম

- সঁচাকৈয়ে তাই ঘূৰি আহিল নেকি?

- ঘূৰি অহা নাই। গ'ল যি গ'লেই। কিন্তু ঠেংচুইৰ জোৰতে বাপুকণৰ হাঁহিটোতো ঘূৰি আহিল। ডাটিখিনি কটা গ'ল। ইতিমধ্যে আন এজনীও জোগাৰ কৰি ল'লে। সেয়ে বহুত।

ঠেংচুই